NOWGONG GIRLS' COLLEGE
চৰৈবেতি চৰৈবেতি
ESTD. 1962
NAGAON-ASSAM

# চৰৈবেতি

২০২৪-২০২৫ বৰ্ষ

নগাঁও ছোৱালী কলেজ আলোচনী



তত্ত্বাৱধায়ক
ৰণজিৎ বৰুৱা
ড° বিপুল মালাকাৰ

সম্পাদিকা
মিনাক্ষী হীৰা

# কলেজ সংগীত

আমি এই কলঙৰ পাৰতে
পোহৰৰ কাৰেং সজাওঁ
ফুলৰ হাঁহিৰে আমি
জ্যোতিৰ শিখাৰে ৰচা
আশাভৰা কাহিনী শুনাওঁ।।

আমাৰ সপোনে চুমে বিশাল আকাশ
ইয়াত জীৱনে পালে অসীম আশ্বাস
সুৰৰ সেনানী সাজি
জীৱন হবিৰে আমি
সাহসৰ অগনি জ্বলাওঁ।

আমি মহাপুৰুষৰ আশিসেৰে মণ্ডিত
এই পৱিত্ৰ ভূমিতে
ৰচি যাওঁ জীৱনৰ যুগমীয়া ইতিহাস
ধৰণীৰ প্ৰতিকণা ধূলিতে।
নবীন প্ৰভাতে আহি
পোহৰাব ধৰাখনি
আমি তাৰে আৱাহনী গাওঁ।।

ৰচনা ঃ অধ্যাপক ইদ্ৰিছ আলি
সুৰ ঃ অধ্যাপক ইদ্ৰিছ আলি
ড° জ্যোতিনাথ চক্ৰৱৰ্তী



# নগাঁও ছোৱালী কলেজ আলোচনী

# চৰৈবেতি

২০২৪-২০২৫ বৰ্ষ

তত্ত্বাৱধায়ক

**ৰণজিৎ বৰুৱা**

**ড° বিপুল মালাকাৰ**

সম্পাদিকা

**মিনাক্ষী হীৰা**

# Charaiweti

The Annual Magazine of Nowgong Girls' College, Edited by Minakshi Hira, Guided by Ranjit Barua, Dr. Bipul Malakar and published by Dr. Kulen Chandra Das, Principal, Nowgong Girls' College, Nagaon, Assam.

## নগাঁও ছোৱালী কলেজ আলোচনী

২০২৪-২৫ বৰ্ষ

চৰৈবেতি

### সম্পাদনা সমিতি ঃ


সভাপতি ঃ ড° কুলেন চন্দ্ৰ দাস, অধ্যক্ষ, E-mail : kulen1das@gmail.com

উপদেষ্টা ঃ মৰমী গায়ন, E-mail : moromig.49@gmail.com

তত্ত্বাৱধায়ক ঃ ৰণজিৎ বৰুৱা, E-mail : ranjitbarua.ngc@gmail.com
ড° বিপুল মালাকাৰ, E-mail : abhinabbipul@gmail.com

সম্পাদিকা ঃ মিনাক্ষী হীৰা

শিক্ষক সদস্য ঃ ড° সঞ্চিতা বৰা
ড° উদয় ভান ভগত
ৰেচ' বেঞ্জামিন টেৰণ



প্ৰকাশক ঃ অধ্যক্ষ, নগাঁও ছোৱালী কলেজ

প্ৰচ্ছদ শিল্পকৰ্ম ঃ জুবিস্মিতা বৰা

শিল্পসজ্জা ঃ হেমন্ত কুমাৰ বৰা, অনামিকা বৰা

অক্ষৰ বিন্যাস ঃ গীতামণি শইকীয়া

মুদ্ৰণ ঃ বিৰিখ, লাওখোৱা পথ, মাজৰ আটী চাৰিআলি, নগাঁও, অসম
দূৰভাষ ঃ ৮৭৫৩৯ ৭০৮৭৮


ঘোষণা ঃ আলোচনীত প্ৰকাশিত লেখনিসমূহ মৌলিক বুলি গণ্য কৰি প্ৰকাশ কৰা হৈছে। এই ক্ষেত্ৰত কিবা বিসংগতি থাকিলে তাৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।





অসমীয়া জাতিৰ হৃদস্পন্দন, স্বপ্নদ্ৰষ্টা, ভাষা-সংস্কৃতি-সংগীতৰ
প্ৰাণস্বৰূপ প্ৰাণৰ জুবিন গাৰ্গলৈ আমাৰ গভীৰ শ্ৰদ্ধাঞ্জলি

তেওঁ আমাক দি গৈছে ব্ৰহ্মপুত্ৰৰ ঢৌ
পাহাৰৰ মায়া আৰু যৌৱনৰ সপোন সংপৃক্ত
চিৰসেউজ গীতৰ উত্তৰাধিকাৰিত্ব

তেওঁৰ গীতত, কণ্ঠত ধ্বনিত হয়
মাটি, মানুহ আৰু অনুভূতিৰ স্পন্দন

অসমীয়া সংগীত আৰু সংস্কৃতিক
গৌৰৱেৰে মহীয়ান কৰাৰ বাবে আমি তেওঁৰ ওচৰত চিৰকৃতজ্ঞ
নগাঁও ছোৱালী কলেজৰ এই বৰ্ষৰ আলোচনী
**চৰৈৱেতি**
যুগস্ৰষ্টাজনৰ প্ৰতি শ্ৰদ্ধা আৰু মৰমেৰে উছৰ্গা কৰিলোঁ।

Rupak Sarmah
Member,
Assam Legislative Assembly
60 No. Nagaon-Batadraba LAC

**Residence**
**Guwahati :** MLA Hostel
Qtr. No.E-3 , Dispur, Ghy-6
Nagaon : P.S. Road, Amolapatty, Nagaon-782003



# শুভেচ্ছাবাণী

মধ্য অসমৰ একমাত্ৰ কন্যা মহাবিদ্যালয় 'নগাঁও ছোৱালী কলেজ'। ১৯৬২ চনৰ ১২ ছেপ্তেম্বৰত শিক্ষাবিদ মহেশ চন্দ্ৰ দেৱগোস্বামীদেৱৰ প্ৰচেষ্টাত জন্ম লাভ কৰা এই মহাবিদ্যালয়খনিয়ে প্ৰতিষ্ঠাকালৰে পৰা নাৰীশিক্ষাৰ ক্ষেত্ৰত যথেষ্ট অনুপ্ৰেৰণা যোগাই আহিছে। মহাবিদ্যালয়খনিৰ বাৰ্ষিক আলোচনী **'চৰৈৱেতি'** প্ৰকাশ কৰিবলৈ প্ৰস্তুতি চলোৱা বুলি জানিবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ। আলোচনীখনিত মহাবিদ্যালয়খনিৰ গৌৰৱময় ইতিহাসৰ লগতে সাম্প্ৰতিক সময়ৰ পৰিৱেশ আৰু জাতীয় জীৱনৰ গৌৰৱময় ৰূপটো প্ৰতিফলিত হওক। আলোচনীত প্ৰকাশ পাবলগীয়া লিখনিসমূহে বৰ্তমান সমাজৰ প্ৰতিজন পঢ়ুৱৈক এক সুন্দৰ চিন্তাধাৰাৰ সমল যোগোৱাৰ উপৰি ৰাইজৰ মনোগ্ৰাহী হৈ প্ৰকাশ পাব বুলি আশা ৰাখিছোঁ ।

**'চৰৈৱেতি'** আলোচনীখন সৰ্বাঙ্গসুন্দৰ হৈ প্ৰকাশ হওক, তাৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা যাচিলোঁ আৰু আলোচনীখন প্ৰকাশৰ লগত জড়িত সকলোটিলৈকে মোৰ আন্তৰিক অভিনন্দন যাচিলোঁ।

(ৰূপক শৰ্মা)
বিধায়ক
৮৬ নং নগাঁও সদৰ বিধান সভা সমষ্টি

E-mail : rupaksarmah1@gmail.com ■ Mobile No. 99540 50021



# মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতিৰ একাষাৰ

মোৰ মৰমৰ অধ্যাপক-অধ্যাপিকাবৃন্দ, কৰ্মচাৰীসকল আৰু প্ৰিয় ছাত্ৰীসকল। আমাৰ নগাঁও ছোৱালী কলেজৰ বাৰ্ষিক আলোচনী প্ৰকাশ কৰিবলৈ ওলোৱাৰ বাবে আনন্দ আৰু গৌৰৱেৰে শুভেচ্ছা জনাইছোঁ। কলেজৰ শিক্ষামূলক সাহিত্যিক আৰু সাংস্কৃতিক জীৱনৰ এটি দৰ্শন হিচাপে এই বাৰ্ষিক আলোচনীৰ গুৰুত্ব অপৰিসীম। এই আলোচনীখনৰ জৰিয়তে আমাৰ ছাত্ৰীসকলৰ সৃজনশীলতা, চিন্তাধাৰা আৰু প্ৰতিভাৰ সুন্দৰ প্ৰতিফলন দেখা পোৱা যায়।

সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত কলেজত পঢ়ি থকা সময়তে কলেজ আলোচনীৰ বাবে বিভিন্ন বিষয়ত নতুন নতুন লেখা লিখিবলৈ ছাত্ৰীসকলক আহ্বান জনাইছোঁ। লেখাসমূহ মৌলিক, সৰল, তথ্যপূৰ্ণ, সমাজ সংস্কাৰকামী, মন আপ্লুত কৰিব পৰা হ'লে ভাল। কলেজ আলোচনীৰ যোগেদি স্ত্ৰীশিক্ষাৰ অগ্ৰণী অনুষ্ঠানটিৰ সৌষ্ঠৱ বৃদ্ধি হ'লে শুভাকাংক্ষীসকল আনন্দিত হোৱাৰ লগতে যিসকল মহান ব্যক্তিয়ে নানা আলৈ-আহুকালৰ মাজেদি এই নগাঁও ছোৱালী কলেজখন প্ৰতিষ্ঠা কৰিছিল, তেওঁলোকৰো শ্ৰম সাৰ্থক হ'ব। অধ্যাপক-অধ্যাপিকাবৃন্দৰ দিশ নিৰ্দেশনা আৰু সম্পাদকীয় সমিতিৰ অক্লান্ত পৰিশ্ৰমে এই আলোচনীখন সফলভাৱে প্ৰকাশ পোৱাটো নিশ্চিত কৰিছে। নগাঁও ছোৱালী কলেজৰ পৰিচালনা সমিতিৰ সভাপতি হিচাপে এই শিক্ষানুষ্ঠানৰ উত্তৰোত্তৰ কামনা কৰিলোঁ।

ছোৱালী শিক্ষাৰ ক্ষেত্ৰত এই কলেজে আগবঢ়োৱা অৱদান সমাজৰ বাবে অনুপ্ৰেৰণাৰ উৎস। এই আলোচনীখনে ছাত্ৰীসকলৰ আত্মবিশ্বাস বৃদ্ধি কৰাৰ লগতে জ্ঞান, নৈতিকতা আৰু মূল্যবোধ বিকাশত সহায়ক হ'ব বুলি মই দৃঢ় বিশ্বাস কৰোঁ। এই শুভক্ষণত মই আলোচনীখন প্ৰকাশৰ সৈতে জড়িত সকলোকে আন্তৰিক অভিনন্দন জনাইছোঁ আৰু ভৱিষ্যতেও কলেজে এনে সৃজনীশল আৰু শিক্ষামূলক কাৰ্য-কলাপত অধিক সাফল্য লাভ কৰাৰ কামনা কৰিলোঁ।

**(ড° তোষেশ্বৰ নাথ)**
সভাপতি
পৰিচালনা সমিতি
নগাঁও ছোৱালী কলেজ

# অধ্যক্ষৰ একাষাৰ




প্ৰতিবছৰে ২ ফেব্ৰুৱাৰী তাৰিখটো বিশ্বজুৰি আৰ্দ্ৰভূমি দিৱস হিচাপে পালন কৰা হয়। পৃথিৱীৰ উপৰিভাগৰ চাৰিভাগৰ তিনিভাগ পানীৰে আবৃত যদিও জীৱকুলৰ বাবে উপযোগী পানীৰ পৰিমাণ হৈছে মুঠ পানীভাগৰ প্ৰায় ২.৫ শতাংশ। মানুহৰ উপৰি এই ২.৫ শতাংশ পানী বিভিন্ন গছ-গছনি, জীৱ-জন্তু, চৰাই-চিৰিকটিয়ে ব্যৱহাৰ কৰে আৰু কৃষি, উদ্যোগ আদি ক্ষেত্ৰত বহুলভাৱে ব্যৱহাৰ হয়। গতিকে আমাৰ মানৱ জাতিৰ বাবে পেয় পানীৰ এটা সংকট লাহে লাহে ঘনীভূত হৈ আহিছে। মন কৰিবলগীয়া কথাটো হ'ল যে এই ২.৫ শতাংশ পানীৰ গুৰুত্বপূৰ্ণ উৎসসমূহৰ ভিতৰত পৃথিৱীৰ উপৰিভাগৰ আৰ্দ্ৰভূমিসমূহো প্ৰধান। মিঠাপানীৰ উৎস হোৱাৰ উপৰি আৰ্দ্ৰভূমিসমূহে আমাৰ পৃথিৱীৰ জীৱকুলৰ বাবে অত্যন্ত গুৰুত্বপূৰ্ণ সেৱা আগবঢ়ায়। উদাহৰণস্বৰূপে আৰ্দ্ৰভূমিসমূহ অগণন জলজ প্ৰাণীৰ বাসস্থান হোৱাৰ উপৰি ই বৃহৎ হাৰত পৃথিৱীৰ উপৰিভাগৰ কাৰ্বন ধৰি ৰাখি জলবায়ুৰ সন্তুলন বজাই ৰাখে, পানী পৰিশোধন কৰে, বানপানী, খৰাং ইত্যাদিৰ পৰা মানুহ তথা জীৱ-জন্তুক ৰক্ষা কৰে। আৰ্দ্ৰভূমিসমূহ পৃথিৱীৰ চহকী জৈৱ বৈচিত্ৰ্যৰ ভঁৰাল আৰু জীৱন জীৱিকাৰ উৎস।

ইমান গুৰুত্বপূৰ্ণ সেৱা আগবঢ়োৱাৰ পিছতো কিন্তু এই আৰ্দ্ৰভূমি বা বিলসমূহ লাহে লাহে পৃথিৱীৰ পৰা লুপ্ত হৈ যাবলৈ ধৰিছে। এটা সমীক্ষা মতে বনাঞ্চলৰ বিলুপ্তিৰ হাৰতকৈ তিনি গুণ বেছি হাৰত আৰ্দ্ৰভূমি লোপ পাই আহিছে। জীৱ শ্ৰেষ্ঠ বুলি গপতে গঙ্গাটোপ হৈ থকা মানৱ জাতিৰ অপৰিসীম লোভৰ পৰিণতিত বিলসমূহৰ আয়ুস টুটি আহিছে। আজি গুৱাহাটীৰ ভৰলু আৰু নগাঁৱৰ কলং নদী দেশৰ ভিতৰতে আটাইতকৈ প্ৰদূষিত নদীসমূহৰ তালিকাত অন্তৰ্ভুক্ত হোৱাৰ খবৰে আমাক মৰ্মাহত কৰে। গুৱাহাটীৰ চচল, দীপৰ বিল, নগাঁৱৰ হাঁহিলা, কলিয়াবৰৰ জয়সাগৰ দলনি ইত্যাদি বিলসমূহ মানৱৰ দানৱীয় কৰ্মৰ পৰিণতিত ব্যৱহাৰ অনুপযোগী হৈ পৰিছে। কৃষি, আন্তঃগাঁথনি উন্নয়ন ইত্যাদিৰ বাবে হোৱা ভূমিৰ ব্যৱহাৰৰ পৰিৱৰ্তন, জলবায়ু পৰিৱৰ্তন ইত্যাদিৰ পৰিপ্ৰেক্ষিততো বিলসমূহৰ ক্ৰমাগত অৱনতি ঘটিবলৈ ধৰিছে। এনে পৰিস্থিতিত আমি পৃথিৱীখন আমাৰ উত্তৰপুৰুষৰ বাবে বাসোপযোগী কৰি থৈ যোৱাটো এক বৃহৎ প্ৰত্যাহ্বান হিচাপে থিয় দিছে। আজি পৃথিৱীজুৰি বহুলভাৱে চৰ্চিত বিষয়টোৱেই হৈছে পৰিৱেশৰ সংকট। এই সংকটৰ মোকাবিলা কৰিবলৈ যাওঁতে আমি মন কৰিছোঁ যে আমাৰ মানৱ সমাজৰ অধিকাংশৰে পৰিৱেশৰ বিষয়ে থাকিবলগীয়া অন্যতম সজাগতাকণো নাই। নগাঁও ছোৱালী কলেজে অৱশ্যে যোৱা বছৰসমূহত পৰিৱেশ সজাগতা, কলেজত সৃষ্ট প্লাষ্টিক আৱৰ্জনা নিস্কাসন, বৃক্ষৰোপণ ইত্যাদি ক্ষেত্ৰত ভালেখিনি কাম কৰিছে। এই আটাইবোৰ কামৰ লগত শেহতীয়াকৈ কলেজে এটা এনভাইৰনমেণ্ট ক্লাব (environment club) সংযোজন কৰিছে। এই ক্লাবৰ সদস্যসকলৰ বাবে ক্ষেত্ৰ অধ্যয়ন সংলগ্ন এটা বিশেষ চাৰ্টিফিকেট কোৰ্চৰ ব্যৱস্থা কৰা হৈছে। লগতে তেওঁলোকৰ বাবে আয়োজন কৰা হ'ব বিশেষ সজাগতা শিবিৰ। একধৰণৰ দক্ষতা আৰু প্ৰশিক্ষণপ্ৰাপ্ত পৰিৱেশ কৰ্মী সৃষ্টি হৈছে এই সকলো কাৰ্যৰ মূল উদ্দেশ্য। শিক্ষক তথা ছাত্ৰীসকলৰ সহযোগত এই উদ্দেশ্যত সফলতা অৰ্জন কৰিবলৈ সক্ষম হ'ম বুলি আমি আশাবাদী।

আমাৰ উত্তৰপুৰুষক এখন সৰ্বাঙ্গ সুন্দৰ তথা বাসোপযোগী পৃথিৱী দি যাবলৈ নগাঁও ছোৱালী কলেজে প্ৰতিশ্ৰুতিবদ্ধ। সেই উদ্দেশ্য আগত ৰাখি আৰু কলেজৰ শৈক্ষিক আৰু বৌদ্ধিক বিকাশৰ অৰ্থে প্ৰতিবছৰেই কলেজে কলেজৰ আলোচনী 'চৰৈৱেতি' প্ৰকাশৰ দিহা কৰি আহিছে। ২০২৪-২৫ বৰ্ষৰ আলোচনীখন প্ৰকাশ কৰাৰ ক্ষেত্ৰত সম্পাদিকা মিনাক্ষী হীৰাকে প্ৰমুখ্য কৰি তত্ত্বাৱধায়ক শিক্ষকদ্বয় শ্ৰীৰঞ্জিত বৰুৱা আৰু ড° বিপুল মালাকাৰ প্ৰশংসাৰ পাত্ৰ। এই সংখ্যাত প্ৰকাশ হোৱা গল্প-কবিতা, প্ৰবন্ধ, ইত্যাদিৰ লিখকসকলক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছোঁ। নতুন ছাত্ৰী সকলেও ভৱিষ্যতে লিখিবলৈ প্ৰেৰণা লাভ কৰক - তাৰেই কামনা কৰিছোঁ।

(ড° কুলেন চন্দ্ৰ দাস)
অধ্যক্ষ, নগাঁও ছোৱালী কলেজ




## উপাধ্যক্ষাৰ একাষাৰ

মধ্য অসমৰ নগাঁও জিলাৰ বোঁৱতী কলং সুঁতিৰ পাৰত নগাঁও ছোৱালী কলেজ অৱস্থিত। নাৰী শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান হিচাপে নগাঁও ছোৱালী কলেজে বৰ্তমান গৌৰৱোজ্জ্বল গতিৰে চৌষষ্ঠিটা বসন্ত গৰকিলে। প্ৰতিষ্ঠাপক দাৰ্শনিক পণ্ডিত স্বৰ্গীয় মহেশ চন্দ্ৰ দেৱ গোস্বামীয়ে দূৰদৰ্শিতাৰে ভেটি প্ৰতিষ্ঠা কৰিছিল ঐতেৰেয় ব্ৰাহ্মণৰ ত্ৰয়ত্ৰিংশ অধ্যায়ৰ শাশ্বত বাণী 'চৰৈৱেতি চৰৈৱেতি' মন্ত্ৰক সাৰোগত কৰি। বহুকেইজন জ্ঞানলব্ধ-চিন্তাশীল ব্যক্তিৰ দৃঢ়শীল প্ৰচেষ্টাত ১৯৬২ চনৰ ১২ ছেপ্তেম্বৰ তাৰিখে প্ৰতিষ্ঠা লাভ কৰা নগাঁও ছোৱালী কলেজ বৰ্তমান হৈ উঠিল এখন জাকত জিলিকা কলেজ ৰূপে।

এমুঠিমান ছাত্ৰীৰে আৰম্ভ কৰা নগাঁও ছোৱালী কলেজ বৰ্তমান এক ভৰপূৰ কলেজ। আৰম্ভণি কালৰে পৰা ছাত্ৰীসকলে সুফল লাভ কৰি কলেজলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। শৈক্ষিক দিশৰ লগতে উন্নতিৰ জখলাত অগ্ৰসৰ হ'বলৈ সক্ষম হৈছে। ছাত্ৰীসকলে নিজ যোগ্যতাৰ বাবে সমাজৰ ভিন ভিন ক্ষেত্ৰত নিজকে নিয়োজিত কৰি সফলতাৰ পৰিচয় দিছে।

নগাঁও ছোৱালী কলেজৰ মুখপত্ৰ আলোচনীখন নিয়মিতভাৱে প্ৰকাশ পাই আহিছে। বাৰ্ষিকভাৱে প্ৰকাশিত কলেজ আলোচনীখন হ'ল ছাত্ৰীসকলৰ সৃষ্টিশীল সুপ্ত প্ৰতিভাৰ আত্মপ্ৰকাশৰ থল। মানসিক উপলব্ধি, চিন্তন, মনন তথা শৈল্পিক ভাব-অনুভূতি প্ৰকাশ ঘটা 'চৰৈৱেতি' হৈছে এক উত্তৰণ। ছাত্ৰীসকলৰ এনে মানসিক, মননশীল উৎকৰ্ষ সাধনৰ ক্ষেত্ৰত কলেজৰ শিক্ষকসকলেও অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। তেনে চিন্তাৰ সুফল দেখা যায় প্ৰত্যেক বিভাগৰ ছাত্ৰীসকলে নিজা চিন্তা আৰু পৰিকল্পনাৰে প্ৰত্যেক বৰ্ষতে প্ৰস্তুত কৰা প্ৰাচীৰ পত্ৰিকাসমূহত। প্ৰাচীৰ পত্ৰিকাৰ মাজত অনুষ্ঠিত কৰা প্ৰতিযোগিতায়ো এই ক্ষেত্ৰত এক যোগাত্মক আৰু ফলপ্ৰসূ অৰিহণা যোগাই আহিছে।

যি কি নহওক, বিগত বৰ্ষৰ দৰে ২০২৪-২০২৫ বৰ্ষৰ 'চৰৈৱেতি' প্ৰকাশৰ পথত। আলোচনীৰ পাতত প্ৰকাশ পোৱা শিক্ষাৰ্থীসকলৰ সুপ্ত সাহিত্য প্ৰতিভাই পূৰ্ণতা লাভ কৰক, ন ন সৃজনীশীল সাহিত্য সৃষ্টিত অগ্ৰসৰ হওক। আশা ৰাখিছোঁ কলেজৰ প্ৰতিভাসম্পন্ন শিক্ষকসকলৰ তত্বাৱধানত ছাত্ৰীসকলৰ বৌদ্ধিক-মানসিক দিশসমূহৰ বিকাশেৰে নগাঁও ছোৱালী কলেজৰ মুখপত্ৰ 'চৰৈৱেতি'য়ে পূৰ্ণাঙ্গ ৰূপ লাভ কৰক। আন্তৰিক শুভকামনা জ্ঞাপন কৰিলোঁ।
"জয়তু নগাঁও ছোৱালী কলেজ"

**মৰমী গায়ন**
**উপাধ্যক্ষ**
**নগাঁও ছোৱালী কলেজ**

# তত্ত্বাৱধায়কদ্বয়ৰ একাষাৰ

আলোচনী একোখনেই হৈছে যিকোনো শিক্ষানুষ্ঠানৰ প্ৰতিবিম্ব। নৱ প্ৰজন্মৰ চিন্তাধাৰা, সৃষ্টিশীল মন আৰু ইতিবাচক কৰ্মৰাজিৰ প্ৰতিফলন ঘটে এই আলোচনীখনৰ জৰিয়তে। শিক্ষানুষ্ঠানৰ মজিয়াতে আৰম্ভ হয় তেওঁলোকৰ বৌদ্ধিক উত্তৰণৰ কচৰৎ। আলোচনীখন হৈ পৰে তেওঁলোকৰ সৃষ্টিশীল প্ৰতিভা বিকাশ আৰু প্ৰকাশৰ এটি মাধ্যম। শিক্ষাৰ্থীসকলৰ মানসিকতা, উত্তৰণৰ প্ৰচেষ্টা তথা দায়িত্বশীল মনোভাবৰ দ্বাৰা আমি শিক্ষানুষ্ঠান একোখনৰ কৰ্তৃপক্ষ আৰু শিক্ষক সমাজৰ অৰিহণা সম্পৰ্কেও ধাৰণা কৰিব পাৰোঁ।

গোলকীকৰণৰ ধামখুমীয়াত স্মাৰ্টফোন, ইণ্টাৰনেটৰ যুগত সাহিত্যচৰ্চাৰ দৰে বৌদ্ধিক কচৰৎ নিসন্দেহে এটি দুৰূহ কাৰ্য। আজিৰ ফেচবুক, ইনষ্টাগ্ৰামৰ ৰীলচ, ষ্টোৰী, লাইক, কমেণ্টকেই জীৱনৰ সৰ্বস্ব বুলি একাংশই গণ্য কৰা সময়তো শিক্ষানুষ্ঠান একোখনৰ আলোচনী প্ৰকাশ কৰি উলিওৱাটো এটি প্ৰত্যাহ্বানেই। সুখৰ কথা যে নগাঁও ছোৱালী কলেজ আলোচনীখন নিয়মীয়াকৈ প্ৰকাশ হৈ আছে। ২০২২-২৩ বৰ্ষত ইয়াক 'চৰৈৱেতি' নামেৰে নামকৰণ কৰা হয়। বৰ্তমান শিক্ষানুষ্ঠানসমূহৰ একাংশ শিক্ষাৰ্থীৰ ম'বাইল প্ৰীতিৰ পিছতো 'চৰৈৱেতি'ৰ নিয়মীয়া প্ৰকাশ আমাৰ বাবে আনন্দৰ কথা। 'চৰৈৱেতি'য়ে প্ৰকৃততেই আমাৰ শিক্ষাৰ্থীসকলক আগবাঢ়ি যোৱাত অনুপ্ৰাণিত কৰিছে, তেওঁলোকৰ সমাজমুখী মনবোৰক উৎসাহিত কৰি আহিছে।



বহু সময়ত আমি অনুভৱ কৰোঁ যে প্ৰযুক্তিগত বিকাশে মানুহবোৰক কিছু পৰিমাণে এলেহুৱা কৰি পেলাইছে। পঢ়া-শুনাৰ প্ৰতি ধাউতি হ্ৰাস পাইছে। শিক্ষাৰ্থীসকলো ইয়াৰ ব্যতিক্ৰম নহয়। সাহিত্যচৰ্চাৰ ক্ষেত্ৰখনত আমাৰ ছাত্ৰীৰ অংশগ্ৰহণ তুলনামুলকভাৱে হ্ৰাস পাইছে। সাহিত্য আৰু আলোচনী বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত অংশগ্ৰহণকাৰী ছাত্ৰীৰ তাকৰীয়া সংখ্যাই এই সংকোচনৰ স ংকেত। কিন্তু তথাপি আমাৰ কলেজৰ প্ৰতিটো বিভাগৰ একোখন প্ৰাচীৰ পত্ৰিকা আছে; 'চৰৈৱেতি' নিয়মীয়াকৈ প্ৰকাশ পাই আছে। এয়া নিশ্চয়েই নগাঁও ছোৱালী কলেজ পৰিয়ালৰ বাবে শুভ লক্ষণ, এক আশাব্যঞ্জক বতৰা । আলোচনী সম্পাদিকাই সীমাবদ্ধতাৰ মাজতো লিখনি সংগ্ৰহৰ চেষ্টা কৰিছে। আমি তত্ত্বাৱধায়কদ্বয়েও চেষ্টা কৰিছোঁ এখন ভাল আলোচনী আপোনালোকৰ হাতত তুলি দিবলৈ। কিন্তু আমি আমাৰ সীমাবদ্ধতাখিনি অস্বীকাৰ কৰিব নোৱাৰোঁ।

একাধিকবাৰ লিখনি আহ্বানৰ পিছতো উপযুক্ত সঁহাৰিৰ অভাৱে সম্পাদিকাৰ লগতে আমাকো কিছু ব্যথিত নকৰা নহয়। তথাপি কবিগুৰুৰ বাণী 'যদি তোৰ ডাক শুনে কেউ না আসে তবে একলা চলো ৰে'ক সাৰোগত কৰি আমি আগবাঢ়িবলৈ চেষ্টা কৰিছোঁ। কলেবৰতকৈ গুণগত দিশটোৰ ওপৰত গুৰুত্ব দিবলৈ যত্ন কৰা হৈছে। আমি কিমান সফল হৈছোঁ, সেয়া বিচাৰৰ দায়িত্ব আপোনালোকৰ।

'চৰৈৱেতি'ৰ তত্ত্বাৱধায়কৰূপে দায়িত্ব অৰ্পণ কৰি আমাক সকলো সময়তে উৎসাহিত কৰাৰ বাবে অধ্যক্ষ ড° কুলেন চন্দ্ৰ দাস ডাঙৰীয়াক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখন সম্পূৰ্ণ ক্ৰটিমুক্ত বুলি দাবী কৰাৰ ধৃষ্টতা আমাৰ নাই। অজানিতে ৰৈ যোৱা ভুল-ক্ৰটিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ।

জয়তু নগাঁও ছোৱলী কলেজ।

**ৰণজিৎ বৰুৱা**
**ড° বিপুল মালাকাৰ**



# সম্পাদকীয়

‘শিক্ষাই জীৱনৰ দিশ, শিক্ষাই সমাজৰ আলোক।’

জয় জয়তে মধ্য অসমত অৱস্থিত নাৰীশিক্ষাৰ প্ৰাণকেন্দ্ৰ হিচাপে গঢ় লৈ উঠা নগাঁও ছোৱালী কলেজৰ প্ৰতিষ্ঠাপক স্বৰ্গীয় মহেশচন্দ্ৰ দেৱ গোস্বামীদেৱৰ লগতে কলেজখনৰ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত দেহ-মন-প্ৰাণ উচৰ্গা কৰাৰ লগতে তেজক পানী কৰি কলেজখন প্ৰতিষ্ঠা কৰা সেইসকল লোকৰ মাজৰ যিসকল ইতিমধ্যে স্বৰ্গীয় তেওঁলোকৰ বিদেহ আত্মাৰ নামত একাঁজলি অশ্ৰুৰে শ্ৰদ্ধা নিৱেদন কৰাৰ লগতে যিসকল শ্ৰদ্ধাভাজন এতিয়াও জীৱিত, তেওঁলোকৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ।

অতীতত নাৰীশিক্ষাৰ গুৰুত্ব যথেষ্ট নাছিল। সমাজে ভাবিছিল ঘৰৰ দায়িত্বহে কেৱল নাৰীৰ মূল কৰ্তব্য। কিন্তু সময়ৰ লগে লগে সেই ভুল ধাৰণা ভাগি গৈছে। আজিৰ শিক্ষাৰ সমাজত শিক্ষা নোহোৱাকৈ নাৰী আৰু সমাজ দুয়োটাই পূৰ্ণতা পাব নোৱাৰে। নাৰীশিক্ষাই পৰিয়ালক সু-সংগঠিত কৰে, সমাজক শক্তিশালী কৰে আৰু ৰাষ্ট্ৰক সমৃদ্ধি প্ৰদান কৰে। আজিৰ যুগত নাৰীয়ে প্ৰতিটো ক্ষেত্ৰত নিজৰ ক্ষমতা, সাহস আৰু যোগ্যতা প্ৰমাণ কৰিছে। এনেধৰণৰ কাৰণবোৰেই দেখুৱাই দিছে— “নাৰী শিক্ষাই হ’ল সমাজ-সাহিত্যৰ অগ্ৰগতিৰ মূল চাবি।” সাহিত্য হৈছে এবিধ সুকুমাৰ কলা। কোনো এটা জাতিৰ প্ৰকৃত মানসিকতা অথবা বৌদ্ধিক চিন্তা-চৰ্চাৰ পৰিচয় দিব পাৰে সাহিত্যই। জাতিৰ সভ্যতা, সংস্কৃতি, অস্তিত্ব, অতীত আদি সকলোবোৰৰে সম্ভেদ দিব পাৰে সাহিত্যই। সাহিত্য সৃষ্টি হয় সমাজৰ বুকুত। সমাজক কেন্দ্ৰ কৰিয়েই সাহিত্যই ইয়াৰ গঠন প্ৰণালী নিৰ্ণয় কৰে। সাহিত্যৰ স্বৰূপ যিয়েই নহওক, ইয়াৰ এটা কেন্দ্ৰীয় লক্ষ্য আছে। সেয়া হৈছে আনন্দ প্ৰদান কৰা। এই আনন্দ কোনো সাধাৰণ আনন্দ বা ভোগ-বিলাসৰ আনন্দ নহয়। এয়া হৈছে পাঠক সমাজক দিয়া এক অলৌকিক আনন্দ। যি সাহিত্য পাঠকৰ বাবে নিৰস, সেই সাহিত্যই পাঠকৰ পৰা বিশেষ সমাদৰ নাপাবও পাৰে। সাহিত্যৰ কেন্দ্ৰীয় লক্ষ্য পূৰণৰ ক্ষেত্ৰত সফলতা অথবা বিফলতাৰ ওপৰতেই সাহিত্যৰ সাৰ্বজনীনতা নিৰ্ভৰ কৰে।

বৰ্তমান সময়ত আলোচনীৰ ভূমিকা অপৰিসীম। ‘চৰৈৱেতি’ হৈছে আমাৰ নগাঁও ছোৱালী কলেজৰ আলোচনীখনৰ নাম। প্ৰতিবছৰে আমাৰ আলোচনীখনে এক অনন্য সংকলন ৰূপে আগবাঢ়ে। ই কেৱল পৃষ্ঠা আৰু মুদ্ৰণৰ মাজত সীমাবদ্ধ নহয়, ই হৈছে আমাৰ চিন্তা-চেতনা, কল্পনা আৰু সৃষ্টিশীলতাৰ এক জীৱন্ত প্ৰতিফলন। সাহিত্য আৰু শিক্ষা দুয়োটাই এটা মুদ্ৰাৰ ইপিঠি-সিপিঠি বুলি ক’ব পাৰি। শিক্ষাই যিদৰে জ্ঞান দিয়ে, সাহিত্যয়ো জ্ঞানৰ পৰিধি বৃদ্ধি কৰে। ছাত্ৰ-ছাত্ৰীৰ লেখন দক্ষতা বিকশিত কৰাৰ প্ৰথম স্তৰটোৱেই হৈছে মহাবিদ্যালয়ৰ আলোচনীখন। ভাষা-

সাহিত্য, কলা-বিজ্ঞান, খেল-ধেমালি সম্পৰ্কীয় তথ্য-পাতিৰে সমৃদ্ধ সুন্দৰ ৰূপেৰে প্ৰকাশিত আলোচনীখনত ছাত্ৰীসকলৰ লগতে শিক্ষক-কৰ্মচাৰীবৃন্দৰ সৃষ্টিশীলতাক গতিশীলতাৰ আবিৰে সুশোভিত কৰে। প্ৰতিবছৰৰ দৰে এই বছৰো মহাবিদ্যালয়ৰ আলোচনী 'চৰৈৱেতি ২০২৪-২০২৫' খন প্ৰকাশ কৰাৰ দিশে আগবাঢ়িলোঁ। সম্পাদিকা হিচাপে মই মোৰ কৰণীয়খিনি সুচাৰুৰূপে পালন কৰিলোঁ। আলোচনীখনৰ প্ৰকাশৰ বাবে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱা মহাবিদ্যালয়ৰ অধ্যক্ষ শ্ৰদ্ধা ড° কুলেন চন্দ্ৰ দাসক অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আলোচনীখনৰ তত্ত্বাৱধায়ক ক্ৰমে অসমীয়া বিভাগৰ ড° বিপুল মালাকাৰ ছাৰ আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ ৰঞ্জিত বৰুৱা ছাৰক সশ্ৰদ্ধ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেওঁলোক দুয়োজনৰ সু দিহা-পৰামৰ্শৰ ফলস্বৰূপে আলোচনীখনৰ প্ৰকাশত আৰু মোক অত্যধিক কথা জনাত সহায় কৰিলে।

মহাবিদ্যালয়ৰ আলোচনীখন আপোনাসবৰ ওচৰত নিৰেদিছোঁ। লেখনিসমূহত হোৱা ভুল-ত্ৰুটিৰ বাবে আপোনাসবৰ ওচৰত ক্ষমা-ভিক্ষা মাগিছোঁ।

শেষত, নগাঁও ছোৱালী কলেজৰ সাহিত্যৰ ভঁৰাল চহকী হওক— তাৰে কামনা কৰিলোঁ। আশা কৰোঁ, সকলোৱেই এই বছৰৰ 'চৰৈৱেতি ২০২৪-২০২৫' খন সহৃদয়ৰে আঁকোৱালি ল'ব।

জয়তু নগাঁও ছোৱালী কলেজ।

**মিনাক্ষী হীৰা**



# সূচীপত্ৰ




**শ্ৰদ্ধাৰ্ঘ্য**

জুবিন ঃ এক চিৰসেউজ পৰিক্ৰমাৰ পম খেদি ▸ **ড° ভাৰ্গৱ ডেকা** ৭


**সাক্ষাৎকাৰ**

জাহ্নু বৰুৱা
সাক্ষাৎগ্ৰহণ ▸ **ড° সঞ্চিতা বৰা** আৰু **ড° মৃদুলা কাশ্যপ** ১১
দুলাল চন্দ্ৰ গোস্বামী
সাক্ষাৎগ্ৰহণ ▸ **ড° মানসজ্যোতি ভূঞা** আৰু **আশিস শইকীয়া** ১৭


**প্ৰবন্ধ**

ক্ষেত্ৰ অধ্যয়ন ঃ খোনোমা ▸ **ড° কুলেন চন্দ্ৰ দাস** ২৩
শৈল্পিক সমাজ নিৰ্মাণত অংকীয়া ভাওনাৰ ভূমিকা ▸ **মৰমী গায়ন** ৩২২
মোহনীয় জিৰো ▸ **ড° সঞ্চিতা বৰা** ৩৬
ভাৰতবৰ্ষত খাদ্য সুৰক্ষা ঃ এটি অৱলোকন ▸ **ৰণজিৎ বৰুৱা** ৪০
চৰিত সাহিত্যত শৰণ প্ৰসংগ আৰু তৰুণ প্ৰজন্মৰ দৃষ্টিভংগী ▸ **ড° বিপুল মালাকাৰ** ৪২
ৰাষ্ট্ৰীয় মহাকাশ দিৱস আৰু ভাৰতৰ মহাকাশ অভিযান ▸ **আশিস শইকীয়া**৪৬
মাধৱদেৱৰ জীৱনকেন্দ্ৰিক অসমীয়া উপন্যাস ▸ **প্ৰাৰ্থনা হাজৰিকা** ৪৯
ধ্ৰুপদী অসমীয়া ভাষা - ১ ▸ **ৰুণাশ্ৰী দেৱী** ৫৪
ধ্ৰুপদী অসমীয়া ভাষা -২ ▸ **গীতা ৰাজখোৱা** ৫৮
ধ্ৰুপদী অসমীয়া ভাষা - ৩ ▸ **ৰশ্মি ৰাজখোৱা** ৬০
প্ৰকৃতিৰ এক অনবদ্য উপহাৰ অৰ্কিড ▸ **মাচুমা খাতুন** ৬৪
অসমৰ পুথিচিত্ৰ ▸ **জুৰিস্মিতা বৰা** ৬৬
সাম্প্ৰতিক কালত সামাজিক মাধ্যমৰ প্ৰাসংগিকতা -১ ▸ **পূজা বৰা** ৬৯
সাম্প্ৰতিক কালত সামাজিক মাধ্যমৰ প্ৰাসংগিকতা -২ ▸ **ত্ৰিনয়না আদিত্য** ৭২
অৰূপা পটংগীয়া কলিতাৰ ফেলানী এক বিহংগম দৃষ্টি ▸ **ৰূপশিখা ডেকা** ৭৪
বাধাৰ প্ৰাচীৰ ভাঙি নাৰী ▸ **ঋতজা চক্ৰৱৰ্তী** ৭৭
শিক্ষাৰ অৰ্থ কেৱল কিতাপত সীমাবদ্ধ নহয় ▸ **প্ৰীতিষ্ণা বৰা** ৭৯
Study of History in the Twenty-First Century : Perspective and Prospect ▸ **Kalyan Bora** ৮০
The Comfort Crisis by Michael Easter ▸ **Dhirangkana Bora** ৮২
NCC : A Force for Nation Building and Empowering Girl Cadets ▸ **Lt (Dr.) Neeta Basumatary** ৮৫
The Decline of Philosophy in Higher Education: A Discipline in Crisis ▸ **Dr. Manashi Bora** ৮৭
Relevance of Social Media in Contemporary World -1 ▸ **Sneha Borkataki** ৯০
Relevance of Social Media in Contemporary World-2 ▸ **Debashree Bordoloi** ৯৩
Relevance of Social Media in Contemporary World -3 ▸ **Renu Kumari** ৯৫
The Boon and Curse of Technology on Today's Education ▸ **Sadia Rounak Jahan** ৯৭

Bird Watching - Success Stories ‣ **Jyotismita Chandan Pathak** ৯৯
The Fascinating Nesting Behavior of Hornbills ‣ **Panchali Biswas** ১০১
The State Bird of Assam ‣ **Remu Kumari** ১০২
Birds of Paradise ‣ **Queenlata Das** ১০৩
Cultural Significance of Birds ‣ **Loona Khatun** ১০৪
The Greater Adjutant Stork and the Hargila Army ‣ **Deepshikha Das** ১০৫

***Book Review***

The Palace of Illusions ‣ **Shruti Mahanta** ১০৬
The Kite Runner by Khaled Hosseini ‣ **Sneha Borkataki** ১০৭
Everything is Fucked : A Book About Hope By Mark Manson ‣ **Suwada S Hoque** ১০৯
Wings of Fire ‣ **Sanjana Kumari** ১১০
Goodnight Moon by Margaret Wise Brown ‣ **Sermili Engtipi** ১১১

## কবিতা

বিদায়ৰ সেউজীয়া স্মৃতি ‣ **ৰশ্মি ডেকা** ১১৪
ফাগুনী আভা ‣ **পৰশ মণি দাস** ১১৪
যান্ত্রিকতা ‣ **যশস্বী বৰা** ১১৫
অস্ত যোৱা সূৰুয ‣ **ৰঞ্জু বৰদলৈ** ১১৫
আমি একবিংশ শতিকাৰ ছোৱালী ‣ **মুনমী শইকীয়া** ১১৬
দুটা কবিতা ‣ **হিমাশ্রী বৰা** ১১৭
ফাগুনী ‣ **শতাব্দী বেজবৰুৱা** ১১৮
সময় ‣ **কস্মিতা শর্মা** ১১৮
মুক্ত পখী ‣ **ৰেবিকা বৰা** ১১৭
সপোন ‣ **ৰূপশিখা ডেকা** ১১৯
কেঁচা সোণৰ চেকুৰা ‣ **কৰবী দেৱী** ১১৯
নগাঁও ছোৱালী কলেজ ‣ **মেহেৰুন নেছা** ১২০
পাকচক্র ‣ **গীতা ৰাজখোৱা** ১২০
সাঁজ লাগি আহিছে ‣ **শ্বুৱাদা শেৰীফি হক** ১২১
কল্পনাৰ শৈশৱ ‣ **ৰিম্পী পাল** ১২১
সপোন ‣ **পূজা বৰা** ১২২
ব্যস্ততা ‣ **জুৰি দেৱী** ১২২
বাৰুদৰ গোন্ধ ‣ **ৰশ্মি ৰাজখোৱা** ১২৩
সন্তাপ ‣ **জুৰিস্মিতা বৰা** ১২৩
দুটা কবিতা ‣ **অংকুৰিমা শইকীয়া** ১২৪
অভিমানী নিশা ‣ **মৌমিতা বৰা** ১২৫
কলং-১ ‣ **কৰবী দেৱী** ১২৫
কলং- ২ ‣ **মিনাক্ষী হীৰা** ১২৬
কলং- ৩ ‣ **জ্যোতিকা বায়ন** ১২৬
ফাগুন-১ ‣ **বাগ্মিতা বৰা** ১২৭
ফাগুন -২ ‣ **ৰূপশিখা ডেকা** ১২৭
ফাগুন-৩ ‣ **পূর্ণিমা টেৰংপি** ১২৮
ফাগুন -৪ ‣ **ৰিয়া চাহা** ১২৮
ফাগুন -৫ ‣ **গীতা ৰাজখোৱা** ১২৯
ফাগুন-৬ ‣ **নিকিতা বৰা** ১২৯
আঘোণ ‣ **ত্রিনয়না আদিত্য** ১২৯
The Silence... ‣ **Bidisha Bora** ১৩০
Memories ‣ **Rupmili Engtipi** ১৩০
O Death,... ‣ **Sneha Borkataki** ১৩১
The Little Things In Life ‣ **Sermili Engtipi** ১৩১
Two Poems ‣ **Shruti Mahanta** ১৩২
Spring ‣ **Ananya Datta** ১৩৩
Plea ‣ **Juri Boro** ১৩৩
The Heart of the Wild ‣ **Naina Begum** ১৩৩
The River ‣ **Puja Kalita** ১৩৩
Endless words... ‣ **Tanisha Biswas** ১৩৪
The Man Who... ‣ **Martina Roy** ১৩৪
Three Poems ‣ **Hiyachaki Borah** ১৩৫
विद्या ज्ञान स्वरूप ‣ **प्राची कुमारी** ১৩৬
चला जा रहै हूँ ‣ **आराधना कुमारी महतो** ১৩৬
जीवन संघर्ष है ‣ **मिलि टियार** ১৩৬

**অনুবাদ কৰিতা**

Poems of Anis Uz Zaman
Translated by ‣ **Dr Mridula Kashyap** ১৩৭

ৰাজপথ ।। মূল ঃ অসমিয়া।। কবি ঃ ভবানন্দ দত্ত।। ১৩৮

মালতী।। মূল ঃ অসমিয়া।। কবি ঃ লক্ষ্মীনাথ বেজবৰুয়া ।। **অনুবাদ** ‣ **ড° জয়ন্তী সাহা**।। ১৩৯

একটি চিঠি।। মূল ঃ অসমিয়া।। কবি ঃ হেম বৰুয়া ১৩৯

বিপ্লবী।। মূল ঃ অসমিয়া।। কবি ঃ অমূল্য বৰুয়া।। **অনুবাদ** ‣ **ৰঞ্জয় সাহা** ১৪০

**লিমাৰিক ১৪২-১৪৫**

**কস্মিতা দাস, কৰবী দেৱী, জুৰি দেৱী, ৰিম্পী পাল**
**ৰূপশিখা ডেকা, পূজা বৰা**
**Suwada S. Hoque, Hiyachaki Borah**
**Aradhana Kumari Mahato, Shruti Mahanta**
**Sneha Borkataki, Sermili Engtipi**
**Rupmili Engtipi**

**গল্প ১৪৬**

ভাদ মাহ **গীতা ৰাজখোৱা**

**অণুগল্প ১৪৮-১৫৪**

**উদেষ্ণা মহন্ত, ৰশ্মি ৰাজখোৱা, জুৰিস্মিতা বৰা**
**বিদিশা বৰা, ৰিম্পী পাল, চুৱাদা শাৰেফি হক**
**গিৰিকৰ্ণিকা হাজৰিকা, কৰবী দেৱী, জুৰিস্মিতা বৰা**
**গীতা ৰাজখোৱা, ৰশ্মি ৰাজখোৱা, গিৰিক্ৰান্তিকা হাজৰিকা**
**অঞ্জনা দাস, ত্ৰিনয়না আদিত্য, ৰীয়া দাস**
**Sneha Borkataki, Ananya Datta, Shruti Mahanta**
**Hiyachaki Borah, Naina Begum, Juri Boro**
**Rupmili Engtipi**

**ৰম্য ৰচনা ১৫৬**

বিহুৰ বেপাৰ **পূজা বৰা**

**নীলা খামৰ চিঠি ১৫৮- ১৭৪**

**কৰবী দেৱী, অনন্যা দেৱী, জ্যোতিকা বায়ন**
**জুৰি দেৱী, গিৰিকৰ্ণিকা হাজৰিকা, ববীমণি শইকীয়া**
**ৰিয়া দাস, জয়শ্ৰী বৰা, অৰ্জিনা খাতুন**
**প্ৰীতিষ্ণা বৰা, উৰ্বশী ভৰালী, ভোগেশ্বৰী হীৰা**
**অঞ্জনা দাস, বাগ্মিতা হাজৰিকা, পংখী শইকীয়া**
**জিৰ্মি হাঞ্চেপি, শতাব্দী বেজবৰুৱা, গীতা ৰাজখোৱা**
**যশস্বী বৰা, স্নেহা বৰা, কস্মিতা শৰ্মা**
**জয়শ্ৰী বৰা, দেৱাশ্ৰী শইকীয়া, চুমী বৰা**
**ৰুম্পী পাওল, ৰুণাক্ষী দেৱী, মিনাক্ষি হীৰা**
**পূজা বৰা, বাগ্মিতা হাজৰিকা, পংখী শইকীয়া**

পিকশ্ৰী কাকতি
**Sneha Borkataki, Sermili Engtipi, Ananya Datta**
**Naina Begum, Hiyachaki Borah**

## নাটক

সৰগপাল-নৰকপাল ▸ **কস্মিতা শৰ্মা** ১৭৬
The Last Stitch ▸ **Sermili Engtipi** ১৮০
The Last Letter ▸ **Rupmili Engtipi** ১৮১
Echoes in the Mind ▸ **Sneha Borkataki** ১৮২

## ছাত্ৰী একতা সভা,২০২৪-২৫ বৰ্ষৰ বিষয়ববীয়াৰ প্ৰতিবেদন

ছাত্ৰী একতা সভাৰ সভাপতিৰ প্ৰতিবেদন ১৮৩
Report of Vice President ১৮৫
Report of General Secretary ১৮৬
সহকাৰী সাধাৰণ সম্পাদিকা প্ৰতিবেদন ১৮৮
ক্ৰীড়া সম্পাদিকাৰ প্ৰতিবেদন ১৮৯
সংগীত সম্পাদিকাৰ প্ৰতিবেদন ১৯২
Report of Cultural & Drama Secretary ১৯৩
Report of Social Service Secretary ১৯৫
তৰ্ক আৰু আলোচনা চক্ৰ সম্পাদিকাৰ প্ৰতিবেদন ১৯৭
সাহিত্য আৰু আলোচনী সম্পাদিকাৰ প্ৰতিবেদন ১৯৯
ছাত্ৰী কল্যাণ সম্পাদিকাৰ প্ৰতিবেদন ২০২
ছাত্ৰী জিৰণি কোঠা সম্পাদিকাৰ প্ৰতিবেদন ২০৩
স্নাতকোত্তৰ প্ৰথম বৰ্ষৰ শ্ৰেণী প্ৰতিনিধিৰ প্ৰতিবেদন ২০৫
Report of UG 2nd Year Class Representative ২০৬
Report of UG 1st Year Class Representative ২০৭
Report of HS 1st Year Class Representative ২০৮

শ্ৰদ্ধাৰ্ঘ্য



# জুবিন

## এক চিৰসেউজ পৰিক্ৰমাৰ পম খেদি

**ড° ভাৰ্গৱ ডেকা**
সহকাৰী অধ্যাপক
পদাৰ্থ বিজ্ঞান বিভাগ

ভাষা, শব্দ, কণ্ঠ, সুৰৰ সংমিশ্ৰণত গঢ় লোৱা গীত বুজি পোৱাৰ, স্মৃতিবোৰে মগজুৰ হিপ্প'কেম্পাছত থিতাপি ল'বলৈ আৰম্ভ কৰাৰ সময়ৰ পৰাই মই জুবিনৰ গানৰ অনুৰাগী বা ক'বলৈ গ'লে জুবিনৰ অনুৰাগী। আজিৰ ভাষাত ফেন। সময় বাগৰিছিল, জুবিনৰ সংগীতৰ বিষয়বস্তুৰ, ধাৰাৰ অথবা প্ৰযুক্তিৰ সকলো ক্ষেত্ৰতে পৰিসৰ বাঢ়িছিল। অনামিকা, মায়াৰ সেই ৰোমাণ্টিক জুবিনে মুক্তি, শব্দ, যন্ত্ৰৰে নিজকে প্ৰতিষ্ঠা কৰিছিল এজন সচেতন ছিৰিয়াছ শিল্পী হিচাপে। মোৰ অথবা আমাৰ প্ৰজন্মৰ কাৰণে জুবিনৰ এই পৰিক্ৰমা নিচেই চিনাকি, নিচেই আপোন। যোৱা ১৯ ছেপ্তেম্বৰত এই পৰিক্ৰমাৰ স্থবিৰতাৰ পিছত জনতাৰ আৱেগৰ স্বতঃস্ফূৰ্ত বহিৰ্প্ৰকাশে

প্ৰমাণ কৰিলে তেওঁ ৰজাৰ দৰে আছিল আৰু ৰজাৰ দৰে গ'লগৈ। জুবিন বা তেওঁৰ সৃষ্টিক লৈ অনেক উৎকৃষ্ট প্ৰবন্ধ, কবিতা, গ্ৰন্থ ৰচনা হ'ল। অবশ্যে এয়া নিতান্তই স্বাভাৱিক। জুবিন থাকোঁতে ক'বলৈ মানুহৰ বহু কথাই আছিল। জুবিনৰ জোতা, জুবিনৰ চুলি, জুবিনৰ কথা, জুবিনৰ পোছাক, জুবিনৰ কামৰ সময়, জুবিনৰ জীৱন ধাৰণ প্ৰণালী । মোৰ এই লেখাত মই মাথোঁ খেপিয়াবলৈ চেষ্টা কৰিছোঁ জুবিনবিহীন শূন্যতাখিনিক, মাথোঁ এজন গুণমুগ্ধৰ দৃষ্টিৰে। ভাল-বেয়া, দোষ-গুণৰ পৰিধি ভাঙি জুবিন আমাৰ বাবে, অসমৰ বাবে কি আছিল— মোৰ এক পৰ্যবেক্ষণ।

**১. আধুনিক অসমীয়া ভাষাৰ "অথৰিটি"**

জুবিনৰ আত্মপ্ৰকাশৰ সময় আছিল অসমৰ বাবে অতি অস্থিৰ সময়। অসম আৰু অসমীয়াই পথ বিচাৰি হাবাথুৰি খাইছিল। ঘূৰ্মটিয়াইছিল অসমীয়া সংস্কৃতি আৰু অসমীয়া ভাষাই। হিন্দী আৰু ইংৰাজীৰ ওচৰত ক'ৰবাত যেন স্থান হেৰুওৱাৰ উপক্ৰম হৈছিল অসমীয়া ভাষাৰ। সেই সময়ত অসমীয়া ভাষাত গীত ৰচি, কণ্ঠ নিগৰাই আৰু এক অনিশ্চিত সময় আৰু উদ্যোগত ৰিস্ক লৈ সকলোকে দেখুৱাইছিল অসমীয়া ভাষাৰ স্বকীয়তা, ক্ষমতা আৰু প্ৰাচুৰ্যক। নতুন প্ৰজন্মক অভিধানৰ পাত মোকলাবলৈ, অসমীয়া ভাষা শব্দৰ প্ৰেমত পৰিবলৈ বাধ্য কৰাইছিল জুবিনে। নিত্য নতুন শব্দৰ ব্যৱহাৰ, ব্যঞ্জনা, উপমা, অভিধাৰে পৰিপূৰ্ণ আছিল তেওঁৰ সৃষ্টি। সংগীতৰ জৰিয়তে এটা ভাষাক চুকে-কোণে মুখে মুখে বিয়পাইছিল। জুবিনৰ গানত অসমীয়া ভাষাৰ মাধুৰ্য, সৰলতা আৰু আধুনিকতাৰ পৰশ পোৱা যায়। তেওঁ লোকসংগীত, বিহু, বৰগীত, ৰাভা সংগীতৰ পৰম্পৰাক ৰক, পপ, ব্লুজ আদি পশ্চিমীয়া ধাৰাৰ সৈতে এক সুকীয়া সাংগীতিক সংমিশ্ৰণ ঘটাইছিল। যুৱ প্ৰজন্মৰ মুখত অসমীয়া ভাষা জীয়াই ৰখাৰ ক্ষেত্ৰত জুবিনৰ ভূমিকা অপৰিসীম। অসমীয়া ভাষাক মাথোঁ জীয়াই ৰাখিবলৈকে নহয়; সাৰ-পানীৰে লহপহীয়া কৰিবলৈ অহোপুৰুষাৰ্থ কৰিছিল এইজন যুগস্ৰষ্টাই। তেওঁৰ গানে ভাষাক কেৱল যোগাযোগৰ মাধ্যম নহয়, আৱেগ, পৰিচয় আৰু গৌৰৱৰ প্ৰতীক কৰি তুলিছে। তেওঁৰ সুৰত ভাষাৰ নতুন যুগ আৰম্ভ হৈছিল। আধুনিক অসমীয়া ভাষাৰ 'অথৰিটি' হিচাপে জুবিন গাৰ্গ চিৰকাল জীয়াই থাকিব।

**২. উচ্চাৰণৰ শুদ্ধতা**

জুবিন গাৰ্গ অসমীয়া সংগীত জগতত এনে এগৰাকী শিল্পী, যাৰ কণ্ঠত উচ্চাৰণৰ শুদ্ধতা এক অনন্য সম্পদ। তেওঁৰ গীতত অসমীয়া ভাষাৰ প্ৰতিটো শব্দ স্পষ্ট, নিভাঁজ আৰু পৰিষ্কাৰকৈ প্ৰকাশ পায়, যিয়ে শ্ৰোতাৰ হৃদয়ক গভীৰভাৱে স্পৰ্শ কৰে। অসমীয়া ভাষাৰ স্বাভাৱিক লয়, স্বৰ আৰু ব্যঞ্জনৰ সঠিক উচ্চাৰণ জুবিনৰ গানত সদায় প্ৰতিফলিত হৈছে, যিয়ে তেওঁক ভাষাৰ এক নিখুঁত প্ৰতিনিধি কৰি তুলিছে।

জুবিনে যেতিয়া গায়— 'টোপাল টোপাল' সঁচাকৈয়ে বৰষুণৰ টোপালে চুই যোৱাৰ অনুভৱ হয়। প্ৰতিটো বৰ্ণৰ বাবে অহা কম্পন অনুভূত হয় কৰ্ণকুহৰত। অসমীয়া বৰ্ণমালাই যেন পূৰ্ণতা পায় জুবিনৰ কণ্ঠত। শব্দৰ অৰ্থবোৰ পৰিস্ফুত হয় তেওঁৰ কণ্ঠত। দুটা শব্দৰ মাজৰ জুখি জুখি অনা মৌনতাৰ দীঘ-প্ৰস্থই অনন্য ৰূপ লয়। এই শুদ্ধতাৰ কাৰণ জুবিনৰ শৈশৱৰ পৰা অসমীয়া ভাষা আৰু সংস্কৃতিৰ সৈতে থকা গভীৰ সম্পৰ্ক। তেওঁ লোকসংগীত, বিহু, বৰগীত আদিৰ পৰা প্ৰভাৱিত হৈ ভাষাৰ মূল উচ্চাৰণক আঁকোৱালি লৈছিল। তেওঁৰ গানত কেৱল সুৰ নহয়, ভাষাৰ বিশুদ্ধতাও আছে; যিয়ে যুৱ প্ৰজন্মক অসমীয়া ভাষাৰ সঠিক উচ্চাৰণ শিকাইছে।








**৩. গানৰ কেনভাছ**

জুবিনে গানেৰে ছবি আঁকে মানুহৰ মনৰ নিভৃত কোণত। এই ধৰক জুবিনে যেতিয়া গায় 'ৰহঢলা পথাৰ'! সঁচাকৈয়ে সোণালী শালি ধানেৰে ঢকা এখন সুবিস্তৃত ভূমিখণ্ড চকুলৈ আহে। যেতিয়া গাব 'গণেশগুৰিত তোমাক

দেখো'— মনটো উৰা মাৰিব আপুনি দেখা, আপুনি সময় কটোৱা গণেশগুৰিখনলৈ। কোন সময়ৰ বুলি কথা নাই। সেইখন হ'ব আপোনাৰ মনত জুবিনৰ গানে অংকন কৰা আপোনাৰ গণেশগুৰিখন। জুবিনৰ গানে কেৱল কাণত নহয়, চকুতো দৃশ্যমান কৰে। তেওঁৰ সুৰত অসমৰ প্ৰকৃতি, মানুহৰ আৱেগ আৰু জীৱনৰ ৰং মিলি এটা মহান চিত্ৰকল্প সৃষ্টি হয়। গান শুনি মনে কয়— ই কেৱল গান নহয়, এখন জীৱন্ত ছবি। জুবিনে গানেৰে অসমক, প্ৰেমক, দুখক, সুখক প্ৰতিবাদক চিৰকালৰ বাবে আঁকি থৈ গৈছে প্ৰতিজন অসমীয়াৰ হিয়াৰ কেনভাছত ।

**৪. প্ৰবাসী অসমীয়াৰ বাবে ঘৰৰ মানুহ**

জুবিন আছিল অসমীয়া প্ৰবাসীসকলৰ বাবে এজন ঘৰৰ মানুহৰ দৰে। দেশৰ ভিতৰত বা বাহিৰত থকা প্ৰবাসী অসমীয়াসকলে যেতিয়া ঘৰ-দুৱাৰ, মাটিৰ গোন্ধ, ব্ৰহ্মপুত্ৰৰ ঢৌ, ঢোলৰ শব্দ, আৰু পৰিয়ালৰ স্মৃতিৰ বাবে ব্যাকুল হয়, জুবিনৰ কণ্ঠই তেওঁলোকক সান্ত্বনা দিয়ে। তেওঁৰ গানে ঘৰৰ অনুভূতি জগাই তোলে। প্ৰবাসীসকলৰ বাবে জুবিনৰ গানে কঢ়িয়াই আনে নষ্টালজিয়া আৰু ঘৰলৈ মনত পৰাৰ গভীৰ অনুভূতি। তেওঁৰ সুৰত ঘৰৰ মৰম, মাটিৰ টান আৰু অটল অসমীয়াত্ব আছে। জুবিনৰ গান শুনিলে প্ৰবাসীয়ে অনুভৱ কৰে— ঘৰ বহু দূৰত নহয়, ই হৃদয়ৰ কোনোবা কোণত চিৰবিৰাজমান।

**৫. জুবিন ঃ Connecting People**

জুবিনৰ গানে বন্ধুত্ব গাঢ় কৰে, সম্বন্ধ গাঢ় কৰে। সংযোগ ঘটায় এজনক আনজনৰ সতে। জীৱনত বহু সময় বন্ধুৰ সৈতে যোগাযোগ বিচ্ছিন্ন হৈ পৰে। চাকৰি, পৰিয়াল, দূৰত্ব, জীৱনৰ ব্যস্ততাই মানুহক আঁতৰাই নিয়ে এজনক আনজনৰ পৰা। কিন্তু কেতিয়াবা জুবিনৰ এটা গান শুনিলে মনত পুৰণি স্মৃতি জাগি উঠে, আৰু হঠাৎ ফোন তুলি বন্ধুলৈ কল কৰিবলৈ মন যায়। এই অনুভূতিৰ সৈতে জুবিন গাৰ্গৰ গানবোৰৰ গভীৰ সম্পৰ্ক আছে। তেওঁৰ সুৰ আৰু কথাই পুৰণি বন্ধুত্বক জগাই তোলে, যেন এটা 'Connection' পুনৰ জী উঠে। দূৰত্বক অতিক্ৰম কৰি হৃদয়ক সংযোগ কৰে এখন সুৰীয়া অনুভূতিৰ দলঙেৰে।

**৬. 'ভূপেন-জুবিন' আমাৰ প্ৰজন্মই জীৱনকালত দেখা দুই জীৱন্ত কিংবদন্তি**

অসমীয়া সংগীত জগতৰ দুজন মহান কালজয়ী শিল্পী ড° ভূপেন হাজৰিকা আৰু জুবিন গাৰ্গ। অসমলৈ, অসমীয়া সমাজলৈ, অসমীয়া সংগীতলৈ দুয়োৰে মেটমৰা অৱদান। তেওঁলোকৰ শৈশৱ আৰু প্ৰাৰম্ভিক জীৱনৰ পৰিৱেশ বিভিন্ন ঠাইত গঢ় লৈ উঠিছিল, যিয়ে তেওঁলোকৰ সৃষ্টিশীলতাক অনন্য গতি দিছিল।



ভূপেন হাজৰিকাৰ জন্ম হৈছিল ১৯২৬ চনৰ ৮ ছেপ্তেম্বৰত অসমৰ শদিয়াত, ব্ৰহ্মপুত্ৰৰ পাৰৰ এখন সৰু গাঁৱত। পিতৃ নীলকান্ত হাজৰিকা শিক্ষক আৰু পৰৱৰ্তী সময়ত উপ-পৰিদৰ্শক হোৱাৰ বাবে পৰিয়ালটোৱে অসমৰ বিভিন্ন ঠাই যেনে ধুবুৰী, গুৱাহাটী, তেজপুৰ আদিত ঘূৰি ফুৰিব লগা






হৈছিল। শদিয়াৰ প্ৰাকৃতিক সৌন্দৰ্য, লুইতৰ ঢৌ, লোকসংগীত আৰু জ্যোতিপ্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে মহান শিল্পীৰ সান্নিধ্যই তেওঁৰ শৈশৱক সমৃদ্ধ কৰিছিল। মাতৃ শান্তিপ্ৰিয়া হাজৰিকাৰ প্ৰভাৱত সৰুৰে পৰা গানৰ প্ৰতি আকৰ্ষণ জন্মিছিল। এই বৈচিত্ৰ্যময় পৰিৱেশে তেওঁক বিশ্ব নাগৰিক হৈয়ো অসমীয়াত্বৰ মূল্যবোধ দিছিল।

বিংশ শতিকাৰ মাজভাগৰ পৰা একবিংশ শতিকাৰ আৰম্ভণিৰ কালছোৱালৈ তেওঁৰ সংগীতৰ যাত্ৰা অব্যাহত আছিল, তথাপি তেওঁৰ উৎকৃষ্ট সৃষ্টি আৰু অসমীয়া সংগীতলৈ তেওঁৰ অৱদানৰ ফালৰ পৰা সকলোতকৈ সাৰুৱা সময় আছিল বিংশ শতিকাৰ পঞ্চাশৰ দশকৰ পৰা সত্তৰৰ দশকলৈ। আশীৰ দশকত যেন সামান্য স্থবিৰতা আহিছিল, অন্ততঃ নতুন অসমীয়া কালজয়ী সংগীতৰ সৃষ্টিৰ ক্ষেত্ৰত। ছেগা-চোৰোকাকৈ দুই-এজন গায়ক, গীতিকাৰে ভুমুকি মাৰিলেও জ্যোতি-বিষ্ণু-ভূপেনৰ উত্তৰসূৰী এজনৰ অভাৱ অনুভূত হৈছিল। এই শূন্যতাখিনি পূৰাবলৈকে যেন জুবিন আহিছিল। অনামিকাৰ পৰা আৰম্ভ কৰি তেত্ৰিশ বছৰীয়া সংগীতৰ যাত্ৰাত চল্লিশটাতকৈ বেছি ভাষাত প্ৰায় চল্লিশ হাজাৰ গীতত কণ্ঠ নিগৰোৱা জুবিনৰ সাংগীতিক ব্যাপ্তি অন্য এক ইতিহাস ।

জুবিন গাৰ্গৰ জন্ম ১৯৭২ চনৰ ১৮ নৱেম্বৰত মেঘালয়ৰ তুৰাত। পিতৃ মোহিনীমোহন বৰঠাকুৰ আৰু মাতৃ ইলি বৰঠাকুৰ। পৰিয়ালত সৰুৰে পৰা সংগীতৰ পৰিৱেশ আছিল। তেওঁৰ শৈশৱৰ এটা অংশ তেজপুৰ আৰু অন্যান্য ঠাইত কটাইছিল। তিনি বছৰ বয়সৰ পৰাই গান গাবলৈ আৰম্ভ কৰিছিল। শাস্ত্ৰীয় সংগীত, তবলা, গীটাৰ শিক্ষাৰ জৰিয়তে তেওঁৰ প্ৰতিভা বিকশিত হৈছিল।

বৃহত্তৰ অসমৰ বিভিন্ন পৰিৱেশ, জাতি-জনজাতি, বিভিন্ন আচাৰ-ব্যৱহাৰ, ভিন্ন সংস্কৃতি, সুৰে সমৃদ্ধ কৰিছিল দুয়োৰে জীৱনৰ আদি চোৰা। বিভিন্ন পৰিৱেশত গঢ় লোৱা এই দুই প্ৰতিভাই অসমীয়া সংগীতক চিৰসেউজ কৰি ৰাখিছে ।

**৭. মানুহৰ গান মানুহৰ বাবে**

অসমৰ সৰু-সাধাৰণ মানুহৰ জীৱনৰ দুখ-বেদনা, সংগ্ৰাম আৰু আশাক জুবিনৰ গানে চিৰকালৰ বাবে ধৰি ৰাখিছে। চাহ বাগিচাৰ শ্ৰমিক, গাঁৱৰ কৃষক, প্ৰতিবছৰে বানত সকলো হেৰুৱাই কঙাল হৈ পৰা নৈপৰীয় মানুহখিনি; জুবিনৰ গান এইসকলৰ বাবে কেৱল সংগীত নহয়, এক আৱেগিক সান্ত্বনা, এক শক্তিৰ উৎস আৰু এক প্ৰতিবাদৰ মাত।

জুবিনে গায় — "কেওফালে গুজৰি গুমৰি আহিলে বান! উটুৱাই নিলেহি গাঁওখন, সুখৰে ঘৰখন! পলকতে উটি গ'ল গোহালিৰে গৰুহাল! পলকতে নিয়তিয়ে মোক কৰিলে কঙাল"। এই শব্দবোৰে বানত উটি যোৱা সৰু মানুহৰ হৃদয়ৰ যন্ত্ৰণাক সঠিককৈ প্ৰকাশ কৰে। বানৰ পানীয়ে কেৱল ঘৰ নহয়, সপোন, স্মৃতি, জীৱিকা সকলো লৈ যায়। জুবিনৰ কণ্ঠত এই বেদনা শুনি সেই মানুহবোৰে অথবা মাজুলীৰ দুখ পোৱা সেই ছোৱালীজনীয়ে অনুভৱ কৰে যে তেওঁলোক অকলশৰীয়া নহয়; কোনোবাই তেওঁলোকৰ কথা শুনিছে, বুজি পাইছে। জনতাৰ পক্ষত থিয় হৈ তেওঁ গোৱা অনেক গানত ফুটি উঠিছে প্ৰতিষ্ঠানবিৰোধী স্বৰ। তেওঁৰ গান অসমৰ সৰু মানুহৰ হৃদয়ৰ ভাষা হৈ ৰ'ব চিৰদিন চিৰকাল।





# সাক্ষাৎকাৰ ঃ জাহ্নু বৰুৱা


সাক্ষাৎগ্ৰহণ

**ড° সঞ্চিতা বৰা**

**ড° মৃদুলা কাশ্যপ**


মেইনে গান্ধীকো নেহী মাৰা, সাগৰলৈ বহু দূৰ, হালধীয়া চৰায়ে বাওধান খায় ইত্যাদি বোলছবিৰ বাবে দেশ-বিদেশৰ বিভিন্ন সন্মান বুটলিবলৈ সক্ষম হোৱা জাহ্নু বৰুৱা অসমৰ এক গৌৰৱ। ১৯৫২ চনৰ ১৭ অক্টোবৰত শিৱসাগৰ জিলাৰ বকতাত জন্ম গ্ৰহণ কৰা বৰুৱাই বি বৰুৱা কলেজৰ পৰা স্নাতক উত্তীৰ্ণ হৈ পুনেস্থিত Film and Television Institute of India (FTII) ৰ পৰা চিনেমা নিৰ্দেশনাত স্নাতকোত্তৰ ডিগ্ৰী গ্ৰহণ কৰে। ১৫ খনতকৈও অধিক চলচ্চিত্ৰ নিৰ্মাণ কৰা বৰুৱাই ২০০৩ চনত পদ্মশ্ৰী আৰু ২০১৫ চনত পদ্মভূষণ বঁটা লাভ কৰে। ১৯৮২ চনত তেওঁ অপৰূপা কথাছবিৰ জৰিয়তে ছবিজগতত নিৰ্দেশনাৰ যাত্ৰা আৰম্ভ কৰে। ১৯৮৩ চনত অপৰূপাই আঞ্চলিক ভাষাৰ শ্ৰেষ্ঠ ছবিৰ শিতানত ৰজতকমল বঁটা লাভ কৰে। পৰৱৰ্তী কালত তেওঁ হালধীয়া চৰায়ে বাওধান খায়, ফিৰিঙতি, সাগৰলৈ বহুদূৰ, বান্ধোন, অজেয় ছবি পৰিচালনা কৰি শ্ৰেষ্ঠ পৰিচালক আৰু শ্ৰেষ্ঠ বোলছবিৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ লাভ কৰে। নিৰ্দেশনাৰ উপৰি বৰুৱাই কলিকতাস্থিত Satyajit Ray Film and Television Institute of India ৰ সদস্য হিচাপে কাৰ্যনিৰ্বাহ কৰে। বিভিন্ন আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱৰ সন্মানীয় বিচাৰকৰ আসন শুৱনি কৰাৰ লগতে বৰুৱাই বিভিন্ন সময়ত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বোলছবি শিক্ষানুষ্ঠানত নিমন্ত্ৰিত অধ্যাপক হিচাপে পাঠদান আগবঢ়াই আহিছে।

■ আপুনি ছবি নিৰ্মাণৰ ক্ষেত্ৰখনলৈ কেনেদৰে আকৰ্ষিত হ'ল বা এই ক্ষেত্ৰখনক নিজৰ কৰ্মক্ষেত্ৰ হিচাপে বাছি লোৱাৰ কাৰণ কি? জাহ্নু বৰুৱা হোৱাৰ আঁৰৰ কথাখিনি জনাওকচোন।

■■ সৰু কালছোৱাত ছবি নিৰ্মাতা হ'ম বুলি কোনোদিন সপোন দেখা নাছিলোঁ। চাহ বাগিচাৰ পৰিৱেশত শৈশৱ পাৰ কৰাৰ বাবে মাহেকত এবাৰকৈ স্ক্ৰীণত ছবি চোৱাৰ সৌভাগ্য হৈছিল। ছবিৰ ক্ষেত্ৰখনত নিজৰ ভৱিষ্যৎ দেখা নাছিলোঁ কিন্তু ইয়াৰ সৃষ্টিৰ আঁৰৰ দিশটোৰ প্ৰতি এক আকৰ্ষণ জন্মিছিল। বিজ্ঞান বিষয়টোৰ প্ৰতি ৰাপ থকাৰ বাবে গতানুগতিক শৈক্ষিক দিশটোৰ উত্তৰণত গুৰুত্ব দিছিলোঁ। গল্প পঢ়িও ভাল পাইছিলোঁ। সৰুতে খোনা

> প্ৰশংসা কৰিলেই যে ভাল পাম বা কটু সমালোচনা কৰিলে বেয়া পাম, এনে নহয়। ভাল হওক, বেয়া হওক— সমালোচনাক সদায় মই আদৰণি জনাওঁ। ইয়াৰ পৰা বহু কথা জানিব পাৰোঁ, শিকিব পাৰোঁ। সমালোচনা হোৱাটো উচিত কিন্তু সমালোচকৰ উদ্দেশ্য সদায় ভাল আৰু সৎ হ'ব লাগে।

আছিলোঁ বাবে মানুহৰ সৈতে কথা-বতৰা খুব কমকৈ পাতিছিলোঁ। বি বৰুৱা কলেজত স্নাতক (B.Sc) পঢ়ি থাকোঁতেহে ভৱিষ্যৎ কৰ্মক্ষেত্ৰৰ কথা ভাবিছিলোঁ। ছবি অঁকাত খুব ভাল আছিলোঁ কাৰণে বিজ্ঞান আৰু চিত্ৰশিল্প দুয়োটাৰে সন্মিলিত এটা বিষয় আৰ্কিটেক্‌চাৰ পঢ়িম বুলি সিদ্ধান্ত লৈছিলোঁ আৰু বৰোদাৰ এম এচ বিশ্ববিদ্যালয়ত বি. আৰ্ক পঢ়িবলৈ অসম চৰকাৰে প্ৰদান কৰা এটা বৃত্তি লাভ কৰি নিৰ্বাচিতও হৈছিলোঁ। কিন্তু সেই বছৰতে অসমত হোৱা দুৰ্ভিক্ষৰ কাৰণে অসম চৰকাৰে সকলো স্কলাৰশ্বিপ বাতিল কৰে আৰু ঘৰৰ আৰ্থিক অৱস্থাও যিহেতু টনকিয়াল নাছিল; গতিকে মোৰ সেই বিষয় অধ্যয়নৰ আশাও নিৰ্বাপিত হ'ল। বি বৰুৱাত পঢ়ি থকাৰ সময়ৰ কথা— গুৱাহাটীত এটা চিনে ক্লাব আছিল। তাত প্ৰদৰ্শিত বিদেশী ছবি কিছুমান চাই তাৰ কলা-কৌশলৰ প্ৰতি আকৰ্ষিত হৈছিলোঁ। ভাৰতবৰ্ষৰ গতানুগতিক ছবিৰ বিপৰীতে সেই বিদেশী ছবিবোৰ যথেষ্ট উন্নত আছিল। তেতিয়াই মই এই ছবি মাধ্যমটোৰ প্ৰতি আকৰ্ষিত হৈ পৰিলোঁ। ইয়েই মোৰ কৰ্মক্ষেত্ৰৰ আৰম্ভণি বুলি ক'ব পাৰোঁ। তেতিয়াৰ পৰাই চলচ্চিত্ৰ নিৰ্মাণ সম্পৰ্কীয় শিক্ষানুষ্ঠানৰ অনুসন্ধান কৰি 'হিন্দুস্থান এয়াৰবুল' আলোচনীৰ মাধ্যমেৰে দেশ-বিদেশৰ চলচ্চিত্ৰ প্ৰতিষ্ঠানৰ বিষয়ে জানিব পাৰিলোঁ। পোলেণ্ডৰ এটা ছবি প্ৰতিষ্ঠানৰ পৰা ৰোমান পোলাস্কিৰ দৰে বহু বিখ্যাত ছবি নিৰ্মাতা ওলাইছিল। গতিকে তাত পঢ়াৰ সিদ্ধান্ত লৈছিলোঁ আৰু তাৰ বাবে দুটা Article (Fiction আৰু Non fiction) লিখি জমা দিব লাগে। দুয়োটা লিখি মই স্কলাৰশ্বিপসহ ৬ বছৰীয়া পাঠ্যক্ৰমটোত তাত পঢ়িবলৈ নিৰ্বাচিত হৈছিলোঁ। ইতিমধ্যে পুনেৰ FTIটো ৩ বছৰীয়া পাঠ্যক্ৰমৰ বাবে মই নিৰ্বাচিত হ'লোঁ। গতিকে মই ৩ বছৰীয়া পাঠ্যক্ৰমটো কৰিবলৈ পুনেলৈ ৰাওনা হ'লোঁ। এয়ে মোৰ চিনেমা যাত্ৰাৰ আৰম্ভণি।

■ আপুনি নিৰ্দেশক হিচাপে কাম কৰা সবাতোকৈ প্ৰত্যাহ্বানমূলক ছবি কোনখন বুলি ভাবে আৰু সেই প্ৰত্যাহ্বানসমূহ আপুনি কিদৰে অতিক্ৰম কৰিছিল?

■ ■ ছবি এখন কৰাৰ সময়ত তাৰ মান সম্পৰ্কে মই সাধাৰণতে বাচ-বিচাৰ নকৰোঁ। এগৰাকী মাতৃৰ বাবে যিদৰে প্ৰতিটো সন্তানেই সমান মৰম আৰু আদৰৰ। সেইদৰে ছবি নিৰ্মাতা হিচাপে মোৰ বাবেও প্ৰত্যেকখন ছবি সমানেই গুৰুত্বপূৰ্ণ। প্ৰতিখন ছবি সমপৰ্যায়ৰ নোহোৱাটো স্বাভাৱিক কথা। মোৰ প্ৰথমখন ছবি 'অপৰূপা' বা প্ৰথম পৰ্যায়ৰ আন ছবিবোৰ যদি মই এতিয়া লক্ষ্য কৰোঁ তাত বহু ভুল-ভ্ৰান্তি দেখা পাম। কিন্তু তাক মই দুৰ্বলতা বা ভুল বুলি ক'ব নিবিচাৰোঁ। বৰঞ্চ ভুল-ভ্ৰান্তিবোৰৰ পৰাই মই শিক্ষা লওঁ। গতিকে ভাল-বেয়া বা মান সম্বন্ধীয় দৃষ্টিভঙ্গীৰে মই ছবিসমূহ বিচাৰ নকৰোঁ। এক কথাত ক'বলৈ গ'লে, মই পাছলৈ উভতি নাচাওঁ। যেনেদৰে কাম এটা কৰিলোঁ, তাক তেনেদৰেই এৰি থৈ আহোঁ।

■ আপুনি নিৰ্মাণ কৰা প্ৰত্যেকখন ছবিতে একো একোটা কেন্দ্ৰীয় বিষয় বা উপ-বিষয় থাকে। সেই বিষয়বোৰে আপোনাক পূৰ্বৰে পৰা ক্ৰিয়া কৰি থকাৰ বাবে ছবিত তাক সংযোজন কৰে নে ছবিখনৰ নিৰ্মাণক্ৰমত তাক সংযোজিত কৰে?

■ ■ ছবি নিৰ্মাণৰ ক্ষেত্ৰত প্ৰথমে মই বিষয়বস্তুটো নিৰ্বাচন কৰি লওঁ। মোৰ বাবে আটাইতকৈ গুৰুত্বপূৰ্ণ হৈছে ছবি এখনৰ বিষয়বস্তু। সমাজত সততে দৃষ্টিগোচৰ হোৱা যি বিষয়বস্তুৰ প্ৰতি মই আকৰ্ষিত হওঁ, তাক ছবিৰ মাধ্যমেৰে প্ৰকাশিত কৰাৰ চিন্তাটোৰেই মোৰ ছবি নিৰ্মাণৰ প্ৰথম প্ৰচেষ্টা। তাৰ পাছতহে মই এটা গল্প নিৰ্মাণ কৰোঁ যাৰ দ্বাৰা সেই বিষয়বস্তুটো প্ৰস্ফুটিত হৈ পৰে। এজন সাধাৰণ মানুহৰ দৃষ্টিৰে সমাজত প্ৰত্যক্ষ কৰা বিষয়বস্তুক মই ছবি নিৰ্মাণৰ বাবে নিৰ্বাচিত কৰোঁ। বৰ্তমানলৈ দুখন ছবিহে মই উপন্যাসৰ আধাৰত নিৰ্মাণ কৰিছোঁ। হোমেন বৰগোহাঞিৰ 'হালধীয়া চৰায়ে বাওধান খায়' আৰু অৰুণ শৰ্মাৰ 'আশীৰ্বাদৰ ৰং'ৰ আধাৰত 'অজেয়'। প্ৰথমখনত এজন সাধাৰণ খেতিয়কৰ সমস্যাখিনি লৈ মই ছবিখন পুনৰ নিৰ্মাণ (redesign) কৰি লৈছোঁ। গতিকে মোৰ ছবিখনৰ উপন্যাসৰ লগত সম্পূৰ্ণ মিল নাই। বহুখিনি ব্যৱধান আছে, যেনে— উপন্যাসখনত ৰসেশ্বৰ বৰাৰ সাতটা ল'ৰা-ছোৱালী আছে। কিন্তু ছবিখনত দুটাহে দেখুৱাইছোঁ। কাৰণ চিত্ৰধৰ্মী গুণেৰে বিচাৰ কৰিবলৈ গ'লে বহুখিনি সংযোজন-বিয়োজন কৰিবলগীয়া হয়। গতিকে বিষয়বস্তুটোক প্ৰতিষ্ঠা কৰাৰ স্বাৰ্থত অপ্ৰয়োজনীয় দিশবোৰ মই সম্পূৰ্ণভাৱে বাদ দিওঁ। এটা উল্লেখযোগ্য কথা মই মানুহজন সদায় পজিটিভ। উপন্যাসখনত ৰসেশ্বৰে মাটি ঘূৰাই নাপায়। কিন্তু মোৰ ছবিখনত তেওঁ মাটি ঘূৰাই পাবই লাগিব— এনে ধৰণৰ উপস্থাপনেৰে মই উপন্যাসৰ কাহিনীক ছবিত পুনৰ্নিৰ্মাণ কৰিছোঁ। এজন ছবি নিৰ্মাতা হিচাপে মই বিষয়বস্তুক কিদৰে উপস্থাপন কৰিছোঁ সেই মাধ্যমটোৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব দিওঁ, বিশেষকৈ ইতিবাচক দিশৰ উপস্থাপনত গুৰুত্ব দিওঁ। পাছৰখন ছবি কৰিও যথেষ্ট সুখী হৈছিলোঁ। অৰুণ শৰ্মাৰ লেখনিৰ পৰা লাভ কৰা সাহসতে মই ছবিখন কৰিলোঁ।

■ চিনেমাৰ বিষয়বস্তু লৈ আপুনি কেতিয়াবা সমালোচনাৰ সন্মুখীন হৈছে নেকি? যদি হৈছিল তেতিয়া তাৰ প্ৰত্যুত্তৰ কেনেদৰে দিছিল?

■ ■ মোৰ চিনেমাৰ সমালোচনা যেতিয়া প্ৰকাশ পায়, মই তাৰ প্ৰথম তিনিশাৰী পঢ়ি চাওঁ। সেই তিনিশাৰীতেই সমালোচকজনে তেওঁৰ সমালোচনা কোনদিশে আগুৱাই নিব তাৰ উমান পাওঁ। যদি তাত কিবা চক্ৰান্ত বা অভিসন্ধি দেখা পাওঁ, তেতিয়া প্ৰথম তিনিশাৰীৰ পৰৱৰ্তী অংশলৈ মই আগ নাবাঢ়োঁ। 'অপৰূপা' মুক্তিৰ সময়ত এনে পৰিস্থিতিৰ সন্মুখীন হৈছিলোঁ। এনেকুৱা কিছুমান মন্তব্য প্ৰকাশ পাইছিল যেন মই অসমীয়া সমাজখন ধ্বংসৰ মুখলৈ ঠেলি দিবলৈ বিচাৰিছোঁ। কিন্তু একে সময়তে খুব প্ৰশংসাসূচক মন্তব্য আৰু সমালোচনাও লাভ কৰিছিলোঁ। প্ৰশংসা কৰিলেই যে ভাল পাম বা কটু সমালোচনা কৰিলে বেয়া পাম, এনে নহয়। ভাল হওক, বেয়া হওক— সমালোচনাক সদায় মই আদৰণি জনাওঁ। ইয়াৰ পৰা বহু কথা জানিব পাৰোঁ, শিকিব পাৰোঁ। সমালোচনা হোৱাটো উচিত কিন্তু সমালোচকৰ উদ্দেশ্য সদায় ভাল আৰু সৎ হ'ব লাগে।

■ সামাজিক মাধ্যমযোগে জানিব পাৰিছিলোঁ যে জাহ্নু বৰুৱাই লাচিত বৰফুকন বিষয়ক এখন ছবি নিৰ্মাণ কৰিব। এই সম্পৰ্কে আপোনাৰ কিবা পৰিকল্পনা আছে নেকি?

■ ■ প্ৰায় ৪ বছৰ আগেয়ে এখন সংবাদমেল পাতি মই লাচিত বৰফুকন বিষয়ক এখনি চিনেমা নিৰ্মাণৰ কথা ঘোষণা কৰিছিলোঁ আৰু সেই উদ্দেশ্যে গৱেষণাও আৰম্ভ কৰিছিলোঁ। বহু কেইগৰাকী ইতিহাসবিদৰ দ্বাৰা গঠিত এখন কমিটিয়ে এই গৱেষণা কৰিছিল আৰু তাৰ আধাৰত মই স্ক্ৰীপ্টটো (script) তৈয়াৰ কৰিছিলোঁ। কিন্তু ক'ভিডকালীন পৰিস্থিতি আহিল, লগতে লাচিত বৰফুকনক লৈ বিভিন্ন বিতৰ্কৰো সূত্ৰপাত হ'ল, যিবোৰ মই একেবাৰে ভাল নাপাওঁ। গতিকে এইবোৰৰ হেঁচাত ছবিখন নিৰ্মাণৰ কাম কি অৱস্থাত আছে, তাক স্পষ্টকৈ কোৱাটো টান হৈ পৰিছে। মই বিতৰ্কৰ পৰা বহু যোজন দূৰত অৱস্থান কৰি থাকোঁ। কিবা এটা কাম কৰিম বুলি ভাবিলে, তাক সম্পূৰ্ণ কৰিম বুলিয়েই স্থিৰ হৈ থাকোঁ, যিমানেই সময় নালাগক তাৰ বাবে ধৈৰ্য ধৰোঁ। সেই অনুসৰিয়েই ধৈৰ্যৰে ৰৈ আছোঁ, সময় আহিব। আশা কৰোঁ, লাচিত বৰফুকন ছবিখনো হৈ উঠিব। প্ৰত্যেক চিত্ৰনিৰ্মাতাই একোটা উদ্দেশ্য আগত ৰাখি ছবি নিৰ্মাণ কৰে। এই ছবিখনো মই এটা উদ্দেশ্য লৈয়ে নিৰ্মাণৰ কামত আগবাঢ়িছোঁ। মোৰ উদ্দেশ্যৰ বাহিৰেও অন্য ব্যক্তিৰ দ্বাৰা লাচিত বৰফুকন বিষয়ক বিভিন্ন উদ্দেশ্যত ছবি হ'ব পাৰে। ইয়াত মোৰ কোনো আপত্তি নাই। আশা কৰোঁ, এই বিষয়ক ভাল ছবি সৃষ্টি হ'ব।

■ আপোনাৰ প্ৰতিখন ছবিতে পোহৰ প্ৰক্ষেপণ অতি ৰুচিসন্মত আৰু নিখুঁত। চৰিত্ৰৰ মানসিক অৱস্থা বা পাৰিপাৰ্শ্বিক অৱস্থা অনুসৰি পোহৰ প্ৰক্ষেপণত আপুনি যথেষ্ট গুৰুত্ব দিয়ে। গতিকে এই দিশটোৰ দায়িত্ব বেলেগ এজনক ন্যস্ত কৰাৰ উপৰি আপুনি নিজে দৃষ্টি দিয়ে নেকি?

■ ■ ছবি এনে এটি মাধ্যম, যাৰ দুটা দিশ আছে— এটা হৈছে সৃষ্টিশীল (creative) আৰু আনটো দিশ কাৰিকৰী (technical)— দুয়োটা দিশেই সমানে গুৰুত্বপূৰ্ণ। এজন ছবি নিৰ্মাতা দুয়োটা দিশতে পাৰ্গত হ'ব লাগিব কাৰণ ছবি এখনত দুয়োটা দিশ সমান্তৰালভাৱে গতি কৰে। কেতিয়াবা কিন্তু টেকনিকেল দিশটোৰ অপব্যৱহাৰো হোৱা দেখা যায়। বৰ্তমান এই দিশবোৰ বহু উন্নত হৈছে ফলত সহজ পদ্ধতিৰে কিছুমান কাম কৰিব পৰা হৈছে। গতিকে ছবি এখনৰ বাবে ই কিমান দূৰ প্ৰাসংগিক সেইটো এটা বিচাৰ্য বিষয়। কাৰণ কেতিয়াবা টেক্‌নলজিয়ে ছবি এখন ধ্বংস কৰি দিব পাৰে, যিটো কোনো কাৰণতে উচিত নহয়। শেহতীয়া প্ৰযুক্তিৰ প্ৰতি মই সদায়েই সজাগ; কিন্তু যদি প্ৰয়োজন নহয়, তাক মই প্ৰয়োগ নকৰোঁ। এই টেকনিকেল দিশটোৰ প্ৰতি ছবি নিৰ্মাতাজন সদায় সজাগ আৰু আপডেট হৈ থাকিব লাগে।

■ আপোনাৰ ছবিৰ নেম কাৰ্ষ্টিঙত দেখা যায় যে নিৰ্মাতাৰ লগতে চিত্ৰনাট্যতো সদায় আপোনাৰ নাম থাকে। ইয়াৰ কাৰণ কি?

■ ■ চিত্ৰনাট্যৰ লগত নিৰ্দেশকজন সদায় জড়িত হৈ থকাটো উচিত। ছবি উপস্থাপনৰ মাধ্যমটো নিৰ্মাতাগৰাকীৰ দায়িত্বত থাকে। মঞ্চৰ ক্ষেত্ৰত এই মাধ্যমটো অভিনেতাজনৰ দায়িত্বত থাকে। কোনো নিৰ্দেশকে এইটো ভবাটো উচিত নহয় যে আন এজনে চিত্ৰনাট্য সাজু কৰি ৰাখিব আৰু তেওঁ নিৰ্দেশনা দিব। নিৰ্মাতাজন কেতিয়াও চিত্ৰনাট্যৰ পৰা বিচ্ছিন্ন হ'ব নোৱাৰে, হোৱাটো উচিত নহয়। ছবি এখনক গতি দিয়ে চিত্ৰনাট্যই, ই ছবিৰ মূল বস্তু। এই গতিটোৰ লগত যদি নিৰ্মাতাজন নাথাকে, তেন্তে ছবি নিৰ্মাণৰ গোটেই প্ৰক্ৰিয়াটো খেলি-মেলি হৈ পৰে।

■ আমি ইতিমধ্যে জানিব পাৰিছোঁ যে ছবি নিৰ্মাতা জাহ্নু বৰুৱা আৰু হিউৰেন বৰুৱা একেজন ব্যক্তি। এই নামটো ব্যৱহাৰৰ ৰহস্য কি? এই প্ৰসঙ্গত কিবা ক'ব নেকি?

■ ■ এতিয়া কথাটো ওলাই পৰিছে যেতিয়া ক'বই লাগিব। 'অপৰূপা'খন কৰাৰ সময়ৰ কথা। ছবিৰ কাৰিকৰী দিশৰ পৰা আৰম্ভ কৰি সকলো কাম নিজেই কৰিবলগীয়া হৈছিল। ডেকা তেজ আছিল তেতিয়া, নিয়াৰিকৈ কৰিবলৈ সক্ষমো

আছিলোঁ। ছাত্ৰ অৱস্থাৰে পৰা কাৰিকৰী কামৰ প্ৰতি আগ্ৰহ আছিল, গতিকে ছবিৰ লগত জড়িত তেনে সকলো কাম নিজে আগভাগ লৈ কৰিছিলোঁ। অপৰূপাৰ শ্বুটিং হৈছিল মাৰ্ঘেৰিটাৰ ডিৰাক্ চাহ বাগিচাত। বৰ্ণাব নোৰৰা কিছুমান অসুবিধাত পৰিছিলোঁ। তাত এটা হত্যাকাণ্ড হৈছিল সেই সময়ছোৱাত। ডি চিৰ নিৰ্দেশত সেয়ে শ্বুটিং বন্ধ কৰিবলগীয়া হৈছিল। প্ৰায় ২ বছৰৰ পাছত পুনৰ শ্বুটিং কৰিছোঁ যদিও এডিটৰ (editor) যিজন আছিল, তেওঁ ঘূৰি গৈছিল। ফলত মই নিজে সম্পাদনাও কৰিবলগীয়া হ'ল। এনেদৰে কামবোৰ কৰি উঠি শেষত দেখিলোঁ প্ৰায়বোৰ কাম মোৰ দ্বাৰাই কৰা হ'ল। ছবিখন ৰিলিজ দিয়াৰ সময়ত এজনৰ নামত সকলো দেখিলে মানুহে কি ভাবিব বুলিয়েই ছদ্মনামৰ কথা চিন্তা কৰিলোঁ। হিউৰেন বৰুৱাৰ জন্ম তেনেকৈয়ে হ'ল। কিন্তু অপৰূপাত এই নামটো দিয়া নাছিলোঁ পৰৱৰ্তী 'অপেক্ষা'খনৰ পৰাহে নামটো ব্যৱহাৰ কৰিছোঁ। পাছত হিউৰেন বৰুৱাই গল্পও লিখিবলৈ ল'লে, চিত্ৰনাট্যও লিখিবলৈ ল'লে। যেতিয়া বঁটা-বাহনবোৰ পাইছিলোঁ, বিশেষকৈ 'হালধীয়া চৰায়ে বাওধান খায়' ছবিখনে ১১টাকৈ ৰাজ্যিক বঁটা পাবলৈ সক্ষম হৈছিল আৰু বঁটাপ্ৰাপকৰ মাজত হিউৰেন বৰুৱাৰ নামটোও আছিল। তেতিয়া বঁটা ল'বলৈ কোন যাব, এই ক্ষেত্ৰত কিছু সমস্যাৰ সন্মুখীন হৈছিলোঁ। মই তেতিয়া যিহেতু ব'ম্বেত আছিলোঁ, ব'ম্বেৰ মানুহে ভাবিছিল হিউৰেন বৰুৱা অসমৰ মানুহ আৰু অসমৰ মানুহে ভাবিছিল হিউৰেন বৰুৱা ব'ম্বেত থকা মানুহ। গতিকে সেইটো মোৰ কাৰণে এটা সুবিধাই হৈছিল। কিন্তু বঁটা হিচাপে যেতিয়া চেকত পইচা দিয়া হৈছিল, তেতিয়া ছদ্মনামটো ব্যৱহাৰ কৰিবলৈ সমস্যা হৈছিল। তেতিয়াৰ পৰাই হিউৰেন বৰুৱা যে প্ৰকৃততে জাহ্নু বৰুৱাহে তাক প্ৰকাশ কৰিবলগীয়া হৈছিল।

■ চলচ্চিত্ৰ জগতৰ লগত জড়িত ব্যক্তিসকলে সাধাৰণতে চৰকাৰী নীতি সম্পৰ্কে মতামত ব্যক্ত কৰিবলৈ ইতঃস্তত কৰে। কিন্তু এইক্ষেত্ৰত আপুনি ব্যতিক্ৰম। কা আন্দোলনৰ সময়তো আপুনি স্পষ্ট আৰু নিৰ্ভীকভাৱে নিজৰ মত ব্যক্ত কৰা আমি দেখিছোঁ। এজন ছবি নিৰ্মাতা হিচাপে আপোনাৰ ৰাজনৈতিক মতাদৰ্শ কেনেধৰণৰ আৰু চৰকাৰৰ চলচ্চিত্ৰ নীতি সম্পৰ্কে কি ক'ব?

■ ■ চলচ্চিত্ৰ নীতিৰ বাবে মোৰ লগতে অসমৰ ছবিৰ লগত জড়িত সকলোৰে বিভিন্ন কাম কৰি ভাগৰি পৰাৰ দৰে হৈছে। কিছুমান ক্ষেত্ৰত আমি নিজেই নিজৰ শত্ৰুৰ দৰেও হৈছোঁ। অসমৰ চলচ্চিত্ৰ জগতৰ লগত জড়িত ব্যক্তিসকলৰ মাজত একতাৰ যথেষ্ট অভাৱ। কেতিয়াবা আমি নিজৰ ক'বলগীয়াখিনি যথাৰ্থ ৰূপত উপস্থাপন কৰিব নোৱাৰোঁ। এনে অৱস্থাত নীতি এখন সহজে কেতিয়াও হৈ নুঠে। 'নানা মুনি নানা মত' হ'লে ই কেতিয়াও সম্ভৱ নহয়। চৰকাৰক দোষ দিয়াৰ আগতে আমি ফিল্ম ফ্ৰেটাৰনিটিয়ে নিজৰ ভুলখিনিও উপলব্ধি কৰিব লাগিব।

■ আপোনাৰ ছবিত নাৰীৰ উপস্থাপন অতি শক্তিশালী আৰু যথেষ্ট সজাগ দৃষ্টিভংগী দেখা যায়। সাম্প্ৰতিক সময়ত সংঘটিত নাৰী নিষ্পেষণৰ ঘটনা সন্দৰ্ভত আপোনাৰ মতামত কেনে ধৰণৰ?

■ ■ সৰুৰে পৰা নাৰী হিচাপে মই ওচৰৰ পৰা পাইছোঁ মোৰ নিজৰ মাক। যাক আমি আইতা বুলি মাতিছিলোঁ। দ্বিতীয় শ্ৰেণীলৈকে পঢ়া মোৰ মা আছিল এঘাৰটা সন্তানৰ মাতৃ। আমাৰ ডাঙৰ পৰিয়ালটোৰ ভাই-ককাইকেইটা এতিয়াও লগ হ'লে যেতিয়া কথা পাতোঁ, কোনোৱে ক'ব নোৱাৰে যে মাই কোনো এটাক কমকৈ মৰম কৰিছিল। সকলোকে সমদৃষ্টিৰে চোৱাটো তেওঁৰ মাতৃ হিচাপে ডাঙৰ অৱদান। শিক্ষাগত অৰ্হতা কম হ'ব পাৰে কিন্তু তেওঁ নজনা একো বিষয় নাছিল। বাৰীত এশ এবিধ শাকৰ খেতি কৰিছিল, স্থানীয় মহিলাৰ প্ৰসৱকালীন সময়ত তেওঁক সকলোৱে বিচাৰিছিল। নিজৰ কৰ্মৰ যোগেদি তেওঁ আমাৰ অঞ্চলটোত অদ্বিতীয় স্থান আৰু সন্মান লাভ কৰিছিল। আইতাক আমি কেৱল মাতৃ বুলি ভবা নাছিলোঁ, নাৰীশক্তি বুলি ভাবিছিলোঁ। সেই কথাটো মনত ৰাখিয়েই মই নাৰী চৰিত্ৰসমূহ সৃষ্টি কৰোঁ। এনেকুৱা কাম কেতিয়াও নকৰোঁ, যাৰ দ্বাৰা নাৰীসত্তাৰ আঘাত হয়। নাৰী চৰিত্ৰক ছবিত সদায় আগস্থান দিওঁ আৰু ইতিবাচক ভাৱধাৰাৰে নিৰ্মাণ কৰোঁ।

■ অসমীয়া চলচ্চিত্ৰ বজাৰখন সীমিত আৰু বৰ্তমান পৰ্যন্ত উন্নত অৱস্থানত উপনীত হোৱা নাই। তথাপি আপুনি নিৰৱচ্ছিন্নভাৱে ছবি নিৰ্মাণ কৰি আহিছে। এইক্ষেত্ৰত আপুনি কেনে ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে?

■ ■ ইয়াৰ উত্তৰটো মই কেনেদৰে দিম? ৰাইজেহে ভালকৈ দিব পাৰিব। এটা কথাই ক'ম— আমাৰ সমাজে, শিক্ষানুষ্ঠানসমূহে চিনেমাক মাধ্যম হিচাপে বুজি লোৱাটো উচিত। এই মাধ্যমে সমাজৰ বাবে বহু কাম কৰিব পাৰে; তাক সকলোৱে অনুধাৱন কৰি কাৰ্যক্ষেত্ৰত প্ৰয়োগ কৰা উচিত। ছবি নিৰ্মাণৰ বাবে প্ৰতিজন দৰ্শকেই একোখন সমাজ। ছবি এখনক গ্ৰহণ কৰাৰ ক্ষেত্ৰত সমাজৰ বহুখিনি দায়বদ্ধতা আছে। মানুহৰ মস্তিষ্কটো এটা 'মনষ্টাৰ'ৰ দৰে। অৰ্থাৎ এটা দৈত্য, সি অনবৰত খাদ্য বিচাৰে। ভাল-বেয়া সকলো খাদ্য সি বিচাৰে। ভাল ছবি এখন যিদৰে ল'ব, পৰ্ণ ছবি এখন দিলেও ল'ব। সেই দৈত্যক কন্ট্ৰ'ল

কৰাৰ ক্ষমতা বেলেগৰ নাই, সমাজৰ প্ৰত্যেকজনে নিজেই নিজৰ মনটো সংযত কৰিব লাগিব। এটা ভাল পৰিৱেশ সৃষ্টি কৰিব লাগিব, যাৰ দ্বাৰা উত্তৰ প্ৰজন্মই সঠিক নিৰ্দেশনা লাভ কৰিব। যি পৰম্পৰাৰ আধাৰত সমাজখন চলি আহিছে, তাক গুৰুত্বহীন বুলি ভবাৰ দৰে এটিটিউড্ ল'লে নহ'ব। মূল্যবোধ বা নৈতিকতা এটা প্ৰজন্মৰ পৰা পৰৱৰ্তী প্ৰজন্মলৈ প্ৰসাৰিত হয়। গতিকে এইক্ষেত্ৰত পৰিয়ালৰ মুৰব্বীজনে নিজৰ ঘৰখনৰ প্ৰতি চিন্তা কৰাৰ দৰে সমাজেও ভাল পৰম্পৰাসমূহ, প্ৰাচীন ঐতিহ্যক গুৰুত্ব দিব লাগিব। কাৰণ এইসমূহৰ ভেটিতেই আমাৰ বৰ্তমান নিৰ্মাণ হৈছে। We should always grateful to the past, অন্যথা আমি ভাল ভেল্যু চিষ্টেমৰ সৈতে নিজক সংযোগ কৰিব নোৱাৰোঁ। ভাল ছবি আৰু বেয়া ছবিৰ মাজৰ পাৰ্থক্য আমি বিবেচনা কৰিব পাৰিব লাগিব।

■ 'অপৰূপা'ৰ পৰা আৰম্ভ কৰি পাছৰ ছবিসমূহৰ সংগীতৰ দিশটো আপুনি নিজে ডিজাইন কৰি লৈছিল নে? অৰ্থাৎ এইক্ষেত্ৰত আপুনি অকলেই মুখ্য ভূমিকা লৈছিল নে ভূপেন হাজৰিকা, সত্য বৰুৱাকে ধৰি ব্যক্তিসকলে আগভাগ লৈছিল?

■ ■ সংগীতৰ ক্ষেত্ৰত মই বৰ আগৰণুৱা নাছিলোঁ আৰু এতিয়াও নহয়। কিন্তু আমাৰ ঘৰখনত প্ৰায় সকলোৰে সংগীতত ৰাপ আৰু শ্ৰদ্ধা আছিল। আমাৰ সৰুকালত দেউতাই মাত্ৰ এদিনেই ৰাতিপুৱা 'তেজৰে কমলাপতি' বৰগীতটো গাইছিল, এই কথা আজিও মোৰ কাণত গুণ্‌গুণাই থাকে। মোৰ ডাঙৰ বাইদেৱে খুব ভাল গান গাইছিল। তেওঁ গান গাই থাকিলে ৰাস্তাৰে পাৰ হৈ যোৱা মানুহে ৰৈ গানটো সম্পূৰ্ণকৈ শুনাৰ পাছতহে গৈছিল। আমি ঔফুলীয়া চাহ বাগিচাত থকাৰ সময়ত ষ্টিভেনচন বুলি মেনেজাৰ এজন আছিল। তেওঁ এদিন আমাৰ ঘৰৰ সন্মুখেৰে পাৰ হৈ যাওঁতে বাইদেউৰ গান শুনি সোমাই আহি দেউতাৰ আগত প্ৰশংসা কৰাৰ লগতে বিদেশলৈ গৈ গান গোৱাৰ সকলো ব্যৱস্থা কৰি দিব বুলিও কৈছিল। মোৰ পাছৰজন ভাইটি সত্য বৰুৱাই ভাল গান গাইছিল আৰু গান লিখিছিল। ভণ্টি ৰীতায়ো গান গাইছিল। আমি ভূপেন দাৰ গানৰ মাজতে ডাঙৰ-দীঘল হোৱাৰ নিচিনা। কিন্তু তেতিয়া আমাৰ ঘৰত ৰেডিঅ' নাছিল। গীতিমালিকা, কল্পতৰু এই অনুষ্ঠানবোৰ আমি কাষৰ ঘৰৰ ৰেডিঅ'ত শুনি শুনি সত্য আৰু মই ভূপেন দাৰ গানবোৰ লিখি ৰাখিছিলোঁ। অপৰূপাকে ধৰি প্ৰায়বোৰ ছবিৰ বেকগ্ৰাউণ্ড মিউজিক মই নিজে কৰিছিলোঁ।

■ প্ৰথমখন চিনেমাত ভূপেন হাজৰিকাই আপোনাক কিছু অসুবিধাত পেলাইছিল, কেতিয়াবা বৰ ৰসিকতাও হৈছিল বুলি জানিব পাৰিছিলোঁ। ইয়াৰ সত্যতা সম্পৰ্কে আপুনি কি ক'ব?

■ ■ ভূপেন হাজৰিকাৰ কথা ক'বলৈ গ'লে সৰুৰে পৰা তেখেতক লগ পোৱাটো এটা সপোন আছিল। এবাৰ তেখেতক কলিকতাত লগ পাই ফটো উঠিছিলোঁ আৰু ফটোখন সাঁচিও ৰাখিছিলোঁ। মোৰ প্ৰথম চিনেমা অপৰূপাত তেখেতক সংগীত কৰাৰ প্ৰস্তাৱ দিয়াত সন্মতি জনাইছিল আৰু সংগীত ৰচনা আৰু সুৰ কৰাৰ পাছত মোক মাতি পঠিয়াইছিল। সকলোখিনি সংগীতেই খুব ভাল হৈছিল কিন্তু Theme Song টো ছবিখনৰ সৈতে খাপখোৱা যেন মোৰ নালাগিল। এই কথা মই স্পষ্টকৈ ব্যক্ত কৰাত তেখেতে খুব খং কৰি মোক তিৰস্কাৰ কৰিলে। ময়ো কথাটোৰ কাৰণে দুখ প্ৰকাশ কৰি ক্ষমা খুজিলোঁ কিন্তু তেখেতক সৈমান কৰাব নোৱাৰি চিন্তিত মনেৰে উভতি আহিলোঁ। খং শাম কটাৰ পাছত তেখেতে গধূলিলৈ নিজেই মোক ফোন কৰি মাতি আনিলে আৰু অপৰূপাৰ সুন্দৰ থিম চংটো মোক উপহাৰ দিলে। এই কথাটোৰ প্ৰসংগত তেখেতে মোক বুজালে যে সৃষ্টিৰ কাৰণে কেতিয়াও কাকো ক্ষমা নুখুজিবা। ছবিখন তোমাৰ, গতিকে ছবিৰ গীতসমূহো তুমি বিচৰাৰ দৰেই সংগীতজ্ঞই তোমাক দিব পাৰিব লাগিব। এয়াই ভূপেন দাৰ মহানুভৱতা।

■ হিউৱেন বৰুৱা বা জাহ্নু বৰুৱাক গায়ক হিচাপেও আমি সফল বুলি ক'ব পাৰোঁ। এই প্ৰসংগত আপুনি কি ক'ব?

■ ■ 'হালধীয়া চৰায়ে বাওধান খায়' ছবিখনত ৰসেশ্বৰৰ মুখত এটি গীত আছিল — 'যদি পেৰা ভৰি ধন-ধান থাকিলহেঁতেন।' এই গীতটো সত্য বৰুৱাই গোৱাৰ কথা আছিল। ইয়াত মোৰ এটা কনডিশ্বন আছিল যে গানটো বেসুৰাকৈ গাব লাগিব। কিন্তু ভাল গায়ক হিচাপে সত্যই গানটো বেসুৰা কৰিব পৰা নাছিল, ফলত মই নিজে সেইটো গীতত কণ্ঠ দিছিলোঁ। সেইদৰে আন এখন ছবিৰ এটি গান আছিল ৰীতা আৰু অন্য এজন পুৰুষ গায়কৰ কণ্ঠত। গানটোত এটা ঢোলৰ ছেও গাবলগীয়া আছিল। গায়কজনে সেইটো গাবলৈ অপাৰগ হোৱাত শেষত সেই গানটোও মই গাবলগীয়া হৈছিল। এনেদৰেই হিউৱেন বৰুৱা গায়ক হৈ পৰিছিলোঁ।

■ আমি জানো আপুনি সুন্দৰ বাঁহীবাদকো। কথাষাৰ কিমান দূৰ সঁচা?

■ ■ সৰুতে বাঁহী বজাইছিলোঁ, এতিয়া নবজাওঁ। বাঁহীটো এনে এটা বস্তু, যাক প্ৰকৃতিৰ পৰা ল'ব পাৰোঁ। সৰুতে গাঁৱত আছিলোঁ যিহেতু বাঁহ বহুত আছিল। বাঁহীৰ কাৰণে দীঘলীয়া পাব থকা কাক বাঁহৰ প্ৰয়োজন। এনেদৰে তৈয়াৰ কৰি




লৈছিলোঁ যদিও স্কেলটো বেসুৰা হৈছিল। পাছত প্ৰফেছনেল বাঁহী এটাৰ পৰা জোখ লৈ বাটবোৰ কৰি লৈছিলোঁ। তেতিয়া গছৰ ওপৰত উঠি এনেদৰেই নিজে নিজে কামবোৰ শিকিছিলোঁ। বাঁহীবাদক এজনৰ পৰা স্কেলবোৰ শিকি বজাবলৈ লৈছিলোঁ আৰু এদিন লগৰবোৰে মোক ষ্টেজত তুলি দিলে। তেতিয়াৰ পৰাই বাঁহী বজাবলৈ নিমন্ত্ৰণ পোৱা হ'লোঁ আৰু এনেদৰেই বাঁহীবাদক হৈছিলোঁ। কিন্তু অব্যাহত ৰাখিব নোৱাৰিলোঁ।

- ■ আপোনাৰ প্ৰত্যেকখন ছবিৰ নাম আকৰ্ষণীয় হয়। বনানি, পাপৰি, অপৰূপা, কণিকাৰ ৰামধেনু, মেনে গান্ধীকো নেহী মাৰা আদি নামবোৰ যথেষ্ট বিশেষত্বপূৰ্ণ আৰু অৰ্থবহ। এই নাম নিৰ্বাচনৰ ক্ষেত্ৰত আপুনি এককভাৱে সিদ্ধান্ত লয় নে আনৰ পৰামৰ্শ লয়?

■ ■ সকলো ছবিৰ নামকৰণ মই নিজে কৰোঁ। ছবিৰ নামটোত বহু কথা সোমাই থাকে। বেলেগ বেলেগ স্তৰৰ দৰ্শকে নামটোৰ পৰাই বিভিন্ন অৰ্থ লাভ কৰিব পাৰে। নামটোৰ মাজত এনে অৰ্থ নিহিত থকাটোত মই গুৰুত্ব দিওঁ। সাগৰৰ প্ৰতি সৰুৰে পৰা মোৰ আকৰ্ষণ আছিল। বহুকেইখন ছবিত সাগৰৰ উল্লেখো কৰিছোঁ। সৰুৰে পৰা সাগৰ চাবলৈ মোৰ খুব ইচ্ছা জাগিছিল। ৮ বছৰকাল সাগৰ চাই চাই মেৰিন ড্ৰাইভত থাকিলোঁগৈ। সেইটো মোৰ জীৱনৰ হাবিয়াস বুলিয়েই ক'ম। গান্ধী ছবিখনতো সাগৰৰ উল্লেখ আছে। মোৰ দেউতাই বিশালতাৰ কথা সদায় কৈছিল। আকাশৰ বিশালতা, সৌৰজগত, হাতীপটি, পৃথিৱীৰ কথা কৈছিল। বিশ্বব্ৰহ্মাণ্ডৰ সেই বিশালতাৰ তুলনাত আমি মানুহ তেনেই নগণ্য। সেয়েহে নিজকে কেতিয়াও বৰ বুলি নাভাবিবি। এই কথাষাৰ মই সদায় মনত ৰাখি থ'লোঁ।

■ অসমৰ চলচ্চিত্ৰ নীতি সম্পৰ্কে আপোনাৰ কিবা পৰামৰ্শ আছে নেকি?

■ ■ বিশেষ ক'বলগীয়া নাই। চৰকাৰৰ পৰা এটাই বিচাৰিম— অসমত বহু ভাল ভাল প্ৰতিভা আছে। এই প্ৰতিভাবোৰে যাতে উৎসাহ পাই ছবি কৰিবলৈ, আগবাঢ়ি আহিবলৈ; এই কথাত গুৰুত্ব দি নীতি হ'ব লাগে। উৎসাহ-উদ্দীপনাদায়ক নীতি হ'ব লাগে।

■ অসমৰ ছবি দৰ্শকক লৈ আপুনি সুখীনে? আপোনাৰ কিবা আক্ষেপ আছে নেকি? ভৱিষ্যৎ প্ৰজন্মই আপোনাক বা আপোনাৰ কৰ্মক কিদৰে মূল্যায়ন কৰাটো বিচাৰে?

■ ■ সুখী বুলিও ক'ব নোৱাৰোঁ, দুখী বুলিও ক'ব নোৱাৰোঁ। আচলতে মই বৰ আশা কৰি কাম নকৰোঁ। মোৰ নিজৰ মতে ভাল ছবি কৰিবলৈ চেষ্টা কৰোঁ। আঁকোৱালি লোৱা-নোলোৱাটো সম্পূৰ্ণ দৰ্শকৰ কথা। এটা কথাত সদায় মোৰ বেয়া লাগি থাকে 'ফিৰিঙতি' ছবিখন লৈ। মুক্তিৰ পাছত মলয়াই শ্ৰেষ্ঠ অভিনেত্ৰীৰ ৰাষ্ট্ৰীয় পুৰস্কাৰ পাইছিল, যিটো অসমৰ বাবে অভাৱনীয় এটা কথা। তেনেস্থলত অসমীয়া ছোৱালী এজনীয়ে কিদৰে কাম কৰি পুৰস্কাৰ পালে, সেইটো চাবলৈয়ো দৰ্শকৰ আগ্ৰহ নাই। গতিকে এইক্ষেত্ৰত মই দৰ্শকক দুষিব বিচাৰিম। দৰ্শকৰো কেতিয়াবা ভুল হৈ যায়। আমি বহু উন্নত ছবি কৰিছোঁ বুলি দাবী কৰা নাই কিন্তু আজি ৩০ বছৰ হৈ গ'ল অসমলৈ পুনৰবাৰ এনে এটা পুৰস্কাৰ অহা নাই। গতিকে ছবিখন চাবলৈ আগ্ৰহ প্ৰকাশ নকৰাটো দৰ্শকৰ ভুল বুলিয়েই ক'ব লাগিব। সেই আগ্ৰহ যদি জাতিটোৰ নাথাকে, মই নিজক দোষ দিব নোৱাৰোঁ।

- **সম্পাদনা কক্ষৰ টোকা**

২০২৪ চনৰ ৩০ আগষ্ট তাৰিখে অনুষ্ঠিত 'এই মাহৰ অতিথি'ৰ মুখ্য অতিথি অসমৰ বিশিষ্ট চলচ্চিত্ৰ নিৰ্মাতা জাহ্নু বৰুৱাৰ পৰা গ্ৰহণ কৰা সাক্ষাৎকাৰ।

যুগুতালে- প্ৰাৰ্থনা হাজৰিকাই



# সাক্ষাৎকাৰ ঃ দুলাল চন্দ্ৰ গোস্বামী

সাক্ষাৎগ্ৰহণ
**ড° মানসজ্যোতি ভূঞা**
**আশিস শইকীয়া**

বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° দুলাল চন্দ্ৰ গোস্বামীদেৱ ব্ৰহ্মপুত্ৰ নদীৰ সৈতে জড়িত বিভিন্ন বিষয়ত তেওঁৰ দক্ষতা আৰু জ্ঞানৰ বাবে সমগ্ৰ দেশতে সুপৰিচিত। এজন প্ৰাজ্ঞ পণ্ডিত আৰু শিক্ষাবিদ হিচাপে গোস্বামীদেৱে বিভিন্ন শিক্ষামূলক আৰু পেছাদাৰী সংগঠনত গুৰুত্বপূৰ্ণ পদত অধিষ্ঠিত হৈ আহিছে।

২০০৪ চনত চেন্নাইৰ আন্না বিশ্ববিদ্যালয়ৰ কলিন মেকেঞ্জি চেয়াৰ প্ৰফেছাৰ হিচাপে কাৰ্যনিৰ্বাহ কৰা ড° দুলাল চন্দ্ৰ গোস্বামীদেৱে ২০০৩ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ বিজ্ঞান বিভাগৰ মুৰব্বী হিচাপে অৱসৰ গ্ৰহণ কৰে। তেওঁ জন হপকিন্স বিশ্ববিদ্যালয় (যুক্তৰাষ্ট্ৰ), হাৰ্ভাৰ্ড বিশ্ববিদ্যালয় (যুক্তৰাষ্ট্ৰ), বাৰ্ণ বিশ্ববিদ্যালয় (চুইজাৰলেণ্ড), নাছাৰ প্ৰকল্প (যুক্তৰাষ্ট্ৰ), ভাৰতৰ মহাকাশ বিভাগৰ ৰাষ্ট্ৰীয় দূৰ সংবেদন সংস্থা (NRSA) আদিৰ লগত জড়িত হৈ থকাৰ উপৰি গুৱাহাটীত অসম দূৰ সংবেদন প্ৰয়োগ কেন্দ্ৰৰ প্ৰতিষ্ঠাপক হিচাপেও কৰ্মৰত আছিল। গৱেষণাৰ ক্ষেত্ৰ হিচাপে নদীৰ ভূ- আকৃতিবিজ্ঞান (Fluvial Geomorphology), পৰিৱেশ বিজ্ঞান আৰু ভূ-তথ্য বিজ্ঞান (Geoinformatics)ৰ ক্ষেত্ৰত তেখেত খুবেই জনপ্ৰিয়। অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ ভূ-আকৃতিবিজ্ঞানক গৱেষণাৰ বিষয় হিচাপে লৈ তেখেতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ জন হপকিন্স বিশ্ববিদ্যালয়ৰ পৰা ডক্টৰেট ডিগ্ৰী লাভ কৰে।

১৫০তকৈয়ো অধিক প্ৰকাশনৰ সৈতে জড়িত গোস্বামীদেৱে যুক্তৰাষ্ট্ৰৰ জন হপকিন্স বিশ্ববিদ্যালয়ৰ পৰা ব্ৰহ্মপুত্ৰ নদীৰ গৱেষণাৰ বাবে সন্মানীয় ৰকফেলাৰ ফাউণ্ডেশ্যন গ্ৰাণ্ট আৰু ইষ্ট-ৱেষ্ট চেণ্টাৰ ফেল'শ্বিপ (যুক্তৰাষ্ট্ৰ) লাভ কৰে ।

প্ৰফেছৰ দুলাল গোস্বামীদেৱে বহুতো চৰকাৰী সংস্থা আৰু সমিতিৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিছে। ইয়াৰ ভিতৰত আছে-১৯৯০ চনত অসমৰ অৰ্থনৈতিক উন্নয়নৰ বাবে পৰিকল্পনা আয়োগ এল চি জৈন কমিটিৰ সদস্য, ৰাজ্যিক জলাশয় ব'ৰ্ডৰ সদস্য, ৰাজ্যিক ভূমি ব্যৱহাৰ ব'ৰ্ডৰ প্ৰযুক্তিগত সমিতিৰ সদস্য, ১৯৮৬ আৰু ১৯৮৮ চনত অসম চৰকাৰৰ বান প্ৰত্যহ্বান সমিতিৰ সদস্য আদি।

■ আৰম্ভণিতেই, ব্ৰহ্মপুত্ৰ নদীৰ পাৰৰ পৰা সুদূৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ জন-হপকিন্স বিশ্ববিদ্যালয়লৈ আপোনাৰ যি যাত্ৰা, তাৰ এক চমু বিৱৰণ আমাক দিবলৈ অনুৰোধ জনাইছোঁ।

■ ■ সৰুৰে পৰাই মই ব্ৰহ্মপুত্ৰ নৈৰ প্ৰতি এক আকৰ্ষণ অনুভৱ কৰিছিলোঁ। লখিমপুৰৰ পৰা যোৰহাটৰ ককাৰ ঘৰলৈ যাওঁতে নদীখন পাৰ হ'ব লগা হৈছিল। মই নদীখনৰ বিশালতাৰ প্ৰতি তেতিয়াই আকৃষ্ট হৈছিলোঁ। পৰৱৰ্তী সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত মই ভূতত্ত্ব বিষয়টো মুখ্য বিষয় হিচাপে বাচি ল'লোঁ। সেই সময়ত গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতক স্তৰত ভূতত্ত্ব, ভূগোল আৰু নৃতত্ত্ববিজ্ঞান পঢ়াৰ সুবিধা আছিল আৰু এই বিষয়সমূহ সেই সময়ত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত যথেষ্ট জনপ্ৰিয় আছিল। তেতিয়াৰ পৰাই নদ-নদী, পাহাৰ-পৰ্বত— এইধৰণৰ প্ৰাকৃতিক ঘটনা-পৰিঘটনাৰ প্ৰতি বেছি আকৰ্ষিত হ'লোঁ আৰু নদীৰ ভূ-প্ৰকৃতিৰ অধ্যয়ন কৰিবলৈ ল'লোঁ। মধ্য প্ৰদেশৰ চৌগৰ বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ কৰা কালছোৱাত প্ৰফেছাৰ এছ এম আলিৰ ব্যক্তিত্বই মোক বাৰুকৈয়ে প্ৰভাৱিত কৰিলে। তেখেতেই মোক ভূগোল বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী ল'বলৈ পৰামৰ্শ দিলে। তেখেতৰ পৰামৰ্শ মতেই Fluvial Geomorphology আৰু Geoinformaticsত বিশেষজ্ঞতাৰ সৈতে ভূগোল বিজ্ঞানত স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰিলোঁ। গুৱাহাটীলৈ উভতি আহি মই কটন কলেজত অধ্যাপনা কৰাৰ কালছোৱাত প্ৰায়েই ছাত্ৰ-ছাত্ৰীসকলক লৈ হিমালয় আৰু ইয়াৰ নদ-নদীসমূহৰ ক্ষেত্ৰ-অধ্যয়নৰ বাবে গৈছিলোঁ। তেওঁলোকক শিকোৱাৰ উপৰি বহু নতুন কথা মই নিজেও শিকিবলৈ পাইছিলোঁ। এই কালছোৱাতে মই গোটোৱা সীমিত জ্ঞানৰ সহায়তেই Assam Tribune লৈ অসমৰ বানপানী সমস্যাৰ বিষয়ে প্ৰবন্ধ পঠিয়াবলৈ ল'লোঁ। ব্ৰহ্মপুত্ৰৰ গৱেষণা কৰাৰ আগ্ৰহ আৰু তীব্ৰতৰ হৈ উঠিল। ব্ৰহ্মপুত্ৰ নৈৰ গৱেষণাৰ প্ৰতি মোৰ আগ্ৰহৰ কথা জনাই মই কেইবাখনো বিদেশী বিশ্ববিদ্যালয়লৈ পত্ৰ লিখিছিলোঁ আৰু শেষত জন হপকিন্স বিশ্ববিদ্যালয় (JHU)ৰ অধ্যাপক এম গৰ্ডন ৱ'লমেনৰ সৈতে যোগাযোগ স্থাপন কৰিছিলোঁ। অধ্যাপক ৱ'লমেনে ব্ৰহ্মপুত্ৰ নদীৰ বিষয়ে জানিছিল। মই যি বিষয়ত কাম কৰিবলৈ আগ্ৰহী আছিলোঁ, সেয়া শুনি মোক তাত পঢ়াৰ সুবিধা কৰি দিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈ তাত গৱেষণা কৰিবৰ বাবে যথেষ্ট পৰিমাণৰ ধনৰ প্ৰয়োজন আছিল। চৰকাৰক আৱেদন কৰি কিছু অৰ্থিক সহায় পাবলৈ সক্ষম হ'লোঁ। ১৯৭৬ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ জন হপকিন্স বিশ্ববিদ্যালয়ৰ হুইটিং স্কুল অফ ইঞ্জিনীয়াৰিঙৰ ভূগোল আৰু পৰিৱেশ ইঞ্জিনীয়াৰিং বিভাগত অধ্যাপক এম গৰ্ডন ৱ'লমেনৰ অধীনত Fluvial Geomorphology অধ্যয়ন কৰিবলৈ আৰম্ভ কৰিলোঁ। চৰকাৰৰ পৰা পোৱা আৰ্থিক সহায়খিনি অতি সীমিত আছিল। সেই কথা চিন্তা কৰি অধ্যাপক ৱ'লমেনে মোক ৰকফেলাৰ ফাউণ্ডেচন, USAৰ সৈতে পৰিচয় কৰাই দিলে আৰু ১৯৭৭ চনত নিউয়ৰ্কত ফাউণ্ডেচনৰ এগৰাকী বিষয়াৰ সৈতে সাক্ষাৎকাৰৰ ব্যৱস্থা কৰি দিলে। এই সুযোগক মই আশীৰ্বাদ হিচাপে গণ্য কৰি সাক্ষাৎকাৰৰ বাবে আৱেদন কৰিলোঁ। এক দীঘলীয়া সাক্ষাৎকাৰৰ অন্তত ৰকফেলাৰ ফাউণ্ডেচনে মোক ফেল'শ্বিপৰ বাবে বাছনি কৰিলে। ইয়াৰ সহায়তেই ১৯৮২ চনত মই মোৰ গৱেষণা কাৰ্য সম্পূৰ্ণ কৰিবলৈ সক্ষম হ'লোঁ।

■ ব্ৰহ্মপুত্ৰ নদীৰ গেদ পৰিবহণৰ ক্ষমতা বহু বেছি বুলি আমি কিতাপে-পত্ৰই পঢ়িবলৈ পাইছোঁ। নদীখনৰ গেদ পৰিবহণৰ ক্ষমতা সম্পৰ্কে এক বিস্তৃত আলোকপাত আপোনাৰ পৰা পালে আমি নথৈ উপকৃত হ'ম ।

■ ■ চীন দেশৰ হোৱাংহো নদীৰ পাছতে ব্ৰহ্মপুত্ৰ পৃথিৱীৰ গেদ পৰিবাহী নদীসমূহৰ দ্বিতীয় স্থানত আছে। মই গৱেষণা কৰা সময়ত ব্ৰহ্মপুত্ৰৰ বেলেগ বেলেগ স্থানত এই গেদ পৰিবাহী ক্ষমতাৰ জোখ ল'বলৈ চেষ্টা কৰিছিলোঁ। মোৰ হিচাপমতে বাৰিষা ব্ৰহ্মপুত্ৰৰ বুকুৱেদি দৈনিক প্ৰায় ২ মিলিয়ন টন গেদ পৰিবাহিত হয়। এই গেদবোৰে বাংলাদেশত গৈ অজস্ৰ সৰু সৰু দ্বীপৰ সৃষ্টি কৰিছে। তাহানিৰ অসমৰ এগৰাকী মন্ত্ৰীয়ে মোৰ ভাষণৰ অন্তত এদিন মোক সুধিছিল যে এই পৰিমাণত সহজ অৰ্থত বুজিবলৈ গ'লে কিমান হ'ব? তেতিয়া ভালেখিনি হিচাপ কৰি তেওঁক বুজাইছিলোঁ যে মই যদি পাণ্ডুঘাটত এটা দৈত্যৰ আকৃতি লৈ এখন বৃহৎ ছেকনীৰে ব্ৰহ্মপুত্ৰয়েদি বৈ অহা বালি-বোকাবোৰ ৰাতিপুৱাৰে পৰা ছেকি যাওঁ আৰু সেইবোৰ পাৰত ৰৈ থকা ডাঙৰ ট্ৰাকবোৰত এখনৰ পিছত আন এখনকৈ ভৰাই যাওঁ, তেন্তে গধূলিলৈকে মই যিমান বালি-বোকা ছেকিম সেই গেদেৰে ভৰ্তি ট্ৰাকবোৰৰ লাইনটো পাণ্ডুৰ পৰা ডিগবৈৰ ওচৰ পাবগৈ। আৰু এয়া মাত্ৰ এদিনৰ গেদ পৰিবহণ। ই এক অকল্পনীয় কথা।

■ সাম্প্ৰতিক কালত আমি ব্ৰহ্মপুত্ৰ নদীৰ গৰ্ভ-খননৰ কথা বৰকৈ শুনিবলৈ পাওঁ। ব্ৰহ্মপুত্ৰ নদীৰ সম্বন্ধে আপুনি ইতিমধ্যে বহুখিনি পৰ্যায়লৈকে অভিজ্ঞতাপুষ্ট। নদীখনৰ গৰ্ভ-খননৰ প্ৰক্ৰিয়াটো আপুনি কিমান দূৰ সম্ভৱ বুলি ভাবে?

■ ■ মই ইয়াৰ আগতে উল্লেখ কৰিছোঁ যে গেদ পৰিবাহী নদী হিচাপে আমাৰ ব্ৰহ্মপুত্ৰ নদী পৃথিৱীৰ ভিতৰতে অন্যতম। বিশেষকৈ, বাৰিষাকালত ইয়াৰ পৰিমাণ বহুখিনি বৃদ্ধি পায়। চৰকাৰে এসময়ত কৈছিল যে নদীখনৰ গৰ্ভ খান্দি বালি-বোকাবোৰ পাৰত জমা কৰিম আৰু তাত হাইৱে' বনাম। গৰ্ভ-খননৰ বাবে এখন কমিটিও বনোৱা হৈছিল। সেই কমিটিৰ মই অধ্যক্ষ আছিলোঁ লগতে আই আই টি আৰু অন্য প্ৰতিষ্ঠানৰো ভালেকেইজন বিশিষ্ট ব্যক্তি কমিটিৰ সদস্য আছিল। আমি এই প্ৰক্ৰিয়া সম্পৰ্কত ভালেখিনি অধ্যয়ন কৰিলোঁ আৰু পৰামৰ্শ দিলোঁ যে খনন কৰিলেও নদীখনে আকৌ সেই ঠাই পুতি পেলাব। তেনে বৃহৎ মাপত খননকাৰ্য সম্ভৱ নহ'ব। কিয়নো ই এক বিশাল আৰু নিৰন্তৰ চলিবলগীয়া এক প্ৰক্ৰিয়া। সেই গেদৰ সহায়ত ৰাস্তা বনোৱাৰ কল্পনা কৰাটো এক অবান্তৰ কথা। তদুপৰি, খনন প্ৰক্ৰিয়াৰ ফলত ব্ৰহ্মপুত্ৰ নদীৰ পৰিস্থিতিতন্ত্ৰৰ (ইক'ল'জি) ওপৰতো যথেষ্টখিনি প্ৰভাৱ পৰিব। নদীৰ গভীৰতাত বসবাস কৰা মাছ-কাছ, ডলফিন আদিৰ জীৱন দুৰ্বিসহ হৈ পৰিব। এনে প্ৰক্ৰিয়াৰ বাবে যি পৰ্যায়ত গৱেষণা হ'ব লাগিছিল, সেয়া হৈ উঠা নাই। ইয়াৰ বাবে আন্তৰ্জাতিক সংহত নদী ব্যৱস্থাপনাৰ (Integrated River Management) প্ৰয়োজন হ'ব। নদী এখনক দেশৰ ভৌগোলিক সীমাৰ ভিতৰত আবদ্ধ কৰি ৰাখিলে নহ'ব। নদীখনৰ প্ৰতি ই এক অন্যায়। নদীখনক জীয়াই ৰাখে ইয়াৰ অৱবাহিকাই। এই অৱবাহিকাৰ অন্তৰ্গত দেশসমূহ একগোট হৈ নদীখন জীয়াই ৰখাৰ বাবে উদ্যোগ ল'ব লাগিব।

■ শেহতীয়াকৈ আৰু এক বিষয়ে আমাৰ সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছিল যে মাজুলী নদীদ্বীপ সঁচা অৰ্থত এক নদীদ্বীপ হয় নে নহয়। এই বিষয়ে আপুনি কি ভাবে?

■ ■ মাজুলীক সাধাৰণতে বিশ্বৰ সৰ্ববৃহৎ নদী দ্বীপ হিচাপে স্বীকৃতি দিয়া হয়, কিন্তু ইয়াৰ গঠন আৰু ইতিহাসত কিছুমান জটিলতা আছে। যদি 'নদীদ্বীপ'ৰ সংজ্ঞা ঠিকমতে প্ৰয়োগ কৰা হয়, তেন্তে মাজুলী নিশ্চিতভাৱে এটা নদীদ্বীপ। কিন্তু ভূতাত্ত্বিক দৃষ্টিভংগীৰ পৰা ইয়াক এটা 'অস্থায়ী পলসুৱা ভূমি' (dynamic alluvial landform) বুলিও অভিহিত কৰিব পাৰি। আমি সকলোৱে জানো যে কোনো এখন ঠাইৰ ভৌগোলিক পৰিঘটনাবোৰ স্থায়ী নহয়। ই সময় সাপেক্ষে পৰিৱৰ্তন হৈ থাকে। আমি যদি খৰালি কালৰ কৃত্ৰিম উপগ্ৰহৰ পৰা পোৱা আলোকচিত্ৰসমূহ লক্ষ্য কৰোঁ, তেন্তে মাজুলী নদীদ্বীপ নহয় যেনেই লাগিব কাৰণ উত্তৰপাৰত লোহিত নদীৰ তেনেই সৰু এটি সুঁতি (খেৰকটীয়া সুঁতি) ব্ৰহ্মপুত্ৰত লগ হৈছেহি। কিন্তু বাৰিষা যেতিয়া নদীবোৰে বৃহৎ ৰূপ লয়, তেতিয়া মাজুলীক মূল ভূ-খণ্ডৰ পৃথক দেখা যায়। আন্তঃৰাষ্ট্ৰীয় স্তৰটো এনে ঘটনাৰ নজিৰ আছে। সেয়ে মই ভাবোঁ যে নদীদ্বীপ হিচাপে মাজুলীৰ যি স্বীকৃতি সেয়া বাহাল থাকিব।

■ আপুনি ইতিমধ্যে ভৌগোলিক পৰিঘটনাবোৰৰ পৰিৱৰ্তনৰ কথা কৈছে। আপোনাৰ গৱেষণাৰ কালছোৱাত হয়তো আপুনিও ব্ৰহ্মপুত্ৰখনৰ ভালেমান পৰিৱৰ্তন লক্ষ্য কৰিছে। কেনেধৰণৰ পৰিৱৰ্তন আপুনি দেখিছে, তাৰ বিষয়ে কিছু কথা ক'ব নেকি?

■ ■ পৰিৱৰ্তন বুলি ক'লে দুই ধৰণৰ পৰিৱৰ্তনৰ কথা উল্লেখ কৰিব লাগিব। মানুহে কৰা পৰিৱৰ্তনৰ ফলশ্ৰুতিত পানীৰ গুণাগুণ, নদীৰ গৰাখহনীয়া আদিৰ দৰে ভালেমান পৰিৱৰ্তন দেখিছোঁ। কিন্তু, পাৰিৱেশিক পৰিৱৰ্তনৰ পৰ্যবেক্ষণৰ বাবে মানুহৰ আয়ুসকাল তেনেই তাকৰ। তাৰ তুলনাত পাৰিৱেশিক ঘটনাসমূহৰ আয়ুসকাল যথেষ্ট ব্যাপক। প্ৰকৃতিৰ যিবোৰ ডাঙৰ পৰিঘটনা, উদাহৰণস্বৰূপে ভূমিকম্পৰ কথাকে ক'ব পাৰি। ১৯৫০ চনত হোৱা বৰ-ভুঁইকঁপৰ দৰে ঘটনা মানুহৰ জীৱনকালত খুব কমেই পুনৰাবৃত্তি হয়। এনে ধৰণৰ ডাঙৰ পৰিঘটনাৰ ফলত নদীৰ লগতে আন আন প্ৰাকৃতিক স্থলাকৃতিসমূহৰ লক্ষণীয়ভাৱে পৰিৱৰ্তন হয়। এনে পৰিঘটনাই নদীখনত ইমানেই জোকাৰণিৰ সৃষ্টি কৰে যে নদীখনে লাহে লাহে এক বেলেগ পৰ্যায়লৈ ধাৱমান হয়। নদীয়ে নিজৰ জীৱনকালত এনে বহুতো জোকাৰণিৰ সন্মুখীন হয়। ভগৱানে নকৰক এনে ভূমিকম্পৰ পুনৰাবৃত্তি হ'লে নদীখনে আকৌ হয়তো বেলেগ ৰূপ ধাৰণ কৰিব। ১৯৫০ চনৰ বৰ-ভুঁইকঁপৰ পাছতে বানপানী, খহনীয়াৰ দৰে সমস্যাবোৰে বেছিকৈ ক্ষতি কৰিবলৈ ধৰিলে। বৰ-ভুঁইকঁপৰ পৰিণতি স্বৰূপে ডিব্ৰুগড়ৰ ওচৰত নদীখনৰ তলিখন ১২ ফুট ওপৰলৈ উঠি গৈছিল। আচলতে এই ঘটনা হৈছিল বৰ-ভুঁইকঁপৰ ফলত অৰুণাচলত হোৱা ভূমিস্খলনৰ কাৰণে। ভূমিস্খলনৰ গেদবোৰ নদীখনে

কঢ়িয়াই আনি অসমত অৱক্ষেপণ কৰিলে। কালক্ৰমত নদীখনৰ বুকু বাম হৈ পৰিল।

■ বৰ্তমান সময়ত নগাঁও মৰিগাঁৱকে ধৰি ভালেকেইখন জিলাত ৰাষ্ট্ৰীয় ঘাইপথবোৰৰ নিৰ্মাণ-কাৰ্য চলি আছে। এনেধৰণৰ নিৰ্মাণ-কাৰ্যৰ ফলত জলাশয়-বিল আদিত বিৰূপ প্ৰভাৱ পৰা পৰিলক্ষিত হৈছে। আপুনি এনে জলাশয়সমূহৰ ওপৰতো ভালেখিনি গৱেষণা ইতিমধ্যে কৰিছে। এনেধৰণৰ নিৰ্মাণ-কাৰ্যৰ ফলত জলাশয়সমূহৰ ওপৰত কেনে ধৰণৰ প্ৰভাৱ পৰিব বুলি আপুনি ভাবে? তদুপৰি ঘাইপথবোৰৰ কাষৰীয়া গাঁওবোৰৰ মানুহবোৰে ঘাইপথ নিৰ্মাণৰ বাবে পথাৰবোৰ খান্দি পুখুৰীৰ সৃষ্টি কৰিছে। প্ৰাকৃতিকভাৱে সৃষ্ট জলাশয়সমূহৰ বিলুপ্তি আৰু এনে পুখুৰীবোৰৰ বিস্তাৰে কেনেধৰণৰ ভাৰসাম্যহীনতাৰ সৃষ্টি কৰিছে বুলি আপুনি ভাবে?

■ ■ মই চমুকৈয়ে ক'ব বিচাৰিছোঁ। নগাঁও জিলাৰ ভূ-প্ৰাকৃতিক মানচিত্ৰখন চালেই গম পোৱা যায় যে নগাঁও জিলাখন জলাশয়ৰে সমৃদ্ধ এখন জিলা। এই জলাশয়বোৰ এসময়ত নদীবোৰৰ সৈতে সংলগ্ন আছিল। জলাশয়বোৰৰ বিস্তাৰ দেখিলে অনুমান কৰিব পাৰি যে নদীবোৰে গোটেই ঠাইখিনিতে ডলাৰ বগৰী হৈ নিজ স্থান সলাই ফুৰিছিল। এটা সুঁতি এৰি আন এটা সুঁতিৰে যেতিয়া নদীবোৰ বৈ গৈছিল, তেতিয়া আগৰ সুঁতিটো অশ্বাকৃতিৰ জলাশয়লৈ ৰূপান্তৰিত হৈছিল। মূলনদীৰ পৰা এৰা খালেও এই জলাশয়সমূহ মূলনদীৰ সৈতে সংযুক্ত হৈ আছিল, ঠিক মাতৃৰ গৰ্ভত থকা সন্তানে মাতৃৰ সৈতে নাভিৰ (umbilical cord) জৰিয়তে সংযোগ হৈ থকাৰ দৰে। বাৰিষা এই বিলবোৰ নদীৰ বাঢ়নী পানীৰে ভৰি পৰে। এই সময়তে মাছ-কাছ আদিবোৰে বিলসমূহলৈ গৈ বংশবিস্তাৰ কৰে। পানী কমাৰ লগে লগে আকৌ মূলনদীলৈ উভতি আহে। মানুহৰ আগ্ৰাসনৰ ফলত এই নাভিডাল বৰ্তমান নাইকিয়া হৈ পৰিছে। যাৰ ফলস্বৰূপে এটা চহকী পৰিস্থিতিতন্ত্ৰৰ অৱনতি হৈছে। আনহাতে, নতুনকৈ সৃষ্টি হোৱা এই পুখুৰীবোৰৰ বৈশিষ্ট্যসমূহ সুকীয়া। প্ৰাকৃতিকভাৱে সৃষ্ট জলাশয়সমূহ এক পাৰিৱেশিক সত্ত্বা। মোৰ বোধেৰে এনেকৈ পুখুৰী খান্দি পাৰিৱেশিক সত্ত্বাৰ ৰূপ দিবলৈ চেষ্টা কৰাটো এক অবান্তৰ কথা। কিয়নো এনে কৃত্ৰিম জলাশয়সমূহ গোটেই তন্ত্ৰটোৰ উপাদান নহয়। পাৰিৱেশিক সত্ত্বা হ'বলৈ হ'লে তন্ত্ৰটোৰ সৈতে সংযুক্ত হৈ থাকিব লাগিব।

■ পৰিৱেশৰ পৰা আঁতৰি গৱেষণাৰ লগতে নতুন শিক্ষানীতিৰ সম্পৰ্কে এটা প্ৰশ্ন মনলৈ আহিছে। বৰ্তমান দেশজুৰি নতুন শিক্ষানীতি প্ৰৱৰ্তনৰ লগতে অসমতো বিশ্ববিদ্যালয়সমূহে এই নীতি প্ৰৱৰ্তন কৰি স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰম সংশোধন কৰিছে আৰু স্নাতক পৰ্যায়তে গৱেষণাৰ পাঠ্যক্ৰম সংলগ্ন কৰাৰ পোষকতা কৰিছে। এই পদক্ষেপ মহাবিদ্যালয় পৰ্যায়ত কিমান সুদূৰপ্ৰসাৰী হ'ব বুলি আপুনি ভাবে?

■ ■ বৃহৎ দৃশ্যপটত লক্ষ্য কৰিলে আমি দেখিম যে, স্নাতক পৰ্যায়ত গৱেষণাৰ ধাৰণাটো পৃথিৱীৰ ভালেমান দেশতেই আগৰে পৰাই চলি আছে। আৰু এই ব্যৱস্থা আমাৰ দেশতো যদি প্ৰৱৰ্তন হয় তেন্তে খুব ভাল কথা হ'ব। কাৰণ ই স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীক গৱেষণাৰ প্ৰতি আগ্ৰহী কৰাৰ এক নতুন মঞ্চ দিব। লগতে জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাটো সহায়কৰ ভূমিকা পালন কৰিব। এই সম্পূৰ্ণ প্ৰক্ৰিয়াটো অৱশ্যে নিৰ্ভৰ কৰিব জ্ঞান লোৱাজন আৰু সেই জ্ঞান দিয়াজনৰ ওপৰত। আগতীয়া সতৰ্কতা অৱলম্বন নকৰিলে বেমেজালি হোৱাৰো অৱকাশ নিশ্চয় আছে।

■ ব্ৰহ্মপুত্ৰই ইয়াৰ সৰহভাগ পানী ইয়াৰ উপনৈসমূহৰ পৰাই লাভ কৰে। যদিও খৰালি বৰষুণৰ অভাৱত জলস্তৰ যথেষ্ট পৰিমাণে হ্ৰাস পায়। চীনৰ বৃহৎ নদীবান্ধৰ ফলত খৰালি ব্ৰহ্মপুত্ৰৰ নামনি অংশত বিৰূপ প্ৰভাৱ পৰিব পাৰে নেকি?

■ ■ আমি সকলোৱে জানো যে অসমৰ জলবায়ু মৌচুমীৰ ওপৰত নিৰ্ভৰশীল। মুঠ বৰষুণৰ অধিকাংশই মৌচুমী বতাহৰ ফলতেই হয়। সেয়ে,ব্ৰহ্মপুত্ৰৰ উপনৈসমূহো এই মৌচুমী বতাহৰ ওপৰত নিৰ্ভৰশীল। খৰালি প্ৰাকৃতিকভাৱেইব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস পায়। আৰু নদীবান্ধৰ অযুক্তিকৰ ব্যৱস্থাপনাই অনাগত দিনত আমাৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিব। গুৱাহাটীৰ দৰে মহানগৰে পানীযোগানৰ বাবে খৰালি ব্ৰহ্মপুত্ৰৰ জলস্তৰৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। তেনেস্থলত নদীবান্ধৰ ফলত ব্ৰহ্মপুত্ৰৰ জলস্তৰ যদি আৰু অধিক হ্ৰাস পায়, তেন্তে ই আমাৰ বাবে সমস্যাৰ ৰূপ ল'ব। ইয়াৰ বাবে আন্তৰ্জাতিক সহযোগিতাৰ প্ৰয়োজন। এই সহযোগিতা অবিহনে নদীৰ সংযুক্ত ব্যৱস্থাপনা লগতে সদ্ব্যৱহাৰ সম্ভৱ নহয়।

- **সম্পাদনা কক্ষৰ টোকা**

২০২৫ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখে অনুষ্ঠিত 'এই মাহৰ অতিথি' কাৰ্যসূচীলৈ মুখ্য অতিথি হিচাপে আমন্ত্ৰিত বিশিষ্ট পৰিৱেশ বিজ্ঞানী ড° দুলাল চন্দ্ৰ গোস্বামীৰ সৈতে হোৱা সাক্ষাৎকাৰ।

যুগুতালে- আশিস শইকীয়া।



# ক্ষেত্ৰ অধ্যয়ন ঃ খোনোমা

**ড° কুলেন চন্দ্ৰ দাস**

অধ্যক্ষ



সেয়া ২০১০ চনৰ ৫ মাৰ্চ। আমাৰ কলেজত প্ৰাকৃতিক সম্পদ পৰিচালনাৰ এটা স্নাতকোত্তৰ শ্ৰেণীৰ পাঠ চলাই আছিলোঁ। পাঠ্যক্ৰমৰ অংশ হিচাপে আমি নাগালেণ্ডৰ খোনোমা গাঁৱলৈ আমাৰ ছাত্ৰীসকলক ক্ষেত্ৰ অধ্যয়নৰ বাবে লৈ যাবলগীয়া আছিল। সেই সূত্ৰে ছাত্ৰী তিনিগৰাকী (সংগীতা, মুঞ্জালি আৰু হিমাদ্ৰী)ক লগত লৈ কলেজৰ ভূগোল বিভাগৰ প্ৰবক্তা গৌৰীশংকৰ নাৰ্জাৰী, স্মৰজিৎ ওজা আৰু মই ২০১০ চনৰ ৫ মাৰ্চ তাৰিখে ক'হিমালৈ বুলি ৰেলেৰে যাত্ৰা আৰম্ভ কৰিছিলোঁ। আমাৰ লগত আমি একেলগে কাম কৰা লাওখোৱা বুঢ়াচাপৰি অভয়াৰণ্য সংৰক্ষণ সমিতিৰ সদস্য সচিব শ্ৰীদিলৱাৰ হুছেইনকো লৈ গৈছিলোঁ। নাগালেণ্ডত আমাৰ সকলো ধৰণৰ ব্যৱস্থা আজা জিন্যু নামৰ যুৱক এজনে তদাৰক কৰিছিল। উল্লেখযোগ্য যে আজা জিন্যু কিছুদিন পূৰ্বে আমাৰ কলেজত অনুষ্ঠিত হৈ যোৱা উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰাকৃতিক সম্পদ পৰিচালনাৰ নীতি সম্পৰ্কীয় এক ৰাষ্ট্ৰীয় কৰ্মশালাত যোগদান কৰিবলৈ আহিছিল। আমি চাৰ্লছ চেজি আৰু NEPED ৰ বিষয়ববীয়াসকলকো নিমন্ত্ৰণ কৰিছিলোঁ। চাৰ্লছ আহিব নোৱাৰিলে যদিও খোনোমা সংৰক্ষণৰ আঁৰৰ এগৰাকী মূল ব্যক্তি শ্ৰীচিলে চাখ্ৰি আহিছিল। NEPED ৰ ডেপুটি টীম লীডাৰ, কেন্দ্ৰীয় অসামৰিক সেৱাৰ বিষয়া নাগালেণ্ডৰ ৰাজ বাৰ্মা আহিছিল NEPED সম্পৰ্কে প্ৰেজেণ্টেছন্ দিবলৈ।

চাপৰমুখৰ পৰা ৰেলেৰে আহি ডিমাপুৰত নামি আমি চিধাই উপায়ুক্ত কাৰ্যালয় পালোঁগৈ। তাত আমি ৰাজহ বিভাগৰ অতিৰিক্ত সহ-আয়ুক্ত শ্ৰীপাকনক লগ পোৱাৰ কথা। এই পাকনে আমাক আমাৰ বাবে প্ৰয়োজনীয় আন্তঃৰাজ্যিক পাৰপত্ৰ বা ইনাৰ লাইন পাৰ্মিট উলিয়াই দিয়াৰ কথা। তেখেতৰ কোঠাত সোমাই আমি আজা জিন্যুৰ কথা কোৱাত আমাক তেখেতে আথে-বেথে বহুৱালে। মিঃ পাকন যথাৰ্থতে এগৰাকী নগা ভদ্ৰলোক। তেখেতৰ সুন্দৰ ব্যৱহাৰত আমি মুগ্ধ হৈ পৰিলোঁ। প্ৰয়োজনীয় প্ৰ-পত্ৰসমূহ আমাৰ সন্মুখত ৰাখি তেখেতে আমাক চহী কৰিবলৈ দিলে। বাকী কামবোৰ তেওঁৰ অফিচৰ সহায়কজনক কৰিবলৈ

নির্দেশ দি আমাৰ বাবে চাহৰ আয়োজন কৰিলে। আমাৰ চাহ খোৱা শেষ নৌহওঁতেই আমাৰ ইনাৰ লাইন পাৰ্মিট বা ILP প্ৰস্তুত হৈ গ'ল। আমাৰ হাতত ইনাৰ লাইন পাৰ্মিট তুলি দি আমাক কৰমৰ্দন কৰি পাকনে বিদায় দিলে। নাগালেণ্ডত আহিয়েই পোৱা এই সুন্দৰ ব্যৱহাৰত আমি আহ্লাদিত হৈ পৰিলোঁ।

পাকনৰ পৰা বিদায় লৈ আমি ক'হিমা অভিমুখী টাটা চুম' এখনত বহি দিলোঁ। ভাৰা প্ৰতিজনৰ ১২০ টকাকৈ। ডিমাপুৰৰ পৰা ভালেমান দূৰ আহি সকলোৰে ভোক লগাত ৰাস্তাৰ কাষৰ ফেমিলি হোটেল এখনত গাড়ী ৰখাই আটায়ে নগা খাদ্যৰ জুতি ল'লোঁ। পাতল দাইল, গাহৰিৰ মঙহ, বন্ধাকবি সিজোৱা। ভাতৰ ৰং ঈষৎ ৰঙচুৱা। বেচ সোৱাদ। তৃপ্তিৰে দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰি আকৌ আমাৰ যাত্ৰা আৰম্ভ কৰিলোঁ।

নগালেণ্ড পৰিবহণ নিগমৰ সন্মুখৰ হোটেল 'এলিট ইন'ত আমাৰ আটাইৰে বাবে আজাই কোঠা বুক কৰি থৈছে। ড্ৰাইভাৰে আমাক হোটেললৈকে লৈ যোৱা বন্দবস্ত। পিছে আমাৰ ড্ৰাইভাৰে ডিমাপুৰলৈ যোৱা যাত্ৰী দেখি ক'হিমা বাছ আস্থান পাবলৈ কিছুদূৰ থাকোঁতেই আৰু ওপৰত হৈ থকা যানজঁটৰ অছিলা লৈ আগলৈ নোযোৱা হ'ল। গাড়ী ৰখাই তেওঁ আমাক ক'লে, 'ইয়াতে নামিবি'। আমি দোমোজাত পৰিলোঁ। বহুত চিন্তা চৰ্চা কৰি আৰু দুই-চাৰিজনৰ লগত কথা পাতি লোকেল টেক্সি নাপাই খোজ কঢ়াৰ সিদ্ধান্ত ল'লোঁ। আমাৰ হোটেললৈ থিয়কৈ প্ৰায় এক কিলোমিটাৰ খোজ কাঢ়িব লাগিব। প্ৰত্যেকৰে হাতত কাপোৰ আৰু আনুষংগিক সামগ্ৰীৰ বেগ। বেগবোৰ লৈ পাহাৰত খোজ আমি যেতিয়া হোটেলৰ পৰা বাহিৰ ওলালোঁ তেতিয়া প্ৰায় ৬-৩০ বাজিছে। বাহিৰত প্ৰচণ্ড বতাহ— আমাৰ ইয়াত গছ-গছনি, ঘৰ-বাৰী ভাঙি লৈ যোৱা বৰদৈচিলাৰ লেখীয়া প্ৰচণ্ড বেগী বতাহ। আজাই ক'লে— This season is very windy কাৰেণ্ট আৰু পানীৰ ভীষণ সমস্যা ক'হিমাত এই দুটা মাহ। আজাই সুধিলে— টৰ্চলাইট আছেনে? মিকুৰ লগত টৰ্চ এটা আছিল। হোটেলৰ পৰা বাহিৰত ভৰি দি দেখিলোঁ ঘিট্‌মিটীয়া অন্ধকাৰ। বতাহে বিধ্বস্ত কৰা ৰাতিৰ কোহিমা চহৰ। মাজে মাজে কেঁকুৰিটোৰ সিটো পাৰৰ পৰা অহা গাড়ীৰ হেডলাইটৰ পোহৰত দেখা পালোঁ বতাহে টৌৱাই যোৱা চহৰখনৰ দোকানৰ সন্মুখৰ চিৰিবিলাকত ডেকা ল'ৰাৰ জুম। দুই-এক পথাচাৰীৰ ব্যস্ত খোজ (যেন বৰষুণজাক অহাৰ আগতে যেনে-তেনে ঘৰ পাবগৈ লাগে)। সৰহভাগ ডেকা ল'ৰাৰ খোজেই ঢলং-ঢপং। বুজা গ'ল এওঁলোকে ৰাতিৰ আন্ধাৰত নিষিদ্ধ পানীয়ৰ সোৱাদ লৈছে।

কঢ়াটো বেচ কষ্টকৰ। দিলৰাৰ দাৰ বেগটো সকলোতকৈ বেছি ডাঙৰ। তেখেতৰ কষ্ট দেখিও আমাৰ উপায় নাইকিয়া হ'ল। অৱশ্যে মাজতে এখন লোকেল টেক্সি পালোঁ যদিও আকৌ হোটেল পোৱাৰ আগমুহূৰ্তত গাড়ী আগলৈ যাব নোৱাৰা হোৱাত খোজ কাঢ়ি গৈয়েই নিৰ্দিষ্ট কৰি থোৱা হোটেল পালোঁগৈ।

হোটেলত মুখ হাত ধুই অলপ ফ্ৰেছ হৈ মই আজাক ফোন কৰি আমি হোটেল পোৱাৰ খবৰটো দিলোঁ। অলপ পিছতে আজা আহি আমাক লগ দিলে। আজাৰ লগত আমি চাৰ্লছ চেজিৰ ঘৰলৈ যোৱা কথা। নগা সমাজৰ বাটকটীয়া, নগা হো হোৰ সভাপতি চাৰ্লছ চেজি সম্পৰ্কে আমাৰ প্ৰথিতযশা সাহিত্যিক হোমেন বৰগোহাঞিয়ে তেখেতৰ প্ৰথম কলমত দুবাৰকৈ প্ৰবন্ধ লিখিছিল। আমাৰ কলেজত অনুষ্ঠিত কৰা কৰ্মশালাটোলৈ তেখেতে আহিব বুলি কথা দিয়ো শেষ মুহূৰ্তত বিশেষ এৰাব নোৱৰা কাৰণত আহিব নোৱাৰিলে। তেতিয়াই তেখেতে ক'হিমালৈ গ'লে লগ কৰিবলৈ অনুৰোধ জনাইছিল। আজা আহি পোৱাৰ পিছত মই চাৰ্লছক ফোন লগালোঁ। বেচ আদৰেৰে তেখেতে তেখেতৰ ঘৰলৈ আমন্ত্ৰণ জনালে। অৱশ্যে পিছদিনা তেখেত কাজিৰঙালৈ যাব বাবে আমাক বেছি সময় দিব নোৱাৰিব বুলি ক'লে। ততাতৈয়াকৈ গৌৰী, মিকু আৰু মই সাজু হৈ আজাৰ লগত হোটেলৰ পৰা ওলাই আহিলোঁ।

ক'হিমা নগৰখন আবেলি ৫ মান বজাতেই বন্ধ হৈ পৰে। আইন-শৃংখলা পৰিস্থিতি জটিল হৈ থাকোঁতে ব্যৱসায়ীসকলে সন্ধিয়ালৈ ব্যৱসায় প্ৰতিষ্ঠান খোলা ৰখাৰ ৰিস্ক ল'ব খোজা নাছিল আৰু আজিও সেয়া বাহাল আছে।

আমি বতাহ ফালি আগবাঢ়িলোঁ। এবাৰ ওপৰ, এবাৰ তল কৰি দীঘলীয়া চিৰি বগাই হাতত টৰ্চ জ্বলাই আজাৰ পিছে পিছে গৈ প্ৰায় ১৫/২০ মিনিটৰ ভিতৰত চাৰ্লচৰ ঘৰ ওলালোঁগৈ। চিৰি বগাই তললৈ নামি চাৰ্লচৰ ঘৰ। চিৰি দুটামান নামিয়েই দেখিলোঁ ৰাতিৰ কোহিমাৰ অপূৰ্ব দৃশ্যৰাজি। সন্মুখৰ পাহাৰৰ দৃশ্যমান অংশৰ ঘৰবিলাকৰ ভিতৰত জ্বলি থকা লাইটবিলাকে এক মনোমোহা ৰূপৰ সৃষ্টি কৰিছে। 'মিকু ফটো লোৱা'— মিকুক চিঞৰিলোঁ।

বাৰাণ্ডায়েদি সোমাই দেখিলোঁ চাৰ্লচ ওলাই আহিছে। মই আগবাঢ়ি গৈ ক'লোঁ— 'I am Kulen', 'Hei Kulen, how are you?' 'Fine, Thanks' গৌৰী আৰু মিকুক পৰিচয় কৰাই দিলোঁ। চাৰ্লচৰ চ'ৰাঘৰত বহি আছিল আন এজন সুদৰ্শন যুৱক। নামটো পাহৰিলোঁ। পাটকাই খ্ৰীষ্টিয়ান কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা। চাৰ্লচক মন কৰিলোঁ মাৰ্জিত সাজপাৰেৰে, চশমা পৰিহিত এগৰাকী ব্যক্তিত্বশালী পুৰুষ। মুখ চাই বয়সৰ আনুমানিক হিচাপ

উলিওৱাত মই বৰ সিদ্ধহস্ত নহয়, তাতে আকৌ জনজাতীয় যুৱক-যুৱতীৰ ক্ষেত্ৰত হিচাপটো বেচ আহুকলীয়া। তথাপিও লাগিল বয়স ৫০ আৰু ৬০ ৰ ঘৰত। পাটকাই কলেজৰ প্ৰবক্তাগৰাকীৰ কথা ক'লে চাৰ্লচে— নতুন এটা বিষয় কলেজত খুলিব বিচাৰিছে। প্ৰস্তুতিৰ পৰ্যায়ত। Naga history & Traditional Naga Food যাৰ লগত নিয়োগৰ সুবিধাৰ বিষয়টোও জড়িত হৈ থাকিব। Sounds quite interesting. সদায় হোৱাৰ দৰে আড্ডাৰ বিষয় সলনি হৈ থাকিল। Environment migration, ইত্যাদি। পাটকাই কলেজৰ প্ৰবক্তাজনে মাজতে ৰগৰ কৰি ক'লে— 'We have two seasons in Nagaland– dusty or windy and muddy season' আমি সবেই হাঁহিলোঁ। মাজতে চাহ আহিল। চাহ খাই থাকোঁতে দুটোপালমান বৰষুণ পেলালে। মই সচকিত হৈ উঠিলোঁ। উঠিবলৈ লওঁতেই কাৰেণ্ট আহিল। একপি Group photo উঠিলোঁ আৰু বিদায় ল'লোঁ। Gateলৈকে চাৰ্লচে আমাক আগবঢ়াই দিলে।

আজাই হোটেললৈ আগবঢ়াই দি গ'লগৈ। যোৱাৰ আগতে পিছদিনা খোনোমা যোৱাৰ বাবে গাড়ী দুখন ঠিক কৰি দি গ'ল। ৰাস্তা বেচ বেয়া বাবে খোনোমালৈ যিকোনো গাড়ী যাব নোখোজে। গতিকেই খোনোমাৰে শিক্ষিত ডেকা এজনৰ গাড়ী এখনৰ কথা ক'লে। 'It will be an experience. You will have it tomorrow.'– আজাই ক'লে।

পিছদিনা ৯ মান বজাত গাড়ী আহিল। লাহে লাহে ওলাওঁতে আমি দহমান বজাতহে আৰম্ভ কৰিব পাৰিলোঁ। ৰাস্তা বেয়া— কিন্তু, আজাই কোৱা ধৰণে সেইটো এটা experience নাছিল। কাৰণ যোৱা কেইবছৰমানত মোৰ এনেকুৱা অভিজ্ঞতা ঢেৰ হৈছে। যিয়েই নহওক, ৰাস্তাত আমি ৰৈ ৰৈ ফটো তুলি তুলি গৈ খোনোমা পাওঁতে প্ৰায় ১২ মানেই বাজিল। আমাৰ বাবে 'চিলে' (Tsillie Sakhrie) ৰৈ আছিল। এই চিলেও আমাৰ কলেজৰ কৰ্মশালাত যোগ দিছিলহি। কিন্তু, আমি গৈ পোৱা সময়ত এক মুহূৰ্তৰ বাবে তেওঁ নাছিল। আমাৰ ড্ৰাইভাৰ ল'ৰাজন, লেজোৱে আমাৰ থকা-খোৱাৰ কথা জানিছিল বাবে আমাক নি তাতেই সোমাই দিলে। 'চিলে' আহি পালে অলপ সময় পিছতে। চা-চিনাকি পৰ্ব আৰম্ভ হ'ল। গৃহস্থৰ নাম Khrimie Meru আমি চাৰিজন তাত থাকিম আৰু ছোৱালী তিনিজনী 'চিলে'ৰ ঘৰত। ভাত-পানী ৰন্ধা হৈছিলেই। সুস্বাদু নগা খাদ্য— গাহৰি সিজোৱা, বন্ধাকবি সিজোৱা, দালি ইত্যাদিৰে এপেট খাই দিনটোলৈ বুলি সাজু হ'লোঁ। 'চিলে'ই আমাক গাঁওখন দেখুওৱাৰ ব্যৱস্থা কৰিলে। ঐতিহ্যপূৰ্ণ গাঁও। Warrior Village. আঙ্গামী নগা বাস কৰা এই গাঁওখনৰ পৰা ঢেৰ যোগ্য যোদ্ধা ওলাইছিল। ব্ৰিটিছৰ লগতেই হওক বা ভাৰতীয় সৈন্যৰ লগতেই হওক এই গাঁওখনৰ বহুত মানুহ (যুৱক) যুদ্ধত ছহিদ হৈছিল। প্ৰায় সকলোবোৰৰেই কবৰবোৰ সুন্দৰকৈ সজোৱা আছে, লিখা আছে— যাতে পৰ্যটকে পঢ়ি বুজি পায়। ডেকা চাং চালোঁ।

চাং হিচাপে থকা তক্তাখন (বহলে প্ৰায় ৬/৭ ফুট আৰু দীঘলে প্ৰায় ১৪/১৫ ফুট) এজোপা গছৰ জোৰা নিদিয়া এখন মাত্ৰ তক্তা। তাৰ বৃহৎ আকাৰ দেখি অনুমান লগাবলৈ চেষ্টা কৰিলোঁ— আচল গছজোপাৰ আকাৰ কিমান আছিল।

'চিলে'ই লাহে লাহে দেখুৱাই গৈ থাকিল। এঘৰত দেখিলোঁ— বেৰত ওলোমাই থোৱা বহুত (জন্তুৰ) মূৰ। মেথোন, দেও ছাগলী, ম'হ, হৰিণ, বান্দৰ ইত্যাদিৰ। এইবিলাকে নগাসকলৰ বীৰত্বৰ কথা, চিকাৰত থকা তেওঁবিলাকৰ দক্ষতাৰ কথা সোঁৱৰাই দিয়ে। লগতে সোঁৱৰাই দিয়ে তেওঁলোকৰ সেই head huntingৰ পৰম্পৰাৰ প্ৰচলন থকা দিনবোৰলৈ।

প্ৰচণ্ড বতাহক আওকাণ কৰি আমি লাহে লাহে চিৰি বগাই আগবাঢ়িলোঁ। মিকু আৰু দিলৰাৰ দা কেমেৰা লৈ ব্যস্ত আছিল। বোধহয় ৩মান বজাত আজা আহি আমাৰ লগ লাগিলহি। লগত দেউতাক। (খোনোমা সংৰক্ষণৰ বাবে যিকেইজন মানুহে অক্লান্ত পৰিশ্ৰম কৰিছিল তাৰ ভিতৰত একেবাৰে অগ্ৰণী আছিল 'চিলে' আৰু আজাৰ দেউতাক।

এইবাৰ আমাৰ গাইড তিনিজন হ'ল। সৰু সৰু তিনিটা দুৰ্গ আমাক দেখুৱাই তাৰ বিষয়ে আমাক বৰ্ণনা কৰিলে। আজাই ক'লে— গোটেই খোনোমা গাঁওখন বেচ কৌশলগতভাৱে অৱস্থিত। এটা বিশেষ কেঁকুৰি নুঘূৰালৈকে মানুহে গাঁওখনৰ অৱস্থিতিৰ কথা একেবাৰে গম নাপায়। ব্ৰিটিছ সেনা বিষয়া এজনে কেনেকৈ খোনোমালৈ কৃষি কৰ সংগ্ৰহ কৰিবলৈ আহি আঙ্গামী নগাসকলৰ লগত যুদ্ধ কৰি পৰাজিত হোৱাত কেনেকৈ ব্ৰিটিছসকলক নগাসকলে কাটি খাস্তাং কৰিছিল আৰু বেচ কিছুদিনলৈ খেতি পথাৰবোৰ যে তেজেৰে ৰঙা হৈ আছিল, তাৰ বৰ্ণনা দিলে। চাৰিওফালে চকু ফুৰাই চাই বুজি পালোঁ— ব্ৰিটিছ সেনা বিষয়া আৰু তেওঁৰ সেনাসকলৰ বাবে খোনোমা গাঁৱলৈ অহাটো বোলে দুৰূহ কাম আছিল। বতাহজাকৰ বাবে আমি একপ্ৰকাৰ চিঞৰি চিঞৰি কথা পাতিবলগীয়া হৈছিল। আজাই ক'লে— এটা সময়ত হেনো খোনোমাৰ ওচৰে-পাজৰে বেচ কিছু দূৰলৈ মানুহে কোৱা-কুই কৰিছিল যে Life would have been much pleasant, had there been no wind and khohoma people. আমি হাঁহি হাঁহি আগবাঢ়িলোঁ। অইন এক ডেকাচাঙত দেখিলোঁ— এটা বেচ ডাঙৰ বন্দুক। আজাই নমাই আনিলে। প্ৰায় ৭ ফুটমান দীঘল বন্দুকটো কেঁকো-জেকোকৈ দাঙি লৈ ভাবিলোঁ—

এইবিলাক বন্দুক দাঙি লৈ যুদ্ধ কৰিবলৈ এজন মানুহৰ কিমান শকতি লাগিব। আগৰ ডেকাচাঙটো অকণমান পৰিত্যক্ত অৱস্থাত আছিল— কিন্তু, এই ডেকাচাঙসম্পূৰ্ণকৈ ব্যৱহাৰ কৰে ডেকাসকলে। ডেকাচাংবিলাকত দেখিছিলোঁ প্ৰায় ৫/৬ ফুট দীঘল আৰু ডেৰ/দুফুট ফুট বহল নাও আকৃতিৰ পাত্ৰ, লগতে কাঠৰ ডাঙৰ ডাঙৰ হেতা ইত্যাদি। আমাক বুজাই দিয়া হ'ল যে এই পাত্ৰবোৰ ৰাজহুৱা ভোজত ব্যৱহাৰ কৰে। নাও আকৃতিৰ পাত্ৰটোত ৰন্ধা গাহৰিৰ মাংসবোৰ উলিয়াই ডাঙৰ হেতাবোৰেৰে মাংসৰ তেল আৰু মাংসবোৰ পৃথক কৰি উলিওৱা হয়। তাৰ পিছত আমাৰ জেলেপী ভজা জেজেৰাখনৰ নিচিনা কাঠৰ জেজেৰাখনেৰে মাংসবোৰ তুলি অনা হয় যাতে তেলবোৰ তলত পৰি ৰয়। তাৰ পিছত বিলাই দিয়ে। কি যে সুন্দৰ ব্যৱস্থা স্বাস্থ্য ৰক্ষাৰ।

খোনোমাত আৰু এটা চাবলগীয়া কলা হৈছে বৰ্গাকৃতিৰ শিলেৰে সজোৱা প্ৰকাণ্ড প্ৰকাণ্ড বেৰবোৰ। কোনো ধৰণৰ চিমেণ্ট ব্যৱহাৰ নকৰাকৈ কেনেকৈ ইমান ওখ ওখ বেৰ সাজিব পাৰে আমি আচৰিত হ'লোঁ। মাজে মাজে দুই-এটা শিল মূল বেৰখনতকৈ এফুটমান বাহিৰলৈ ওলাই আছে। আজাৰ দেউতাকে ক'লে— সেই বাহিৰলৈ ওলাই থকা শিলটোক key stone বুলি কোৱা হয়। বেৰখন যদি কেনেবাকৈ ভাঙিব লগা হয়— সেই key stone ডাল টানি উলিয়াই দিলেই তাচপাতৰ ঘৰৰ নিচিনাকৈ বেৰখন খহি পৰিব। Key stone টো আকৃতিত দীঘলীয়া। শিলৰ যে কি সুন্দৰ কাৰুকাৰ্য, নিজ চকুৰে নেদেখিলে বিশ্বাস কৰিব নোৱাৰি। পাহাৰত খাজ কাটি কৰা খেতিত তিনি/চাৰি ফুট ওখ ওখকৈ দিয়া বান্ধবোৰো শিলেৰেই দিয়া। কিন্তু, আচৰিত কথাটো হ'ল— চাৰিওফালে শিলৰেই বেৰ দিয়া গাঁওখনত কিন্তু ঘৰ সাজিবৰ বাবে কোনেও শিল ব্যৱহাৰ কৰা নেদেখিলোঁ।

বিভিন্ন জন্তুৰ মূৰ ওলোমাই ৰখা ঘৰবোৰৰ মাজে মাজে আমি আগবাঢ়িলোঁ। সন্মুখৰ পৰা কেইবাগৰাকী সুঠাম পুৰুষ-মহিলা-ছোৱালী টালি-টোপোলা লৈ আহি থকা দেখি গম পালোঁ যে কোহিমাৰ পৰা খোনোমালৈ আহি পাবলগীয়া বাছখন আহি পালে। চিলেৰ লগত যোৱা বছৰ আমাৰ কলেজলৈ অহা মানুহজনকো লগ পালোঁ। আজাই নিজৰ দোৱানত কথা পাতিলে। আগবাঢ়িলোঁ। গীৰ্জাঘৰৰ সন্মুখত আজাহঁতৰ বলেৰ' গাড়ীখন ৰৈ আছিল। এইবাৰ আমি পাহাৰৰ নামনিত থকা এল্‌ডাৰ গছ চাবলৈ যাবলৈ ওলালোঁ। খোজকাঢ়ি গ'লে সময়ৰ নাটনি হ'ব পাৰে বুলি আজাই আমাক বলেৰ'খনত যোৱাৰ প্ৰস্তাৱ দিলে। মানুহ আটাইবোৰ যাবনে? মোৰ প্ৰশ্ন। চিলেই ক'লে - 'You go. I will be staying back home. After finishing you drop in at my place.' আমি আগবাঢ়িলোঁ। খাজ কটা আৰু ঝুম খেতিৰ বাবে এলডাৰ ৰোপণ খোনোমাবাসীসকলৰ বাবে বহু পুৰণিৰে পৰা দুয়োবিধ খেতিৰ বাবে এই গছবিধ বৰ প্ৰয়োজনীয়। এই গছবিধ ৰোপণ কৰাৰ কিছুবছৰ পিছত ঝুম খেতিৰ বাবে মাটি মোকলোৱাৰ সময়ত প্ৰায় চাৰিফুটমান ওপৰত গা-গছডাল কাটি পেলোৱা হয়। যি ঠাইত গছজোপা কাটি পেলোৱা হয় সেই ঠাইৰ পৰা নতুনকৈ বহুত ডাল ওলাবলৈ ধৰে। দুই/তিনিডাল ৰাখি বাকীবিলাক কাটি পেলোৱা হয়। এনেকৈ গোটেই প্ৰক্ৰিয়াটো চলি থাকে বছৰৰ পিছত বছৰ ধৰি। ঝুম খেতিৰ ফলত হোৱা নিৰ্বনানিকৰণ ই ৰোধ কৰে। ইয়াৰ উপৰি মানুহৰ খৰিৰ চাহিদাও ই বহুলাংশে পূৰণ কৰে। সকলোতকৈ ডাঙৰ উপকাৰ (এই গছৰ) হৈছে এই যে এল্‌ডাৰ গছৰ শিপাই মাটিত নাইট্ৰ'জেন সাৰৰ যোগান ধৰে। তদুপৰি বুঢ়া এল্‌ডাৰ গছবোৰৰ গুৰিভাগ এবিধ পোকে খাই ফুটা কৰি পেলায় আৰু ই ভিতৰি লাহে লাহে গছজোপা খাই পেলায়। ফলত গছজোপাৰ ফুটাটোৰে ভিতৰখন খুঁচৰি দিলে ৰঙা ৰঙা মাটিৰ লেখীয়া এবিধ বস্তু ওলাই যাব তেওঁলোকে সাৰ হিচাপে ব্যৱহাৰ কৰে। ইয়াৰ উপৰি এল্‌ডাৰ গছৰ সৰি পৰা পাতবোৰ পচি গ'লেও মাটিত বেচ ভাল সাৰ হয়। আমি খাজ কটা খেতি পথাৰৰ মাজেৰে লাহে লাহে আগবাঢ়িলোঁ। মহিলাসকলে খুউব ধুনীয়াকৈ সৰু সৰু কোৰৰ লেখীয়া সঁজুলিৰে মাটি চাহ কৰাত ব্যস্ত হৈ আছিল। দিলৰাৰ দা আৰু মিকুৰ হাতত কেমেৰা দেখি তেওঁলোকে আৰু মূৰ নাদাঙিলে। বেচেৰা মিকুৱে বহু দেৰি অপেক্ষা কৰিও ভাল ফটো একপি নাপালে।

এল্‌ডাৰ গছ চাই আমি এইবাৰ আগবাঢ়িলোঁ ধান খেতি কৰা পথাৰলৈ। পাহাৰৰ দিশৰ এঢলীয়া খেতি পথাৰখনৰ একেবাৰে নামনিৰ দিশতহে ধান খেতি কৰা হয়। ধান খেতি ইতিমধ্যেই চপোৱা হৈছে। নহৰু খেতিৰ বাহিৰে পথাৰত একো খেতিয়েই নাই। কিন্তু, ধান খেতি ছপোৱাৰ পিছত ডোবাবোৰ পানীৰে চপ্‌চপীয়া হৈ আছে। মাজে মাজে দুই-এটা ডোবাত বাঁহৰ কামী একোডাল পুতি থোৱা আছে। আজাই ক'লে— খুঁটিটো পুতি থোৱা মানে মানুহে বুজিব তাত এতিয়াও কিবা চপাবলৈ বাকী আছে। কি আছে? মাছ। দুই-এটা সৰু পুঠি মাছৰ বাহিৰে অৱশ্যে বাকী অইন মাছ আমাৰ চকুত নপৰিল। গৈ গৈ এটা জিৰণি ঘৰ পালোঁ। খোনোমা গাঁৱত থকা আঙ্গামী জনজাতিবোৰৰ তিনিটা খেলৰ এটা খেলে সাজি উলিওৱা এই জিৰণি ঘৰটো সাধাৰণতে দুপৰীয়া প্ৰচণ্ড ৰ'দৰ পৰা ৰক্ষা পাবলৈ ব্যৱহৃত হয়। আমি জিৰণি লোৱা ঘৰটোৰ সন্মুখত থকা এটা খাজ কটা ডোবাৰ শিলৰ বেৰখনত বহিলোঁ। ওপৰৰ পৰা বেছি দূৰ যেন নালাগিলেও কিন্তু আমি যথেষ্ট দূৰ আহিলোঁ খোজকাঢ়ি। চিৰি বগাই বগাই উঠি যাওঁতেহে গম পাম। পিঠিত হোৱা ভৰ্তি কৰি

পাচলি, খৰি লৈ মহিলাসকল লাহে লাহে ঘৰমুৱা হৈছে। তাৰ মাজতেই এগৰাকী সুদৰ্শনা জিন্‌ছ পৰিহিত যুৱতী। কান্ধত এখন কৰত। আমাৰ ছোৱালী কেইজনীয়ে কথা পাতিলে। সৌ আঁতৰত কাঠ কাটি তেওঁ ঘৰমুৱা হৈছে। গোটেই আবেলিটো কষ্ট কৰিছে যদিও মুখত বিন্দুমাত্ৰাও প্ৰকাশ পোৱা নাই। বগা মুখখনত দেহৰ বিভিন্ন ঠাইৰ পৰা আহি তেজ গোট খোৱাত মুখমণ্ডল ঈষৎ গুলপীয়া হৈ পৰিছে। মিকুক জোকালোঁ— 'ঘৰ বান্ধিবলৈ মিস্ত্ৰীৰ দৰকাৰ নাই। ছাৰক ক'ম নেকি মিকু?' সিয়ো লাজত ৰঙা পৰি উঠিল।

চিৰি বগাই গাড়ী চলাচল কৰা ৰাস্তাটো পাই আজাৰ দেউতাকক নেদেখি সুধিলোঁ। আজাই সুধিলে— 'Did you hear a gun shot a few minutes back?' এৰা, কিছু সময় আগতে বন্দুকৰ গুলীৰ নিচিনা কিবা এটা শব্দ শুনিছিলোঁ। কিয়? আজাই ক'লে— 'আমাৰ ইয়াত মানুহ ঢুকালে বন্দুকৰ গুলী ফুটোৱা হয়। এইটো এটা পৰম্পৰা। শব্দ শুনিলে সকলোৱে বুজি পায়।' আজাৰ দেউতাকে মানুহ ঢুকোৱা খবৰ ল'বলৈ গ'ল। আজাই আমাক চিলেৰ ঘৰত নমাই দি দেউতাকক আনিব গ'লগৈ।

দিলৱাৰ দা আৰু মিকু আমি থকা ঠাইলৈ গ'ল। কেমেৰা, GPS, Laptop ৰ বেটেৰী চাৰ্জ কৰিব লাগিব। আমি গৌৰী আৰু মই চিলেৰ ঘৰত সোমালোঁ। কাৰেণ্ট নাই। বতাহৰ বাবে। চিলেৰ ঘৰত ঢেৰ এলবাম— ফটোৰ। খোনোমালৈ অহা বিভিন্ন মানুহৰ উপৰি বিভিন্ন ঠাইত হোৱা conferenceবোৰত চিলে অংশগ্ৰহণ কৰা ফটো। এখন, দুখনকৈ চিলেই আমাৰ সন্মুখত কিতাপবোৰ আনি দিবলৈ ধৰিলে। সকলোবোৰ বনাঞ্চল সংৰক্ষণ ইত্যাদি সম্পৰ্কীয় কিতাপ। আমি কিতাপত মগ্ন হৈ গ'লোঁ। চাহ-পানী খাই আমি আমাৰ থকা ঠাই অভিমুখে আগবাঢ়িলোঁ। মুখ-হাত ধুই দিনটোৰ ফটোবিলাক চাবলৈ বহিলোঁ। মিকুৱে ইতিমধ্যেই ফটোবোৰ download কৰি থৈছিল। দিলৱাৰ দাই গৃহস্থৰ পুত্ৰক সন্মুখত বহুৱাই লৈ ছবি আঁকি আছিল। ছবি অঁকা হোৱাৰ পিছত গৃহস্থ/গৃহস্থনী, তেওঁলোকৰ দুই পুত্ৰী আৰু পুত্ৰই ফটো চাই বেচ ভাল পালে। তাৰ পিছতেই ছোৱালীহঁতক লৈ চিলে আহি পালে। আমাৰ থকাৰ ব্যৱস্থা বেলেগে হ'লেও কিন্তু খোৱাৰ বন্দৱস্ত একেলগে কৰা হৈছিল। পাহাৰীয়া ঠাইত খাই-বৈ সোনকালে শুই যোৱাই নিয়ম। আমাৰ সোনকালে শোৱা-খোৱা অভ্যাস নাথাকিলেও অলপ সলনি কৰিবলগীয়া হ'ল। ভাতৰ পাতত বহিলোঁ। ভাগে ভাগে ব্যঞ্জন। গাহৰিৰ মঙহ, গৰুৰ মঙহ, মাছ, বন্ধাকবি, গাজৰ আৰু বিলাহীৰ (ঝুম খেতিৰ ফচল) সৰু সৰুকৈ কটা চালাদ, দালি ইত্যাদি। এটা সৰু বাতিত সৰু সৰুকৈ চেনি দি থোৱা আমলখি। ভাত খাই উঠি খাবৰ বাবে। সকলোৱে তৃপ্তিৰে ভোজন পৰ্ব শেষ কৰিলোঁ। ভাত খাই উঠি চিলেৰ লগত পৰৱৰ্তী দিনটোৰ কাৰ্যসূচী তৈয়াৰ কৰিলোঁ। দিনটো দেওবাৰ হোৱা বাবে আমিও ৰাতিপুৱা ৯ বজাতেই গীৰ্জাঘৰ পাব লাগিব। তাৰ পিছত আমি যাম খোনোমাৰ ৰাইজে সংৰক্ষণ কৰা ৰাইজৰ অঞ্চল (Community conserved Area) KNCTS (Khonoma Nature Conservation and Tragopan Sanctuary) পৰিভ্ৰমণ কৰিবলৈ। আবেলি আঙ্গামী জনজাতিৰ সংস্কৃতিৰ (নাচ-গান) কিবা আভাস পাব পাৰিম নেকি সোধাত চিলেই ফোন কৰি গান গোৱা দল এটা ঠিক কৰিয়েই পেলালে। পৰম্পৰাগত সাজপাৰ পৰিধান কৰি আহিব লাগিব বুলি ক'লোঁ। তাৰ পিছত আমি লগ পাম KYO (Khohima Youth Organisation)ৰ বিষয়ববীয়াক। মই চিলেক ক'লোঁ - স্থানীয়ভাৱে খেতি কৰা ধানৰ বিভিন্ন প্ৰজাতিৰ যদি নমুনা সংগ্ৰহ কৰিব পৰা যায় বেচ ভাল হ'ব। আলোচনা শেষ কৰি চিলেহঁতে বিদায় লওঁতে ৰাতি প্ৰায় ৯ বাজিল।

মাজত ড্ৰয়িং আৰু ডাইনিং ৰুম আৰু দুয়োফালে আমাৰ শোৱাকোঠা। আমি মিকু আৰু মই একেলগে থকাৰ সিদ্ধান্ত লৈছিলোঁ আৰু দিলৱাৰ দা আৰু গৌৰী একেটা কোঠাত। আমি শুবলৈ গ'লোঁ। মোৰ ইমান সোনকালে টোপনি যোৱা অভ্যাস নাই। গতিকে লগত লৈ যোৱা ড° হীৰেন গোহাঁই ছাৰৰ আত্মজীৱনী (তৃতীয় খণ্ড)খন মেলি ল'লোঁ। মিকুৱে MP3 Player টো on কৰি লৈ head phone টো কাণত সোমাই লৈ বিছনাত পৰিল।

২০ মিনিটমান পিছত আৰম্ভ হৈ গ'ল— দিলৱাৰ দা আৰু গৌৰীৰ গোঁজৰণি। নাকৰ শব্দই আগৰ দিনা নিশা আমাক বেচ আমনি দিছিল। কোহিমাত হোটেলৰ একেটা কোঠাতে আমি চাৰিওজন শুইছিলোঁ। দিনটোৰ ভাগৰে জুমুৰি দি ধৰা বাবে সোনকালে টোপনি আহিছিল। কিন্তু কিছু সময় শোৱাৰ পাছত বাঘৰ গোঁজৰণিৰ লেখীয়া শব্দত সাৰ পাই গ'লোঁ। গৌৰী আৰু দিলৱাৰ দাই সমস্বৰে গুঁজৰিছে। তিনি বজাৰ পৰা চকু মুদি বিছনাত পৰি থকাৰ বাহিৰে কৰিবলগীয়া একো নাছিল। চাৰে চাৰি/পাঁচমান বজাত উঠি ম'বাইলটোৰে দিলৱাৰ দাৰ গোঁজৰণি ৰেকৰ্ড কৰি ল'লোঁ। ইতিমধ্যে গৌৰী আৰু মিকু দুয়োটাই সাৰ পাই মোক ৰেকৰ্ডিং কৰি থকা দেখি হাঃ হাঃ কৈ সজোৰে হাঁহি উঠিলত দিলৱাৰ দা সাৰ পাই গ'ল। মই ৰেকৰ্ডিং শুনাই দিলোঁ। বিশ্বাসেই নকৰে তেখেতে— 'মোৰ নহয়। এয়া গৌৰীৰ।' মিকু আকৌ শুইছিল দুয়োজনৰ মাজত। সুধিলোঁ টোপনিৰ কথা। তেওঁ ক'লে, বেছি ভলিউমত গান বজাই হেড ফোন কাণত লৈ লোৱা বাবে গম পোৱা নাই।

খোনোমাতো উপদ্ৰৱ হ'ব বুলি গম পাই আমি দুইটাই বেলেগ ৰূমত শোৱাৰ ব্যৱস্থা কৰিছিলোঁ। কিন্তু, গোঁজৰণি ইমানেই বেছি হ'ল যে দুখন বন্ধ দুৱাৰ পাৰ হৈ আমাৰ কৰ্ণপটহত থহৰ থহৰকৈ পৰিবলৈ ধৰিলে। মই গৃহস্থ-গৃহস্থনীয়ে কথা পতা শুনিলোঁ। বুজিলোঁ নাকৰ শব্দই সন্ত্ৰাসৰ সৃষ্টি কৰিছে। মোৰ হাঁহি উঠিবলৈ ধৰিলে। মুখ বন্ধ কৰি হাঁহোতে বিছনাখন কঁপি উঠাত মিকুৱে চকু মেলি চাই সুধিলে— কি হ'ল। মই ক'লোঁ— হেড ফোন আঁতৰাই লোৱা। এইবাৰ দুইটাই খুক্‌খুকাই হাঁহিবলৈ ধৰিলোঁ। আমি চিন্তা কৰিলোঁ— গৃহস্থৰ কথা। ১১ মান বজাত মিকু উঠি গৈ চালে। দুৱাৰখন যিমান পাৰি কপকপীয়াকৈ বন্ধ কৰি, আমাৰখনো বন্ধ কৰি থ'লে। হাঁহি সম্বৰণ কৰি গোহাঁই ছাৰৰ লগতে ময়ো গৈ Cambridge University পালোঁগৈ। বোধহয় ১২ মান বজাত চকুলৈ তন্দ্ৰা নামি আহিল।

ৰাতিপুৱা ৮-৩০ বজাতেই ঝুম খেতিৰ ধানৰ চাউলৰ ভাত, দাইল, আলু পিটিকা আৰু কণী সিজোৱায়েদি এপেট খাই ল'লোঁ। গৃহস্থনীৰ লগত একেলগে গীৰ্জাঘৰ পালোঁগৈ। আমি প্ৰায় ৪০ মিনিটমান সময় ভিতৰত বহি তেখেতসকলৰ প্ৰাৰ্থনা, ভাষণ ইত্যাদি শুনিলোঁ। যদিও একো নুবুজিলো, তথাপিও ভাল লাগিল। তাৰ পিছত ওলাই আহিলোঁ। আমাৰ লগত যাবলগীয়া আমাৰ গাইড 'আচেলে' তেতিয়া ইংলেণ্ডৰ পৰা অহা টুৰিষ্ট এগৰাকীৰ লগত ব্যস্ত। ভদ্ৰ মহিলা জুখু ভেলীলৈ যাব। চিলেই আমাকো কৈছিল জুখু ভেলীলৈ যাবলৈ। কিন্তু, আমাৰ হাতত সময় কম হোৱা বাবে আমি সেই প্ৰস্তাৱ স্থগিত ৰাখিবলগীয়া হ'ল। ফ্ৰান্স আৰু ইজৰাইলৰ পৰা অহা দুজন টুৰিষ্ট যাব আজি জুখু ভেলীলৈ। ফ্ৰান্সৰ পৰা অহা নিকোলাচক দেখিলে (লুঙ্গী পৰিহিত, অবিন্যস্ত দাড়ি-চুলিৰে) সংসাৰ ত্যাগী বৈৰাগী যেন লাগে। দাৰ্শনিকৰ দৰে ইজৰাইলৰ টুৰিষ্টজনে কালি কৈছিল— "After getting into the top of the mountain, you lay there. You have the sky above you. What else can be so great rather than this?"

এৰা, মুক্ত আকাশৰ তলত, পাহাৰৰ চূড়াত বাগৰি লৈ ঘণ্টাৰ পিছত ঘণ্টাজুৰি একমাত্ৰ নিজৰ লগত কটোৱা মুহূৰ্তবোৰ চাগৈ সঁচাই স্মৰণীয় হ'ব। মই ভাবিলোঁ সেই সম্পৰীক্ষা চলোৱা চাগৈ মোৰ বাবে বেচ কঠিন হ'ব। আমি আলোচনা কৰিছিলোঁ— তীব্ৰ বেগী বতাহৰ কোবত নিকোলাচে বাৰু তাৰ লুঙ্গীখন চম্ভালিব পাৰিবনে?

ইলেণ্ডৰ ভদ্ৰ মহিলাক অস্থায়ী টেন্ট ইত্যাদিৰ যোগাৰ দিয়া হোৱাৰ পিছত আচেলে আহি আমাৰ লগ লাগিলহি। ইটো-সিটো প্ৰশ্ন সুধি আমি লাহে লাহে ওপৰলৈ উঠা আৰম্ভ কৰিলোঁ। গোটেইখন এল্‌ডাৰ ফৰেষ্ট। এইবোৰৰ আটাইখিনিয়েই ব্যক্তিগত মালিকানাধীন। দহ মিনিট খোজ কাঢ়ি দহ মিনিট জিৰণি লৈ লৈ আমি আগবাঢ়িলোঁ। দিলৰাৰ দাই আমাৰ লগত খোজ মিলাব নোৱাৰি পিছ পৰি ৰৈছে। ৰৈ দিয়াৰ লগে লগেই ছোৱালীহঁতে কোট্ কোট্‌কৈ পানী গলাধঃকৰণ কৰিছে। মই ক'লোঁ— "পানী এনেকৈ নাখাবা। মাত্ৰ ডিঙি আৰু ওঁঠকেইটা তিয়াই ৰাখা।" গৈ গৈ আমি জুখু ভেলীলৈ যোৱাৰ পথত থকা 'বেচ কেম্প'লৈ যোৱা NECৰ জৰাজীৰ্ণ ৰাস্তাত উঠিলোঁ। তাৰ পৰা কিছুদূৰ ভটিয়াই খোজকাঢ়ি আমি এইবাৰ সমূহীয়া ভূমিৰ সীমা পালোঁহি। পাহাৰৰ নামনিৰ এইছোৱা KNCTSৰ buffer area. পাহাৰ ভাঙি নাচি-বাগি নামি অহা জুৰিৰ পানী এইছোৱায়েদি গৈ গৈ ধানখেতি কৰা খাজকটা খেতিপথাৰ পাইছেগৈ। সৰু সৰু চালিৰ দুটা জিৰণি ঘৰ। লগত শিলৰ কোৱাৰী। মন কৰিছিলোঁ আচেলেই গোটেই ৰাস্তাত একেবাৰে পানী খোৱা নাছিল। জুৰিটিৰ ওচৰ পাই জিৰণি ঘৰ এটাৰ বেৰত ওলোমাই থোৱা কাপটোতকৈ ডাঙৰ আকাৰৰ মগ এটাৰে হেঁপাহ পলুৱাই জুৰিৰ পানী খাইছে। আমিও খালোঁ। সুস্বাদু পানী।

এইখিনিৰ পৰা পাহাৰটো বেচ থিয়। দিলৰাৰ দাই সাহস কৰিব নোৱাৰিলে। ক্ৰিকেট খেলোঁতে ভৰিৰ সৰু গাঁঠিত মোচোকা খোৱা মিকুৰ ৰাতিপুৱাৰে পৰাই আকৌ বিষটোৱে উক্ দিছিল। গতিকে গৌৰীও সিহঁতৰ লগত থাকি গ'ল। আমি আচেলেৰ লগত লাহে লাহে উঠি গৈ থাকিলোঁ।

এইখিনিতে KNCTSনো কি তাৰ এটা চমু আভাস দি লোৱা উচিত হ'ব। চিকাৰ প্ৰিয় নগাসকল (খোনোমাবাসী)ৰ বাবে এইছোৱা জংঘলত আশীৰ দশকৰ আৰম্ভণিতে চৰাই, জীৱ-জন্তু ইত্যাদিৰ সংখ্যা আশাতীতভাৱে কমি আহিছিল। বৰ্তমানৰ conservationist চিলে চাখ্ৰি তেতিয়া আছিল কাঠ ব্যৱসায়ী। ভাগ্যক্ৰমে আশীৰ দশকৰ মাজভাগত এজন উপযুক্ত ফৰেষ্ট অফিচাৰৰ সৈতে চিলেৰ মুখামুখি হয় আৰু চিলেৰ মানসিকতাৰ পৰিৱৰ্তন হয়। আশীৰ দশকতেই চিলেই মানুহবিলাকক তেওঁলোকৰ সমূহীয়া ভূমিৰ এটা অংশ সংৰক্ষণৰ প্ৰস্তাৱ আগবঢ়াইছিল, কিন্তু কোনেও সন্মতি নিদিলে। কিন্তু চিলেই চেষ্টা এৰি দিয়া নাছিল। ১৯৯৫ চনত চিলে যেতিয়া Village council ৰ সদস্য নিৰ্বাচিত হয়, তেতিয়া তেওঁৰ সন্মুখত এটা ডাঙৰ সুযোগ আহে আৰু তেওঁ সেই সুযোগ অথলে যাবলৈ নিদিলে। নিৰন্তৰ প্ৰচেষ্টাৰ অন্তত ১৯৯৮ চনত Village council এ তেওঁলোকৰ সমূহীয়া ভূমি সংৰক্ষণ কৰাৰ চিলেৰ প্ৰস্তাৱত সন্মতি দিলে আৰু আৰম্ভ হ'ল এক সুকীয়া অধ্যায়ৰ -KNCTS (Khonoma Nature Counservation & Tragopen Sanctuary)। ট্ৰাগোপান নামৰ আমাৰ কুকুৰা

চৰাইটোৰ লেখীয়া, পৃথিৱীতে দুষ্প্ৰাপ্য এই চৰাইবিধৰ আৰাসভূমি KNCTS পৰিচালনাৰ বাবে আছে তেওঁবিলাকৰ নিজস্ব কঠোৰ নীতি। প্ৰথম অৱস্থাত KNCTS এলেকাৰ ভিতৰতে গছ কটা আৰু যিকোনো ধৰণৰ চিকাৰ নিষিদ্ধ আছিল যদিও বৰ্তমান গোটেই গাঁওখনতে চিকাৰ নিষিদ্ধ কৰা হৈছে। কাৰণ দুষ্টলোকে KNCTS ত চিকাৰ কৰি গাঁৱৰ ভিতৰত কৰা বুলি আসৈ মতাৰ ভয়।

গাঁওবাসীয়ে আশাতীতভাৱে এই সংৰক্ষণৰ ফল খাবলৈ ধৰিলে। জৈৱ বৈচিত্ৰ্য বাঢ়ি যোৱাৰ লগে লগে ট্ৰোগোপানৰ সংখ্যা '৮০ৰ দশকৰ শেহৰ এশ/দুশমানৰ পৰা এতিয়া প্ৰায় ছশ/সাতশমানলৈ বৃদ্ধি হৈছে বুলি ধাৰণা কৰা হৈছে) খোনোমাই চাৰিও দিশৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হ'ল। চৰকাৰে খোনোমাক 'সেউজীয়া গাঁও' (Green Village) হিচাপে ঘোষণা কৰি সেই দিশৰ উন্নয়নৰ বাবে তিনি কোটি টকা আগবঢ়ালে। কিন্তু সেই তিনিকোটি টকাৰ সদ্ব্যৱহাৰক লৈ এতিয়া যথেষ্ট প্ৰশ্ন উত্থাপিত হৈছে। অৱশ্যে এই বিষয়ে লিখা আমাৰ উদ্দেশ্য নহয়। ইয়াৰ লগে লগেই গাঁওখনলৈ (দ্জুখু ভেলীলৈ) যথেষ্ট পৰ্যটকৰ সমাগম হ'বলৈ ধৰিলে। নাগালেণ্ডলৈ অহা প্ৰায় সকলো পৰ্যটকেই খোনোমা আৰু দ্জুখু ভেলী দৰ্শন নকৰাকৈ নাযায়। এই পৰ্যটন উদ্যোগে লাভান্বিত কৰিছে আচেলেহঁতৰ লেখীয়া ল'ৰাবোৰক (গাইড) 'মেৰুজ কটেজ'ৰ গৰাকীৰ লেখীয়া মানুহবোৰক। গাঁওখনৰ কেইবাঘৰতো এনেকুৱা home stayৰ ব্যৱস্থা আছে।

যিয়েই নহওক, আচেলেৰ লগত থিয় পাহাৰ বগাই মই আৰু আমাৰ ছাত্ৰী তিনিজনী আগবাঢ়িলোঁ। মাজে মাজে মই আচেলেক দুই-এটা প্ৰশ্ন সুধি গ'লোঁ। প্ৰতিবাৰ জিৰণি লওঁতেই ছোৱালীহঁতে নিজৰ নিজৰ ফটো তুলিবলৈ নাপাহৰিলে। শুকান জুৰি এটা পাৰ হওঁতে আচেলেৰ পুৰণা, স্মৃতি সজীৱ হৈ উঠিল। ক'লে 'চিকাৰ নিষিদ্ধ হোৱাৰ আগতে আমি এই জুৰিটোৰ কাষে কাষে ঢেৰ ফান্দ পাতিছিলোঁ চৰাই ধৰিবলৈ আৰু শ শ সৰু-বৰ চৰাই আমি ভক্ষণ কৰিছিলোঁ।' 'এতিয়া সেইবোৰ কথা মনত পৰিলে কেনেকুৱা লাগে?'— মোৰ তাৎক্ষণিক প্ৰশ্ন। 'খুউব বেয়া লাগে। লাজ লাগে' — আচেলেই ক'লে।

আৰু এটা কথা, আমি বগাই থকা পাহাৰটোৰ ওপৰৰ এটা বিশেষ শিলত কি কাৰণে, কেনেকৈ জানো এনেকৈ খাজ কটা গৈছে যে দূৰৈৰ পৰা দেখিলে এখন মানুহৰ মুখ যেন লাগে। খোনোমাৰ মানুহবিলাকে ৰাতিপুৱাই শুই উঠি সেই মুখখনে হাঁহি থকা যেন দেখিলে দিনটো ভালেৰেই যাব বুলি বিশ্বাস কৰে। আমি সেই পাহাৰটোৰ, সেই বিশেষ মুখখনৰ ফালে ধিয়াই আগুৱাই গৈ আছিলোঁ। আগৰ দিনা আবেলি সময়ত চিলেৰ ঘৰৰপৰা বাইন'কুলাৰেৰে চাই স্পষ্টকৈ দেখা মুখখনৰ আমি লাহে লাহে ওচৰ চাপিলোঁ। আমাৰ কেমেৰাটো মিকুৰ হাতত থকা বাবে মই ছোৱালীহঁতৰ digital কেমেৰাটো আনি জুম কৰি ফটো লোৱাত লাগিলোঁ। যিমানেই ওচৰ চাপিছোঁ— মুখখন লাহে লাহে চিনিব নোৱৰা হৈ আহিল। মাজত পাহাৰৰ ওপৰৰ পৰা বৈ অহা জুৰিটো। মেথোন খুটিৰ মেথোনবোৰ ইফালে-সিফালে চৰি ফুৰিছে। মই লাহে লাহে সিহঁতৰ ওচৰ চাপি ফটো ল'বলৈ চেষ্টা কৰিলোঁ— কিন্তু ওচৰ চাপি যোৱা দেখিলেই সিহঁত আঁতৰি যায়। উপায় নাপাই জুম কৰিয়েই ফটো ল'বলগীয়া হ'ল। কিন্তু এইটো কেমেৰাত জুম কৰি ফটো ল'লে বেয়া হয়। আচেলেই আমাক দ্জুখু ভেলীৰ পৰা কেনেকৈ ট্ৰেকিং কৰি আহি ক'ত কেম্প কৰা হয়, অস্থায়ী কেম্পবোৰ ক'ত ক'ত স্থাপন কৰা হৈছে সন্মুখৰ পাহাৰটোলৈ আঙুলিয়াই আঙুলিয়াই দেখুৱাই গ'ল।

বহুত দেৰি হোৱা যেন অনুমান কৰি মোবাইলটো উলিয়াই চালোঁ। এক বাজি গৈছে। 'আমি উভতি যোৱা উচিত'— মই আচেলেক ক'লো। নামি আহি মিকু, গৌৰীহঁত থকা ঠাই পাওঁতে বেছি দেৰি নালাগিল। আহি দেখিলোঁ তিনিওটাই জুৰিটোৰ পাৰত বহি আছে। মিকুৱে ক'লে— 'কুলেনদা বস্তু এটা চাওকহি।' গৈ দেখিলোঁ অস্থায়ী কেম্পৰ চৌকাৰ ওপৰত এডাল ৰছীত ভালেমান ভেকুলী ওলোমাই থোৱা আছে। ধোঁৱা লাগি লাগি সেইবোৰ শুকাই আছে। আচেলেই দেখি হাঁহিলে। আমি সুধিলোঁ সেয়া কেনেকৈ খায়। আচেলেৰ বৰ্ণনাত গম পালোঁ— বিলাহী ইত্যাদি দি একধৰণৰ চুপ বনায়। আমি দিলৱাৰ দা, গৌৰী আৰু মিকুৱে আচেলেক কুটুৰিলে কেনেবাকৈ ভেকুলীৰ চুপ খাব পৰা যাব নেকি? কিন্তু, ভেকুলী পোৱাটো এটা সমস্যা হ'ব। গতিকেই ভেকুলীৰ চুপৰ লোভ সামৰিবলগীয়া হ'ল। ওলমি থকা শুকান ভেকুলী এটাত কামোৰ দি মিকুৱে মোক ফটো ল'বলৈ চিঞৰিলে। ময়ো ল'লোঁ। বেছি ওচৰৰ পৰা হ'ল নেকি— ফটোখন বেয়া হ'ল। বেচেৰা মিকু!

তেতিয়ালৈকে ভোকৰ কথা গম পোৱা নাছিলোঁ। বেগত থকা ব্ৰিটানিয়া জাতীয় কেক্ আৰু বিস্কুটৰ অৱশিষ্ট অলপহে আমালৈ বাকী আছিল। দিলৱাৰ দাই উলিয়াই দিলে। মই খাব লাগে বাবেই মুখত দিলোঁ। কিন্তু, কেক্ টুকুৰা পেটত পৰি পেটটো কল্‌মলাই উঠিল। মাত্ৰ দুপিছ কেক্ ভাগত পৰিল। উপায় নাপাই বটলত থকা অৱশিষ্ট পানীখিনিয়েই কোট কোটকৈ গিলি পেলালোঁ। আজি দিনটো KNCTS তেই কটাম বুলি পৰিকল্পনা কৰিছিলোঁ বাবেই দুপৰীয়াৰ খানা নাখাওঁ বুলি গৃহস্থক কৈ আহিছিলোঁ। দুখ লাগি গ'ল।

এল্‌ডাৰ গছৰ মাজে মাজে ইলাচিৰ খেতি। এয়া NEPED

ৰ intervention। NEPED (Nagaland Enviornment Profection through Economic Development) হৈছে কানাডিয়ান আৰু নাগালেণ্ড চৰকাৰৰ উমৈহতীয়া কাৰ্যসূচী। এই কাৰ্যসূচী ঘাইকৈ ঝুম খেতি কৰা অঞ্চলবিলাকৰ উন্নতিৰ বাবে লোৱা এক ধৰণৰ উন্নয়নমূলক পদক্ষেপ। আমি এল্‌ডাৰ গছৰ হাবিৰ মাজেদি লাহে লাহে আগবাঢ়িলোঁ। কেমেৰা হাতত লৈ থকা বাবে মিকু আৰু দিলৰাৰ দা পিছ পৰিল। আমি মূল ৰাস্তা এৰি খেতিৰ মাজৰ ৰাস্তা ধৰিলোঁ। আমাৰ বাবে সাংস্কৃতিক গ্ৰুপটো ৰৈ আছে। গতিকে ল'লোঁ short cut— আচেলেৰ কথামতে। আকৌ যেতিয়া আমি মূল ৰাস্তাত উঠিলোঁ— দেখিলোঁ আচেলেই এল্‌ডাৰ গছৰ শুকান ডাল এটা ভাঙি তিনি টুকুৰা কৰিছে। দেখিলোঁ যদিও কথাটোত ইমান গুৰুত্ব নিদিলোঁ। কিন্তু, অলপ পিছত দেখিলোঁ মূল পথটো (গাড়ী যোৱা) দুভাগত ভাগ হৈছে। এটা ৰাস্তা কোহিমা আৰু আনটো খোনোমালৈ গৈছে। আচেলেই খোনোমালৈ যোৱা ৰাস্তাটোৰ ফালে হাতত থকা শুকান ডাল তিনিটুকুৰাৰে এডাল কাঁড় চিহ্ন দি থ'লে, যাতে মিকুহঁতে ৰাস্তা ভুল নকৰে। সৰু সৰু কিন্তু বেচ গুৰুত্বপূৰ্ণ এইবোৰ হাবিত মানি চলিবলগীয়া নীতি। আচেলেহঁত গাইড যে, এই সৰু সৰু কিন্তু গুৰুত্বপূৰ্ণ কথাবোৰ তেওঁলোকৰ মনত থাকে।

গৃহস্থৰ ঘৰত সোমাওঁতে তিনিমানেই বাজিল। দেখিলোঁ দুজন সুদৰ্শন পুৰুষ আৰু দুগৰাকী ধুনীয়া মহিলা, পৰম্পৰাগত সাজপাৰ পৰিহিত। বুজিলোঁ— আমাৰেই অপেক্ষাত ৰত। সোমায়েই ক'লোঁ— 'We are sorry for getting little late.' 'No, no its alright' তেখেতসকলেও বুজি পাইছিল। 'We will freshen up in a few minutes' বুলি কৈ কোঠাৰ ভিতৰত সোমাই গ'লোঁ। হাত-মুখ ধুই ওলাই আহি 'চিলে'ক ক'লোঁ— খুউব ভোক লাগিছে আমাৰ আটাইৰে। আমি কিবা খাব পালে ভাল পাম। মিকু আৰু দিলৰাৰ দাই বৰ দেৰি কৰিছে। মিকুৰ ভৰিৰ সৰু গাঁঠিটো ফুলি উঠিছিল। দিলৰাৰ দাৰ বেচ কষ্ট হৈছে। বিশেষকৈ ৰাতিপুৱা ওপৰলৈ উঠোঁতে। মিকু লগে লগেই আছিল। পিছত মোক কৈছিল— দিলৰাৰ দাই পাহাৰ বগাবলৈ ভাগৰি পৰিছিল। উশাহ দীঘল আৰু ঘন হৈ পৰা দেখি মিকুৱে ভয়েই খাইছিল।

মিকু আহি পালে! দিলৰাৰ দাক নেদেখি চিলেই মোক সুধিলে— 'Where is the oldman?' মোৰ বেচ হাঁহি উঠিছিল। দিলৰাৰ দাৰ বয়স ৫৪ আৰু চিলেৰ ৬৭ ।

সকলো আহি পাওঁতে মহিলা দুগৰাকীয়ে বেগত ভৰাই লৈ অহা পৰম্পৰাগত অলংকাৰ পৰিধানৰ বাবে ভিতৰলৈ গ'ল। ইতিমধ্যে মই সংগীতাহঁতক মতা মানুহ কেইজনে পৰিধান কৰি থকা অলংকাৰবোৰৰ নাম সুধি লিখি ৰাখিবলৈ কৈছিলোঁ।

আমি থকা ঘৰটোৰ তলত চোতালৰ নিচিনা অংশটোত তেওঁলোকে গান গোৱা আৰম্ভ কৰিলে। মিকুৱে video cameraটো tri pod ডালত থৈ still camera টো হাতত তুলি ল'লে। মই হিমাদ্ৰীৰ কেমেৰাটো ল'লোঁ। বুজি নাপালেও অৱশ্যে বেচ মনোযোগেৰে আমি আটায়ে শুনিলোঁ। উপভোগ কৰিলোঁ— পৰম্পৰাগত বাদ্য সঙ্গত কৰি গোৱা কেইবাটাও গান। চিলেই প্ৰতিটো গানৰ শেষত আমাক গানৰ সাৰাংশ বুজাই দিছিল। গান শেষ হোৱাৰ পিছত আমি সবেই ফটো উঠিলোঁ তেওঁলোকৰ অলংকাৰবোৰ পিন্ধি।

তেওঁলোকৰ programme শেষ হোৱাৰ লগে লগেই আহি পালে KYO (Khonoma Youth Organisation) ৰ বিষয়ববীয়াসকল। মাইকেল হ'ল সভাপতি আৰু বাকী দুজনৰ নাম পাহৰিলোঁ। গাঁওখন সম্পৰ্কে, KNCTS সম্পৰ্কে বহু কথাই আলোচনা হ'ল। 'চিলে'ই ক'লে KYO নথকা হ'লে KNCTS চলোৱাটো কিমান টান হ'লহেঁতেন। Ground rule যিমান আছে সকলোখিনিয়েই KYO য়ে কাৰ্যকৰী কৰে। Patrolling, fine imposition and collection, etc. সকলোখিনিয়েই KYOৰ দায়িত্ব। কথা প্ৰসঙ্গত মই পৰম্পৰাগতভাৱে কৰি থকা ধানৰ বিভিন্ন প্ৰকাৰ সম্পৰ্কে সুধিলোঁ। তেওঁলোকে ক'লে বহুত প্ৰকাৰৰ ধান খেতি কৰা হয় এতিয়াও। মই বিচাৰিলে নমুনা সংগ্ৰহ কৰিব পৰা যাব নেকি সুধিলোঁ। তেওঁলোকে আমাক লৈ গ'ল অইন এঘৰ মানুহলৈ। তাতো আমাৰ কথা চলি থাকিল। বিভিন্ন প্ৰকাৰৰ ধানৰ নমুনা আহিল— লগতে আহিল চাউলৰ মদ আৰু পোৰা গাহৰিৰ মাংস। স্থানীয় বনৰীয়া মচলাজাতীয় গছ-পাতেৰে প্ৰস্তুত কৰা এবিধ চাট্‌নি। দেখিলোঁ মানুহঘৰৰ আটাইবিলাক সদস্যই (বুঢ়ী মানুহ এজনী, ছোৱালী এজনী আৰু ল'ৰা এজন) ধানবিলাক টোপোলা বনাই দি মাইকেলক সহায় কৰিছে আৰু মাইকেলে কাগজত ধানৰ স্থানীয় নাম, তাৰ বৰণ আৰু কিবাকিবি দৰকাৰ হ'ব পৰা কথা লিখি দিছে।

মই ম'বাইলৰ ঘড়ীলৈ চালোঁ, ৯ বাজি গ'ল। খালী পেটত মদসোপাহে গিলিলোঁ। গাহৰিৰ মঙহ অলপ বেছিকৈ পেটত সোমাল যেন পালোঁ— ভোকত আছিলোঁ নহয়। আমি সবৰে পৰা বিদায় ল'লোঁ। পাহাৰ বগাই বগাই আকৌ গৃহস্থৰ ঘৰ পাওঁতে পাওঁতে দেৰি হৈ যাব। আমাৰ বাবে গৃহস্থৰ মানুহ ৰৈ থাকিব।

আহি দেখিলোঁ আমাৰ বাবে ডাইনিং টেবুলত ভাত ঢাকি থোৱা আছে। মুখ-হাত ধুই ভাতৰ টেবুলত বহিলোঁ। ৰঙা চাউলৰ ভাত, কুকুৰাৰ মাংস ভজা, গাহৰিৰ মঙহ, মাছৰ তৰকাৰী, ঝুম

খেতিৰ কবি, বিলাহীৰ চালাদ। আমি এই চালাদখনৰ সোৱাদটো বেচ ভাল পালোঁ। সৰুতে খাইছিলোঁ যদিও মনত নপৰে। কিন্তু অপূৰ্ব সোৱাদৰ এনেকুৱা চালাদ খোৱা একেবাৰে মনত নপৰে। মই আৰু মিকুৱে চালাদৰ অৱশেষকণলৈকে শেষ কৰিলোঁ।

ভাত-পানী খাই আমিকেইটাই মিকুৱে downlood কৰা দিনটোৰ ফটোবোৰ চাবলৈ ধৰিলোঁ। দিনটোৰ ভাগৰে জুমৰি দি ধৰিছিল। গোটেই ফটোখিনি চোৱা হোৱাৰ আগতেই টোপনিয়ে হেঁচা মাৰি ধৰিলে। ৰাতিপুৱা পাঁচ/চাৰে পাঁচমান বজাত মিকু আৰু দিলৱাৰ দা ওলাই গ'ল কেমেৰা হাতত লৈ। উভতি আহি খবৰ দিলে NEPEDৰ এজন মানুহ লগ পাই আহিছে। আজি কোহিমালৈ যাব ১০/১১ মান বজাত। মই লগ পাম বুলি কৈ আহিছে হেনো।

গা-পা ধুই উভতি আহিবলৈ সাজু হ'লোঁ। 'লেজো'ক ৯ বজাত গাড়ী দুখন লৈ আহিব কোৱা হৈছিল। গতিকে ৮-৩০ বজাত আমি ৰাতিপুৱাৰ আহাৰ খাবলৈ ল'লোঁ। মিকু আৰু মই শেষত খাবলৈ বহিলোঁ। ৰঙা চাউলৰ ভাত, আলু পিটিকা আৰু সিজোৱা কণী। বাকীবিলাকে সিজোৱা কণী নাখালেই যেন পালোঁ— মই মিকুক ক'লো। মিকুৱে ক'লে 'আমি খাই থওঁ দিয়ক।' মিকুৱে পাঁচটা আৰু মই তিনিটা খাই বাটিটো শেষ কৰি থ'লোঁ।

খাই-বৈ মিকু আৰু মই NEPEDৰ মানুহজনক লগ পাবলৈ ওলালোঁ। গৈ গৈ শেষেই নহয়। গাঁওখনৰ একেবাৰে নামনিত মানুহজনৰ ঘৰ। আমাৰ লগে লগে আচেলেও গ'ল। মানুহজনক অৱশ্যে আমি লগ নাপালোঁ। মিকু/আচেলেই ফোনত কথা পাতিলে। আমি কোহিমাত লগ হ'ম বুলি কৈ উভতিলোঁ। ইতিমধ্যে মানুহবোৰে খেতি পথাৰত যথেষ্ট কাম শেষ কৰিলেই। আমি ওলাই অহাৰ আগতেই আমাৰ গৃহস্থৰ ছোৱালী দুজনীও মূৰত হোৱা লৈ খেতিপথাৰলৈ ওলাই আহিছিল। আচেলে আমাৰ লগত নাহিল। আমি ওপৰলৈ উঠিলোঁ। অৱশ্যে চিৰি বগোৱাতকৈ গাড়ী অহা-যোৱা কৰা ৰাস্তাটোৰেই উঠিবলৈ ধৰিলোঁ। গৃহস্থৰ ঘৰ পাবলৈ কিছু দূৰ থাকোঁতেই আমাৰ আগে আগে মূৰত হোৱা লৈ আহি থকা ৭৮ বছৰীয়া আইতাজনীক চেৰ পেলালোঁ। কেঁকুৰিটো ঘূৰি গৃহস্থৰ ঘৰৰ সন্মুখ পাওঁতে দেখিলোঁ আইতাজনীও সেইখিনি পালে। আমাৰ দৰে চিধা ৰাস্তা নলৈ বুঢ়ীয়ে চিৰি বগাই আহিল বাবে আমাৰ লগে লগেই আহি পালে। আমি আলোচনা কৰিলোঁ— ডেকা ল'ৰা হৈ আমি চিৰি বগাবলৈ সাহস কৰিব নোৱাৰিলোঁ, কিন্তু ৭৮ বছৰীয়া আইতাই....। ধন্য আইতা। ধন্য খোনোমাৰ হাৱা-পানী-খানা। গৃহস্থৰ ঘৰৰ সন্মুখ পাই আমি দুইটাই অলপ ৰ'লোঁ— ভাগৰ লাগিছিল। আইতা নৰ'ল। আকৌ এটা দীঘলীয়া চিৰি বগাবলৈ ধৰিলে। আইতাৰ গন্তব্যস্থানলৈ বা আকৌ কিমান দূৰ?

লেজো আহি পাওঁতে বহু দেৰি হ'ল। আমি গৈ কোহিমা পাওঁতে প্ৰায় ১২-৩০ মান বাজিল। Hotel Elite Inn (য'ত আমি প্ৰথম দিনা আছিলোঁ)ৰ দুটা কোঠা আমাৰ বাবে book কৰি থ'ব কোৱা আছিল। কিন্তু, হোটেলত সোমাওঁতে মেনেজাৰে ক'লে যে হোটেলত পানীৰ সমস্যা হৈছে। গতিকে আমাৰ বাবে কাষৰ হোটেলখনতহে কোঠা তিনিটা বুক কৰি থোৱা হৈছে। তৃতীয় মহলাৰ তিনিটা কোঠা। ইয়াতো পানী নাই কিন্তু, বাথৰূমত থকা বাল্টি দুটা ভৰ্তি কৰি থোৱা আছে। দিলৱাৰ দাৰ গাটো বেয়া। জ্বৰ উঠিছে। (কালি দুপৰীয়া যে ভাত খোৱা নহ'ল, তেতিয়াই Gas form হৈছিল)। জ্বৰৰ টেবলেট কিনি আনি খাই তেখেতে শুলে। মই খবৰ ল'বলৈ সোমাই যাওঁতে উৎকট গোন্ধ এটা পালো। সেয়া বাথৰূমৰ পৰা আহিছে। ইমান বেয়া গোন্ধ, কিন্তু উপায় নাই। আমাৰ ৰূমটো ইমান গোন্ধোৱা নাই। কিন্তু, বাথৰূমটোৰ অৱস্থা তথৈবচ। মোৰ বাবে বাথৰূমত গা-ধোৱা, মুখ ধোৱা ইত্যাদি সম্ভৱ নহ'ব যেন লাগিল। তদুপৰি বাথৰূমৰ মগ এটাই আছে। অনুমান কৰিবলৈ টান নহ'ল— মগটো দুয়োফালে ব্যৱহাৰ কৰা হয়।

মিকুৱে কম্পিউটাৰ, মোবাইল ইত্যাদি চাৰ্জত দিলে। ৰাতিপুৱা লগ পোৱা মানুহজনক ফোন কৰিলে। তেখেতে কিছু সময় পিছত ফোন কৰিব বুলি ক'লে। অপেক্ষা কৰাৰ বাহিৰে আমাৰ কৰণীয় একো নাছিল।

মই গোহাঁই ছাৰৰ আত্মজীৱনীখন উলিয়াই ল'লোঁ। মিকুৱে গান শুনিবলৈ ধৰিলে।

অপেক্ষা কৰা ফোনটো বহু দেৰিলৈ নহা বাবে মই আজালৈ ফোন কৰিলোঁ। আজা আহিল। আমাৰ খুউব ভোক লাগিছিল। ভাবিলোঁ কিবা এটা খাই আহোঁ। ছোৱালীকেইজনীৰ ৰূমত তলা। আমি দিলৱাৰ দাক এৰি থৈ ওলাই আহিলোঁ। আজাই সুধিলে আমি নগা খানা খাম নে অইন কিবা। তিনিওজনৰ মুখৰ পৰা সমস্বৰে ওলাল— "নগা খানা"। একেই খানা— গাহৰিৰ মঙহ, সিজোৱা বন্ধাকবি ইত্যাদি।

উভতি আহি দেখো ছোৱালীকেইজনী আহি পোৱা নাই। আমি আচলতে NEPED ৰ field site চাব যোৱা কথা আছিল। কিন্তু যোগাযোগ কৰোঁতে দেৰি হোৱা বাবে সেয়া সম্ভৱ নহ'ল। গতিকে আমি NEPED ৰ Office লৈ গৈ তাৰ মানুহৰ লগত আলোচনা কৰাটোকে ঠিক কৰিলোঁ। ছোৱালীকেইজনী আহি নোপোৱাত আমি Nagaland State Emporiumত সোমালোঁ। সাংঘাতিক চকুত লগা একো নপৰিল। আজাই তাগিদা দিলে— আৰু দেৰি কৰিব নোৱাৰি, নহ'লে অফিচ বন্ধ হৈ যাব। ছোৱালীকেইজনীক লৈ আমি অফিচ পালোঁ।

৩-৩০মান বাজিছিল। মানুহবোৰ যাব ওলাইছিলেই। আমাক আথে-বেথে বহুৱালে। আমি NEPED সম্পৰ্কে যথেষ্ট কথা পাতিলোঁ। চাহ-পানী খুৱালে। NEPED উলিওৱা কিতাপ দুখন দিলে আমাৰ বিভাগলৈ। এঘণ্টামান কথা পতাৰ পিছত আমি উভতিলোঁ উৎফুল্লিত হৈ। NEPED সম্পৰ্কে এটা সুস্পষ্ট ধাৰণা লৈ।

আজাক সুধিলোঁ যুদ্ধ স্মাৰক চাব পৰা যায় নেকি? আজাই ক'লে বাহিৰৰ পৰাহে চাব লাগিব যিহেতু ইতিমধ্যেই বন্ধ হৈ গৈছে। তথাপিও আগবাঢ়িলোঁ। ৰাস্তাৰ কাষত বহা বজাৰখনত বিক্ৰী কৰিবলৈ অনা জীয়া জঁপিয়াই থকা ভেকুলীবোৰ দেখি মিকুৱে গৌৰীক চিঞৰিলে — 'গৌৰী দা, জিভাৰ পানী ওলাইছে নেকি?'

লাহে লাহে গৈ বাহিৰৰ পৰা War cometary টো চালোঁ। ইতিমধ্যে দোকান-পোহাৰবোৰ বন্ধ হৈ গৈছিল। আমি লাহে লাহে উভতিলোঁ। হোটেলৰ কাষতে থকা এখন হোটেলত সংগীতাহঁতক খাবলৈ দিলোঁ। আমি ৰাতিলৈ ভাত নাখাওঁ বুলি সিদ্ধান্ত ল'লোঁ। (এইকেইদিনত গাহৰি খাই খাই আটাইকেইটাৰে ওজন বাঢ়িছে)। গতিকে বেকাৰী এখনৰ পৰা কিবাকিবি কিনি লগত লৈ ল'লোঁ। ৭ মান বজাত আজাই বিদায় ল'লে আৰু আমিও হোটেললৈ উভতিলোঁ। দিলৰাৰ দাই সন্ধিয়াতে ৰাতিটোৰ বাবে কিবা এটা খাই ল'বলৈ বুলি হোটেল বিচাৰি ওলাল। যিখন হোটেলতেই সোমাই তাতেই নগা fermented খানাৰ গোন্ধ পায়। এখন হোটেলত গৈ ভাতৰ অৰ্ডাৰ কৰি দিলে কিন্তু তাতো ব্যৱস্থাটো এনেকুৱা যে মাংস খাবই লাগিব। দাইলৰ ব্যৱস্থা নাই। উপায় নাপায় chicken ৰ পইচা payment কৰি চব্জি ভাত খোৱাৰ সিদ্ধান্ত ল'লে। কিন্তু আকৌ সেই নগা খাদ্যৰ গোন্ধ। কি কৰে, শুদা ভাতত জলকীয়া সানি পিঁয়াজৰ স'তে কেইটামান নাকে-মুখে গুঁজি ওলাই আহিল। গাহৰিৰ মঙহে আমাকো আমুৱাইছিল।

ৰাতি বতাহৰ শব্দ ৰেকৰ্ডিং কৰিব লাগিব বুলি মিকুৱে পাহাৰটোৰ ফালে থকা খিৰিকীখনৰ কাষৰ বিছনাখন লৈছিল। কিন্তু, কিয় জানো সেইদিনা বতাহৰ গতিবেগ আছিল একেবাৰে কম। ভবা কথা সিদ্ধি নহ'ল।

ৰাতি মই মুখ নোধোৱাকৈয়ে শুলোঁ। বাথৰুমটোত মুখ ধোৱাৰ মানসিক প্ৰস্তুতি মোৰ নাছিল।

ৰাতিপুৱা উঠি বাথৰুমত সোমাই ভাগ্যে ওকালি নাহিল। কালি গৌৰীহঁতৰ বাথৰুমৰ যিটো উৎকট গোন্ধ, একেই গোন্ধেই ওলাইছে আমি থকা ৰুমৰ বাথৰুমটোৰ পৰাও। মই বটলত পানী ভৰাই বাহিৰতেই মুখ ধুলোঁ। কিন্তু, প্ৰাতঃকৰ্ম কৰিবলৈ বাথৰুম যোৱাৰ বাহিৰেতো গত্যন্তৰ নাই। নাকে-মুখে গামোচাখন দুজাপকৈ বান্ধি লৈ কোনোমতে কামফেৰা সমাপ্ত কৰিলোঁ। মগটোৰ কথা ভাবিলোঁ— মিকুৱেওতো সেইটোৱেই ব্যৱহাৰ কৰিব কিজানি মুখ ধুবলৈও। গতিকে toilet paper য়েই ব্যৱহাৰ কৰিলোঁ। মিকুৱে উঠি প্ৰথমেই toiletটোত দুবাল্টি পানী মাৰি ল'লে। তাৰ পিছত কিন্তু গোন্ধটো বহুখিনি কমিল। নাক বন্ধ নকৰাকৈ সোমাব পৰা হ'ল।

আমি ৮/৯ মান বজাত যাম বুলি পৰিকল্পনা কৰি থৈছিলোঁ বাবে ৰাতিপুৱা উঠি খৰখেদা নকৰিলোঁ। কিন্তু গৌৰী ৭ মান বজাত ওলাই ক'লে— "মই ওলাই গ'লোঁ। বাছ আস্থানতেই থাকিম। আপোনালোক তালৈকে আহিব। ইমান গোন্ধত থাকিলে মোৰ বেমাৰ হৈ যাব।" কৈ তেওঁ ওলাই গ'ল। কিছু সময়ৰ পিছত দিলৰাৰ দাও সাজু হৈ আমাৰ ৰুমতে বহি থাকিলহি। আমি সাজু হৈ ওলাওঁতে ওলাওঁতে প্ৰায় ৮.৩০/৯.০০ বাজিল। গৌৰী বাছ আস্থানতেই বৈ আছিল।

এই দুদিনতেই নাগামিজ ক'বলৈ (দুই-এটা শব্দ) শিকিলোঁৱেই। গৌৰীয়ে চলাই নিব পৰাকৈ নাগামিজ জানে। শ্বিলঙত পঢ়োঁতে তেওঁৰ হেনো কেইবাজনো নগা বন্ধু আছিল। পুনে বিশ্ববিদ্যালয়ত পঢ়োঁতে আমাৰো কেইবাজনো নগা বন্ধু আছিল যদিও কথা পাতোঁতে আমি কেতিয়াও নাগামিজ ব্যৱহাৰ কৰা নাছিলোঁ। খোনোমাত আমি অসমীয়া ভাষাতেই দুই-এটা হিন্দী, বাংলা মিহলাই নাগামিজ সজাই কাম চলাই দিলোঁ গৃহস্থৰ লগত। যেনে— অহাৰ সময়ত মই গৃহস্থক কৈছিলোঁ - "আপনি খানৰ ঘৰত থাকি আমি বেছি খুচি পাইছেতো" উত্তৰত গৃহস্থনীয়ে কৈছিল - "বেছি খুচি পাইছে যদি ছাদী কৰি বহি যাবিতো"। আমি মিকুক জোকাইছিলোঁ— ওজা ছাৰক গৈ ক'ব লাগিব - গৃহস্থনীয়ে মিকুক পছন্দ কৰিছে বুলি।

সৰু গাড়ী দুখন ভাড়া কৰি আমি যেতিয়া ডিমাপুৰ পাওঁ তেতিয়া ১০-৪৫ বাজিছিল। কামাখ্য এক্সপ্ৰেছখনৰ সঠিক সময় ১১-৩০ বজা। আমি ততাতৈয়াকৈ টিকট কাটি লৈ সন্মুখৰ Army Canteen খনত ভাত কেইটামান সোমাই ল'লোঁ পেটত। অহাৰ আগে আগে নগা খানা খাবলৈ আটাইকেইটাই (দিলৰাৰ দাৰ বাহিৰে) মন কৰিছিলোঁ যদিও হোটেল বিচাৰিবলৈ হাতত সময় নাছিল।

প্ৰায় আঢ়ৈ/তিনি ঘণ্টামান পলমকৈ কামাখ্যা এক্সপ্ৰেছ আহি ডিমাপুৰ ষ্টেচন সোমাল। সম্পূৰ্ণ তিনিটা দিন নাগালেণ্ডৰ অপূৰ্ব প্ৰাকৃতিক সৌন্দৰ্যৰ মাজত কটাই উৎফুল্লিত হৈ আমি পুনৰ নিজৰ কৰ্মত প্ৰবৃত্ত হ'বলৈ ওভতনি যাত্ৰা আৰম্ভ কৰিলোঁ।



# শৈল্পিক সমাজ নিৰ্মাণত অংকীয়া ভাওনাৰ ভূমিকা

**মৰমী গায়ন**
উপাধ্যক্ষা

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ অসমীয়া নাট্য সাহিত্যৰ জনক। গুৰুজনাই ঘাইকৈ দুটা কাৰণত নাট ৰচনাত হাত দিছিল— এটা হ'ল তেওঁ গুৰি ধৰা নৱবৈষ্ণৱ আন্দোলনৰ সফল ৰূপায়ণ আৰু আনটি হৈছে— অসমীয়া সাহিত্যত নতুন সংযোজন। শংকৰদেৱে বৈষ্ণৱ আন্দোলন সফল কৰি তুলিবলৈ গীত কাব্য, চিত্ৰকলা আদিৰ সহায় লৈছিল। গীত ৰচনা কৰি, সুৰ দি জনসমাজত পৰিৱেশন কৰি জনগণৰ অন্তৰত কৃষ্ণভক্তি নিৰ্মল বীজ ৰোপণ কৰাৰ চেষ্টা কৰিছিল। কাব্যৰচনাৰ মাজেদি শিক্ষিত লোকক কাহিনীৰ দ্বাৰা সাহিত্য ৰসৰ স্বাদেৰে আধ্যাত্মিক জ্ঞান দিয়াৰ চেষ্টা কৰিছিল। সেইদৰে চিত্ৰকলাৰ জৰিয়তেও জনগণৰ মন আকৰ্ষণ কৰাৰ পথ লৈছিল। কিন্তু সৰ্বসাধাৰণৰ মাজত কৃষ্ণভক্তি প্ৰচাৰত ই যথেষ্ট নাছিল। গতিকে শাস্ত্ৰশিক্ষা নথকা সাধাৰণ লোকৰ মাজত আৰু শিক্ষিত পণ্ডিতসকলৰ মাজতো কৃষ্ণ চৰিত্ৰ প্ৰচাৰৰ কৰিণে তেওঁ এক সহজ মাধ্যম উদ্ভাৱন কৰিলে ভাওনাৰ। মহাপুৰুষগৰাকীয়ে জনগণৰ মাজত কৃষ্ণভক্তি প্ৰচাৰৰ উপায় হিচাপে অংকীয়া ভাওনাৰ সৃষ্টি কৰিলে। সংস্কৃত নাটৰ আৰ্হি লৈ ভাওনা সৃষ্টি কৰিছিল যদিও তেওঁ সৃষ্টিশীল মনেৰে স্বাধীনভাৱে অংকীয়া নাট ভাওনাক নৱৰূপ প্ৰদান কৰিলে।

অংকীয়া ভাওনা শংকৰদেৱৰ অসমীয়া সমাজ-সংস্কৃতিলৈ অমূল্য অৱদান। ধৰ্মীয় দৃষ্টিকোণৰ ফালৰ পৰা অংকীয়া ভাওনাৰ গুৰুত্ব অপৰিসীম। অসমীয়া জাতি সংগঠনৰ উদ্দেশ্য আগত ৰাখি ভাওনাৰ দৰে কলাৰ জৰিয়তে সমাজৰ সকলো স্তৰৰ লোককে মন্ত্ৰমুগ্ধ কৰি তেওঁৰ ধৰ্মবাণীয়ে অলক্ষিতে সকলোৰে মন স্পৰ্শিবলৈ সমৰ্থ হৈছিল। অংকীয়া ভাওনাৰ প্ৰদৰ্শনত সমাজৰ সকলো শ্ৰেণীৰ লোকে অংশগ্ৰহণ কৰাৰ সুবিধাই একতাৰ বান্ধোন দৃঢ় কৰাৰ উদ্দেশ্য সম্ভৱ হৈছিল। সংস্কৃত নাট্যকালৰ পৰা আৰম্ভ কৰি ভাৰতীয় প্ৰান্তীয় নাট্যানুষ্ঠানলৈকে ভাৰতবৰ্ষত অংকীয়া ভাওনাৰ একক বৈশিষ্ট্য আৰু বৈচিত্ৰ্য নিহিত হৈ আছে। ভাওনা এক শৈল্পিক মাধ্যম। নৃত্য, গীত, বাদ্যৰ মাজেদি মানুহৰ মানসিক অন্তৰ্দ্বন্দ্বক সুগঢ়ী ৰূপ দিয়াটো তেওঁৰ এক অপূৰ্ব সংযোজন।

মহাপুৰুষ শংকৰদেৱৰ অপূৰ্ব সৃষ্টি অংকীয়া ভাওনা সমাজ-সংস্কৃতিলৈ এক অনন্য অৱদান। ধৰ্মপ্ৰচাৰত সহায় কৰাৰ উপৰি অংকীয়া ভাওনাই অসমৰ আৰ্থ-সামাজিক আৰু সাংস্কৃতিক জীৱনলৈ অৰিহণা আগবঢ়াই আহিছে। অসমৰ ঐক্য-সংহতি আৰু সমাজ সংগঠনত ভাওনাৰ অৱদান অপৰিসীম। নানা ধৰ্ম বিশ্বাসৰ অনুগামী, বিভিন্ন ভাষা-ভাষী আৰু বিচিত্ৰ সাংস্কৃতিক ঐতিহ্যৰ অধিকাৰী এই জাতি-গোষ্ঠীবোৰক একগোট কৰিবলৈ মহাপুৰুষ শংকৰদেৱেই সৰ্বপ্ৰথমে প্ৰয়াস কৰিছিল নামঘৰ আৰু ভাওনাৰ জৰিয়তে। এই নামঘৰ প্ৰাঙ্গণত অনুষ্ঠিত ভাওনা-অনুষ্ঠানত সকলো সম্প্ৰদায়ৰ লোকৰে অবাধে প্ৰৱেশ আছিল আৰু সকলো জাতিৰ প্ৰতিভাৱান লোকেই ভাওনাত ভাও ল'ব পাৰিছিল। ফলত অসমত যুগ যুগ ধৰি চলি অহা অস্পৃশ্যতা আৰু জাতিভেদৰ ভাব শিথিল হৈছিল আৰু বিভিন্ন জাতি-গোষ্ঠী আৰু সম্প্ৰদায়ৰ লোকৰ মাজত ঐক্য আৰু ভ্ৰাতৃত্ববোধৰ ভাব গঢ়ি উঠিছিল। ভাওনাৰ বহল প্ৰচাৰৰ ফলত অসমৰ সাংস্কৃতিক জীৱনতো বৈপ্লৱিক উন্নতি সাধিত হ'ল। ভাওনাৰ কাৰণে অব্যৱহৃত কালত সত্ৰাধিকাৰ আৰু প্ৰতিভাশালী লোকসকলে নাট ৰচনা কৰিছিল। এই নাটসমূহ অসমীয়া সাহিত্যৰ অমূল্য সম্পদ। অসমীয়া নাট আৰু ভাওনাৰ লগত চিত্ৰকলা আৰু মূৰ্তিকলাৰ ওচৰ সম্বন্ধ। নাট ৰচনাৰ বাবে অসমৰ লোকসকলে তুলাপাত, সাঁচিপাত আদি তৈয়াৰ কৰিবলৈ শিকিলে। অভিনয়ৰ কাৰণে স্থানীয় শিল্পীসকলে বিভিন্ন ধৰণৰ সাজ-পোছাক, খোল, তাল আদি বাদ্য, নানা ধৰণৰ মুখা আৰু অভিনয়ৰ কাৰণে প্ৰয়োজনীয় আহাৰ্যৰ বিবিধ সামগ্ৰী নিৰ্মাণ কৰিবলৈ শিকিলে। ফলত মানুহৰ মনত চিন্তাৰ উদ্ৰেক ঘটিল আৰু সমাজত এখন শিল্পী-সমাজ গঢ় লৈ উঠিল। ভাৰৰীয়াসকলে নিজৰ বচনবোৰ মুখস্থ কৰিব লগা হোৱাত বহু কষ্ট কৰি আখৰ শিকিবলৈ বাধ্য হ'ল। তদুপৰি ভাওনাৰ জৰিয়তে অসমত অনানুষ্ঠানিকভাৱে এক বিৰাট সাক্ষৰতা অভিযান চলিল। অসমৰ নিৰক্ষতা দূৰীকৰণত ভাওনাই এইদৰে মহৎ অৱদান আগবঢ়ালে। ভাওনাৰ বাবে বিভিন্ন স্থান আৰু সময়ত ব্যৱহাৰ কৰা নাটবোৰ নকল কৰাৰো প্ৰয়োজন হ'ল। তাৰ ফলত এক শ্ৰেণীৰ নকল-নবীচ সম্প্ৰদায়ৰো সৃষ্টি হ'ল।

আমাৰ আলোচনা পত্ৰত গুৰুজনাৰ অংকীয়া নাট ভাওনাই কিদৰে সমাজৰ লোকসকলৰ মনত শিল্পভাবনা চিন্তাৰ উন্মেষ ঘটিছিল আৰু এনে চিন্তাই মানসিকভাৱে শিল্পী-সমাজক আনন্দ প্ৰদান কৰাৰ লগতে অৰ্থনৈতিকভাৱেও উপকৃত হোৱাৰ পথ প্ৰশস্ত কৰিলে সেই দিশত আলোকপাত কৰা হ'ব।

মহাপুৰুষ শংকৰদেৱে সৃষ্টি কৰি থৈ যোৱা সাংস্কৃতিক সম্পদসমূহক 'শংকৰী-সংস্কৃতি' বুলি জনা যায়। অসমৰ সংস্কৃতিৰ বুৰঞ্জীত শংকৰী-সংস্কৃতিৰ আসন বিশেষ উচ্চ স্থানত অৱস্থিত। শংকৰদেৱৰ প্ৰতিভাই অসমক দিলে একশৰণ ভাগৱতী ধৰ্ম। এই ধৰ্মই পূৰ্বৰ ধৰ্মীয় খেলি-মেলি আঁতৰ কৰি মানসিক উৎকৰ্ষ আৰু মানৱীয়তাৰ বিকাশ সাধনৰ পথ মুকলি কৰিলে। ধৰ্মৰ মূল উদ্দেশ্য মানসিক উৎকৰ্ষ সাধন। ভাগৱতকেন্দ্ৰিক, কৃষ্ণচৰিত্ৰ প্ৰধান সাহিত্যৰ মাধ্যমত বৈষ্ণৱধৰ্ম প্ৰচাৰৰ দিহা কৰি শংকৰদেৱে সাহিত্য সৃষ্টিৰ প্ৰয়াস কৰিছিল। সংস্কৃত ভাষাৰ তত্ত্বগধুৰ গভীৰ দৰ্শন কেৱল পণ্ডিতবোধ্য আছিল। গুৰুজনাই তাক সাধাৰণ মানুহৰ ভাষালৈ ৰূপান্তৰিত কৰি সৰ্বজনবোধ্য কৰি তুলিছিল। গীত, পদ, আখ্যান, নাট, কাব্য— সকলো দিশতে সমানে কৃতিত্ব অৰ্জন কৰি পঞ্চদশ-ত্ৰয়োদশ শতিকাতে অসমীয়া সাহিত্যৰ ভঁৰাল চহকী কৰিছিল। শংকৰদেৱৰ সৃষ্টিসমূহ দৰাচলতে আছিল প্ৰচাৰধৰ্মী তেওঁৰ সাহিত্যত কেৱল বৈষ্ণৱ আদৰ্শই প্ৰভাৱিত হৈ ওলোৱা নাই, সাহিত্যক মূল্যও উচ্চ খাপৰ।

একশৰণ বৈষ্ণৱধৰ্মী বৈষ্ণৱ ধৰ্মৰ আদৰ্শ প্ৰতিষ্ঠা প্ৰচাৰ আৰু প্ৰকাশ কৰিবলৈ যথাসম্ভৱ মাধ্যম গ্ৰহণ কৰিছিল। শংকৰদেৱৰ সৃজনী প্ৰতিভাৰ যথাসম্ভৱ নৱবৈষ্ণৱ আন্দোলন সফল কৰি তুলিবলৈ প্ৰয়োগ কৰিছিল। ভৰতৰ নাট্যশাস্ত্ৰ, সংস্কৃত ৰূপকৰ আৰ্হি আৰু থলুৱা উপাদানৰ সমন্বয়ত অংকীয়া নাট সৃষ্টি কৰি চৰিত্ৰ আৰু সংশোধনৰ মাধ্যমত শ্ৰীকৃষ্ণৰ ঐশ্বৰিক অভিব্যক্তি প্ৰকাশ কৰি দৰ্শক- শ্ৰোতাৰ প্ৰাণত ভক্তিৰ বীজ ৰোপণ কৰিছিল। সমাজবিজ্ঞানী শংকৰদেৱে অসমত ভাওনাৰ মাজেৰে নতুন কলাৰ সংযোজন কৰিলে। ভাওনা সৃষ্টিত মূলতে ধৰ্মপ্ৰচাৰ। শংকৰদেৱৰ সৃজনীশীল প্ৰতিভাৰ মাজত ভাওনা শিল্পক এক বাস্তৱভিত্তিক কলা ৰূপত উপনীত কৰিছিল। তেওঁ সমাজৰ কাৰণে ভাওনা সৃষ্টি কৰিছিল। খ্ৰীষ্টীয় পঞ্চদশ শতিকাতে আঞ্চলিক ভাষাত নাটক ৰচনা কৰি

সেই নাটকৰ সফল অভিনয় প্ৰদৰ্শন কৰি এক অভিনয় অভিলেখ স্থাপন কৰিছিল। অংকীয়া নাট আৰু অভিনয়ৰ অন্তৰালত যদিও ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য নিহিত হৈ আছিল, আনহাতে ইয়েই অসমীয়া সংস্কৃতিক চহকী কৰি তুলিছিল। মহাপুৰুষজনাই তীৰ্থ ভ্ৰমণ কৰি অহাৰ পিছত আত্মীয়-স্বজন, অনুৰাগী আৰু গুণগ্ৰাহীসকলৰ অনুৰোধক্ৰমে সপ্তবৈকুণ্ঠৰ পট আৰ্হি 'চিহ্নযাত্ৰা' নাট প্ৰদৰ্শন কৰিছিল। চিহ্ন শব্দই চিন, প্ৰতীক, সংকেত আদি অৰ্থ বুজায়। সমাজত প্ৰদৰ্শন কৰিবলৈ সাতখন বৈকুণ্ঠৰ চিহ্ন বা ছবি তুলাপাতত অংকন কৰিলে। যাত্ৰা মানে হ'ল চিত্ৰৰ যোগেদি দেখুওৱা নাটক। গুৰুজনাই হেঙুল-হাইতাল প্ৰস্তুত কৰি বৈকুণ্ঠৰ ছবি অংকন কৰি য'ত যাক বহুৱাব লাগে বহুৱালে, সাতবৈকুণ্ঠৰ অধিপতি বিষ্ণুৱ চিত্ৰ অংকন কৰিলে পাৰিষদসকলৰ সৈতে। বৈকুণ্ঠৰ কল্পতৰুজোপা স্থান নিৰ্ণয় কৰিবলৈ বিমোৰত পৰোঁতে এগৰাকী বৃদ্ধা চন্দৰী আইৰ দিহা অনুসৰি গুৰুজনাই সন্তোষিত হৈ কল্পতৰুজোপা অংকন কৰিলে।

মহাপুৰুষজনাই ভাওনাৰ বাবে যাৱতীয় বস্তুবিলাকৰ ব্যৱস্থা কৰিলে। বিভিন্ন বাদ্য, সাজ-পোছাক, উপযুক্ত ভাৱৰীয়া, গায়ক, নৰ্তক, ছোঁ-মুখা আৰু অনেক সামগ্ৰী। কপিলীমুখৰ কুমাৰৰ হতুৱাই খোল গঢ়াই আনিলে, কঁঠাল গছ বা তেনেধৰণৰ গছৰ কাঠ খুলি গঢ়া বাবে তাৰ নাম ৰাখিলে খোল। মৃদং সাধাৰণতে মাটিৰে গঢ়া হয়। মুচিয়া সম্প্ৰদায়ৰ লোকৰ ঘৰৰ পৰা গৰুৰ ছাল আনি বিশেষ প্ৰণালীৰ খোলৰ ছোওৱা তৈয়াৰ কৰিবলৈ আৰু কৰ্কৰা ভাত, লোহা গুড়ি আদি মিহলাই ঘুণ দি বাজনাবিধ তৈয়াৰ কৰালে। শংকৰদেৱৰ নিৰ্দেশমতে নিৰ্মাণ কৰা ভোৰতাল, পাতিতাল, খুটিতাল আদি প্ৰস্তুত হৈ ওলাল আৰু যি বিলাকৰ ব্যৱহাৰ সত্ৰ, গাঁৱৰ নামঘৰত, ভাওনাত আৰু নাম-কীৰ্ত্তনত ব্যৱহাৰ কৰা হ'ল। চিহ্নযাত্ৰা ভাওনাৰ আকৰ্ষণৰ বস্তু হিচাপে ব্যৱহৃত হ'ল ছোঁ-মুখা। সন্তাৱলী পুথিত থকা বৰ্ণনামতে কাঠ আৰু বাঁহেৰে "অঘ, বক, চক্ৰবাক, পুতনা ধেনুকা / প্ৰলম্ব অৰিষ্ট দৈত্য কালিয়, ৰেণুকা" প্ৰভৃতি দৈন্য দানৱৰ বাবে ছোঁ-মুখা সজা হৈছিল। তদুপৰি গৰুড় পক্ষী ব্ৰহ্মা, বিষ্ণু, বিষ্ণুৱ চাৰিহস্ত, অনন্ত শয্যা আৰু অন্যান্য চৰিত্ৰৰ ছোঁমুখা প্ৰয়োজনমতে সজোৱা হৈছিল।

অসমত ভক্তি আন্দোলনৰ ধাৰা অধিক পৰিস্ফুট আৰু বহল প্ৰচাৰত অংকীয়া নাট ভাওনাৰ অৰিহণা আছিল অন্যান্য মাধ্যমসমূহৰ দৰে শক্তিশালী। নৱবৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ বাবে ভাওনাই এক বৈপ্লৱিক জাগৰণ সমাজলৈ আনি সমাজ সংস্কাৰ, ঐক্য-সংহতি বৰ্তাই ৰাখিবলৈ সক্ষম হৈছিল। গুৰুজনাই তেওঁৰ ভক্তিধৰ্ম প্ৰচাৰৰ বাবে ভগৱানৰ নাম-কীৰ্তন কৰা আৰু এই কীৰ্তন শ্ৰৱণ কৰাৰ ওপৰত বেছি গুৰুত্ব দিছিল। কিন্তু নাটক যিহেতু দৃশ্যকাব্য, সেয়ে সৰ্বসাধাৰণ মানুহৰ বাবে ইয়াৰ আবেদন আছিল সৰ্বাধিক শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা যি ভাৱমূৰ্তি বা দৃশ্য মনত কল্পনা কৰি ল'ব পাৰে, সেই মূৰ্তি বা দৃশ্য মানুহৰ সন্মুখত অভিনয়ৰ বা ভাওনাৰ যোগেদি মানুহৰ সন্মুখত দেখুৱাৰ ফলত ই বেছি ফলপ্ৰসূ হৈ পৰিল। 'অভি' শব্দৰ অৰ্থ কাৰ্য আৰু 'নয়' শব্দৰ অৰ্থ নিয়া বা গতি কৰা। আংগিক, বাচিক, আহাৰ্য আৰু সাত্বিক— এই ক্ৰিয়াৰ যোগেদি যি এক নিৰ্ধাৰিত বিষয়বস্তু প্ৰকাশমান কৰি তোলা হয়, সেয়ে অভিনয়। শংকৰদেৱৰ নাট কেইখনক অংকীয়া নাট আৰু ইয়াৰ অভিনয়ক ভাওনা বোলা হয়। মহাপুৰুষজনাই অনুভৱ কৰিছিল যে ভক্তিধৰ্মৰ প্ৰতি আপাতভাৱে আৰু সকলো জাতি সম্প্ৰদায়ৰ লোকক আকৰ্ষণ কৰাৰ শক্তিশালী মাধ্যম হৈছে নৃত্য, গীত আৰু অভিনয়। সেয়ে মহাপুৰুষে প্ৰাচীন সংস্কৃত নাটক আদৰ্শত আৰু পূৰ্বৰে পৰা কামৰূপ অসমত প্ৰচলিত পুতলানাচ, ওজাপালি, ভাৰী গান, কুশান গান, ঢুলীয়া, দেওধানী নৃত্য আদি নাট্যধৰ্মী অনুষ্ঠানৰ পৰা উপকৰণ লৈ সৃষ্টি কৰিলে ভাওনা অনুষ্ঠান। অংকীয়া ভাওনা অসমৰ সাহিত্য সমাজ-সংস্কৃতিলৈ শংকৰদেৱৰ অনবদ্য অৱদান। অংকীয়া নাট ভাওনাৰ জৰিয়তে সমাজৰ সকলো লোকক একত্ৰি কৰিবলৈ সমৰ্থ হৈছিল। এগৰাকী সমাজ-সংগঠক আৰু সংস্কাৰক হিচাপে সাম্যবাদী, উদাৰনৈতিক দৃষ্টিভঙ্গীৰে এখন সবল মানৱ সমাজ গঢ়ি তোলাত শংকৰদেৱ হ'ল এগৰাকী মহান ব্যক্তি। মানৱতাবাদৰ শীৰ্ষত থাকি সকলো ধৰ্ম-জাতি-সম্প্ৰদায়ক ভক্তি ধৰ্মৰ মহামন্ত্ৰে আকৰ্ষিত কৰিবলৈ সক্ষম হৈছিল। সেয়ে তেওঁৰ সঙ্গী হৈ পৰিছিল গাৰোৰ গোবিন্দ, ভুটীয়াৰ জয়ৰাম আতৈ, আহোমৰ নৰহৰি আতৈ, কোচৰ মুৰাৰি, মুছলমানৰ চান্দখাঁ, মিচিঙৰ পৰমানন্দ আতৈ আদি। ৰাজনৈতিক বা ভৌগোলিক দিশৰ পৰা অসম সুকীয়া আছিল যদিও সাংস্কৃতিক সমন্বয়ৰ জৰিয়তে গুৰুজনাই ভাৰতবৰ্ষত একতাৰ ডোলেৰে সকলোকে একত্ৰিত কৰিব পাৰিছিল।

মহাপুৰুষজনাই সাময়িকভাৱে দৰ্শকৰ মনোৰঞ্জনৰ বাবে নাট-ভাওনা সৃষ্টি কৰা নাছিল। তেওঁৰ উদ্দেশ্য আছিল সমাজত শিল্প-চেতনা জগাই তোলা। যি চেতনাবোধ সৰ্বসাধৰণৰ মজ্জাগত হৈ যুগ-যুগান্তৰলৈ প্ৰৱহমান হৈ থাকে। গুৰুজনাৰ এনে বহল উদাৰ দৃষ্টিভংগীয়ে সমাজৰ লোকসকলক মনোৰঞ্জনৰ সোৱাদ দিয়াৰ লগতে ন ন চিন্তাৰে এটা ৰুচিবোধসম্পন্ন জীৱন যাপনৰ সন্ধান দিলে। ভিন ভিন জাতি-জনগোষ্ঠীক লৈ অসমৰ সমাজখনক শক্তিশালী কৰাৰ ক্ষেত্ৰত আজি প্ৰায় ছশবছৰৰ পূৰ্বে সমাজত দি যোৱা গণতান্ত্ৰিক অৱস্থাই গুৰুজনাৰ দূৰদৰ্শী দৃষ্টিভংগীক দাঙি ধৰে

যিয়ে উত্তৰ-পূব ভাৰতত অৱস্থিত অসমৰ সমাজ-সংস্কৃতিক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়লৈ লৈ যায়।

ভক্তিধৰ্মত স্ত্ৰী বা মহিলাক হেয় জ্ঞান কৰা নাছিল। এনে কৰা হলে চিহ্নযাত্ৰাত তেওঁ কল্পবৃক্ষ ৰোপণৰ ক্ষেত্ৰত বৃদ্ধা চন্দৰী আইৰ পৰামৰ্শ গ্ৰহণ কৰি ধন্যবাদ নজনালেহেঁতেন।

শংকৰদেৱৰ অনুপম সৃষ্টি হিচাপে অংকীয়া ভাওনাই ঘাইকৈ দুই প্ৰকাৰে সমাজত কাম কৰিছিল। মুখ্যতঃ ধৰ্ম প্ৰচাৰেই আছিল ইয়াৰ উদ্দেশ্য। ভাওনা অনুষ্ঠানে এহাতে অনাখৰী চহা লোকসকলক দৃশ্যকাব্য হিচাপে আকৰ্ষিত কৰিছিল আৰু আধ্যাত্মিক বিষয়ৰ জ্ঞান দিছিল। যাৰ দ্বাৰা সমাজৰ অপসংস্কৃতি নীচতা-হীনতা ভিন-পৰ ভেদাভেদবোৰ নোহোৱা হৈ সমভাৱে সকলো থিয় হোৱাৰ সুবিধা আহি পৰিল। প্ৰত্যেক্ষভাৱে তেওঁ এখন নিকা সমাজ গঠন আৰু পৰোক্ষভাৱে ভাওনা অনুষ্ঠানৰ লগত জড়িত বিভিন্ন বৃত্তিধাৰী লোকসকলক উদ্বুদ্ধ কৰিছিল। ফলত আওপকীয়াভাৱে সমাজৰ বিভিন্ন কৰ্মত ব্যস্ত শিল্পীসকলে উপাৰ্জন কৰাৰ পথো দেখিবলৈ পালে ।

গুৰুজনাৰ আদৰ্শক শিৰোধাৰ্য কৰ অসমৰ স্বনামধন্য সুযোগ্য ব্যক্তি ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ দৰে শিল্পীদ্বয়ৰ শিল্পীসত্তাত অসমৰ সমাজ-সংস্কৃতিৰ স্বৰূপ উজলি উঠিছিল ।

একোটা জাতিৰ ধৰ্ম ৰীতি-নীতি আৰু একাত্মবোধৰ সংৰক্ষণৰ বাবে জাতীয় উৎসৱ, ভাষা, সাজ-পোছাক আদিৰ নিজস্ব বৈশিষ্ট্য আছে। বৃহত্তৰ অসমীয়া জাতিৰ ঐক্য-চেতনা জগাই তুলিবৰ বাবে যিদৰে বিহু সকলোৰে উৰ্ধত, ঠিক সেইদৰে মহাপুৰুষীয়া চিন্তাধাৰাক সজীৱ কৰি তোলাৰ ক্ষেত্ৰত 'ভাওনা'ৰ বিশেষ ভূমিকা গ্ৰহণ কৰিছে। অসমীয়া জাতিৰ সাংস্কৃতিক আৰু আধ্যাত্মিক উৎকৰ্ষ সাধনৰ বাবে ইয়াৰ স্থান চিৰশীৰ্ষ ।

অসমৰ আৰ্থ-সামাজিক বিকাশৰ বাবে ভাওনা শিল্পক অধিক জনপ্ৰিয় কৰিবলৈ হ'লে তৃণমূল পৰ্যায়ৰ পৰা কিছুমান সংশ্লিষ্ট উদ্যোগ গঢ়ি উঠাটো বাঞ্ছনীয়। ঘাইকৈ ভাওনাত ব্যৱহৃত মুখা, সাজ-পোছাক, বাদ্যযন্ত্ৰ আৰু মেকআপ (ৰংসনা) আদি দিশত যুৱকসকলে আত্মনিয়োগ কৰিলে নিশ্চয় লাভৱান হ'ব। আনহাতে ধৰ্মীয় পৰম্পৰা ৰূপে বাৰ্ষিক নামঘৰীয়া অনুষ্ঠান হিচাপে ব্যৱহাৰ নকৰি সাম্প্ৰতিক সমাজ-ব্যৱস্থাৰ প্ৰতিফলনৰ মাধ্যম স্বৰূপে যদি ভাওনা শিল্পক গৱেষণাসিদ্ধ দিশলৈ লৈ যোৱা হয় তেন্তে ইয়াৰ গুণগতমানো নিশ্চয় উন্নত হ'ব। ভাওনাক সমাজ জীৱনৰ প্ৰতিফলন ৰূপে ব্যৱহাৰ কৰিলে অধিক সমাদৰ লাভ কৰাৰ দিশ প্ৰশস্ত হ'ব। ভাওনাক কেৱল অসমৰ জাতীয় জীৱনৰে প্ৰতিফলন হোৱা নাই। ৰাজনৈতিক আৰু সামাজিক জীৱন ব্যৱস্থাৰ প্ৰতিবিম্ব স্বৰূপে ভাওনাই সৰ্বভাৰতীয় স্তৰৰ সংবাদ বহন কৰি আহিছে। ভাৰতবৰ্ষৰ হিন্দুত্ববাদী, মনস্তাত্ত্বিক দিশ, জাতীয় চেতনাবোধ আৰু ধাৰ্মিক প্ৰজ্ঞাই ভাওনাক পৰিপুষ্ট কৰি ৰাখিছে । ভাওনাত আছে ধৰ্ম, দৰ্শন আৰু মানৱতাবোধৰ চিৰসিদ্ধ অংকুৰ। শংকৰদেৱৰ ভাওনা শিল্পকলাৰ মাজেৰে ভক্তিৰ শ্ৰেষ্ঠত্ব, মানুহৰ সৰ্বোত্তম অনুভূতি, প্ৰেম হৃদয়গ্ৰাহীৰূপে পৰিব্যাপ্ত হ'ল। নাট্যশাস্ত্ৰসমূহৰ আঁৰত আছে শিল্পভাৱনাৰ অনুভূতি আৰু নান্দনিক চেতনা। নিপুণ শিল্পীসত্তা আৰু পৰিকল্পনা সৌন্দৰ্যশীলতাই লোকশিল্পৰ চিন্তাক ভাওনাৰ পৰিকল্পনা আৰু পৰিৱেশনৰে অসমীয়া সামাজিক-সাংস্কৃতিক জীৱনবোধৰ মাজলৈ তাত্ত্বিক গভীৰতা সঞ্চাৰিত কৰিলে। ভাওনা সৰ্বভাৰতীয় স্তৰৰ সম্প্ৰীতি তথা ঐক্য সাধনাৰ মাধ্যম। ভাওনা সংস্কৃতিক সৰ্বভাৰতীয় পৰ্যায়লৈ উন্নীত কৰাৰ যথেষ্ট অৱকাশ আছে।

**সহায়ক গ্ৰন্থপঞ্জী ঃ**


চৌধুৰী, মেদিনী ঃ সৰ্বভাৰতীয় ভক্তি আন্দোলন আৰু শংকৰদেৱৰ মূল্যায়ন, সুভদ্ৰা প্ৰকাশন, গুৱাহাটী, দিছপুৰ- ২০২২

চলিহা, ভৱপ্ৰসাদ (সম্পাদক) ঃ শংকৰী সংস্কৃতিৰ অধ্যয়ন, শৰাইঘাট ফটো টাইপচ্, গুৱাহাটী, বামুণীমৈদাম- ১৯৯৯।

নেওগ, মিলন ঃ শংকৰদেৱৰ সৃষ্টি আৰু ব্যাপ্তি, ক্ৰান্তিকাল প্ৰকাশন, নগাঁও-২০১৭

শইকীয়া, নগেন ঃ বিষয় ঃ শংকৰদেৱ, ধেমাজি অফচেট প্ৰিণ্টাৰচ্, ৰতনপুৰ, ধেমাজি-২০০৮

বেজবৰুৱা লক্ষীনাথ ঃ মহাপুৰুষ শ্ৰী শংকৰদেৱ আৰু শ্ৰী মাধৱদেৱ, লয়াৰ্চ বুক ষ্টল, গুৱাহাটী-২০১০

বৰ্মন, শিৱনাথ ঃ শ্ৰীমন্ত শংকৰদেৱ কৃতি আৰু কৃতিত্ব, জাগৰণ প্ৰেছ, পূব শৰণীয়া ৰোড-২০০৮

মহন্ত, পোনা ঃ শংকৰদেৱৰ নাট-ভাওনা ঃ বান্ধৱ, পাণবজাৰ, গুৱাহাটী, প্ৰথম প্ৰকাশ-২০১৭



# মোহনীয় জিৰো

**ড° সঞ্চিতা বৰা**
সহযোগী অধ্যাপিকা
দৰ্শন বিভাগ

ভ্ৰমণে মানসিক অৱসাদ দূৰ কৰে। এক কথাত প্ৰতিজন মানুহেই ভ্ৰমণপ্ৰিয়। ভ্ৰমণৰ উদ্দেশ্য ভিন ভিন হ'লেও দৈনন্দিন জীৱনৰ একঘেয়ামিৰ পৰা কিছুদিনৰ বাবে ওলাই গৈ নতুন নতুন ঠাই চোৱাৰ অভিজ্ঞতা গোটাবলৈ প্ৰতিজন ব্যক্তিয়েই মনত আশা পুহি ৰাখে। সাতভনীৰ ভিতৰতেই পূৰ্ব দিশৰ সূৰ্য উঠা দেশ অৰুণাচল। ল'ৰালি কালৰ পৰা ৰেডিঅ'ত শুনি অহা সুধাকণ্ঠৰ গীতে অৰুণাচলৰ প্ৰতি এক বুজাব নোৱৰা আৱেগ জগাই তুলিছিল। তদুপৰি ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰই প্ৰচাৰ কৰা এটা শব্দও বুজি নোপোৱা আপাতানি শ্ৰোতাৰ অনুষ্ঠানে কিযে এক আমোদ দিছিল! এইবাৰ পূজা বন্ধত পৰিকল্পনা কৰা হ'ল মোহনীয়া অৰুণাচলত ভুমুকি মৰা যাওক। অতি সাধাৰণভাৱে পৰিকল্পনা কৰা হ'ল আমাৰ দুদিনীয়া জিৰো ভ্ৰমণ।

মূৰৰ ওপৰত ফৰকাল অসীম নীল আকাশ, তাৰ মাজেৰে কপহুৱা ডাৱৰৰ অহা-যোৱা। নিচেই পুৱাতেই তেজপুৰৰ পৰা যাত্ৰা আৰম্ভ কৰাৰ বাবে ৰাস্তাত ভিৰ তুলনামূলকভাৱে বহুত কম আছিল। ৪১৫ নং আৰু ১৩ নং ৰাষ্ট্ৰীয় পথেৰে আমাৰ যাত্ৰা। ইটানগৰ পাৰহৈ ৰাস্তাৰ দুয়োকাষে শাৰী শাৰী কঁহুৱা। ইয়াৰ আগলৈকে মই নৈৰ পাৰত বা সমতলতহে শৰতত কঁহুৱা ফুলে বুলি জানিছিলোঁ। কিন্তু পাহাৰৰ পাদদেশত তেনে উচ্চতাতো যে কঁহুৱা ফুলে সেয়া প্ৰথম দেখা পালোঁ। কিযে এক নয়ন জুৰোৱা দৃশ্য! কেৱল বিমুগ্ধ হৈ নিৰ্জনতাৰ সৌন্দৰ্যখিনি পান কৰিছোঁ। মাজে মাজে কোনোবা সময়ত যেন কাণত বাজেহি লাহী নিজৰা এটি বৈ থকাৰ শব্দ। পৰ্যটকক বিস্ময়াভিভূত কৰিব পৰাকৈ প্ৰকৃতিৰ আশ্চৰ্যৰে ভৰি আছে অৰুণাচল। বিস্তৃত সেউজীয়া গছ-গছনিৰে ভৰপূৰ অৰুণাচলক প্ৰকৃতিয়ে অকৃপণ হাতেৰে বিনন্দীয়া কৰি সজাই তুলিছে। সৰ্পিল পথেৰে আপাতানি জনগোষ্ঠীৰ গৃহভূমি জিৰোলৈ আগবাঢ়ি গৈ আছোঁ।

পতিন পাৰ হৈ অতি কষ্টকৰ পথেৰে আমাৰ গাড়ী আগবাঢ়িছিল যদিও চৌপাশৰ অতুলনীয় প্ৰাকৃতিক আবেষ্টনীয়ে দেহ-মনৰ ক্লেশ ক্লান্তি আঁতৰাই নিছিল। কেইবা ঠাইতো ৰাস্তাৰ

নিচেই দাঁতিতে ফটফটীয়া পানীৰ জলপ্ৰপাত, সজোৰে নামি অহা শুভ্ৰ স্ফটিক জলধাৰাত বহু পৰ্যটকে স্নান কৰি থকাও দেখা পালোঁ। অৱশ্যে জলপ্ৰপাতৰ নাম আৰু অৱস্থান জনাৰ সুবিধা কৰিব নোৱাৰিলোঁ। অনামী জলপ্ৰপাতকেইটাৰ জলধাৰাই এই জীৱন থাকে মানে মনত খলকনি তুলি থাকিব। সমুদ্ৰপৃষ্ঠৰ পৰা জিৰোৰ গড় উচ্চতা প্ৰায় ১৫০০ মিটাৰ। ইয়াৰ জলবায়ু শীতল। ৰাজধানী ইটানগৰৰ পৰা জিৰোলৈ দূৰত্ব ১১০ কিঃমিঃ। মালভূমিৰ ওপৰত অৱস্থিত এই মনোৰম জিৰো। চহকী জনজাতীয় সংস্কৃতিৰে সমৃদ্ধ জিৰো প্ৰকৃততে এক wonderland। পাহাৰ কাটি তাৰ মাজে মাজে Boarder Roads Organization ৰ দ্বাৰা পথ নিৰ্মাণ কৰা হৈছে। পথ নিৰ্মাণৰ বহু ঠাই বিপদসংকুল, ভূমিস্খলনৰ দৰে সংকটৰ সম্ভাৱনা প্ৰতি পদে পদে; কিন্তু গৈ থাকোঁতে নৈসৰ্গিক প্ৰকৃতিয়ে সেই দুৰ্ভাবনাক তল পেলায়। দুই কাষৰ পাহাৰত চমকা চমক বগা কাঞ্চন ফুলৰ শোভা! লক্ষ্যস্থান জিৰো অভিমুখে পাৰ হৈ গৈ আছোঁ য়ুপিয়া, পলিন, য়াজালি, য়াঙ্গুলি, জোৰাম আদি ঠাইসমূহ।

নামনি সোৱণশিৰি জিলাখনৰ মহকুমা তিনিটা — জিৰো, য়াঙ্গুলি আৰু ৰাগা। আনহাতে, জিৰো হৈছে নামনি সোৱণশিৰি জিলাৰ সদৰো। আপাতানি জনগোষ্ঠীৰ মানুহে থুপ খাই থকা জিৰো। আপাতানিসকল সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ জনগোষ্ঠীসমূহৰ ভিতৰতেই আদিমতম। তেওঁলোক মূলতঃ সূৰ্য

> বৈচিত্ৰ্যৰে ভৰপূৰ অৰুণাচল প্ৰদেশ সামাজিক, সাংস্কৃতিক, ভৌগোলিক আদি বিভিন্ন দিশৰ অধ্যয়ন তথা গৱেষণাৰ এক বিশাল সম্ভাৱনাময় ক্ষেত্ৰ। জ্ঞানপিপাসু কতজনে অহৰহ চলাই গৈছে অভিযানৰ প্ৰস্তুতি, গৱেষণা আৰু অধ্যয়ন, পৰিকল্পনা আৰু প্ৰাকল্পিক পদক্ষেপ।





আৰু চন্দ্ৰ (দঞিঃ-পল')ৰ উপাসক। দঞিঃ মানে সূৰ্য, পল' মানে চন্দ্ৰ। কিন্তু বৰ্তমান সময়ত জিৰোৰ লোকসকলৰ মাজত খ্ৰীষ্টান ধৰ্মৰ প্ৰচাৰ আৰু প্ৰসাৰো দেখা পাইছিলোঁ। জিৰোৰ চহৰখনক হাপ'লি বুলি কোৱা হয়। থলুৱা আপাতানিসকলে কয় হাও-প'লয়াং; অৰ্থাৎ সমতলৰ পৰা ওপৰত। কিলে পাখো টিং হৈছে জিৰোৰ আটাইতকৈ উচ্চ ঠাই য'ৰ পৰা জিৰোৰ নৈসৰ্গিক শোভা প্ৰাণ ভৰি উপভোগ কৰিব পাৰি। চকুৰ জুৰণি জিৰোত গোটেই বছৰজুৰি বতৰ সুখদায়ক। এই জিৰোৰে হং ভিলেজ এচিয়াৰ বৃহত্তম গাঁওকেইখনৰ মাজত অন্যতম এখন। উক্ত গাঁওখন ইউনেস্কোৰ বিশ্ব ঐতিহ্য তালিকাতো সন্নিৱিষ্ট হৈছে।

ৰাইছ-ফিছ কালছাৰ (Rice-Fish Culture) অৰ্থাৎ শস্য আৰু মৎস্য একেলগে উৎপাদন কৰাটো জিৰোৰ একক আৰু স্বকীয় বৈশিষ্ট্য। খেতিপথাৰ আৰু মাছ পোহা পুখুৰী বা জলাধাৰৰ সংহত পদ্ধতি দেখি আমাৰ ল'ৰালিৰ টোকনী পুখুৰীকেইটালৈ মনত পৰি গ'ল। অৱশ্যে তেওঁলোকৰ এই পদ্ধতিটোত গোটেই সম্প্ৰদায়টো জড়িত হৈ থাকে। মানুহ আৰু প্ৰকৃতিৰ সমন্বয় আৰু সহ-অৱস্থান ৰক্ষা কৰি



বহনক্ষম আৰু কাৰ্যক্ষম (sustainable and efficient) পদ্ধতিৰে কৰা কৃষি কৰ্ম জিৰোৰ এটা অতি সদৰ্থক দিশ। আপাতানিসকলৰ sustainable social forestry পদ্ধতি অতি প্ৰশংসনীয়, যাক UNESCOএ পৰিস্থিতিতন্ত্ৰ বা Ecologyৰ সংৰক্ষণ বুলি অভিহিত কৰিছে। কোনো জন্তু বা যন্ত্ৰৰ সহায় নোলোৱাকৈ তেওঁলোকে খেতি কৰে। পুৰুষ-মহিলা উভয়েই পথাৰৰ মাটি আলতীয়া হোৱালৈকে কোৰ, চিপ্ৰাং, জোংমাৰি আদি লৈ কাম কৰে। কৃষি আৰু মানৱ জাতিৰ মংগল কামনা কৰি আপাতানিসকলে কৃষি উৎসৱ উদ্যাপন কৰে জুলাই মাহত। প্ৰতি ঘৰ মানুহৰ চৌহদত এজোপা হ'লেও কিৱি ফলৰ গছ দেখা পালোঁ। পৰম্পৰাগত পৰিৱেশ সংৰক্ষণৰ জ্ঞানেৰে তেওঁলোক সুসমৃদ্ধ। প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ, ব্যৱস্থাপনা আৰু সংৰক্ষণত তেওঁলোক অতি সচেতন। কৃষিকৰ্মত তেওঁলোকে কোনো ৰাসায়নিক সাৰ প্ৰয়োগ নকৰে। হৰি গাঁৱৰ গ্যাতি গাম্বোৰ পৰিষ্কাৰকৈ ৰখা গাহৰি ফাৰ্মৰ মল-মূত্ৰ ব্যৱহাৰ কৰিয়েই সংহত ৰূপত ধান, মাছ, ফুল, শাক-পাচলিৰ উৎপাদন কৰা হৈছে। তেওঁলোকে প্ৰয়োগ কৰা ধানৰ বীজ আৰু তাৰ সংৰক্ষণো পৰম্পৰাগত। জিৰোৰ আপাতানিসকলে প্ৰকৃতিক আদৰ কৰে, মোল বুজে আৰু প্ৰকৃতিয়েও তেওঁলোকক সন্তানৱৎ চেনেহেৰে আৱৰি ৰাখে। কৃষিকৰ্মৰ বাবে আপাতানিসকলে আন জনগোষ্ঠীসমূহে কৰাৰ দৰে গছ-বন কাটি বা জ্বলাই নিদিয়ে। সেয়েহে, জিৰো আপাতানিসকলৰ এক living cultural landscape জীৱন্ত সাংস্কৃতিক নৈসৰ্গ।

বৰ্তমান জিৰোৱে কিৱি ফল উৎপাদনৰ বাবে বিশ্বতে এক সুকীয়া পৰিচয় লাভ কৰিছে। ভিটামিন চি আৰু কেৰে সমৃদ্ধ কিৱিয়ে ২০০০ চনলৈকে ব্যৱসায়িকভাৱে স্বীকৃতি লাভ কৰা নাছিল। ইয়াৰ আগলৈকে জিৰো মালভূমিত কিৱিক বনৰীয়া ফল হিচাপে গণ্য কৰিছিল। তাগে ৰীতা তাখে, হং গাঁৱৰ এই উচ্চ শিক্ষিত উদ্যমী মহিলাগৰাকীয়ে কিৱি ফলৰ পৰা ৱাইন প্ৰস্তুত কৰাৰ ক্ষেত্ৰত এক বিপ্লৱ আনিছে। পুৰণি জিৰোৰ টিলাৰ ওপৰত অৱস্থিত জিৰো পুটু বা আৰ্মী পুটু। স্বাধীনোত্তৰ কালত ইয়াতে স্থাপন কৰা হৈছিল প্ৰথম প্ৰশাসনীয় কেন্দ্ৰ। পিছলৈ জিৰো পুটুত আৰ্মীৰ প্ৰথম কেণ্টনমেণ্ট বহুওৱা হৈছিল। জিৰোৰ বাসিন্দাসকলে আঙুলিয়াই দেখুৱাইছিল সৌ পাহাৰৰ সিপাৰে অমুক গাঁও আছে, ইটো পাহাৰৰ গাতে লাগি এটা নিজৰা বৈ আছে, সোঁফালে আছে তালে ভেলী সংৰক্ষিত বনাঞ্চল— আস্! কি এক ৰোমাঞ্চকৰ অনুভৱ। আমি জিৰোলৈ যোৱাৰ সময়ত ধান দাই হ'ল আৰু মাছবিলাকো ধৰা হৈ গৈছিল। গতিকে শস্য আৰু মৎসৰ যৌথ উৎপাদন প্ৰক্ৰিয়াটো থলীতে প্ৰত্যক্ষভাৱে নেদেখিলোঁ যদিও হং গাঁৱত পথাৰৰ আলিত থিয় হৈ গোটেই পদ্ধতিটো সহজেই বুজিব পাৰিছিলোঁ।



মোৰ স্বামীৰ বৰ্তমানৰ কৰ্মক্ষেত্ৰ NERIWALM জড়িত থকা এক প্ৰকল্প জিৰো আৰু য়াশ্বুলিত সম্পাদিত হৈ আছে। সেই আলমতে হং, জাথ, হৰি আদি গাঁৱৰ বাসিন্দাসকলৰ লগত কথা-বাৰ্তাৰ বিনিময় আৰু প্ৰশিক্ষণ কাৰ্যৰ দৰ্শক-শ্ৰোতা হোৱাৰ সুযোগ পালোঁ। মুকলি আকাশৰ তলত তেওঁলোকৰ লগত দুপৰীয়াৰ আহাৰ গ্ৰহণ মোৰ বাবে এক অনন্য অনুভৱ আছিল। মন ভৰি পৰিছিল জিৰোৰ

সহজ-সৰল অধিবাসীখিনিৰ নিঃস্বাৰ্থ আতিথ্য আৰু সহৃদয়তাত। হৰি গাঁৱৰ গ্যাতি গাম্বো, শ্বিখেৰ আটো আৰু য়াশ্বুলিৰ লিখা কামিনৰ পৰিয়ালৰ লগত বিশেষ সহয়তা গঢ়ি উঠিল। এই চুটি ভ্ৰমণ কালত লগ পোৱা আন এজন সুহৃদ বুল্লো আপাই শ্বিখে হ্ৰদ, কিৱি বাগান, কাচা ৰিচৰ্ট আদি চাবলৈ যাওঁতে সুন্দৰকৈ গাইড কৰিলে। হাপ'লিত অৱস্থিত হস্তশিল্পৰ এটি সৰু Emporium লৈ যোৱাৰ সুবিধা পাইছিলোঁ এইজন অৰুণাচলী বন্ধু বুল্লো আপাৰ লগত। জিৰো ভ্ৰমণৰ স্মৃতি সজীৱ কৰি ৰাখিবলৈ তাত এখন 'গালো' কিনিলোঁ।

হৰি গাঁৱত দুপৰীয়াৰ আহাৰ গ্ৰহণৰ পাছত আমি ওলাই আহিছিলোঁ হাপ'লিৰ পৰা ২/৩ কিঃ মিঃ দূৰত অৱস্থিত কৃত্ৰিম জলাশয় শ্বিখেলৈ বুলি। প্ৰকৃতিপ্ৰেমীৰ বাবে এই মানৱ সৃষ্ট হ্ৰদটো এক আকৰ্ষণৰ কেন্দ্ৰ । শ্বিখে হ্ৰদ আপাতানি জনগোষ্ঠীৰ সামূহিক চেষ্টা আৰু অৰুণাচল চৰকাৰৰ Water Conservation Project Scheme সহযোগত ব্যৱস্থাপিত। ইয়াত নৌকাবিহাৰৰও ব্যৱস্থা আছে। জিৰোত জলসিঞ্চনৰ ব্যৱস্থাও ইয়াৰ পৰাই কৰা হয় বুলি জানিব পাৰিলোঁ। হ্ৰদটো বেৰি থকা পাহাৰসমূহত বহুতো অৰ্ধ ঘৰচীয়া মেথোন আছে বুলি আপাতানি বন্ধু আতোৱে ক'লে। আতোৱে তেওঁৰ বিয়াত কইনাপক্ষক ১০ টা মেথোন দিছিল বুলিও লাজ লাজ হাঁহিৰে জনালে। অৱশ্যে অৰ্ধ ঘৰচীয়া হ'লেও মেথোনে মালিকক চিনি পায়। হাতত নিমখ লৈ মাতিলে মেথোনবিলাক নিজা নিজা মালিকৰ ওচৰলৈ চাপি আহে বুলি তেওঁলোকে জনালে। আতোৰ পৰিবাৰ নিৰ্জু প্ৰকৃতিৰ আৰু কামিলা। পৰিয়ালটিৰ সংহত কৃষিক্ষেত্ৰ চোৱা-চিতা আৰু তদাৰকীত তেওঁৰ বেছি দক্ষতা আছে যেন লাগিল। সম্পূৰ্ণ পূৰঠ হোৱা নাই যদিও তেওঁৰ ফাৰ্মৰ কিৱি গছৰ পৰা আলহী বুলি আমাৰ হাতত তুলি দিলে সতেজ কিৱিৰ টোপোলা।

শ্বিখে হ্ৰদ চাই হাপ'লিলৈ ঘূৰি অহাৰ পথত আমি কাচা ৰিজ'ৰ্টত কিছু সময়ৰ বাবে ৰ'লোঁ। সেই সময়ত তাত সান্ধ্য-সংগীতৰ প্ৰস্তুতি চলি আছিল। পৰিকল্পিতভাৱে সম্পূৰ্ণ প্ৰাকৃতিক পৰিৱেশ এটা ৰিজ'টখনত সৃষ্টি কৰা হৈছে তাত থকা প্ৰাকৃতিক সম্পদসমূহৰ সু-ব্যৱহাৰৰ যোগেদি। ৰিজ'ৰ্টত থকা ১৯৬২ ভাৰত চীন যুদ্ধৰ বাংকাৰৰ অৱশেষসমূহ দেখি মনটো খন্তেকৰ বাবে হ'লেও গধুৰ হৈ পৰিছিল।

আমাৰ দুদিনীয়া ভ্ৰমণৰ সময়ছোৱাত জিৰোত বতৰটো বেচ ফৰকাল আছিল। আমাৰ ওভতনি যাত্ৰাৰ এক স্মৃতিমধুৰ ক্ষণ হ'ল য়াশ্বুলিত নিছি সুহৃদ লিখা কামিনৰ সংহত কৃষি ফাৰ্মত তেওঁৰ পৰিয়ালৰ লগত কটোৱা সময়খিনি। কেওফালে পাহাৰৰ



মাজত কামিনে গঢ়ি তোলা পৰিকল্পিত ফিচাৰী, কমলা বাগান, ইলাচী খেতি, পাহাৰৰ এঢলীয়াত জৈৱিক চাহ বাগিচা, শাক পাচলিৰ খেতিৰে এক সুদৃশ্য পৰিৱেশ। কামিনৰ সাদৰী পৰিবাৰে বিদায় পৰত বান্ধি দিয়া ঘৰুৱা পাচলিৰ টোপোলাটোত কিযে আত্মীয়তাৰ গোন্ধ লাগি আছিল; বুজাব নোৱাৰি ভাষাৰে।

বৈচিত্ৰ্যৰে ভৰপূৰ অৰুণাচল প্ৰদেশ সামাজিক, সাংস্কৃতিক, ভৌগোলিক আদি বিভিন্ন দিশৰ অধ্যয়ন তথা গৱেষণাৰ এক বিশাল সম্ভাৱনাময় ক্ষেত্ৰ। জ্ঞানপিপাসু কতজনে অহৰহ চলাই গৈছে অভিযানৰ প্ৰস্তুতি, গৱেষণা আৰু অধ্যয়ন, পৰিকল্পনা আৰু প্ৰাকল্পিক পদক্ষেপ। কিন্তু স্পৰ্শ কৰিবলৈ যেন সক্ষম হৈছে সামান্য এটা অংশহে মাত্ৰ। জিৰো বন্য জীৱকুলৰ এক বৈভৱ। পাহাৰ ঢাকি থৈছে চিৰসেউজীয়া পাইনে। বাৰে বাৰে অনুভৱ হৈছিল জিৰোৰ প্ৰকৃতিৰ এক চুম্বকীয় আৱেদন আছে। জিৰোলৈ এবাৰ যোৱাৰ পিছত ৰূপহী অৰুণাচলৰ কেৱল পৰিচিত ঠাইবোৰেই নহয়, অজানা অচিনা হৈ থকা প্ৰতিটি অংগ চাবলৈ হেঁপাহ জাগে। জিৰোৰ সৌন্দৰ্যই সৌন্দৰ্য তৃষ্ণা বঢ়াইহে তোলে। ভ্ৰমণ প্ৰিয় কোনোৱে যদি জিৰো ভ্ৰমণ কৰা নাই, তেওঁ কিবা এটা পোৱা নাই, মই এইবুলিয়েই ক'ম।



# ভাৰতবৰ্ষত খাদ্য সুৰক্ষা ঃ এটি অৱলোকন

**ৰণজিৎ বৰুৱা**
সহযোগী অধ্যাপক
ৰাজনীতি বিজ্ঞান বিভাগ

খাদ্যৰ অধিকাৰ এটি অতি গুৰুত্বপুৰ্ণ অধিকাৰ। ই প্ৰত্যেক ব্যক্তিয়ে উপযুক্ত পৰিমাণে পুষ্টিকৰ আহাৰ লাভৰ সুবিধা পোৱাটো বুজায়। এক স্বাস্থ্যকৰ জীৱনৰ বাবে উপযুক্ত খাদ্য অতি প্ৰয়োজনীয়। অন্ন, বস্ত্ৰ আৰু বাসস্থানক ব্যক্তিৰ মৌলিক প্ৰয়োজন বুলি গণ্য কৰা হয়। উপযুক্ত আৰু পুষ্টিকৰ খাদ্য অবিহনে ব্যক্তিয়ে এটি মৰ্যদাসম্পন্ন জীৱন-যাপন কৰাটো সম্ভৱ নহয়। ইয়াতেই খাদ্যৰ অধিকাৰৰ প্ৰয়োজনীয়তা নিহিত হৈ আছে।

**খাদ্যৰ অধিকাৰ ঃ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপট**

বিভিন্ন আন্তঃৰাষ্ট্ৰীয় দলিল আৰু নথিত খাদ্যৰ অধিকাৰক স্বীকৃতি দিয়া হৈছে। ৰাষ্ট্ৰসংঘকে ধৰি আন বহুতো আন্তঃৰাষ্ট্ৰীয় সংস্থাই বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে। ১৯৪৮ চনত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা মানৱ অধিকাৰৰ সাৰ্বজনীন ঘোষণাপত্ৰ (Universal Declaration of Human Rights- UDHR)ৰ ২৫ নং অনুচ্ছেদত জীৱন নিৰ্বাহৰ উপযুক্ত মানৰ অধিকাৰক স্বীকৃতি দিছে। ই খাদ্য, বস্ত্ৰ, বাসস্থান আৰু চিকিৎসা সেৱাৰ সুবিধাক সামৰি লৈছে। ১৯৬৬ চনৰ অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক অধিকাৰৰ আন্তঃৰাষ্ট্ৰীয় চুক্তিপত্ৰ (International Covenant on Economic, Social and Cultural Rights- ICESCR)ৰ ১১ নং অনুচ্ছেদত খাদ্যৰ অধিকাৰক স্পষ্টকৈ সন্নিবিষ্ট কৰা হৈছে। ইয়াত উপযুক্ত খাদ্যৰ অধিকাৰ তথা ক্ষুধাৰ পৰা মুক্তিৰ কথা কোৱা হৈছে। ১৯৭৯ চনৰ নাৰীৰ বিৰুদ্ধে সকলো ধৰণৰ বৈষম্য নিৰাময়ৰ চুক্তিপত্ৰ (Convention on Elimination of All Forms of Discrimination Against Women - CEDAW), ১৯৮৯ চনৰ শিশুৰ অধিকাৰৰ আচাৰবিধি (Convention on the Rights of Child) আদিতো পুষ্টিকৰ খাদ্যৰ অধিকাৰে স্থান পাইছে। শেহতীয়াকৈ ২০১৫ চনৰ ধাৰণক্ষম/বহনক্ষম বিকাশৰ লক্ষ্য (Sustainable Development Goals- SDGs)ৰ দ্বিতীয়টো লক্ষ্য ‘শূন্য ক্ষুধা’ (Zero Hunger) খাদ্যৰ অধিকাৰৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত। ইয়াত ২০৩০ চনৰ ভিতৰত সমগ্ৰ পৃথিৱীতে খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ কথা কোৱা হৈছে।

**ভাৰতীয় প্ৰেক্ষাপটত খাদ্যৰ অধিকাৰ আৰু খাদ্য সুৰক্ষা ঃ**

ভাৰতবৰ্ষ দৰিদ্ৰতা, বিভিন্ন প্ৰাকৃতিক দুৰ্যোগ, নিবনুৱা সমস্যা আদি নানা সমস্যাৰে জৰ্জৰিত এখন ৰাষ্ট্ৰ। ফলত জনসাধাৰণৰ এক বৃহৎ অংশই পুষ্টিহীনতা আৰু ক্ষুধাৰ কবলত পৰিছে। এনে

প্ৰেক্ষাপটত ভাৰতবৰ্ষতো খাদ্যৰ অধিকাৰৰ বিষয়টো গুৰুত্বপূৰ্ণ বুলি বিবেচিত হৈছে।

ভাৰতবৰ্ষৰ সংবিধানত খাদ্যৰ অধিকাৰক মৌলিক অধিকাৰৰ মৰ্যাদা দিয়া হোৱা নাই। সংবিধানৰ চতুৰ্থ অধ্যায়ত ৰাষ্ট্ৰ পৰিচালনাৰ নিৰ্দেশক নীতিৰ ভিতৰত ৪৭ নং অনুচ্ছেদত পৰিপুষ্টি বৃদ্ধি আৰু জনস্বাস্থ্যৰ উন্নয়ণক স্থান দিয়া হৈছে। অৱশ্যে উচ্চতম ন্যায়ালয়ে পৰৱৰ্তী সময়ত ২১ নং অনুচ্ছেদৰ জীৱনৰ অধিকাৰে (Right to Life) খাদ্যৰ দৰে মৌলিক প্ৰয়োজনীয়তাক সামৰি লৈছে বুলি মত প্ৰকাশ কৰিছে।

খাদ্য শস্য উৎপাদনৰ ক্ষেত্ৰত ভাৰতবৰ্ষ যথেষ্ট সফল হ'লেও ক্ষুধা আৰু অপুষ্টিৰ সমস্যাৰ পৰা মুক্ত হ'ব পৰা নাই। দৰিদ্ৰতাই এইক্ষেত্ৰত যথেষ্ট জটিলতাৰ সৃষ্টি কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত ভাৰত চৰকাৰে সংহত শিশু বিকাশ আঁচনি (Integrated Child Development Programme - ICDS), ৰাজহুৱা বিতৰণ ব্যৱস্থা (Public Distribution System - PDS), মধ্যাহ্ন ভোজন (Mid-Day Meal-MDM) আদিৰ দৰে কিছুমান পদক্ষেপ লবলৈ বাধ্য হৈছিল।

**ৰাষ্ট্ৰীয় অন্ন সুৰক্ষা আইন, ২০১৩ (National Food Security Act, 2013 - NFSA) :**

এনে প্ৰেক্ষাপটত ২০১৩ চনত ভাৰত চৰকাৰে খাদ্যৰ অধিকাৰ আৰু খাদ্য সুৰক্ষা নিশ্চিত কৰিবলৈ ৰাষ্ট্ৰীয় অন্ন সুৰক্ষা আইন প্ৰণয়ণ কৰে। এই আইনখনে সমগ্ৰ ভাৰতবৰ্ষৰ প্ৰায় দুই তৃতীয়াংশ জনসাধাৰণক সামৰি লৈছে। এই আইনখনৰ প্ৰধান লক্ষ্য হ'ল দৰিদ্ৰ পৰিয়ালবোৰ, শিশু, গৰ্ভৱতী মহিলাসকল আৰু দুগ্ধপান কৰোৱা মাতৃসকল।

ৰাষ্ট্ৰীয় অন্ন সুৰক্ষা আইন, ২০১৩-ই দুই ধৰণৰ হিতাধিকাৰীৰ কথা কৈছে- অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়াল (Priority Household) আৰু অন্তোদয়া অন্ন যোজনা (Antodayaa Anna Yojanaa - AAY) পৰিয়াল। একেবাৰেই দৰিদ্ৰ পৰিয়ালবোৰক অন্তোদয়া অন্ন যোজনাই সামৰি লয়। ৰাষ্ট্ৰীয় অন্ন সুৰক্ষা আইনে ৰেহাই মূল্যত খাদ্য সামগ্ৰী যোগানৰ ব্যৱস্থা কৰিছে। অগ্ৰাধিকাৰপ্ৰাপ্ত পৰিয়ালৰ প্ৰত্যেক ব্যক্তিয়ে প্ৰতিমাহে ৫ কিলোগ্ৰামকৈ খাদ্য সামগ্ৰী পোৱাৰ বিপৰীতে অন্তোদয়া অন্ন যোজনাৰ অধীনস্থ পৰিয়ালে প্ৰতিমাহে ৩৫ কিলোগ্ৰামকৈ খাদ্য সামগ্ৰী লাভ কৰে। এই আইনখনে প্ৰতি কিলোগ্ৰাম চাউল তিনি টকা, ঘেঁহু দুই টকা আৰু মাহজাতীয় শস্য এটকা মূল্যত পোৱাৰ ব্যৱস্থা কৰিছে।

যিহেতু ভাৰতবৰ্ষত যথেষ্ট সংখ্যক মহিলা আৰু শিশু পুষ্টিহীনতাৰ চিকাৰ হয়, সেই বাবে এই আইনখনে তেওঁলোকৰ ওপৰত বিশেষ গুৰুত্ব দিছে। গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মাতৃসকলৰ বাবে বিনামূলীয়া পুষ্টিকৰ খাদ্যৰ যোগান আৰু ৬০০০ টকা মাতৃত্ব ভাট্টা দিয়াৰ ব্যৱস্থা কৰা হৈছে। ৬ বছৰৰ তলৰ শিশুক সংহত শিশু উন্নয়ণ আঁচনিৰ জৰিয়তে আৰু ৬-১৪ বছৰৰ শিশুসকলক মধ্যাহ্ন ভোজন আঁচনিৰ জৰিয়তে উপযুক্ত খাদ্যৰ ব্যৱস্থা কৰা হৈছে। মধ্যাহ্ন ভোজন আঁচনিখনক ২০২১ চনত পি.এম. পোষণ (PM POSHAN) নামকৰণ কৰা হৈছে।

ৰাষ্ট্ৰীয় অন্ন সুৰক্ষা আইনখন ৰূপায়ণৰ ক্ষেত্ৰত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সুলভ মূল্যৰ দোকানৰ জৰিয়তেহে উপভোক্তাসকলে ৰেহাই মূল্যত সামগ্ৰীবোৰ লাভ কৰিব পাৰে। চৰকাৰে কৃষকৰ পৰা খাদ্য সামগ্ৰী কিনি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনৰ সুলভ মূল্যৰ দোকানৰ জৰিয়তে সেইবোৰ উপভোক্তাসকলে লাভ কৰাটো সুনিশ্চিত কৰে। এই আইনখনে সমগ্ৰ ব্যৱস্থাটোৰ স্বচ্চতা আৰু দায়বদ্ধতা নিশ্চিত কৰিবলৈ চেষ্টা কৰিছে। দুৰ্নীতি ৰোধৰ বাবে সামাজিক মূল্যায়ন, অভিযোগ দাখিল আদিৰ ব্যৱস্থা কৰা হৈছে। জিলা পৰ্যায়ত অভিযোগ নিষ্পত্তিৰ বাবে বিষয়া নিযুক্তিৰো ব্যৱস্থা কৰা হৈছে।

**সীমাবদ্ধতা তথা প্ৰত্যাহ্বান ঃ**

ৰাষ্ট্ৰীয় অন্ন সুৰক্ষা আইনখন কিছু প্ৰত্যাহ্বানৰ সন্মুখীন নোহোৱা নহয়। দুৰ্নীতি, হিতাধিকাৰী বাছনিত বৈষম্য, সামগ্ৰীৰ হৰলুকি, উপযুক্ত সংৰক্ষণৰ অভাৱ আদিৰ দৰে সমস্যাই দেখা দিছে। চৰকাৰে এই সীমাবদ্ধতাবোৰ আঁতৰ কৰিবলৈ প্ৰয়োজনীয় পদক্ষেপ লোৱাৰ আৱশ্যকতা আছে।

**গুৰুত্ব আৰু প্ৰাসংগিকতা ঃ**

কিছু সীমাবদ্ধতা থকা সত্বেও ৰাষ্ট্ৰীয় অন্ন সুৰক্ষা আইনখনৰ প্ৰয়োজনীয়তা নুই কৰিব নোৱাৰি। এই আইনখনে খাদ্য সুৰক্ষাক এটি আইনগত অধিকাৰ ৰূপে স্বীকৃতি দিছে। লগতে ই ৰাজহুৱা বিতৰণ ব্যৱস্থাক শক্তিশালী আৰু অধিক গণমুখী কৰি জনসাধাৰণৰ খাদ্যৰ অধিকাৰক নিশ্চিত কৰিবলৈ চেষ্টা কৰিছে। এই আইনখনে ক্ষুধা, দৰিদ্ৰতা আৰু পুষ্টিহীনতা হ্ৰাস কৰাত অৰিহণা যোগাইছে। শিশুৰ আৰু মহিলাৰ বাবে লোৱা বিশেষ পদক্ষেপবোৰে শিক্ষা আৰু স্বাস্থ্যৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাইছে। সমাজৰ একেবাৰেই অৱহেলিত লোকসকলক বিশেষ সুবিধা প্ৰদান কৰি ই সামাজিক ন্যায় প্ৰতিষ্ঠাত অৰিহণা যোগাইছে।

# চৰিত সাহিত্যত শৰণ প্ৰসংগ আৰু তৰুণ প্ৰজন্মৰ দৃষ্টিভংগী

**ড° বিপুল মালাকাৰ**
সহযোগী অধ্যাপক
অসমীয়া বিভাগ

বৈষ্ণৱ ধৰ্মৰ মূল উপাস্য দেৱতা বিষ্ণু। বিষ্ণুক উপাসনা কৰা বাবে এই ধৰ্মৰ নাম বৈষ্ণৱ ধৰ্ম। বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ প্ৰসাৰৰ ফলস্বৰূপেই সৃষ্টি হোৱা সাহিত্যই বৈষ্ণৱ সাহিত্য। বৈষ্ণৱ সাহিত্যক ভক্তি সাহিত্য বুলিও কোৱা হয়।

**অসমীয়া বৈষ্ণৱ সাহিত্য ঃ**

অসমীয়া বৈষ্ণৱ সাহিত্য হ'ল শঙ্কৰদেৱ আৰু মাধৱদেৱৰ দ্বাৰা প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মক ভিত্তি কৰি ৰচিত সাহিত্য। মূলতঃ ভক্তিমূলক। অসমীয়া বৈষ্ণৱ সাহিত্যৰ পৰিসৰ বৰ ব্যাপক। সাহিত্যৰ ৰূপ অনুসৰি অসমৰ ভক্তি সাহিত্যক কাব্য, ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ, অংকীয়া নাট, গীত, নাম-প্ৰসংগ আৰু চৰিত সাহিত্য নামেৰে সাতটা ভাগত ভাগ কৰিব পাৰি। (মজুমদাৰ, বিমল ২৩)

**কাব্য ঃ** কাব্য সাহিত্যৰ ভিতৰত শঙ্কৰদেৱৰ *হৰিচন্দ্ৰ উপাখ্যান, ৰুক্মিণী হৰণ, বলিচলন, অমৃত মন্থন, অজামিল উপাখ্যান, কুৰুক্ষেত্ৰ* ; মাধৱদেৱৰ *ৰামায়ণ*ৰ আদি কাব্য, *ৰাজসূয় কাব্য*; অনন্ত কন্দলিৰ *বৃত্ৰাসুৰ বধ, মহীৰাৱণ বধ, কুমৰ হৰণ* আৰু ৰাম সৰস্বতীৰ *বধকাব্য*সমূহ উল্লেখযোগ্য।

**ভক্তিতত্ত্ব প্ৰকাশক গ্ৰন্থ ঃ** এই শ্ৰেণীৰ কাব্যৰ ভিতৰত শঙ্কৰদেৱৰ *ভক্তি প্ৰদীপ, ভক্তি ৰত্নাকৰ, নিমি-নৱসিদ্ধ সংবাদ* ; মাধৱদেৱৰ *নামঘোষা, জন্ম ৰহস্য, ভক্তি ৰত্নাৱলী, নাম মালিকা*, ভট্টদেৱৰ *ভক্তি বিবেক, কথাগীতা, কথা ভাগৱত, কথা ৰত্নাৱলী, শৰণ মালিকা, ভক্তিসাৰ* আদি উল্লেখযোগ্য।

**অঙ্কীয়া নাট ঃ** অঙ্কীয়া নাটো ভক্তি আন্দোলনৰে ফল। শঙ্কৰদেৱেই অসমীয়া নাট্য সাহিত্যৰো জনক। তেওঁ ৰচনা কৰা নাটকৰ সংখ্যা ছখন— *পত্নী প্ৰসাদ, কালীয় দমন, কেলি গোপাল, ৰুক্মিণী হৰণ, পাৰিজাত হৰণ* আৰু *ৰাম বিজয়*। মাধৱদেৱৰ অঙ্কীয়া নাটকেইখন হ'ল— *চোৰধৰা, পিম্পৰা গুচোৱা, ভূমি লেটোৱা, ভোজন বিহাৰ* আৰু *অৰ্জুন ভঞ্জন*। অনন্ত কন্দলিৰ *সীতাৰ পাতাল প্ৰৱেশ* নাট এই প্ৰসঙ্গত উল্লেখযোগ্য। ইয়াৰ উপৰি শঙ্কৰোত্তৰ যুগৰ গোপাল আতা, ৰামচৰণ ঠাকুৰ, দৈতাৰি ঠাকুৰ আদি কবিসকলেও ভালেসংখ্যক অঙ্কীয়া নাট ৰচনা কৰি অসমীয়া নাট্য সাহিত্যৰ ভঁৰাল চহকী কৰি তুলিছে।

**গীত ঃ** গীতৰ ভিতৰত বৰগীত আৰু ভটিমা উল্লেখযোগ্য। বৰ্তমান প্ৰচলিত বৰগীতসমূহৰ ভিতৰত ডেৰকুৰিমান শঙ্কৰদেৱৰ আৰু বাকী নকুৰিমান গীত মাধৱদেৱৰ দ্বাৰা ৰচিত। ভটিমাসমূহ প্ৰশস্তি বা গুণ গৰিমা প্ৰকাশক গীত। শঙ্কৰদেৱে তিনি প্ৰকাৰ ভটিমা— নাট ভটিমা, দেৱ ভটিমা আৰু ৰাজ ভটিমা প্ৰৱৰ্তন কৰে। তাৰ লগত মাধৱদেৱে গুৰু ভটিমা সংযোগ কৰি চাৰি শ্ৰেণীৰ ভটিমা পৰম্পৰাৰ সৃষ্টি কৰে।

**নাম প্ৰসঙ্গ ঃ** নাম প্ৰসঙ্গ পুথিৰ ভিতৰত শঙ্কৰদেৱৰ *কীৰ্ত্তন* আৰু *গুণমালা* উল্লেখযোগ্য।

**চৰিত সাহিত্য ঃ**

চৰিত সাহিত্য বৈষ্ণৱ আন্দোলনৰ ফলশ্ৰুতিত সৃষ্ট। চৰিত পুথিসমূহত বৈষ্ণৱ গুৰু, আতা, মহন্তসকলৰ জীৱন কাহিনী ধৰি ৰখা হৈছিল। চৰিত চৰ্চা ৰীতি, সত্ৰীয়া তথা ভকতীয়া সমাজত 'চৰিত তোলা' প্ৰথাৰূপে জনাজাত। চৰিত-তোলা প্ৰথাৰ পৰাই চৰিত সাহিত্যৰ সৃষ্টি। ধৰ্মগুৰুসকলৰ আদৰ্শ আৰু কাৰ্যৱলী জীৱাই ৰখাৰ পৱিত্ৰ দায়িত্বৰ অনুপ্ৰেৰণাতে জন্ম হৈছিল চৰিত সাহিত্যৰ। মাধৱদেৱ হ'ল চৰিত চৰ্চাৰ প্ৰথম বক্তা। প্ৰথম অৱস্থাত ভক্তসকলৰ মুখে মুখে গুৰুসকলৰ জীৱন কথা চলি আহিছিল যদিও পাছলৈ এইবোৰ লিপিবদ্ধ হ'বলৈ ধৰিলে। খ্ৰীঃ সপ্তদশ-অষ্টাদশ শতিকাৰ ভিতৰত চৰিত পুথিসমূহ ৰচিত হৈছিল। পদ্যত ৰচিত চৰিত পুথিৰ ভিতৰত দৈত্যাৰি ঠাকুৰৰ *মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ চৰিত্ৰ*, ভূষণ দ্বিজৰ *শ্ৰীশ্ৰীশঙ্কৰদেৱ*, বৈকুণ্ঠ দ্বিজৰ *সন্তমালা*, ৰামচৰণ ঠাকুৰৰ ভণিতাযুক্ত *শঙ্কৰ চৰিত* বা *গুৰু-চৰিত*, ৰামানন্দ দ্বিজৰ

*শ্ৰীগুৰু চৰিত্ৰ*, ৰামৰায়ৰ *গুৰুলীলা*, ৰামানন্দৰ *শ্ৰীশ্ৰীবংশী গোপালদেৱৰ চৰিত্ৰ*, বিদ্যানন্দ ওজা আৰু হৰিনাৰায়ণ দ্বিজৰ *ঠাকুৰ চৰিত*, নীলকণ্ঠ দাসৰ *শ্ৰীশ্ৰীদেৱদামোদৰ চৰিত*, দ্বিজ দিবাকৰ আৰু বাণেশ্বৰৰ *হৰিদেৱ চৰিত*, পূৰ্ণানন্দৰ *শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ*, ভৱানন্দ দ্বিজৰ *গোবিন্দ চৰিত*, নিত্যানন্দ আতৈৰ *শ্ৰীশ্ৰীবদুলা পদ্ম আতাৰ চৰিত্ৰ*, জগন্নাথ মহন্তৰ *শ্ৰীশ্ৰীমথুৰাদাস বুঢ়া আতাৰ চৰিত্ৰ*, নৰোত্তম আতাৰ *লক্ষ্মীকান্ত আতৈৰ চৰিত্ৰ*, ৰামগোপালৰ *গোপাল আতাৰ চৰিত্ৰ*, শ্ৰীৰাম যদুমণিৰ *গোপাল আতাৰ চৰিত্ৰ*, যোগেশ্বৰ মহন্তৰ দ্বাৰা সংগৃহীত *শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ*, ৰামানন্দ ঠাকুৰৰ *শ্ৰীশ্ৰীমহাপুৰুষ মাধৱদেৱ আৰু শ্ৰীশ্ৰীগোপাল আতাৰ চৰিত্ৰ* আদিয়েই প্ৰধান। ইয়াৰ উপৰি দীননাথ বেজবৰুৱাৰ *বৰচৰিত* এখনি উল্লেখযোগ্য চৰিত।

প্ৰথম অৱস্থাত পদ্যতে চৰিত পুথি লিখা হৈছিল যদিও পাচত গদ্যতো চৰিত ৰচনা হ'বলৈ ধৰিলে। গদ্যত ৰচিত চৰিত পুথিৰ সংখ্যা কম। কথাত লিখা চৰিত পুথিসমূহৰ প্ৰকাশ-ভংগী ঘৰুৱা, ভকতীয়া ঠাঁচৰ আৰু প্ৰাঞ্জল ভাবৰ। উপেন্দ্ৰ চন্দ্ৰ লেখাৰু সম্পাদিত সু-প্ৰসিদ্ধ *কথা-গুৰু-চৰিত* (১৯৫২), একেখন গ্ৰন্থৰ মহেশ্বৰ নেওগ সম্পাদিত *গুৰু-চৰিত-কথা* (১৯৮৬) আৰু লক্ষ্মীনাথ বেজবৰুৱা সম্পাদিত '*বাঁহী*'ত প্ৰকাশিত আৰু পাছত মহেশ্বৰ নেওগে সম্পাদনা কৰা *বৰদোৱা-গুৰু-চৰিত* (১৯৭৭) গদ্যত ৰচিত উল্লেখযোগ্য চৰিত। ইয়াৰ উপৰি গোবিন্দ দাসৰ *সন্ত-সম্প্ৰদায় কথা* বা *এটকা মহন্তৰ চৰিত্ৰ* আৰু ভট্টদেৱৰ নামত প্ৰচলিত *সৎ-সম্প্ৰদায়-কথা* গদ্যত ৰচিত চৰিত পুথি। পৰৱৰ্তী কালত গদ্য-পদ্য উভয়তে ৰচিত ৰত্নেশ্বৰ গোঁসাইৰ *শ্ৰীশ্ৰীগোপালদেৱৰ কথা চৰিত*, খৰ্গেশ্বৰ গোস্বামীৰ *শ্ৰীশ্ৰী শ্ৰীৰাম আতাৰ চৰিত্ৰ* আৰু খগেন্দ্ৰনাথ পাঠকৰ *দামোদৰদেৱৰ জীৱন চৰিত* উল্লেখযোগ্য। এই চৰিত পুথিসমূহৰ পাতত নিহিত হৈ আছে মধ্যযুগৰ অসমৰ সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক, অৰ্থনৈতিক দিশৰ উপৰি নৱ-বৈষ্ণৱ ধৰ্মৰ তত্ত্ব আৰু দৰ্শন।

**শৰণ শব্দৰ অৰ্থ ঃ**

'হেমকোষ'ৰ মতে 'শৰণ' শব্দৰ অৰ্থ হ'ল— (সং শৰণ শৃ, পীড়াৰ পৰা ৰক্ষা কৰে, এতেকে) আশ্ৰয়। যেনে— 'কৃষ্ণৰ চৰণে লৈলোঁ শৰণ'। বিষ্ণুৰ ভকত হোৱা বা আশ্ৰয় লোৱা, মহাপুৰুষীয়া ধৰ্মৰ শিক্ষা। যেনে— কমলাবাৰীত শৰণ ল'লে। শৰণ ল— আশ্ৰয় ল, ভকত হ।

**শৰণৰ তাৎপৰ্য ঃ**

শঙ্কৰদেৱৰ মতে শৰণৰ পৰমাৰ্থিক বস্তু চাৰিটা— নাম, দেৱ, গুৰু আৰু ভকত। সত্ৰত ভকত-বৈষ্ণৱৰ সমূহীয়া জীৱনৰ আদৰ্শ জনজাতীয় জীৱনৰ সৰলতা আৰু একতাৰ প্ৰতি বেছি ঢাল খোৱা— অনুমান হয় যে জনজাতীয় সমূহীয়া সমাজ আৰু বৌদ্ধ সংঘৰ দ্বাৰা প্ৰভাৱান্বিত হৈয়েই শ্ৰীমন্ত শঙ্কৰদেৱে অসমত সত্ৰীয়া জীৱন গঢ়ি তুলছিল। ধাৰণা হয় যে সত্ৰত ভকত-বৈষ্ণৱৰ সমূহীয়া জীৱনৰ আদৰ্শ বৌদ্ধ সংঘতকৈ জনজাতীয় সমাজৰ প্ৰতিহে বেছি ঢাল খোৱা। বৌদ্ধ সংঘত ত্ৰিশৰণতহে গুৰুত্ব দিছিল- সংঘত শৰণ, বুদ্ধত শৰণ আৰু ধৰ্ম্মত শৰণ। অসমৰ সত্ৰীয়া জীৱনত গুৰুত্ব দিয়া হয় নাম, দেৱ, গুৰু, ভকত এই চাৰিটা শৰণৰ ওপৰত। (শৰ্মা, শশী। প্ৰান্তিক, ১-১৫ জুন, ২০০২)

আধ্যাত্মিক আৰু ধৰ্মীয় ক্ষেত্ৰত ঈশ্বৰ বা গুৰুৰ আশ্ৰয় লোৱাৰ বাবে দিয়া আনুষ্ঠানিক প্ৰতিশ্ৰুতি বা ঘোষণা। আধ্যাত্মিক ক্ষেত্ৰত ঈশ্বৰ বা গুৰুৰ ওচৰত সম্পূৰ্ণৰূপে আত্মসমৰ্পন কৰা আৰু তেওঁৰ চৰণত আশ্ৰয় লোৱা।

কৃষ্ণত শৰণ ল'লে তৰণৰ পথ পায়। এই শৰণত জাতি-বৰ্ণ আদিৰ ভেদা-ভেদ নাই। ভগৱানত শৰণ ল'লে, ভগৱানে সকলো পাপৰ পৰা জীৱক উদ্ধাৰ কৰে।

> ঈশ্বৰ চিন্তাৰ প্ৰধান ক্ষেত্ৰ বিশুদ্ধ হৃদয়, বিশুদ্ধ মন, সৎভাৱ আৰু সৎ চিন্তাৰ দ্বাৰা হিয়া আৰু মন যিমানেই নিকা হয় সিমানেই ঈশ্বৰ উপলব্ধিৰ বিষয়ত ইয়াৰ শক্তি উৰ্বৰা হয় আৰু হিয়া মন চিকুণাবলৈ কোনো ব্যয় বা কষ্ট নালাগে। (কাকতি, ৪)

**চৰিত সাহিত্যত শৰণ প্ৰসংগ ঃ**

*গুৰু-চৰিত-কথাত* ৰজা, স্ত্ৰী আৰু কৰ্মকাণ্ডী ব্ৰাহ্মণৰ গুৰু নোহোৱাৰ কথা শঙ্কৰদেৱে নিজেই কৈছে— 'এতেকে ৰাজাৰ স্ত্ৰী কৰ্মকাণ্ডী ব্ৰাহ্মণৰ গুৰু নহঞ এই তিনিৰ।' (নেওগ, মহেশ্বৰ *গুৰু-চৰিত-কথা* ১৮৪) কিন্তু দৈত্যাৰি ঠাকুৰৰ চৰিত পুথি মতে শঙ্কৰদেৱ প্ৰথমবাৰ কোচবেহাৰত থকা সময়তে চিলাৰায় দেৱানে তেওঁৰ ওচৰত শৰণ গ্ৰহণ কৰিছিল—

শঙ্কৰদেৱৰ মুখে শুনি কৃষ্ণকথা।
দেৱানো শৰণ লৈলা শঙ্কৰত তথা ।।
— (ঠাকুৰ, দৈত্যাৰি ১১৪)

ইয়াৰ উপৰি, ৰামানন্দ দ্বিজৰ চৰিত্ৰত জয়ন্ত দলৈৰ পত্নীক শৰণ দিয়া বুলি উল্লেখ আছে। (দ্বিজ, ৰামানন্দ ৭৭)

**নৰনাৰায়ণ ৰজাৰ শৰণ ঃ**

কোচ ৰজা নৰনাৰায়ণে শঙ্কৰদেৱৰ ওচৰত শৰণ গ্ৰহণ কৰিছিল বুলি ভূষণ দ্বিজে উল্লেখ কৰিছে — 'মহাপুৰুষত ৰাজা শৰণ পষিলা।।' (দ্বিজ, ভূষণ ২০৫) 'মই মহাপাপী অধম মন্দ দুৰ্ভগিয়া শৰণ ঃ দিবৰ ভএহে গুৰুজনে পৃথিবী এৰিলে ঃ আৰুবা

কত দিন ৰহিলহতে মোতেসে দোষ হয়' (নেওগ, মহেশ্বৰ *গুৰু-চৰিত-কথা* ১৮৭) আৰু '... ৰাজাই শ্ৰৱণ কৰি ভূমি পাৰে আহি কান্দি কান্দি পাৰত পৰিছেহি, "হায় ! হায়! আমাৰ অধম নিমিত্তেই ইমান সোনকালে বৈকুণ্ঠ, গমন কৰিলে' (নেওগ, মহেশ্বৰ *বৰদোৱা-গুৰু-চৰিত* ১৭০) বুলি ৰজাক শৰণ দিয়াৰ আগতেই গুৰুৱে কালৰ প্ৰমাণে বৈকুণ্ঠ প্ৰয়াণ কৰাত ৰজাই শোক কৰাৰ কথাহে আছে। ৰামচৰণ ঠাকুৰৰ চৰিতত মহাৰাজ নৰনাৰায়ণে কৃষ্ণত শৰণ লোৱাৰ একান্ত ইচ্ছাৰ কথা শঙ্কৰদেৱৰ আগত ব্যক্ত কৰাৰ উল্লেখ আছে। আনহাতে দৈত্যাৰিৰ চৰিত্ৰত নৰনাৰায়ণ ৰজাৰ শৰণ সম্পৰ্কে কোনো কথাৰ উল্লেখ নাই।

**শৰণ প্ৰসঙ্গৰ লগত জড়িত সামাজিক লোকাচাৰ ঃ**

**উপবাস ঃ** শৰণ লোৱাৰ আগতে কিছুমান সামাজিক আচাৰ পালন কৰিবলগীয়া হয়। শৰণ লোৱাৰ আগদিনা উপবাসে থকাটো এটি সামাজিক পৰম্পৰা। নৰনাৰায়ণ ৰজাই শঙ্কৰদেৱৰ ওচৰত শৰণ ল'বলৈ খোজাত, শঙ্কৰদেৱে কোনো প্ৰকাৰে এৰাব নোৱাৰি ৰজাক জনাইছে— 'তেন্তে আজি উপবাসে থাকক, কালিলৈ যি কৰা হয় হব।' (নেওগ, মহেশ্বৰ *বৰদোৱা-গুৰু-চৰিত* ১৬৯)

যবনে বুঢ়া আতাৰ ওচৰত শৰণ ল'বলৈ অহাৰ আগদিনা উপবাসে আছিল—

শুনিয়া যবনে পাছে থাকি উপবাসে।
পৰদিনা ছয়কুৰি টকা লৈ আসে।।
—(মহন্ত, জগন্নাথ ৭৬)

নাৰায়ণ দাসেও শৰণ ল'বলৈ ওলাই ঘৰৰ সকলোকে উপবাসে ৰাখি শঙ্কৰক গুৰু মানি কৃষ্ণত শৰণ লৈছিল—

উপবাস দিয়া সবে শঙ্কৰক গুৰু মানি
কৃষ্ণত শৰণ লৈলা পাচে।।
—(দ্বিজ, ভূষণ ১১৫)

**গুৱাপান ঃ** শঙ্কৰদেৱক লগ পোৱাৰ পাছত পূৰ্ব অংগীকাৰ পৰিত্যাগ কৰি গুৱাপাণ দি সেৱা কৰি মাধৱদেৱে কৈছে 'বাপ আজিৰ পৰা তোৱাক গুৰু লাভ কৰা হ'ল। পিছদিনা নাৰায়ণপুৰৰ মাতকঠীয়া কাপোৰ এখন, টকা এটা দি শৰণ লৈছে।' (নেওগ, মহেশ্বৰ *বৰদোৱা-গুৰু-চৰিত* ৮৩)

**আত্মশুদ্ধি ঃ** বৈষ্ণৱ ধৰ্মত শৰণ লওঁতে কোনো শকত ধনৰ টোপোলা আগবঢ়াব নালাগে। গুৰু মাননি হিচাপে আত্মশুদ্ধিৰে দুই-এটকাই যথেষ্ট। শুদা হাতে শৰণ ল'বলৈ ভকতৰ মনে নকয়। গোপাল আতায়ো শুদা হাত বুলিয়ে শঙ্কৰদেৱক চাৰিবাৰ লগ পোৱাৰ পাচতো শৰণ লোৱা নাছিল—

শুধা হাত বুলি শৰণ নলৈলোঁ
উলটি গৃহে আসিলোঁ।
(মহন্ত, বৰদলৈ ১৮)

এই ধৰ্মত একান্ত শৰণ লওতে একো বস্তুৰ প্ৰয়োজন নাই, লাগে মাথোঁ পৱিত্ৰ মন। ঘৰ-বাৰী, পতি-পুত্ৰ সকলো যেন অসাৰ মায়াময়। হৰিয়ে একমাত্ৰ গতি। গুৰুক শুশ্ৰূষা কৰি, গুৰু বাক্য শিৰে ধৰি শৰণ ভজিব লাগে—

একান্ত শৰণ লৈতে একোবস্তু নলাগয়
হ'ব লাগে নিশ্চয় মনৰ।।
(ঠাকুৰ, ৰামানন্দ ৫১)

অৱশেষত মাধৱদেৱক গুৰু ভজি শৰণ ল'লে। ইয়াৰ উপৰি দীননাথ বেজবৰুৱাৰ বৰচৰ্তিত শৰণৰ প্ৰসংগ কেইবাৰো উত্থাপিত হৈছে। (বেজবৰুৱা, দীননাথ ৬৪, ৭২, ১৫০, ১৬০)

**ভাগৱত শাস্ত্ৰ ঃ** শৰণ প্ৰক্ৰিয়াত ভাগৱত শাস্ত্ৰ আগত থৈহে শৰণ দিয়া হয়।—

শ্ৰীমন্ত মাধৱদেৱে ভাগৱত আগে থৈয়া
গোপালক কৰিলা শৰণ।

**সামাজিক প্ৰেক্ষাপট ঃ**

**বিশ্বাস ঃ** শৰণ হ'ল ভগৱন্তৰ ওচৰত নিজৰ মন, চিত্ত অৰ্পণ কৰা, কু-বাক্য, অসৎ কাৰ্য কৰা অনুচিত। শৰণ ল'লে মানুহৰ মনৰ পৰা বেয়া ভাৱ দূৰ হয়।

- ❖ শৰণ-ভজন লৈ গুৰুমুখী হ'লে তেওঁলোকৰ ল'ৰা-ছোৱালী ভাল হয়।
- ❖ বিবাহৰ আগতে শৰণ ল'লে তেওঁলোকৰ ল'ৰা-ছোৱালীবোৰ বুজন হৈ উঠে।
- ❖ সমাজত শৰণ লোৱা মানুহবোৰে শৰণ নোলোৱা মানুহবোৰক অইন (কু) দৃষ্টিৰে চায়।
- ❖ কোনো লোক শৰণীয়া নহ'লে তেওঁৰ হাতে তামোল এখনো খোৱা নিষেধ। তেওঁক 'অসংস্কৃত' বুলি ধৰা হয়। অসংস্কৃত লোকে সামাজিক মাৰ্যাদা নাপায়। শৰণ ল'লেহে আধ্যাত্মিক ক্ষেত্ৰত প্ৰৱেশ কৰিব পাৰি। শৰণ নোলোৱা অৰ্থাৎ অশৰণীয়া বা অভকতীয়াৰ হাতে নিজৰ পিতৃ-মাতৃয়েও মৃত্যুৰ সময়তো এটোপাল পানীও মুখত নিদিয়ে। শুভ কৰ্মৰ প্ৰাক মুহূৰ্তত বা যাত্ৰাপথত "অশৰণীয়াৰ মুখ দৰ্শন" অশুভ লক্ষণ বুলি অসমীয়া লোক সমাজত বিশ্বাস আছে। এদিন শাওন মাহত মাধৱদেৱ পুৰুষ ভৱানীপুৰলৈ গৈছে, সেই সময়তে অভকতীয়া কালিৰ বুঢ়া নামে এজন লোকৰ মৃত্যু হৈছে। (নেওগ, মহেশ্বৰ *বৰদোৱা-গুৰু-চৰিত* ১৮৯)

অশৰণীয়া হৈ থকাটো সামাজিক অপৰাধ বুলি গণ্য কৰা হৈ

আহিছে। আনকি অশৰণীয়াৰ পুত্ৰ-বধুয়েও ইয়াৰ পৰা পৰিত্ৰাণ নাপায়। সমাজত "অশৰণীয়াৰ পো" হিচাপে জীয়াই থকাটো মানসিকভাৱে কষ্টকৰ।

**গুৰু সেৱা ঃ** শৰণ প্ৰসংগত অন্যতম এক অংশ হ'ল গুৰু সেৱা। বিহুৰে-সংক্ৰান্তিয়ে গুৰুক সেৱা কৰা হয়। মাধৱদেৱে অতি নিষ্ঠাৰে তেওঁৰ গুৰু শঙ্কৰদেৱক জীৱনৰ শেষলৈকে সেৱা কৰিছিল— 'গুৰু সেৱা বিনে জানা ধৰ্ম নাহি আন।' (দ্বিজ, ভূষণ ৬০)

**শৰণ সম্পৰ্কে তৰুণ প্ৰজন্মৰ দৃষ্টিভংগী ঃ**

বিংশ শতিকাৰ শেষ তথা একবিংশ শতিকাৰ দুৱাৰ দলিত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যা, পাশ্চাত্য সভ্যতা আৰু সংস্কৃতিয়ে অধিকাংশ তৰুণ প্ৰজন্মক সামাজিক প্ৰমূল্যবোধ তথা সংস্কৃতিৰ পৰা আঁতৰাই আনিলে। আজিৰ শিক্ষিত প্ৰজন্মই শৰণ লোৱা বা সত্ৰীয়া জীৱন-যাপন কৰিবলৈ অনীহা প্ৰকাশ কৰে। গাঁৱৰে উঠি অহা ল'ৰা-ছোৱালীৰ অনেকে ধৰ্মীয় অনুষ্ঠানত ভাগ ল'বলৈ ইচ্ছা নকৰে। ধৰ্মীয় সংস্কাৰ আৰু প্ৰমূল্যসমূহৰ ওপৰত তেওঁলোকে প্ৰশ্ন উত্থাপন কৰে। স্বাভাৱিকভাৱে তৰুণ সমাজ শঙ্কৰদেৱৰ প্ৰৱৰ্তিত ধৰ্মীয় সাংস্কৃতিক বৃত্তৰ মাজৰ পৰা বাহিৰলৈ ওলাই আহিছে। ধৰ্মীয় লৌকিক আচাৰ মানি চলিবলৈ তেওঁলোক মানসিকভাৱে সাজু নহয়।

❖ এজন আধ্যাত্মিক গুৰুৰ জৰিয়তেহে ঈশ্বৰত শৰণ ল'ব লাগে।

❖ বৰ্তমান সময়ত সঁচা অৰ্থত আধ্যাত্মিক গুৰু পোৱাটো টান।

❖ গুৰুজন ঈশ্বৰ প্ৰাপ্তিৰ মাৰ্গ প্ৰদৰ্শক হ'ব লাগে যদিও তেনে গুৰু পোৱা নাযায়।

❖ নিজকে ঈশ্বৰৰ ওচৰত সমৰ্পিত কৰাতকৈ প্ৰকৃত শৰণ কেতিয়াও হ'ব নোৱাৰে।

❖ শৰণ দিয়াসকল সাধাৰণ মানুহৰ পৰা আঁতৰি থাকে।

❖ শৰণৰ নীতি-নিয়ম আখৰে আখৰে পালন কৰাটো কিছু ক্ষেত্ৰত কষ্টকৰ।

শৰণ ল'বলৈ এতিয়া বয়স হোৱা নাই। এনে পটভূমিত তৰুণ প্ৰজন্মক দোষ দিব নোৱাৰি। এই প্ৰসঙ্গত নগেন শইকীয়াৰ কথাষাৰ প্ৰণিধানযোগ্য—

> শঙ্কৰদেৱৰ ধৰ্মমত আৰু তেওঁৰ
> শিল্পৰ সহিত্যৰো ঘাই দাৰ্শনিক
> তত্ত্বৰ বৈজ্ঞানিক বিচাৰ অবিহনে
> শঙ্কৰদেৱৰ প্ৰাসংগিকতা তৰুণ
> সমাজৰ কাৰণে প্ৰতিষ্ঠা কৰা সম্ভৱ
> নহয়। অৰ্থাৎ তৰুণ সমাজৰ বাবে
> ভক্তিমাৰ্গৰ ঠাইত জ্ঞানমাৰ্গ মুকলি
> কৰিব লাগিব। (শইকীয়া, ১৩৪)

**গ্ৰন্থপঞ্জী ঃ**


**ক) আধাৰ গ্ৰন্থ ঃ**

- ঠাকুৰ, ৰামানন্দ। *মহাপুৰুষ শ্ৰীশ্ৰীমাধৱদেৱ আৰু শ্ৰীশ্ৰীগোপালদেৱ আতাৰ চৰিত্ৰ*। প্ৰথম তাঙৰণ। গুৱাহাটী ঃ লয়াৰ্ছ বুক ষ্টল, ১৯৬২। মুদ্ৰিত।
- দ্বিজ, ভূষণ। *শ্ৰীশ্ৰীশঙ্কৰদেৱ*। সম্পা. দুৰ্গাধৰ বৰকটকী। দ্বিতীয় প্ৰকাশ। যোৰহাট ঃ সত্যম শিৱম, ১৯৮৬। মুদ্ৰিত।
- দ্বিজ, ৰামানন্দ। *শ্ৰীগুৰু চৰিত* (প্ৰথম খণ্ড)। সম্পা. মহেশ্বৰ নেওগ। প্ৰথম সংস্কৰণ। গুৱাহাটী ঃ দত্ত বৰুৱা এণ্ড কোঃ ১৯৫৭। মুদ্ৰিত।
- নেওগ, মহেশ্বৰ (সম্পা.)। *গুৰু চৰিত কথা*। প্ৰথম তাঙৰণ। গুৱাহাটী বিশ্ববিদ্যালয় ঃ প্ৰকাশন বিভাগ, ১৯৮৬। মুদ্ৰিত।
- —— । *বৰদোৱা-গুৰু-চৰিত*। প্ৰথম প্ৰকাশ। গুৱাহাটীঃ গুৱাহাটী বুকষ্টল, ১৯৮৭। মুদ্ৰিত।
- বেজবৰুৱা, দীননাথ। *বৰচৰিত*। প্ৰথম প্ৰকাশ। যোৰহাট ঃ নীলকমল বেজবৰুৱা, ১৯৮৭। মুদ্ৰিত।
- মহন্ত, জগন্নাথ। *শ্ৰীশ্ৰী স্বৰ্গীয় মথুৰা দাস বুঢ়া আতাৰ চৰিত*। প্ৰথম সংস্কৰণ। বৰপেটা ঃ পুখুৰীপাৰৰ বাহা বৃন্দাবন হাটী, ১ ব'হাগ ১৩৪৯। মুদ্ৰিত।
- মহন্ত, মোহনচন্দ্ৰ, বৰদলৈ, নবীন চন্দ্ৰ। মহাপুৰুষ শ্ৰীশ্ৰীগোপালদেৱৰ চৰিত্ৰ (পাঁচখন চৰিত পুথিৰ সাৰ)। প্ৰথম প্ৰকাশ। যোৰহাট ঃ শ্ৰীশ্ৰীগোপালদেৱ প্ৰকাশন সমিতি, ১৯৭৮। মুদ্ৰিত।

**খ) সহায়ক গ্ৰন্থ ঃ**

- কাকতি, বাণীকান্ত। *পুৰণি অসমীয়া সাহিত্য*। দ্বিতীয় সংস্কৰণ। গুৱাহাটী ঃ অসম প্ৰকাশন পৰিষদ, ১৯৯২। মুদ্ৰিত।
- মজুমদাৰ, বিমল। *ভক্তি সাহিত্য*। পৰিৱৰ্দ্ধিত সংস্কৰণ। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৩। মুদ্ৰিত।
- মালাকাৰ, বিপুল। *অসমৰ চৰিত পুথিত অসমীয়া সমাজ জীৱন*। প্ৰথম প্ৰকাশ। নগাঁও ঃ ক্ৰান্তিকাল প্ৰকাশন, ২০০৯। মুদ্ৰিত।
- শইকীয়া, নগেন। *বিষয় ঃ শঙ্কৰদেৱ*। প্ৰথম প্ৰকাশ। ধেমাজি ঃ কিৰণ প্ৰকাশন, ২০০৮। মুদ্ৰিত।

**গ) আলোচনী ঃ**

শৰ্মা, শশী। সংঘৰ উৎপত্তি, বিকাশ, বিস্তৃতি আৰু ভৱিষ্যৎ। প্ৰান্তিক, ১-১৫ জুন, ২০০২।



# ৰাষ্ট্ৰীয় মহাকাশ দিৱস আৰু ভাৰতৰ মহাকাশ অভিযান

**আশিস শইকীয়া**
সহকাৰী অধ্যাপক
ভূগোল বিজ্ঞান বিভাগ

সমগ্ৰ দেশতে ২৩ আগষ্টৰ দিনটো ৰাষ্ট্ৰীয় মহাকাশ দিৱস হিচাপে পালন কৰা হয়। ২০২৩ চনৰ ২৩ আগষ্ট তাৰিখে ভাৰতে চন্দ্ৰযান-৩ৰ জৰিয়তে এক বিৰল ইতিহাস ৰচনা কৰিবলৈ সক্ষম হ'ল। চন্দ্ৰৰ দক্ষিণ মেৰুত মহাকাশযান অৱতৰণ কৰিবলৈ সক্ষম হোৱা বিশ্বৰ প্ৰথমখন দেশ হিচাপে ভাৰতে প্ৰতিষ্ঠা লাভ কৰিলে। মহাকাশ অভিযানৰ ক্ষেত্ৰত আগৰণুৱা দেশসমূহে ভাৰতৰ এই সফলতা দেখি আপ্লুত হৈছিল। NASA, ESA, JAXA ৰ দৰে বৃহৎ মহাকাশ সংস্থাই ISRO লৈ শুভবাৰ্তা পঠিয়াইছিল। আচৰিত কথাটো হ'ল, আন আন সংস্থাবোৰৰ তুলনাত ISROৰ এই অভিযানৰ বাবদ হোৱা খৰচৰ পৰিমাণ আছিল তেনেই তাকৰ। এই দিনটোৰে স্মৃতি হিচাপে ভাৰতৰ প্ৰধানমন্ত্ৰী শ্ৰীনৰেন্দ্ৰ মোডী ডাঙৰীয়াই ২৩ আগষ্ট তাৰিখটোক মহাকাশ দিৱস হিচাপে ঘোষণা কৰে। ২০২৪ চনৰ ২৩ আগষ্ট তাৰিখে প্ৰথমবাৰৰ বাবে এই দিৱস পালন কৰা হয়। এই দিৱসে আমাক ভাৰতবৰ্ষৰ বৈজ্ঞানিক চেতনা, প্ৰযুক্তিৰ অগ্ৰগতি আৰু নতুন প্ৰজন্মৰ উদ্ভাৱনকাৰীসকলক অনুপ্ৰেৰণা যোগাবলৈ সোঁৱৰাই থাকিব।

এই যাত্ৰাৰ আৰম্ভণি হৈছিল ১৯৬৫ চনৰ ১৫ আগষ্ট তাৰিখে। এই দিনটোতে স্থাপন হোৱা ভাৰতীয় মহাকাশ গৱেষণা সংস্থা,

চমুকৈ ISROৰ মহাকাশ অভিযানসমূহে পৃথিৱীৰ ভিতৰতে গুৰুত্বপূৰ্ণ অভিযানৰূপে স্বীকৃতি পাবলৈ সক্ষম হৈছে। ১৯৫৭ চনত ছোভিয়েট সংঘই পৃথিৱীৰ প্ৰথম কৃত্ৰিম উপগ্ৰহ, স্পুটনিক-ৰ উৎক্ষেপণ কৰাৰ কালছোৱাত ভাৰতবৰ্ষৰ আৰ্থিক পৰিস্থিতি সুস্থিৰ নাছিল। তথাপি, সেই সময়ৰ প্ৰধানমন্ত্ৰী পণ্ডিত জৱাহৰলাল নেহৰুৱে দেশৰ উন্নতিৰ ক্ষেত্ৰত বিজ্ঞানৰ মহত্ব বুজি পাইছিল আৰু ভাৰতৰ মহাকাশ গৱেষণাৰ দায়িত্ব আণৱিক শক্তি বিভাগক অৰ্পণ কৰিছিল। এই বিভাগৰ নেতৃত্ব দিছিল ভাৰতৰ প্ৰখ্যাত বিজ্ঞানী হোমী জাহাংগীৰ ভাৱাই। ১৯৬২ চনত তেখেতে ভাৰতীয় মহাকাশ গৱেষণা সমিতিৰ জন্ম দিয়ে আৰু বিক্ৰম ছাৰাভাইক ইয়াৰ পৰিচালকৰ দায়িত্ব অৰ্পণ কৰে। বিক্ৰম অম্বালাল ছাৰাভাই আছিল ভাৰতৰ প্ৰখ্যাত পদাৰ্থ বিজ্ঞানী তথা জ্যোতিৰ্বিজ্ঞানী । তেখেতে এই সমিতিৰ দয়িত্ব গ্ৰহণ কৰাৰ কিছু বছৰ পাছতেই ভাৰতে কেৰালাৰ থুম্বা ৰকেট উৎক্ষেপণ কেন্দ্ৰৰ পৰা ভালেমান ৰকেট উৎক্ষেপণ কৰা আৰম্ভ কৰে। আৰ্থিক সংকত আৰু আন্তঃগাঠনিৰ অভাৱকো নেওঁচি সেই সময়ত ভাৰতে নিজৰ মহাকাশ অভিযান চলাই নিছিল। ইয়াৰ পিছৰ পৰ্যায়ত ইন্দিৰা গান্ধী চৰকাৰে ১৯৬৯ চনত ভাৰতীয় মহাকাশ গৱেষণা কমিটিৰ ঠাইত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ISRO)ৰ জন্ম দিয়ে আৰু ১৯৭২ চনত মহাকাশ বিভাগৰূপে চৰকাৰৰ এটা নতুন বিভাগৰ সৃষ্টি কৰে। ইয়াৰ ফলশ্ৰুতিত, ১৯৭৫ চনত ISROএ ছোভিয়েট সংঘৰ সহযোগত আৰ্যভট্ট নামেৰে এটি নিজা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰে।

ইয়াৰ পিছত ISROএ নিজাকৈ উৎক্ষেপণ বাহন (Launch Vehicle) নিৰ্মাণত গুৰুত্ব দিয়ে আৰু ৭ বছৰৰ পৰিশ্ৰমৰ পিছত নিজা উৎক্ষেপণ বাহনৰ সহায়ত ১৯৮০ চনত ৰূহিনী নামৰ এক কৃত্ৰিম উপগ্ৰহ পৃথিৱীৰ কক্ষপথত সংস্থাপন কৰে। ইয়াৰ জৰিয়তেই ভাৰতে পৃথিৱীৰ কক্ষপথত কৃত্ৰিম উপগ্ৰহ সংস্থাপন কৰাৰ ক্ষেত্ৰত বিশ্বৰ সপ্তম দেশ হিচাপে স্বীকৃতি লাভ কৰে। এই মাইলৰ খুঁটি আহৰণ কৰাৰ ক্ষেত্ৰত ড° এ পি জে আব্দুল কালামৰ গুৰুত্বপূৰ্ণ অৱদান আছিল। ইয়াৰ পিছৰ পৰ্যায়ত ISROএ ভালেমান কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰা আৰম্ভ কৰে, যিয়ে দেশখনৰ সম্পদ ব্যৱস্থাপনা, নিৰাপত্তা, যোগাযোগ আদি বিভিন্ন ক্ষেত্ৰত সহায় কৰি আহিছে।




মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ এক উল্লেখযোগ্য নিদৰ্শন হ'ল PSLV (Polar Satellite Launch Vehicle)ৰ নিৰ্মাণ। ইয়াৰ সহায়তেই ভাৰতে ২০০৮ চনত পোনপ্ৰথমবাৰৰ বাবে চন্দ্ৰযান-১১ জৰিয়তে চন্দ্ৰ অভিযানৰ সূচনা কৰে। পিছৰ পৰ্যায়ত ২০১৯ চনত চন্দ্ৰযান-২ আৰু ১৪ জুলাই, ২০২৩ চনত চন্দ্ৰযান-৩ উৎক্ষেপণ কৰে আৰু ২৩ আগষ্ট তাৰিখে সন্ধ্যা ৬ বাজি ৪ মিনিটত চন্দ্ৰযান-৩ৰ লেণ্ডাৰ —'বিক্ৰমে' চন্দ্ৰপৃষ্ঠত সফল অৱতৰণ কৰে। এয়া আমাৰ দেশখনৰ বাবে গৌৰৱৰ বিষয়। আমেৰিকা, ৰাছিয়া আৰু চীনৰ পিছত ভাৰতে চন্দ্ৰত অৱতৰণ কৰাৰ ক্ষেত্ৰত চতুৰ্থখন দেশ হিচাপে পৰিগণিত হয়। এই PSLVৰ জৰিয়তেই ISRO এ ২০১৪ চনত মংগল গ্ৰহৰ কক্ষপথত কৃত্ৰিম উপগ্ৰহ —'মংগলযান' সংস্থাপন কৰিবলৈ সক্ষম হয়। ইয়াৰ দ্বাৰা ভাৰতবৰ্ষই প্ৰথম প্ৰচেষ্টাতে মংগল গ্ৰহৰ কক্ষপথ পাবলৈ সক্ষম হোৱা দেশ হিচাপে স্বীকৃতি লাভ কৰে। ২০১৭ চনত PSLVৰ জৰিয়তে এবাৰতে ১০৪টা কৃত্ৰিম উপগ্ৰহ মহাকাশলৈ পঠিয়াই ভাৰতবৰ্ষই বিশ্ব অভিলেখ গঢ়িবলৈ সক্ষম হয়।

ISROএ ১৯৮৩ চনত INSAT-1Bৰ উৎক্ষেপণৰ জৰিয়তে ভাৰতীয় উপগ্ৰহ ব্যৱস্থা (Indian Satellite System)ৰ আৰম্ভ কৰে। INSAT বৰ্তমান Indo-Pacific অঞ্চলৰ সৰ্ববৃহৎ ঘৰুৱা যোগাযোগ ব্যৱস্থা, যিয়ে দূৰ-সংযোগ, দূৰদৰ্শনৰ সম্প্ৰচাৰ, বতৰ বিজ্ঞান, দুৰ্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত ভূমিকা পালন কৰিছে। ইয়াৰ উপৰিও NaVIC, RISAT-1,

RISAT-2, CARTOSAT, EMISAT, GSAT-7 আদি উপগ্ৰহসমূহৰ উৎক্ষেপণৰ জৰিয়তে প্ৰতিৰক্ষা, দূৰ-সংবেদন (Remote Sensing) আদিৰ ক্ষেত্ৰত যথেষ্ট সাফল্য অৰ্জন কৰিছে।

২০২৩ চনৰ ২ চেপ্তেম্বৰ তাৰিখে ভাৰতে সূৰ্যৰ গৱেষণাৰ বাবে Aditya L1 সফলতাৰে উৎক্ষেপণ কৰে। ই সূৰ্যৰ পৰা এক নিৰ্দিষ্ট দূৰত্বত অৱস্থান কৰি সূৰ্যত ঘটি থকা ঘটনা-পৰিঘটনাসমূহ অধ্যয়ন কৰিব। আগন্তুক দিনসমূহৰ বাবে ভাৰতে আৰু বহু অভিলাষী প্ৰকল্প ইতিমধ্যে হাতত লৈছে। SpaDex, LHAM, NISAR, Gaganyaan, Venus Orbiter Mission (VOM)ৰ



দৰে অভিযান সমূহৰ জৰিয়তে ভাৰতবৰ্ষই মহাকাশ গৱেষণাৰ ক্ষেত্ৰখন মহীয়ান কৰি তুলিব।

মহাকাশ গৱেষণাৰ ক্ষেত্ৰত ISROৰ এক বিশেষত্ব আছে। আমেৰিকা, চীন, ৰাছিয়া আদিৰ মহাকাশ সংস্থাসমূহতকৈ খুব কম ব্যয়ত ই মহাকাশ অভিযানসমূহ সম্পন্ন কৰে। যিসময়ত ভাৰতে মংগলযান উৎক্ষেপণ কৰিছিল, সেই সময়ত আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন আগশাৰীৰ বাতৰিকাকতে এটি কাৰ্টুনৰ জৰিয়তে ইতিকিং কৰিছিল যে ভাৰতৰ দৰে এখন দৰিদ্ৰ কৃষি অৰ্থনীতিয়ে মহাকাশ গৱেষণাৰ দৰে এক বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব খুজিছে। কিন্তু প্ৰশ্নটো হ'ল এনে কাৰ্টুন কেৱল ভাৰতৰ ক্ষেত্ৰতেই কিয়? চীন, আৰৱ আদিৰ ক্ষেত্ৰত কিয় নহয়? এনেবোৰ ঘটনাৰ পৰা এটাই ধৰণা হয় যে ভাৰতৰ দৰে এখন উদীয়মান গণতন্ত্ৰই মহাকাশ অভিযানত সফল হোৱাটো পশ্চিমীয়া সভ্যতাৰ বাবে গ্ৰহণযোগ্য নহয়। আৰু তেতিয়া তেওঁলোকে প্ৰশ্ন কৰে, "যিখন দেশৰ এক শ্ৰেণীৰ জনতাই খাদ্য-শস্যৰ বাবে হাহাকাৰ কৰে, তেনে এখন দেশত মহাকাশ অভিযান চলোৱাতো কিমান যুক্তিকৰ?"

ISROৰ ব্যয়ৰ ক্ষেত্ৰত এনে প্ৰশ্নৰ সন্মুখীন হ'ব লাগিব বুলি ISROৰ পৰিচালক সতীশ ধৱনে জানিছিল আৰু সেয়ে তেওঁ পৰিচালক হৈ থকা কালছোৱাত মাত্ৰ ১ টকা মহিলী পাৰিতোষিক লৈছিল। এই মিতব্যয়ীতাৰ ধাৰা ISROএ বৰ্তমানো ধৰি ৰাখিবলৈ সক্ষম হৈছে। গৌৰৱৰ কথা এয়ে যে এখন হলিউদ চিনেমাৰ বাজেটতকৈয়ো কম খৰচত ভাৰতে এটা মহাকাশ অভিযান সম্পন্ন কৰিব পাৰে। ISROৰ বাৰ্ষিক ব্যয় ভাৰতৰ জিডিপি (GDP)ৰ ০.৮% মাত্ৰ, য'ত ভাৰতৰ ডাকসেৱাসমূহ চলাবলৈকে বাৰ্ষিক ৩৬০০০ কোটি টকাৰ প্ৰয়োজন হয়। আজি পৰ্যন্ত ISROএ ৩৬ খন বিদেশী ৰাষ্ট্ৰৰ মুঠ ৩৪২টা কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ কৰিছে আৰু ইয়াৰ বিনিময়ত বৈদেশিক মুদ্ৰা উপাৰ্জন কৰিবলৈ সক্ষম হৈছে। ভাৰতৰ এনে প্ৰতিভা আৰু দক্ষতাৰ ওপৰত গোটেই বিশ্বই ভৰষা কৰিবলৈ লৈছে, যিটো আমাৰ বাবে নিশ্চয় এক গৌৰৱৰ বিষয়। বৰ্তমান মহাকাশে এটি মিলিয়ন ডলাৰ উদ্যোগৰ ৰূপ লৈছে আৰু চন্দ্ৰযান-৩ৰ সফল অৱতৰণৰ জৰিয়তে ISROএ আন্তঃৰাষ্ট্ৰীয় মহাকাশ অভিযানবোৰো হাতত ল'ব পৰাকৈ নিজকে সক্ষম কৰি তুলিছে। যিটো কাম ইমান বছৰে নাছাই কৰি আছিল, সেয়া আমাৰ দেশেও এতিয়াৰে পৰা কৰিব পাৰিব আৰু বৈদেশিক ৰাজহ সৃষ্টি কৰিব পাৰিব। কৃত্ৰিম উপগ্ৰহ উৎক্ষেপণ উদ্যোগটো এতিয়া ১৩ বিলিয়ন ডলাৰৰ উদ্যোগ হৈ উঠিছে আৰু আগন্তুক ৫ বছৰত এই সংখ্যা ২৪ বিলিয়ন ডলাৰৰ হৈ উঠিব। এই সংখ্যাৰ ২০ শতাংশও যদি আমি (ভাৰতবৰ্ষই) অধিগ্ৰহণ কৰিব পাৰোঁ, তেন্তে মহাকাশ অভিযানৰ ক্ষেত্ৰত আমি কৰা ব্যয়ৰ ১০ গুণ বেছি টকা ভাৰতলৈ আনিব পাৰিম।

এয়াই হ'ল ভাৰতৰ মহাকাশ অভিযানৰ কাহিনী। এনেকুৱা এখন দেশ, য'ত অত্যাৱশ্যকীয় সামগ্ৰীসমূহৰ বাবেই আনৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হৈছিল, তাত মহাকাশ অভিযান চলাই নিয়াটো কোনো সপোনতকৈ কম নাছিল। পণ্ডিত নেহৰু, বিক্ৰম ছাৰাভাই, আব্দুল কালামাৰ দৰে মনীষীৰ যত্নত প্ৰাণ পোৱা এটি সংস্থাই ভাৰতৰ এই সপোন দিঠক কৰিছে। পৰ্যাপ্ত বাজেট আৰু আন্তঃগাঠনিৰ অভাৱত চাইকেলত ৰকেট কঢ়িওৱা সংস্থাই মংগলযান, চন্দ্ৰযান-৩ আদিৰ জৰিয়তে আন্তঃৰাষ্ট্ৰীয় প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। ISRO বৰ্তমান Humanoid Robot, Quantum Communication, Self-Managing Satellite নিৰ্মাণত ব্যস্ত, যিয়ে ভৱিষ্যতে ISRO ক NASA আৰু ROSCOSMOSতকৈও আগলৈ নিব বুলি আশা কৰা হৈছে।







# মাধৱদেৱৰ জীৱনকেন্দ্ৰিক অসমীয়া উপন্যাস

**প্ৰাৰ্থনা হাজৰিকা**
সহকাৰী অধ্যাপক
অসমীয়া বিভাগ

উপন্যাসৰ এক বিশিষ্ট শ্ৰেণীবিভাগ জীৱনীভিত্তিক উপন্যাস। সমাজ তথা জাতীয় জীৱনক নিজস্ব অৱদানেৰে প্ৰভাৱিত কৰা একোটা বাস্তৱ চৰিত্ৰক এনে উপন্যাসৰ মুখ্য চৰিত্ৰ হিচাপে নিৰ্বাচন কৰা হয়। ঐতিহাসিক বা সাম্প্ৰতিক এনে বিশিষ্ট চৰিত্ৰ একোটাৰ জীৱন আৰু তৎকালীন সমাজৰ পটভূমিত জীৱনীভিত্তিক উপন্যাসৰ কাহিনী গঢ় লৈ উঠে। এই শ্ৰেণী উপন্যাসৰ মূল আলম্বন হৈছে জীৱনী সাহিত্য। জীৱনীৰ সৈতে ইয়াৰ বহুক্ষেত্ৰত সাদৃশ্য আছে যদিও প্ৰকৃতাৰ্থত দুয়োটাই পৃথক। জীৱনী ইতিহাসৰ সত্য ঘটনাৰ ওপৰত প্ৰতিষ্ঠিত হোৱাৰ বিপৰীতে জীৱনীভিত্তিক উপন্যাসত সত্যৰ লগত সংযোজিত হয় ঔপন্যাসিকৰ কাল্পনিক অভিব্যক্তি। সেইবাবে কোৱা হয় "জীৱনীমূলক উপন্যাস মুখ্যতঃ এক সৃষ্টিশীল ৰচনা।" *(পাঠক, "অসমীয়া জীৱনীমূলক উপন্যাস", পৃঃ২০৮)*

বিংশ শতিকাৰ সপ্তম দশকৰ পৰা অসমীয়া সাহিত্যত জীৱনীভিত্তিক ধাৰাৰ উপন্যাসৰ ধাৰাটোৰ আৰম্ভণি হয়। সেই সময়ৰ পৰা বৰ্তমানলৈকে অসমীয়া সাহিত্যত ভালেমান জীৱনীভিত্তিক উপন্যাস ৰচিত হৈছে। এই উপন্যাসসমূহত জাতীয় জীৱনলৈ বিভিন্ন সময়ত বিবিধ অৱদান আগবঢ়োৱা বহু বিশিষ্ট ব্যক্তিৰ জীৱন উদ্ভাসিত হৈ উঠিছে। অসমীয়া জীৱনীভিত্তিক উপন্যাসৰ ৰচনা পৰম্পৰাত শঙ্কৰদেৱৰ জীৱনীভিত্তিক উপন্যাস আৰু মাধৱদেৱৰ জীৱনীভিত্তিক উপন্যাসক দুটা বিশিষ্ট প্ৰকাৰ ৰূপে চিহ্নিত কৰিব পাৰি। অসমৰ জনজীৱন তথা বৈষ্ণৱ

পৰম্পৰাত মহাপুৰুষ হিচাপে স্বীকৃত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীশ্ৰীমাধৱদেৱৰ জীৱন আধাৰিত কেইবাখনো অসমীয়া উপন্যাস ৰচিত হৈছে। বৰ্তমানলৈকে মহাপুৰুষ শঙ্কৰদেৱৰ জীৱনৰ আধাৰত চাৰিখন উপন্যাস ৰচিত হৈছে—

চৈয়দ আব্দুল মালিকৰ *ধন্য নৰতনু ভাল (১৯৮৭)*, লক্ষ্মীনন্দন বৰাৰ *যাকেৰি নাহিকে উপাম (১৯৯৩)*, নিৰুপমা মহন্তৰ *সৰ্বগুণাকৰ (২০০৭)*, আৰু ৰুদ্ৰাণী শৰ্মাৰ *লৌহিত্য তীৰৰ অমৃত গাথা (২০১৫)*। সেইদৰে মাধৱদেৱৰ জীৱনীভিত্তিক উপন্যাসো চাৰিখন প্ৰকাশিত হৈছে— মেদিনী চৌধুৰীৰ *বণ্ডুকা বেহাৰ (১৯৭৬)*, লক্ষ্মীনন্দন বৰাৰ *সেহি গুণনিধি (১৯৯৭)*, মালিকৰ *প্ৰেম অমৃতৰ নদী (১৯৯৯)*, নিৰুপমা মহন্তৰ *ৰসিক সুজান (২০০৯)*।

আলোচ্য প্ৰবন্ধটোৰ বিষয়বস্তু অনুযায়ী মহাপুৰুষ মাধৱদেৱৰ জীৱনক কেন্দ্ৰ কৰি ৰচিত উক্ত চাৰিখন উপন্যাসৰ বিষয়ে এক সংক্ষিপ্ত আলোচনা কৰা হৈছে। এই আলোচনাত উপন্যাসকেইখনৰ পৰিচয়ৰ লগতে ইয়াৰ সামগ্ৰিক দিশ সম্পৰ্কে সমীক্ষাত্মক ৰূপৰেখা অংকন কৰিবলৈ প্ৰয়াস কৰা হৈছে।

***বণ্ডুকা বেহাৰ ঃ***

মধ্যযুগৰ অসমৰ বৈষ্ণৱ ধৰ্মগুৰু তথা বিশিষ্ট ব্যক্তিসকলৰ জীৱনৰ আধাৰত উপন্যাস ৰচনা কৰাৰ যি পৰম্পৰা, তাৰ আৰম্ভণি কৰে মাধৱদেৱৰ জীৱনৰ আধাৰত ৰচিত *বণ্ডুকা বেহাৰ* উপন্যাসখনে। ঔপন্যাসিক মেদিনী চৌধুৰীৰ এই উপন্যাসখন ১৯৭৬ চনৰ অক্টোবৰ মাহত প্ৰথম প্ৰকাশিত হয়। মাধৱদেৱৰ সমগ্ৰ জীৱনৰ ঘটনাৱলীৰ ৰূপায়ণ উপন্যাসখনত দেখা নাযায় যদিও মধ্যযুগৰ বিশিষ্ট ব্যক্তিৰ জীৱন তথা পটভূমিত ৰচিত সৰ্বপ্ৰথম উপন্যাস হিচাপে *বণ্ডুকা বেহাৰ*ৰ ভূমিকা লেখত ল'বলগীয়া।

এশ আঠান্নবৈ (১৯৮) পৃষ্ঠাজোৰা এই উপন্যাসখনৰ কাহিনীভাগ মুঠ দহটা (১০) অধ্যায়ত বিভক্ত। মাধৱদেৱৰ জীৱনৰ নিৰ্দিষ্ট এছোৱা সময়ৰ আধাৰত কাহিনীভাগ সৃষ্টি কৰা হৈছে। মহাপুৰুষজনে তেওঁৰ জীৱনৰ এছোৱা গুৰুত্বপূৰ্ণ কাল সুন্দৰীদিয়াত অতিবাহিত কৰিছিল। এই কালছোৱাত মাধৱদেৱৰ জীৱনত সংঘটিত বিভিন্ন ঘটনাৰ সমষ্টিয়েই উপন্যাসখনৰ মূল কাহিনীটো গঠন কৰিছে। ইয়াৰ লগতে বৈষ্ণৱ গুৰুজনৰ স্মৃতি ৰোমন্থনৰ জৰিয়তে অতীত জীৱনৰ বিভিন্ন উল্লেখযোগ্য ঘটনা কিছুমানক কাহিনীৰ মাজলৈ টানি আছে। ইয়াৰ ভিতৰত মাধৱদেৱে গুৰু শঙ্কৰদেৱৰ সান্নিধ্যত কটোৱা বহু গুৰুত্বপূৰ্ণ অতীত ঘটনাই স্থান পাইছে। প্ৰত্যেকটো অধ্যায়তেই মাধৱদেৱৰ জীৱনৰ লগত সম্পৰ্কীত কেতবোৰ নতুন ঘটনাৰ সমাবেশ লক্ষণীয়। এনেভাৱেই '**বণ্ডুকা বেহাৰ**'ৰ কাহিনীভাগ বিকাশপ্ৰাপ্ত হৈ শেষত মাধৱদেৱ ৰাজৰোষত পৰি সুন্দৰীদিয়া ত্যাগ কৰি হাজোলৈ গমন কৰাৰ উল্লেখেৰে উপন্যাসখনৰ ইতি পৰিছে। সুন্দৰীদিয়াত থকা কালছোৱাৰ বাদে মাধৱদেৱৰ জীৱনৰ আন সময়ৰ ঘটনাৰাজিৰ বিস্তৃত বিৱৰণ নাই। জন্মৰ পৰা আৰম্ভ কৰি মাধৱদেৱৰ শৈশৱ কালৰ ঘটনা কিছুমানৰ মাথোঁ ইংগতিহে দিছে স্মৃতি ৰোমন্থন কৌশল অৱলম্বনৰ জৰিয়তে।

মানৱীয় গুণসম্পন্ন বাস্তৱ চৰিত্ৰ হিচাপে মাধৱদেৱক ঔপন্যাসিকে উপস্থাপন কৰিছে। সাধাৰণ মানৰ চৰিত্ৰ একোটাত অন্তৰ্নিহিত সুখ-দুখ, প্ৰেম, হতাশা, অন্তৰ্দ্বন্দ্ব, অপৰাধবোধ, সৌন্দৰ্য্য আদিকে ধৰি সকলো মানৱীয় অনুভূতিৰ উপস্থিতি চৰিত্ৰটোত লক্ষণীয়। অতীত ৰোমন্থনৰ জৰিয়তে অতি কৌশলপূৰ্ণ ভাৱে মাধৱদেৱৰ অন্তৰ্জগতৰ সম্ভেদ দিছে। জনমানসত মহাপুৰুষ ৰূপে স্বীকৃত মাধৱদেৱক পোনপ্ৰথম তেজ-মঙহৰ বাস্তৱ চৰিত্ৰ হিচাপে উপন্যাসৰ মাজেদি ফুটাই তুলিবলৈ কৰা ঔপন্যাসিক চৌধুৰীৰ এই প্ৰচেষ্টা নিশ্চয় প্ৰশংসনীয়। উপন্যাসখনত শঙ্কৰদেৱৰ চৰিত্ৰটোৱেও যথেষ্ট গুৰুত্ব লাভ কৰিছে। শঙ্কৰদেৱৰ বিভিন্ন ৰচনাৰাজিৰ উদ্ধৃতিয়েও উপন্যাসখনৰ বহু অংশকে আগুৰি আছে।

*বণ্ডুকা বেহাৰ*ৰ পটভূমি নিৰ্মাণ হৈছে মূলতঃ সুন্দৰীদিয়া আৰু ইয়াৰ দাঁতিকাষৰীয়া বাৰাদি, বিলৰতাৰি, গণককুছি, পাটবাউসী আদি অঞ্চলসমূহক লৈ। সেই সময়ৰ সমাজ-সংস্কৃতিৰ বিভিন্ন দিশসমূহেও উপন্যাসখনত ভুমুকি মাৰিছে। তৎকালীন অসমৰ ধৰ্মব্যৱস্থা, ৰাজনীতি, সাহিত্য-সংস্কৃতি, বিশ্বাস-অন্ধবিশ্বাস আদিৰ উল্লেখ এইক্ষেত্ৰত উল্লেখনীয়। তৎকালীন সমাজ তথা মধ্যযুগৰ অসমৰ জাতিভেদ প্ৰথাক এক সমস্যা হিচাপে উপন্যাসখনত উপস্থাপন কৰিছে আৰু ইয়াৰ বিৰুদ্ধে মাধৱদেৱৰ যি সংগ্ৰাম তাৰ প্ৰতিফলন ঘটাইছে। "উপন্যাসখনত মাধৱদেৱক শ্ৰেণী সংগ্ৰামৰ নায়ক ৰূপে অংকিত কৰিছে।" (নাথ, ১১১)

প্ৰকৃতিৰ সজীৱ চিত্ৰণ উপন্যাসখনৰ এক লক্ষণীয় দিশ। গছ-গছনি, জীৱ-জন্তু, নদ-নদী, চৰাই-চিৰিকটি আদিকে ধৰি সমগ্ৰ প্ৰকৃতি জগতে উপন্যাসখনত এক জীৱন্ত ৰূপ লাভ কৰিছে।

বণ্ডুকা বেহাৰ উপন্যাসখনত মাধৱদেৱৰ জীৱনৰ লগত জৰিত ঘটনাৰাজিৰ কালানুক্ৰমিক বৰ্ণনা পোৱা নাযায়। কিন্তু ঔপন্যাসিকে আধুনিক দৃষ্টিভঙ্গী প্ৰয়োগ কৰি অতীত আৰু বৰ্তমানৰ সংমিশ্ৰণ ঘটাই কলাত্মক অভিব্যক্তিৰে কাহিনীৰ

উপস্থাপন কৰিছে। মাধৱদেৱৰ জীৱন আধাৰিত সৰ্বপ্ৰথম উপন্যাস হিচাপে "স্বীকাৰ কৰিব লাগিব, বণ্ডুকা বেহাৰ এখন অনন্যসুন্দৰ জীৱনীমূলক উপন্যাস।" (পাঠক, "অসমীয়া জীৱনীমূলক উপন্যাস", ২১৯)

***সেহি গুণনিধি ঃ***

মাধৱদেৱৰ জীৱনীভিত্তিক উপন্যাস কেইখনৰ ভিতৰত অন্যতম উল্লেখযোগ্য হৈছে লক্ষ্মীনন্দন বৰাৰ *সেহি গুণনিধি* উপন্যাসখন। ১৯৯৭ চনৰ অক্টোবৰত উপন্যাসখনৰ প্ৰথম সংস্কৰণ প্ৰকাশিত হয়। ৪০২ পৃষ্ঠাজোৰা এই বৃহৎ কলেবৰৰ উপ্যানাসখনত মাধৱদেৱৰ বৰ্ণিল জীৱনৰ ৰূপৰেখা উদ্ভাসিত হৈ উঠিছে। গ্ৰন্থ আকাৰে প্ৰকাশ হোৱাৰ পূৰ্বে উপন্যাসখন চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সম্পাদনা কালত 'গৰীয়সী'ত ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। ১৯৯৪ চনৰ অক্টোবৰৰ পৰা ১৯৯৭ চনৰ জুনলৈকে 'গৰীয়সী'ত 'সেহি গুণনিধি'ৰ একোটাকৈ অধ্যায় প্ৰকাশিত হয়।

মাধৱদেৱৰ দৰে এগৰাকী বহুমুখী প্ৰতিভাধৰ পুৰুষৰ জীৱনীভিত্তিক উপন্যাসখনৰ নামকৰণো ঔপন্যাসিকে যথাৰ্থৰূপতেই কৰিছে। মাধৱদেৱ আছিল বিবিধ গুণৰ আধাৰ। সেই অৰ্থতেই উপন্যাসখন *সেহি গুণনিধি* নামেৰে নামাংকিত কৰা বুলি ঔপন্যাসিক বৰাই উপন্যাসখনৰ নান্দীমুখত উল্লেখ কৰিছে। পুৰুষোত্তম ঠাকুৰৰ ন-ঘোষাৰ অন্তৰ্গত এটি ঘোষাৰে উপন্যাসখনৰ আৰম্ভণি কৰিছে এই দৰে —

শংকৰ স্বৰূপে হৰি নিজ অংশে অৱতৰি
ভকতি প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে আসি তাতে তৈল বন্তি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা।।

উপন্যাসখনৰ সমগ্ৰ কথাবস্তু মূলতঃ তিনিটা খণ্ডত বিভক্ত আৰু মুঠ একত্ৰিশটা অধ্যায়ত কাহিনীভাগ পৰিব্যাপ্ত হৈ আছে। একৰ পৰা চৈধ্য অধ্যায়লৈকে প্ৰথম খণ্ডৰ কাহিনীত মাধৱদেৱৰ জন্মৰ সময়ৰ পৰা শংকৰ-মাধৱৰ মিলনলৈকে বিভিন্ন ঘটনাৰ উল্লেখ পোৱা যায়। পোন্ধৰ অধ্যায়ৰ পৰা তেইশ অধ্যায়লৈকে ব্যাপ্ত দ্বিতীয় খণ্ডত মাধৱদেৱে শংকৰদেৱৰ সান্নিধ্যত কটোৱা কালছোৱাৰ বিস্তৃত বৰ্ণনা আছে। সেইদৰে চৌবিশৰ পৰা শেষৰ একত্ৰিশ অধ্যায়লৈকে উপন্যাসখনৰ তৃতীয় খণ্ডৰ কাহিনীত শংকৰদেৱৰ মৃত্যুৰ পিছত সন্মুখীন হোৱা সমস্যাবহুল আৰু দুৰ্যোগপূৰ্ণ অৱস্থাত ধৰ্ম প্ৰচাৰ তথা প্ৰসাৰৰ বাবে মাধৱদেৱে কৰা অহোপুৰুষাৰ্থৰ বিস্তৰ বৰ্ণনা আছে। জীৱনৰ শেষ বয়সত কোচবেহাৰত মাধৱদেৱৰ মৃত্যুলৈকে বৰ্ণনাৰে এইখণ্ডতে উপন্যাসখনৰ সমাপ্তি ঘটিছে।







*সেহি গুণনিধি* উপন্যাসখনৰ পৰিসৰ যথেষ্ট বহল। জন্মৰ পৰা মৃত্যুপৰ্যন্ত মাধৱদেৱৰ বৰ্ণিল আৰু কৰ্মময় জীৱনৰ কাহিনীভাগ ঔপন্যাসিকে যথেষ্ট সুবিন্যস্ত আৰু সুপৰিকল্পিতভাৱে উপস্থাপন কৰিছে। কাহিনীৰ পৰিসৰ, পটভূমি, চৰিত্ৰৰ সংখ্যা আদি সকলো দিশৰে পৰা *সেহি গুণনিধি* উপন্যাসখন মাধৱদেৱৰ জীৱনীভিত্তিক আনকেইখন উপন্যাসৰ তুলনাত বিস্তৃত বুলি ক'ব লাগিব। বহু গুণৰ আধাৰ মাধৱদেৱক ঔপন্যাসিকে গাম্ভীৰ্যপূৰ্ণ, বৌদ্ধিক আৰু যুক্তিসম্পন্ন ব্যক্তি হিচাপে যথেষ্ট সংযম অৱলম্বন কৰি উপস্থাপন কৰিছে। উপন্যাসখন ৰচনা কৰোঁতে চৰিত পুথিসমূহৰ লগতে বিভিন্ন পৌৰাণিক, ধৰ্মীয় তথা দাৰ্শনিক গ্ৰন্থ আদিক ঔপন্যাসিকে সমলৰূপে গ্ৰহণ কৰিছে। লগতে ঔপন্যাসিকৰ কল্পনা প্ৰৱণতাৰ সুন্দৰ সংযোগ স্থাপন হৈছে।

উপন্যাসখনত মাধৱদেৱৰ লগত সম্পৰ্কিত তৎকালীন সময়ৰ বিভিন্ন স্থান-অঞ্চলৰসমূহৰ ভৌগোলিক, পাৰিপাৰ্শ্বিক বৰ্ণনা সমুজ্জ্বল। গছ-গছনি, জীৱ-জন্তুকে আদি কৰি প্ৰকৃতি জগতৰ বিবিধ বৰ্ণনা যথেষ্ট সজীৱ। মধ্যযুগৰ সমাজখনৰ সামগ্ৰিক দিশটোৰো চিত্ৰণ উপন্যাসখনত দেখা যায়। মাধৱদেৱৰ সমকালীন সমাজখনৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ৰাজনৈতিক আদি সকলো দিশেই উপন্যাসখনৰ পাতত ভুমুকি মাৰিছে।

***প্ৰেম অমৃতৰ নদী ঃ***

ঔপন্যাসিক চৈয়দ আব্দুল মালিকৰ *প্ৰেম অমৃতৰ নদী* মাধৱদেৱৰ জীৱনৰ আধাৰত ৰচিত তৃতীয়খন জীৱনীভিত্তিক উপন্যাস। গুৱাহাটীৰ বুক হাইভ প্ৰতিষ্ঠানে ১৯৯৯ চনৰ চেপ্তেম্বৰত উপন্যাসখন প্ৰথম প্ৰকাশ কৰে। এশ ছয় (১০৬) পৃষ্ঠাজোৰা এই উপন্যাসখনৰ পৰিসৰ মাধৱদেৱৰ জীৱনীভিত্তিক আন তিনিখন উপন্যাসৰ তুলনাত যথেষ্ট সীমিত। মাধৱদেৱৰ

সমগ্ৰ জীৱনত সংঘটিত বিভিন্ন ঘটনাই উপন্যাসখনত স্থান পাইছে যদিও শঙ্কৰদেৱৰ প্ৰয়াণৰ পৰৱৰ্তী কালছোৱাৰ মাধৱদেৱৰ জীৱনালেখ্যই মূল বিষয়বস্তু ৰূপে অংকিত হৈছে। উপন্যাসখনৰ পাতনিত ঔপন্যাসিকে *ধন্য নৰ তনু ভাল* আৰু *প্ৰেম অমৃতৰ নদী* উপন্যাস দুখনক একেটা কাহিনীৰ দুটা খণ্ড বুলি উল্লেখ কৰিছে। প্ৰথম ভাগৰ মূল চৰিত্ৰ শঙ্কৰদেৱ আৰু দ্বিতীয় ভাগৰ মূল চৰিত্ৰ মাধৱদেৱ। (লেখকৰ একাষাৰ) অৰ্থাৎ *ধন্য নৰতনু* ভাল ৰ কাহিনীৰ পৰৱৰ্তী অংশই *প্ৰেম অমৃতৰ নদী* ত বিস্তাৰিত হৈ আছে বুলিব পাৰি। উপন্যাসখনত বুৰঞ্জী, জীৱনীকে ধৰি অন্যান্য উৎসসমূহৰ তুলনাত চৰিতপুথিৰ ঘটনাৱলীয়ে অধিক গুৰুত্ব লাভ কৰা দেখা যায়। ইয়াৰ লগতে ঔপন্যাসিকৰ মৌলিক তথা বাস্তৱ দৃষ্টিভঙ্গীও প্ৰকাশিত হৈছে।

মাধৱদেৱৰ পিতৃ গোবিন্দগিৰি ভূঞাৰ পৰিচয়েৰে উপন্যাসৰ কাহিনীভাগ আৰম্ভ হৈছে আৰু মাধৱদেৱৰ জন্মকে ধৰি বাল্যকালৰ বিভিন্ন ঘটনা, শঙ্কৰদেৱৰ সৈতে সাক্ষাত, সাহিত্য সৃষ্টি, তীৰ্থযাত্ৰা আদি বিভিন্ন ঘটনা বিৱৰণ আছে। উপন্যাসখনত মাধৱদেৱৰ ধৰ্মপ্ৰচাৰৰ বিস্তৃত বিৱৰণ পোৱা যায়। পূৰ্বে শঙ্কৰদেৱৰ আদেশ মৰ্মে আৰু পৰৱৰ্তী সময়ত সুন্দৰীদিয়া, কমাৰকুছি, পাটবাউসী, গণককুছি, পালেংদি আদি বিভিন্ন অঞ্চলত থাকি গুৰুধৰ্ম প্ৰচাৰৰ বিতং বিৱৰণ উপন্যাসখনত স্পষ্ট।

ঔপন্যাসিকে মাধৱদেৱক উপন্যাসোপযোগী সাধাৰণ এটি চৰিত্ৰ ৰূপেহে উপস্থাপন কৰিছে। মানৱীয় গুণ সম্পন্ন চৰিত্ৰটোৰ জৰিয়তেই মাধৱদেৱৰ মহান ব্যক্তিত্বৰ বিভিন্ন দিশ উদ্ভাসিত হৈ উঠিছে। উপন্যাসখনত শঙ্কৰদেৱৰ চৰিত্ৰটোও পূৰ্ণৰূপত বিকাশপ্ৰাপ্ত হৈ উঠা দেখা যায়। *ধন্য নৰ তনু ভাল* ৰ আৰ্হিতেই শঙ্কৰদেৱক অংকন কৰিছে। চৰিতপুথি আৰু বুৰঞ্জীৰ চৰিত্ৰ সমূহৰ উপৰিও দুই এক কাল্পনিক চৰিত্ৰই কাহিনীৰ অগ্ৰগতিত সাৰপানী যোগাইছে। লক্ষণীয় যে উপন্যাসখনত চান্দসাই চৰিত্ৰটো যথেষ্ট উজ্জ্বল ৰূপত চিত্ৰিত হৈছে।

মাধৱদেৱৰ সমসাময়িক সমাজব্যৱস্থাৰ প্ৰায় সকলো তথ্য উপন্যাসখনৰ মাজত নিহিত হৈ আছে। ধৰ্মগুৰু গৰাকীৰ লগত সম্পৰ্ক থকা বিভিন্ন অঞ্চলসমূহৰ পৰিচয়ৰ লগতে সমাজৰ জনগাঁথনি, বসবাস কৰা বিভিন্ন জাতি-জনজাতি জনগোষ্ঠী আদিৰ সুন্দৰ বিৱৰণ আছে। মাধৱদেৱৰ পূৰ্বপুৰুষৰ বাসভূমি বণ্ডুকা অঞ্চলৰ সামাজিক, সাংস্কৃতিক, ভৌগোলিক আদি বিভিন্ন দিশৰ বিস্তৰ চিত্ৰণ উপন্যাসখনত লক্ষ্য কৰিব পাৰি।

প্ৰকৃতি জগতৰ বিভিন্ন উপাদানসমূহে উপন্যাসখনত জীৱন্ত সত্বা ৰূপে ভুমুকি মাৰিছে। নদ-নদী, গছ-বন, চৰাই-চিৰিকটি, ফল-মূল আদিৰ বিস্তৃত বিৱৰণে তথা প্ৰকৃতি আৰু মানৱ নিবিড় সম্পৰ্কই উপন্যাসখন ব্যঞ্জিত কৰি তুলিছে।

মূলতঃ বৰ্ণনামূলক আৰু মাজে-মাজে কথোপকথন ৰীতিৰ প্ৰয়োগেৰে কাহিনীভাগ আগবঢ়াই নিয়া হৈছে। উপন্যাসখনৰ কাহিনী উপস্থাপন পদ্ধতিও যথেষ্ট শিথিলধৰ্মী। অতি সহজ-সৰল, ঘৰুৱা অসমীয়া ভাষাৰ প্ৰয়োগে উপন্যাসখনৰ ভাষাক মধুৰতা প্ৰদান কৰিছে। মাজে-মধ্যে দুই-এক তৎসম শব্দ, খণ্ডবাক্য, জঁতুৰা ঠাঁচ, ফকৰা-যোজনা আদিয়েও সমৃদ্ধ কৰি তুলিছে।

উপন্যাসখনৰ নামকৰণৰ প্ৰসঙ্গত মাধৱদেৱৰ নামঘোষাৰ এটি পদৰ আশ্ৰয় লৈছে --

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।

***ৰসিক সুজান ঃ***

অসমীয়া সাহিত্যত বৰ্তমানলৈকে প্ৰকাশিত মাধৱদেৱৰ জীৱনৰ আধাৰত ৰচিত উপন্যাসকেইখনৰ ভিতৰত উল্লেখযোগ্য চতুৰ্থখন উপন্যাস *ৰসিক সুজান*। ঔপন্যাসিক নিৰুপমা মহন্তৰ ভাষাত *ৰসিক সুজান* উপন্যাসৰ ৰূপত মহাপুৰুষ মাধৱদেৱৰ জীৱন সংহিতা। ২০০৯ চনৰ জুন মাহত বাণী মন্দিৰৰ দ্বাৰা পোনপ্ৰথমে প্ৰকাশিত উপন্যাসখনৰ মুঠ পৃষ্ঠা সংখ্যা তিনিশ সাত (৩০৭)। কাহিনী চয়নৰ ক্ষেত্ৰত দৈত্যাৰি ঠাকুৰ, ৰামচৰণ ঠাকুৰ, ভূষণ দ্বিজ আদি লেখকৰ চৰিত পুথিসমূহক ঔপন্যাসিকে মুখ্য সমল ৰূপে গ্ৰহণ কৰিছে। আনহাতে মধ্যযুগৰ সমাজ জীৱন তথা প্ৰকৃতিৰ বিভিন্ন চিত্ৰ অংকনত কথাগুৰুচৰিত পুথিখনে ঔপন্যাসিকক যথেষ্ট সহায় কৰিছে। মাধৱদেৱ বিষয়ক বিভিন্ন দাৰ্শনিক গ্ৰন্থ, পৰম্পৰাগত তথা জনশ্ৰুতিমূলক তথ্য আদিৰ উপৰিও মাধৱদেৱৰ জন্মস্থান লক্ষীমপুৰ জিলাৰ নাৰায়ণপুৰৰ পৰা আৰম্ভ কৰি কোচবিহাৰ পৰ্যন্ত ভালেমান স্থানত কৰা ক্ষেত্ৰ অধ্যয়নে উপন্যাসখন ৰচনাৰ ক্ষেত্ৰত ঔপন্যাসিকক বিভিন্ন গুৰুত্বপূৰ্ণ তথ্যৰ যোগান কৰিছে।

বৃহৎ কলেবৰৰ উপন্যাস *ৰসিক সুজান* ৰ কাহিনীভাগ মুঠ চাৰিটা খণ্ডত বিভক্ত হৈ আছে আৰু প্ৰত্যেকটো খণ্ডই সৰু বৰ কিছুমান অধ্যায়ৰ সমষ্টি। প্ৰথম অধ্যায়ৰ পৰা পঞ্চম অধ্যায়লৈকে পৰিব্যাপ্ত প্ৰথম খণ্ডটোত মাধৱদেৱৰ জন্মপূৰ্বৰ বৰদোৱাত ভোটৰ আক্ৰমণৰ ফলত বৰকণা গিৰি ওৰফে গোবিন্দগিৰি আৰু মনোৰমা পলাই অহা ঘটনাৰ পৰা আৰম্ভ কৰি মাধৱৰ জন্ম, শিক্ষা, কৰ্মজীৱন আৰু ধুৱাহাট বেলগুৰিত শঙ্কৰ মাধৱৰ মিলন হোৱালৈকে কাহিনীভাগ বৰ্ণিত হৈছে। দ্বিতীয় খণ্ডৰ কাহিনীভাগ যষ্ঠৰ পৰা একাদশ অধ্যায়লৈকে বিস্তৃত। শঙ্কৰগুৰুৰ ছত্ৰছাঁয়াত

মাধৱদেৱৰ ধৰ্মীয় জীৱনৰ বিভিন্ন ঘটনাসমূহ, ত্যাগ আৰু নিস্বাৰ্থ গুৰুসেৱা, সাহিত্যচৰ্চা আদিকে ধৰি শংকৰদেৱৰ মহাপ্ৰয়াণৰ সময়লৈকে কাহিনী বিবৃত হৈছে। দ্বাদশৰ পৰা পঞ্চদশ অধ্যায়লৈকে ব্যাপ্ত তৃতীয় খণ্ডটোত শংকৰদেৱৰ অবৰ্তমানত বিভিন্ন সংকটময় পৰিস্থিতিৰ সন্মুখীন হোৱা মাধৱদেৱে যথেষ্ট দক্ষতা আৰু সাহসেৰে ভক্তিধৰ্মৰ সুঁতিটো প্ৰবাহিত কৰি নিয়াৰ বিৱৰণ আছে। সামাজিক, ৰাজনৈতিক বিভিন্ন ঘাট-প্ৰতিঘাটৰ সন্মুখীন হৈ বৃদ্ধ বয়সত মাধৱদেৱে কোচবেহাৰলৈ গমন কৰাৰ সময়লৈকে কাহিনীভাগ এই খণ্ডটোত বিস্তাৰিত হৈ আছে। উপন্যাসখনৰ চতুৰ্থ তথা অন্তিম খণ্ডটো ষষ্ঠদশ আৰু সপ্তদশ দুটা অধ্যায়ৰ সমষ্টি। কোচৰজা লক্ষ্মীনাৰায়ণৰ ৰাজসভাৰ প্ৰধান কবিৰূপে ধৰ্ম আৰু সাহিত্য চৰ্চা কৰা ধৰ্মগুৰু জনৰ বৈকুণ্ঠ প্ৰয়াণৰ বিস্তৃত বৰ্ণনাৰে এই খণ্ডটোৰ লগতে উপন্যাসখনৰো সমাপ্তি ঘটিছে।

জন্মৰ পৰা মৃত্যুলৈকে মাধৱদেৱৰ সুদীৰ্ঘ জীৱনকালছোৱাৰ প্ৰায় সকলো ঘটনাই সূক্ষ্ম আৰু বিস্তৃতভাৱে ঔপন্যাসিকে উপস্থাপন কৰিছে।

উপন্যাসখনৰ মুখ্য চৰিত্ৰ মাধৱদেৱক শৈশৱৰে পৰা তীক্ষ্মপ্ৰতিভাসম্পন্ন, ধীৰমতি, জ্ঞানপিপাসু, কৰ্মদক্ষ, সাহসী, সত্যনিষ্ঠ, সহনশীল, ভক্তিবান গুণাকৰ, খনিকৰ আদি বিবিধ গুণেৰে অভিহিত কৰিছে। পণ্ডিত, গীতিকাৰ, সুৰকাৰ, নাট্যকাৰ, ভক্তকবি আদি বিবিধ অভিধাৰ গৰাকী মাধৱক শংকৰদেৱৰ দক্ষিণ হস্ত স্বৰূপে অংকিত কৰিছে। প্ৰসঙ্গক্ৰমে স্মৃতি ৰোমন্থনৰ জৰিয়তে মাধৱদেৱৰ মানসিক জগতৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াৰো উমান দিছে। মাধৱদেৱৰ জীৱনৰ লগত জড়িত অন্যান্য চৰিত্ৰবোৰৰ লগতে শংকৰদেৱৰ চৰিত্ৰটোৱে উপন্যাসখনত যথেষ্ট গুৰুত্ব লাভ কৰা পৰিলক্ষিত হয়। মাধৱদেৱৰ সখাৰূপে নাৰায়ন দাস ঠাকুৰ আতাৰ চৰিত্ৰটোও যথেষ্ট উজ্বল হৈ উঠিছে।

তৎকালীন অসমৰ সমাজ, সাহিত্য, সংস্কৃতি, কৃষি, অৰ্থনীতি, ৰাজনীতি, ধৰ্ম, বিভিন্ন বৃত্তি, জাতি-জনজাতি আদি সকলো দিশৰে জীৱন্ত উপস্থাপন উপন্যাখনৰ এক লক্ষনীয় দিশ।

উপন্যাসখনৰ নামকৰণৰ প্ৰসঙ্গটোও যথেষ্ট তাৎপৰ্যপূৰ্ণ। *ৰসিক সুজান* নামটোৱে গুণাকৰ মাধৱদেৱৰ ব্যক্তিত্বক অধিক উজ্বল কৰি তুলিছে। কথাৰসত অদ্বিতীয় বৰাৰ পো মাধৱ আছিল পৰম ভকতি ৰসিক। সেইদৰে ভিন্ন গুণৰ আকৰ ধৰ্মগুৰুজন আছিল সুদক্ষ স্ৰষ্টা আৰু দ্ৰষ্টা। এনে অৰ্থতেই ঔপন্যাসিকে উপন্যাসখন *ৰসিক সুজান* শিৰোনামেৰে অভিহিত কৰিছে।

ওপৰোক্ত আলোচনাৰ অন্তত আমি ক'ব পাৰোঁ যে বৰ্তমানলৈকে প্ৰকাশপ্ৰাপ্ত মাধৱদেৱৰ জীৱনীভিত্তিক আটাইকেইখন উপন্যাসতে মহাপুৰুষজনৰ কৰ্মবহুল আৰু ছন্দায়িত জীৱনৰ মধুৰ সুঘ্ৰাণ বিয়পি আছে। মূখ্য চৰিত্ৰটোৰ জীৱনৰ লগত সম্পৰ্কিত বিবিধ তথ্য উপস্থাপনৰ ক্ষেত্ৰতো চাৰিওজন ঔপন্যাসিকেই শলাগৰ যোগ্য। অৱশ্যে উপন্যাসকেইখনত কম বেছি পৰিমাণে তথ্যৰ অসামঞ্জস্যতা, পুনৰাবৃত্তি, স্থান কালৰ তাৰতম্যতা, অলৌকিকতাৰ পৰশ আদিও অনুভূত হয়। কিন্তু কেন্দ্ৰীয় চৰিত্ৰৰ লগত সম্পৰ্কিত বিষয় তথা চাৰিত্ৰিক বিশেষত্বৰ ক'তো বিকৃতিকৰণ ঘটা নাই। গতিকে সামগ্ৰিক বিশ্লেষণৰ আধাৰত আলোচ্য চাৰিওখন উপন্যাসেই সুখপাঠ্য আৰু মনোগ্ৰাহী বুলি ক'ব পাৰি। কেৱল মাধৱদেৱৰ জীৱনীভিত্তিক উপন্যাস হিচাপেই নহয়, মধ্যযুগৰ অসমৰ সমাজ সংস্কৃতিৰ দলিল ৰূপেও উপন্যাসকেইখন যথেষ্ট মহত্বপূৰ্ণ। গতিকে এইগৰাকী মহান পুৰুষৰ জীৱন আধাৰিত এই উপন্যাসৰাজিয়ে অসমীয়া জীৱনীভিত্তিক উপন্যাসৰ ধাৰাটোক নিশ্চিত ৰূপত এক নতুন মাত্ৰা প্ৰদান কৰিছে।

**গ্ৰন্থপঞ্জীঃ**


চৌধুৰী, মেদিনী। *বণ্ডুকা বেহাৰ*। গুৱাহাটী বুকষ্টল, গুৱাহাটী: প্ৰথম প্ৰকাশ অক্টোবৰ, ১৯৭৬ মুদ্ৰিত।

ঠাকুৰ, নগেন (সম্পা.)। *এশ বছৰৰ অসমীয়া উপন্যাস*। জ্যোতি প্ৰকাশন, গুৱাহাটীঃ প্ৰথম প্ৰকাশ, নৱেম্বৰ ২০০০। মুদ্ৰিত।

নাথ, গীতাঞ্জলী। *শ্ৰীমাধৱদেৱৰ জীৱনীভিত্তিক অসমীয়া উপন্যাস ঃ এটি বিশ্লেষণাত্মক অধ্যয়ন* (২০১৩)। মুদ্ৰিত।

বৰা লক্ষ্মীনন্দন। *সেহি গুণনিধি*। বুক হাইভ, গুৱাহাটী: প্ৰথম সংস্কৰণ, ১৯৯৭। মুদ্ৰিত।

মহন্ত, নিৰুপমা। *ৰসিক সুজান*। বাণী মন্দিৰ, গুৱাহাটী: প্ৰথম প্ৰকাশ, ২০০৯। মুদ্ৰিত।

মালিক, চৈয়দ আব্দুল। *প্ৰেম অমৃতৰ নদী*। বুক হাইভ, গুৱাহাটী: প্ৰথম প্ৰকাশ, ১৯৯৯। মুদ্ৰিত।

১



# ধ্ৰুপদী অসমীয়া ভাষা

**ৰুণাশ্ৰী দেৱী**
স্নাতক দ্বিতীয় যাণ্মাসিক
ভূগোল বিভাগ

**ধ্ৰুপদী অসমীয়া ভাষা ঃ**

ধ্ৰুপদী ভাষা বা 'Classical Languages' মানে হৈছে এনে ভাষাসমূহ যিবোৰে বহু সহস্ৰাব্দ ধৰি সাহিত্যিক, সাংস্কৃতিক আৰু ঐতিহ্যিক দিশত এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। ২০০৪ চনত ভাৰত চৰকাৰে ধ্ৰুপদী ভাষাৰ প্ৰমাণিত মানৰ সৈতে এই ভাষাসমূহক স্বীকৃতি দিবলৈ এক বিশেষ পদক্ষেপ গ্ৰহণ কৰে। এই ভাষাসমূহৰ বেছিভাগৰেই প্ৰাচীন লেখনি আৰু সাহিত্য আছে যি জাতীয় পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ লগত গভীৰভাৱে জড়িত। ধ্ৰুপদী ভাষাৰ স্বীকৃতি দেশৰ ভাষা আৰু সংস্কৃতিকে অধিক গভীৰভাৱে সংহত কৰাৰ এটা প্ৰচেষ্টা।

**ধ্ৰুপদী ভাষাৰ মান ঃ**

২০০৬ চনত পৰ্যটন আৰু সাংস্কৃতিক মন্ত্ৰী অম্বিকা চনিয়ে ৰাজ্যসভাত কয় যে 'ধ্ৰুপদী ভাষা' হিচাপে শ্ৰেণীভুক্ত হ'বলৈ বিবেচনা কৰা ভাষাসমূহৰ যোগ্যতা নিৰ্ধাৰণৰ বাবে নিম্নলিখিত মানসমূহ স্থাপন কৰা হৈছে ঃ

১) প্ৰাচীনত্ব ঃ ভাষাটোৰ প্ৰাচীনত্ব কমেও ১০০০ বছৰ হ'ব লাগিব। অতি কমেও ১৫০০ৰ পৰা ২০০০ বছৰ পুৰণি হ'ব লাগিব।

২) সাহিত্যিক সমৃদ্ধি ঃ উচ্চ সাহিত্যিক আৰু প্ৰামাণ্য লিখনি আৰু ইতিহাস থাকিব লাগিব, যিটো ভাষাটোৰ নিজা ঐতিহ্যৰ অংগ।

৩) অলেখ পৰম্পৰা ঃ বহু যুগ ধৰি বংশানুক্ৰমে চলি অহা সাহিত্য আৰু ধাৰাবাহিকতাৰ পূৰ্ণ দিশ।

(৪) সাহিত্যৰ স্বতন্ত্ৰতা ঃ ভাষাটোৰ সাহিত্যখন সম্পূৰ্ণ নিজা হ'ব লাগিব আৰু আন ভাষাৰ পৰা ধাৰ কৰা হ'ব নোৱাৰে।

৫) প্ৰাচীন আৰু আধুনিক ৰূপৰ প্ৰভেদ ঃ ভাষাটোৰ প্ৰাচীন আৰু আধুনিক ৰূপৰ মাজত পাৰ্থক্য থাকিব লাগিব।

ধ্ৰুপদী ভাষা বা শাস্ত্ৰীয় ভাষা বুলিলে প্ৰাচীন, মূল্যৱান, মৌলিক আৰু সুকীয়া সাহিত্যিক ঐতিহ্য থকা ভাৰতীয় ভাষাসমূহক বুজায়। ভাৰত চৰকাৰে এঘাৰটা ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিছে। ২০০৪ চনত ভাৰত চৰকাৰে ঘোষণা কৰে যে কিছুমান কঠোৰ আৰু নিৰ্দিষ্ট মান পূৰণ কৰা ভাষাসমূহক ভাৰতৰ ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হ'ব। এই নীতিক সাংস্কৃতিক মন্ত্ৰালয়ে ভাষা বিশেষজ্ঞ সমিতিৰ সৈতে প্ৰতিষ্ঠা কৰিছিল। এই সমিতিখন ভাৰত চৰকাৰৰ দ্বাৰা গঠন কৰা হৈছিল যাতে পৰম্পৰাগত ভাষাসমূহক শ্ৰেণী বিভাজনৰ দাবীসমূহ

বিবেচনা কৰিব পৰা যায়। এই অৰ্থত ধ্ৰুপদী ভাষা হ'ল এনে এটা ভাষা যিটোৰ মূল ৰূপত আৰু কথিত মাতৃভাষা নহ'লেও দীৰ্ঘদিন ধৰি ব্যাপক প্ৰভাৱ পেলোৱা ভাষা। যদি এটা ভাষাই শব্দ মুদ্ৰা কৰিবলৈ আন এটা ভাষাৰ মূল ব্যৱহাৰ কৰে, যেনেকৈ বহু ইউৰোপীয় ভাষাই গ্ৰীক আৰু লেটিন মূল ব্যৱহাৰ কৰি নতুন শব্দ যেনে 'টেলিফোন' শব্দ উদ্ভাৱন কৰে। তেনেকৈ ইয়াৰ দ্বিতীয় ভাষাটো ধ্ৰুপদী ভাষা হোৱাৰ ইংগিত পোৱা যায়।

কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৪ চনৰ ৩ অক্টোবৰত মাৰাঠী, বাংলা, অসমীয়া, পালি আৰু প্ৰাকৃতক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰে। ভাৰতীয় সংবিধানত ভাষাৰ বিকাশৰ বাবে কেইবাটাও অনুচ্ছেদ আছে। সেইবোৰ হৈছে ৩৪৩ৰ পৰা ৩৫০ নং অনুচ্ছেদ, ৩৫০ বি আৰু ৩৫১ নং অনুচ্ছেদ। সংবিধানৰ অষ্টম অনুসূচীত ২২টা চৰকাৰী ভাষা সন্নিৱিষ্ট কৰা হৈছে। ভাৰতীয় ভাষাৰ প্ৰেক্ষাপটত 'ধ্ৰুপদী ভাষা' হৈছে এনে এক ভাষা, যাৰ চহকী ঐতিহ্য আৰু ঐতিহাসিক তাৎপৰ্য আছে। ভাষা এটাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পাবলৈ ভাৰত চৰকাৰে কিছুমান মাপকাঠী নিৰ্ধাৰণ কৰিছে। এই বৈশিষ্ট্যসমূহৰ ভিতৰত আছে—

**প্ৰাচীনতা ঃ** ভাষাটোৰ ১৫০০-২০০০ বছৰতকৈও অধিক সময়ৰ লিপিবদ্ধ ইতিহাস থাকিব লাগিব, যিয়ে ইয়াৰ দীৰ্ঘদিনীয়া উপস্থিতি আৰু এক উল্লেখযোগ্য সময়ৰ ভিতৰত ক্ৰমবিকাশৰ প্ৰমাণ দাঙি ধৰে।

**সমৃদ্ধ ঐতিহ্য ঃ** ভাষাটোৰ মূল্যৱান আৰু বিষয়বস্তুৰে সমৃদ্ধ বুলি গণ্য কৰা প্ৰাচীন সাহিত্য বা গ্ৰন্থ থাকিব লাগে। এই সাহিত্যই ভাষাৰ সাংস্কৃতিক আৰু ঐতিহাসিক গভীৰতাক প্ৰতিফলিত কৰা উচিত।

**মৌলিক সাহিত্য পৰম্পৰা ঃ** ধ্ৰুপদী ভাষাত এনে এক মৌলিক সাহিত্য পৰম্পৰা থাকিব লাগে যিটো আন ভাষাৰ পৰা ধাৰলৈ লোৱা হোৱা নাছিল। ইয়াৰ দ্বাৰা ভাষাটোৰ সাহিত্যিক ঐতিহ্যৰ প্ৰমাণ আৰু মৌলিকতা নিশ্চিত কৰা হয়।

**ধ্ৰুপদী ভাষা আৰু ইয়াৰ বংশধৰসকলৰ মাজত বিচ্ছিন্নতা ঃ** ভাষাটোৰ বংশধৰ থাকিব পাৰে যদিও ধ্ৰুপদী ৰূপটো ইয়াৰ আধুনিক বংশধৰসকলৰ পৰা পৃথক হ'ব লাগিব। ভাষাৰ ধ্ৰুপদী সংস্কৰণটোৱে নিজৰ অনন্য বৈশিষ্ট্য আৰু গঠন ধৰি ৰখাটো নিশ্চিত কৰিব লাগিব। এটা ভাষাক ধ্ৰুপদী হিচাপে স্বীকৃতি দিয়াৰ উদ্দেশ্য হৈছে ভাৰতৰ ইতিহাস আৰু সংস্কৃতিত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ভাষাসমূহ সংৰক্ষণ আৰু প্ৰসাৰ কৰা। এই মৰ্যাদাই বিভিন্ন শৈক্ষিক আৰু সাংস্কৃতিক পদক্ষেপৰ জৰিয়তে এই ভাষাসমূহৰ সুৰক্ষা আৰু প্ৰচাৰ সুনিশ্চিত কৰাত সহায় কৰিব পাৰে।

ইয়াৰ পূৰ্বে ভাৰত চৰকাৰে ছয়টা ভাষাক ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰিছিল। এইবোৰ আছিল —

তামিল ঃ ২০০৪ চনত ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰা হয়।

সংস্কৃত ঃ ২০০৫ চনত ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰা হয়।

কানাড়া ঃ ২০০৮ চনত ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰা হয়।

তেলেগু ঃ ২০০৮ চনত ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰা হয়।

মালয়ালম ঃ ২০১৩ চনত ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰা হয়।

ওড়িয়া ঃ ২০১৪ চনত ধ্ৰুপদী ভাষা হিচাপে ঘোষণা কৰা হয়।

নতুনকৈ অন্তৰ্ভুক্ত কৰা ভাষাসমূহ — (২০২৪)

১) অসমীয়া
২) বাংলা
৩) মাৰাঠী
৪) পালি
৫) প্ৰাকৃত

অসমৰ ইতিহাসত অসমীয়া ভাষাৰ বাবে এক নতুন মাইলৰ খুঁটি স্থাপন হ'ল। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানত কেন্দ্ৰীয় কেবিনেটে অনুমোদন জনালে। অসমীয়াৰ লগতে দেশৰ ৫টা ভাষাক কেন্দ্ৰীয় কেবিনেটে ধ্ৰুপদী ভাষাৰ স্বীকৃতি প্ৰদান কৰিলে। এই ভাষাকেইটা হৈছে— অসমীয়া, মাৰাঠী, পালি, প্ৰাকৃত আৰু বাংলা ভাষা।

ইয়াৰ পূৰ্বে দেশৰ ৬টা ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰা হৈছিল। পূৰ্বে স্বীকৃতিপ্ৰাপ্ত ভাৰতৰ ধ্ৰুপদী ভাষাকেইটা হৈছে— তামিল, সংস্কৃত, তেলেগু, মালয়ালম আৰু ওড়িয়া। ভাৰতৰ ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱা ভাষাৰ সংখ্যা হ'ল মুঠ ১১টা।

ধ্ৰুপদী ভাষা হিচাপে অসমীয়া ভাষাৰ আৰম্ভণি ঃ ২০২৪, ৩ অক্টোবৰ ঃ অৱশেষত অসমীয়া জাতি আৰু অসমীয়া ভাষাই বৃহস্পতিবাৰে সন্ধিয়া আহিল সেই আকাংক্ষিত ভাল খবৰটো। অসমীয়া ভাষা-সাহিত্যৰ লগতে জাতিটোৰ বাবেও এই দিনটো ঐতিহাসিক দিনৰূপে কাললৈ চিহ্নিত হৈ ৰ'ল। কিয়নো অসমীয়া ভাষাই লাভ কৰিলে ধ্ৰুপদী ভাষাৰ (Classical Language) মৰ্যাদা। অসম সাহিত্য সভাকে ধৰি অসমীয়া সাহিত্য চৰ্চা কৰি

অহা বিভিন্ন গুণীজনৰ লগতে ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে চলাই অহা নেৰানেপেৰা চেষ্টাৰ ফলতেই অসমীয়া জাতিয়ে এই ভাল খবৰটো ভাল কৰিবলৈ সক্ষম হ'ল। কেন্দ্ৰীয় কেবিনেটে আনুষ্ঠানিকভাৱে অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতিত অনুমোদন জনায়। ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰিবলৈ হ'লে সেই ভাষা হ'ব লাগিব কমেও পোন্ধৰ শৰ পৰা দুহাজাৰ বছৰৰ প্ৰাচীন আৰু সেই ভাষা এতিয়াও ব্যৱহাৰ হৈ থকা হ'ব লাগিব। ইতিমধ্যে ভাৰতত ৬টা ভিন্ন ভাষাই ধ্ৰুপদী ভাষাৰ মান্যতা লাভ কৰিছিল যদিও বৰ্তমান ইয়াৰ সংখ্যা বৃদ্ধি পালে।

কেনেকৈ আৰম্ভ হৈছিল এই প্ৰক্ৰিয়া— প্ৰখ্যাত সাহিত্যিক তথা অসম আৰক্ষীৰ প্ৰাক্তন সঞ্চালকপ্ৰধান কুলধৰ শইকীয়াই অসম সাহিত্য সভাৰ সভাপতি হৈ থকা কালতেই ২০২১ চনত অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিব লাগে বুলি প্ৰধানমন্ত্ৰী আৰু কেন্দ্ৰীয় সাংস্কৃতিক মন্ত্ৰণালয়লৈ ৩৯১ পৃষ্ঠাৰ এখন প্ৰতিবেদন প্ৰেৰণ কৰিছিল। সেয়াই আছিল আৰম্ভণি। তেতিয়াৰে পৰা বিৰামহীনভাৱে চলি আছিল এই প্ৰক্ৰিয়া। আন বহু লোকৰ আশাশুধীয়া প্ৰচেষ্টাত অসমীয়া ভাষাই এই মৰ্যাদা লাভ কৰিলে। এতিয়া অসমীয়া ভাষা পোন্ধৰ শ বছৰৰো আগৰ এক সমৃদ্ধ তথা স্বকীয় ভাষা হিচাপে স্বীকৃত হ'ল।

আনকি বিগত সময়ছোৱাত অসম সাহিত্য সভাই অসমীয়া ভাষাক কিয় ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিব লাগে তাৰ সপক্ষে বিভিন্ন তথ্য, অসমীয়া ভাষাৰ জন্ম আৰু উৎপত্তি, তাম্ৰলিপি, শিলালিপি, অসমীয়া ভাষাৰ বিকাশ, স্থাপত্য আদি বিভিন্ন ঐতিহাসিক সমল কেন্দ্ৰীয় চৰকাৰক যোগান ধৰি আহিছিল। পৰৱৰ্তী সময়ত ৰাজ্য চৰকাৰখনেও ইয়াৰ বাবে নিৰলস চেষ্টা অব্যাহত ৰাখিছিল।

**ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ সৈতে লাভ কৰা সুবিধাসমূহ ঃ**

১) শৈক্ষিক অনুদান আৰু বৃত্তি ঃ এই মৰ্যাদাত প্ৰায়ে গৱেষণা পণ্ডিত আৰু এই ভাষাসমূহ অধ্যয়ন কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে আৰ্থিক সহায় অন্তৰ্ভুক্ত কৰা হয়, য'ত ধ্ৰুপদী ভাষা আৰু সাহিত্যৰ উন্নত অধ্যয়ন আৰু গৱেষণাৰ বাবে বৃত্তি আৰু অনুদানৰ সুবিধা থাকে।

২) অধ্যয়ন কেন্দ্ৰ স্থাপন ঃ চৰকাৰে এই ভাষাসমূহৰ অধ্যয়নৰ বাবে সুকীয়া কেন্দ্ৰ স্থাপনৰ বাবে ধন আগবঢ়ায় আৰু অধিক গৱেষণা তথা শিক্ষাৰ সুযোগক প্ৰসাৰিত কৰে।

৩) ধ্ৰুপদী সাহিত্যৰ প্ৰসাৰ ঃ এই ভাষাসমূহত ধ্ৰুপদী সাহিত্য সংকলন আৰু প্ৰকাশৰ বাবে বিশেষ প্ৰচেষ্টা চলোৱা হয়। যাতে প্ৰাচীন গ্ৰন্থসমূহ সংৰক্ষণ আৰু সুলভ কৰি তোলা হয়।

৪) সাহিত্যিক আৰু সাংস্কৃতিক অৱদানৰ স্বীকৃতি ঃ ধ্ৰুপদী মৰ্যাদা থকাটোৱে ভাষাটোৰ ঐতিহাসিক আৰু সাংস্কৃতিক অৱদানৰ বাবে আন্তঃৰাষ্ট্ৰীয় আৰু ৰাষ্ট্ৰীয় স্বীকৃতি লাভ কৰাত সহায় কৰে।

৫) শৈক্ষিক পাঠ্যক্ৰমত অন্তৰ্ভুক্তি ঃ ধ্ৰুপদী ভাষাসমূহক বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত অধিক বিশিষ্টভাৱে অন্তৰ্ভুক্ত কৰা হ'ব পাৰে, যাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ইয়াৰ ঐতিহ্যৰ প্ৰতি সজাগতা আৰু বুজাবুজি বৃদ্ধি পাব পাৰে।

এই ব্যৱস্থাসমূহৰ লক্ষ্য হৈছে ধ্ৰুপদী ভাষাসমূহৰ ভাষিক ঐতিহ্য সংৰক্ষণ কৰা, ইয়াৰ শৈক্ষিক অধ্যয়ন আৰু ইয়াৰ নিৰন্তৰ সাংস্কৃতিক প্ৰাসংগিকতাক প্ৰসাৰিত কৰা। অসম সাহিত্য সভা, আছু, আনন্দৰাম বৰুৱা ইনষ্টিটিউট অব লেংগুৱেজ, আৰ্ট এণ্ড কালচাৰ, অসম (ABILAC)ৰ দৰে অসম চুক্তিৰ পৰা জন্ম লাভ কৰা সংগঠনসমূহৰ লগতে ন-পুৰণি সাহিত্যিকসকলক অসমীয়া ভাষাৰ এই ঐতিহাসিক স্বীকৃতিৰ বাবে কৃতিত্ব দিব পাৰি।

অৱশ্যে, এই মৰ্যাদা লাভ কৰাৰ অৰ্থ এইটো নহয় যে অসমীয়াৰ বিজয়ৰ পথ ইয়াতে থমকি ৰ'ব। ধ্ৰুপদী ভাষাৰ মৰ্যাদা বজাই ৰখাটোৱেই বৰ্তমান প্ৰজন্মৰ গুৰুত্বপূৰ্ণ দায়িত্ব হ'ব। ইয়াৰ লগত লেখক, চৰকাৰী কৰ্তৃপক্ষ, সাধাৰণ জনতা, শিক্ষানুষ্ঠান, সাংস্কৃতিক সংগঠনকে ধৰি বিভিন্ন অংশীদাৰৰ এক সমন্বিত প্ৰচেষ্টা জড়িত হৈ থাকে। ইয়াত প্ৰত্যেকৰে অৰিহণা উল্লেখযোগ্য —

**১) লেখক আৰু পণ্ডিত ঃ**

**ক) গৱেষণা আৰু প্ৰকাশ ঃ** লেখক আৰু পণ্ডিতসকলে গভীৰ গৱেষণা কৰি ধ্ৰুপদী গ্ৰন্থৰ ওপৰত ৰচনা প্ৰকাশ কৰিব পাৰে। যিয়ে সাহিত্যক জীয়াই ৰখাত আৰু প্ৰাসংগিক কৰি ৰখাত সহায় কৰে।

**খ) সমসাময়িক অভিযোজন ঃ** ধ্ৰুপদী ৰচনাৰ আধুনিক অভিযোজন বা অনুবাদ সৃষ্টি কৰিলে বেছিসংখ্যক দৰ্শকক আকৰ্ষণ কৰিব পাৰি আৰু প্ৰাচীন জ্ঞানসুলভ কৰি তুলিব পাৰি।

**গ) সৃষ্টিশীল লেখা ঃ** ধ্ৰুপদী ভাষা বা ইয়াৰ শৈলীগত বৈশিষ্ট্যসমূহ ব্যৱহাৰ কৰি নতুন সাহিত্যিক ৰচনা প্ৰস্তুত কৰিলে ভাষাটো গতিশীল আৰু সক্ৰিয় কৰি ৰাখিব পাৰি।

**২) চৰকাৰী কৰ্তৃপক্ষ ঃ**

**ক) নীতি প্ৰণয়ন ঃ** ধ্ৰুপদী ভাষাৰ শিক্ষা, গৱেষণা আৰু

প্ৰসাৰক সমৰ্থন কৰা নীতি প্ৰণয়নে ইয়াৰ সংৰক্ষণৰ বাবে সম্পদ আৱণ্টন কৰাটো নিশ্চিত কৰে।

**খ) পুঁজি আৰু অনুদান ঃ** ধ্ৰুপদী ভাষাৰ সৈতে জড়িত প্ৰকল্প, প্ৰকাশন আৰু গৱেষণাৰ বাবে আৰ্থিক সহায় আগবঢ়োৱা।

**গ) প্ৰতিষ্ঠানিক সহায় ঃ** বিশ্ববিদ্যালয় আৰু গৱেষণা প্ৰতিষ্ঠানত ধ্ৰুপদী ভাষা অধ্যয়নৰ বাবে সুকীয়া বিভাগ বা কেন্দ্ৰ স্থাপন আৰু ৰক্ষণাবেক্ষণ কৰা।

**৩) শিক্ষানুষ্ঠানসমূহ ঃ**

**ক) পাঠ্যক্ৰমৰ বিকাশ ঃ** বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত ধ্ৰুপদী ভাষাসমূহ অন্তৰ্ভুক্ত কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আগতীয়াকৈ আগ্ৰহ আৰু পৰিচিতিৰ সৃষ্টি হ'ব পাৰে।

**খ) কৰ্মশালা আৰু আলোচনা-চক্ৰ ঃ** ধ্ৰুপদী ভাষাৰ ইতিহাস, সাহিত্য আৰু সাংস্কৃতিক দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰি সজাগতা আৰু বুজাবুজি বৃদ্ধি কৰা অনুষ্ঠানৰ আয়োজন কৰা।

**৪) অসম সাহিত্য সভাৰ দৰে সাংস্কৃতিক সংগঠন ঃ**

**ক) সাংস্কৃতিক অনুষ্ঠান ঃ** ধ্ৰুপদী ভাষা আৰু ইয়াৰ সাহিত্যক উদ্‌যাপন কৰা উৎসৱ, বক্তৃতা আৰু পৰিৱেশৰ আয়োজন কৰা।

**খ) সহযোগিতা ঃ** বিশ্বব্যাপি সংস্থাসমূহৰ সৈতে অংশীদাৰিত্ব কৰি জ্ঞান বিনিময় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ধ্ৰুপদী ভাষাসমূহক প্ৰচাৰ কৰা।

**৫) সাধাৰণ সভা ঃ**

**ক) সম্প্ৰদায়ৰ সংযোগ ঃ** স্থানীয় সম্প্ৰদায়সমূহক ধ্ৰুপদী সাহিত্যৰ ওপৰত গুৰুত্বৰ পোষকতা কৰা আৰু ইয়াৰ প্ৰচাৰৰ ক্ষেত্ৰত দূত হিচাপে কাম কৰা।

**৬) সংবাদ মাধ্যম আৰু প্ৰযুক্তি ঃ**

**ক) ডিজিটেল সম্পদ ঃ** অনলাইন প্লেটফৰ্ম, এপ বা ৱেবছাইট সৃষ্টি কৰা, যিয়ে ধ্ৰুপদী ভাষাৰ সৈতে জড়িত সম্পদ, পাঠ্য আৰু শিক্ষণ সামগ্ৰী প্ৰদান কৰে।

**খ) মিডিয়া এক্সপোজাৰ ঃ** ধ্ৰুপদী ভাষা আৰু ইয়াৰ তাৎপৰ্যৰ বিষয়ে বাতৰি, কাহিনী আৰু তথ্যচিত্ৰসমূহ প্ৰচাৰ কৰিবলৈ মিডিয়া চেনেল ব্যৱহাৰ কৰা।

**৭) অসমীয়া ভাষাক Unicodeৰ অন্তৰ্গত কৰাৰ প্ৰচেষ্টা লোৱা অতি প্ৰয়োজনীয় ঃ**

সহযোগিতা আৰু সক্ৰিয় ভূমিকা গ্ৰহণ কৰি এই অংশীদাৰসকলে ধ্ৰুপদী ভাষাসমূহৰ সজীৱতা নিশ্চিত কৰিব পাৰে, যাৰ ফলত এই ভাষাসমূহ সাংস্কৃতিক আৰু শৈক্ষিক বক্তৃতাৰ অবিচ্ছেদ্য অংশ হৈ থাকিব পাৰে।

উল্লেখ্য যে, ২০১৩ চনৰ পৰা মাৰাঠী ভাষাৰ ধ্ৰুপদী মৰ্যাদাৰ দাবী বাকী আছিল আৰু মহাৰাষ্ট্ৰত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ ঠিক পূৰ্বে কেন্দ্ৰীয় কেবিনেটে মাৰাঠী ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা দিয়াত অনুমোদন জনাইছিল। একেদৰে, পশ্চিমবংগৰ সৰ্ববৃহৎ উৎসৱ দুৰ্গা পূজাৰ মাজতে বাংলা ভাষাক ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়া হৈছে। এই ৰাজনৈতিক আখ্যানবোৰৰ মাজতো ভাৰত চৰকাৰৰ ৩ অক্টোবৰৰ ঘোষণা সঁচাকৈয়ে অসমৰ বাবে স্মৰণীয় হৈ ৰ'ব।

**ভৱিষ্যতৰ কৰণীয় ঃ** সাংবিধানিকভাৱে স্বীকৃতিৰ সমান্তৰালকৈ বৌদ্ধিক উত্তৰণৰ মাজেৰে ভাষাটোক কেনেকৈ অধিক সমৃদ্ধ কৰি তুলিব পাৰি সেইটোৱে হ'ব ভৱিষ্যতৰ কৰণীয়। অৱশ্যে সৃষ্টিমূলক ৰচনা, গৱেষণা আদিৰ জৰিয়তে বিশ্বত ভাষাটোৰ মৰ্যাদা প্ৰতিষ্ঠাৰ বাবে এটা নতুন বাট কটা হ'ল। এই স্বীকৃতিয়ে আজি অসমীয়া জাতিটোক দিয়া উৎসাহ-প্ৰেৰণাই অসমীয়াৰ মনত জাতীয়তাবাদৰ ভেটি সুদৃঢ় কৰিব বুলিয়েই আশা কৰিব পাৰি। এতিয়া এই স্বীকৃতিৰ সমান্তৰালকৈ অসমীয়া ভাষাই ইউনিকোডতো স্বকীয় ভাষা হিচাপে স্বীকৃত হোৱাৰ দাবীয়ে নিশ্চয় লাভ কৰিব।

**উপসংহাৰ ঃ**

ধ্ৰুপদী ভাষাসমূহ অসমৰ আৰু ভাৰতৰ সাংস্কৃতিক সম্পদৰ এক অনবদ্য অংশ। এই ভাষাসমূহে শতাব্দীৰ পৰম্পৰা, ঐতিহ্য আৰু বৌদ্ধিক ধন-সম্পদৰ বাটচ'ৰা সৃষ্টি কৰিছে। তেওঁলোকে আমাৰ ইতিহাস, সাহিত্য, ধৰ্ম আৰু চিন্তাধাৰাৰ ক্ষেত্ৰত অপূৰ্ব অৱদান আগবঢ়াইছে। ভাৰত চৰকাৰৰ ধ্ৰুপদী ভাষাৰ স্বীকৃতি দিয়া পদক্ষেপে এই ভাষাসমূহক নতুন প্ৰজন্মলৈ টানি আনি এক নতুন পটভূমিৰ সূচনা কৰিছে, যি ভাষাসমূহৰ অধ্যয়ন আৰু সংৰক্ষণত সহায় কৰিব। সেইদৰে, ধ্ৰুপদী ভাষাসমূহ আমাৰ জাতীয় পৰিচয় আৰু সাংস্কৃতিক ঐতিহ্যৰ এক শ্ৰেষ্ঠ আৰ্হি ৰূপে যুগে যুগে আগবাঢ়ি থাকিব।

স্বাভাৱিকতে বিভিন্ন সময়ত অসমীয়া ভাষাক লৈ সৃষ্টি হোৱা শংকা-সংশয় বহুখিনি দূৰ হ'ল বুলি ক'ব পাৰি। কিন্তু এই স্বস্তি ভাষাটোৰ শেষ অৱস্থান নহয়। বৰঞ্চ ই এতিয়া নতুন ৰূপত আৰু অধিক বিকশিত হোৱাৰ অপেক্ষা ৰাখে। অসমীয়া ভাষাৰ বাবে ছহিদ হোৱা সেই ব্যক্তিসকললৈও এই ছেগতে মনত পেলোৱা উচিত।

২



# ধ্ৰুপদী অসমীয়া ভাষা

**গীতা ৰাজখোৱা**
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

ধ্ৰুপদী ভাষা হৈছে একোটা ভাষা, যিটোৰ স্বতন্ত্ৰ সাহিত্যিক পৰম্পৰাৰ লগতে প্ৰাচীন সাহিত্যৰ কথিত আৰু লিখিত সমল আছে।

ভাৰতৰ ধ্ৰুপদী ভাষা বা শাস্ত্ৰীয় ভাষা বুলিলে প্ৰাচীন, মূল্যবান, মৌলিক আৰু সুকীয়া সাহিত্যিক ঐতিহ্য থকা ভাৰতীয় ভাষাসমূহক বুজায়। ভাৰত চৰকাৰে এঘাৰটা ভাষাক ভাৰতৰ ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিছে। ২০০৪ চনত ভাৰত চৰকাৰে ঘোষণা কৰে যে কিছুমান কঠোৰ আৰু নিৰ্দিষ্ট মানদণ্ড পূৰণ কৰা ভাষাসমূহক ভাৰতৰ ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হ'ব। এই নীতিক সাংস্কৃতিক মন্ত্ৰালয়ে ভাষা বিশেষজ্ঞ সমিতিৰ সৈতে প্ৰতিষ্ঠা কৰিছিল। এই সমিতিখন ভাৰত চৰকাৰৰ দ্বাৰা গঠন কৰা হৈছিল। যাতে পৰম্পৰাগত ভাষাসমূহক শ্ৰেণীবিভাজনৰ দাবীসমূহ বিবেচনা কৰিব পৰা যায়।

ধ্ৰুপদী ভাষাৰ তাৎপৰ্য হ'ল — যিবোৰ ভাষাৰ প্ৰাচীনত্ব, বিশেষ সাংস্কৃতিক, ঐতিহাসিক আৰু সাহিত্যিক মূল্য থাকে সেইবোৰ ভাষাই ধ্ৰুপদী ভাষা। ধ্ৰুপদী ভাষা বুলিলে এটা ভাষাক

স্বীকৃতিৰ বাবে থকা চৰ্তসমূহ পূৰণ কৰাৰ সপক্ষে যথোচিত প্ৰমাণ, যুক্তি, উচ্চস্তৰৰ লিখিত নিদৰ্শন থকা তথা উচ্চ সাহিত্যিক মানদণ্ডসম্পন্ন ভাষাকে বুজায়।

সাধাৰণতে ধ্ৰুপদী ভাষা বুলিলে তলত উল্লেখ কৰা বৈশিষ্ট্যযুক্ত ভাষাসমূহ নিৰ্দেশ কৰে —

(ক) প্ৰাচীনত্ব ঃ ভাষাটোৰ উৎপত্তি, লিখিত নিদৰ্শন আৰু সাহিত্য প্ৰাচীন হোৱাটো ধ্ৰুপদী মৰ্যাদাৰ বাবে অতিশয় গুৰুত্বপূৰ্ণ। ভাৰত চৰকাৰৰ স্বীকৃতিৰ বাবে ভাষাটোৰ লিখিত সমল কমেও ১৫০০ৰ পৰা ২০০০ বছৰীয়া অথবা ততোধিক পুৰণি হ'ব লাগিব।

(খ) সমৃদ্ধ সাহিত্য পৰম্পৰা ঃ ভাষাটোৰ অতি উচ্চ পৰ্যায়ৰ বা মহৎ বুলি গণ্য কৰিব পৰা লিখিত সমল, পাঠ বা সাহিত্য তথা নিজস্ব সাহিত্যিক ঐতিহ্য-পৰম্পৰা থাকিব লাগিব।

(গ) নিৰৱচ্ছিন্ন ঐতিহ্য ঃ ধ্ৰুপদী স্বীকৃতি দাবী কৰা ভাষাৰ প্ৰাচীন লিখিত সমল, সাহিত্য আৰু সংস্কৃতি বৰ্তমানেও চৰ্চা তথা অধ্যয়নৰ বা বিষয়বস্তুৰূপে চলি থাকিব লাগিব।

(ঘ) প্ৰাচীন ৰূপৰ পৰা বিৱৰ্তিত অথবা আধুনিক ৰূপৰ স্তৰভেদে পৃথকতা ঃ বিকাশ বা বিৱৰ্তনৰ স্তৰৰ একোটা ভাষাৰ ৰূপৰ ভিন্নতা বিভিন্ন কাৰণত ঘটিব পাৰে। ধ্ৰুপদী বুলি চিহ্নিত একোটা ভাষাৰ প্ৰাচীনতম ৰূপৰ সৈতে বৰ্তমানৰ ৰূপৰ পাৰ্থক্য থাকিব লাগিব।

২০০৪ চনৰ ১৭ ছেপ্টেম্বৰত তামিল ভাষাক প্ৰথমবাৰৰ বাবে ভাৰতৰ ধ্ৰুপদী ভাষাৰ আনুষ্ঠানিক স্বীকৃতি প্ৰদান কৰে। পৰৱৰ্তী সময়ত ২০০৫ চনৰ পৰা ২০১৪ চনলৈ সংস্কৃত (২০০৫), তেলুগু (২০০৮), কানাড়া (২০০৮), মালয়ালম (২০১৩) আৰু ওড়িয়া (২০১৪) ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰে। শেহতীয়াকৈ ২০২৪ চনৰ ৩ অক্টোবৰ তাৰিখে ভাৰত চৰকাৰে পালি, প্ৰাকৃত, অসমীয়া, বাংলা আৰু মাৰাঠী ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰে।

আইৰ মুখৰ ভাষা অৰ্থাৎ অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পালে। কিছুমান প্ৰাপ্তিয়ে সঁচাকৈ আনন্দিত কৰে। এই আনন্দৰ সমভাগী হয় এখন সমাজ এটা জাতি। যি জাতিয়ে স্বাভিমান বুকুত বান্ধি দোকমোকালি পুৱা দেখে আশাৰ কিৰণ।

এটা ভাষা এটা জাতিৰ পৰিচয়বাহক। ভাষা-সংস্কৃতি জাতিৰ মেৰুদণ্ড সদৃশ। ভাষা দুৰ্বল হোৱা মানে ধেনুভিৰীয়া হৈ পৰে এটা জাতি। এক কথাত ভাষা নাথাকিলে জাতিৰ অস্তিত্বয়েই বা ক'ত।

অসমীয়া ভাষা বহু ঘাত-প্ৰতিঘাত নেওচি ঠন ধৰি উঠা এটা ভাষা। কিমান যে উত্থান-পতনৰ মাজেৰে আহি আহি আজিৰ অৱস্থাত উপনীত হৈছে আইৰ মুখৰ ভাষাটি।

প্ৰাক্-শংকৰী, শংকৰী অথবা শংকৰোত্তৰ যুগৰ সময়ছোৱাত অসমীয়া ভাষাই স্ব-মহিমাৰে মহিমামণ্ডিত হৈছিল যদিও ইংৰাজ অথবা বঙালৰ আগ্ৰাসনে বাৰুকৈ ক্ষতি কৰিছিল এই অসমীয়া ভাষাক। অফিচ, কলেজ, কাছাৰীকে ধৰি বিভিন্ন চৰকাৰী কাৰ্যালয়ত মুখথেকেচা খাবলগীয়া পৰিস্থিতিৰ সন্মুখীন হৈছিল অসমীয়া ভাষা।

বুকুত ক্ষোভৰ উদ্‌গিৰণে বাৰুকৈ দহিছিল সেই সময়ৰ অসমীয়া তথা অসমীয়া ভাষিকসকলক। ঘৰৰ মাটিত অৱহেলিত, নিষ্পেষিত হোৱা পৰিৱেশে চুই গৈছিল সকলোকে।

অৱশ্যে পৰৱৰ্তী সময়ছোৱাত মিছনেৰীসকল আহি আমাৰ অসমীয়া ভাষাৰ নুমাই যাব ধৰা চাকিগছিত তেল ঢালি ভাষাটোক পুনৰ উজলাই তুলিলে।

অসমীয়া ভাষাটোক পুনৰ আগৰ দৰে গঢ়ি তোলাত বহুকেইজন স্বনামধন্য ব্যক্তিৰ অৱদান উল্লেখযোগ্য, তাৰ ভিতৰত কেইজনমান হ'ল— আনন্দৰাম ঢেকিয়াল ফুকন, নিধি লিবাই ফাৰৱেল, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী...।

উল্লিখিত সকলো উত্থান-পতন, ঘাত-প্ৰতিঘাত নেওচি আজি অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰূপে স্বীকৃত হ'ল। ৩ অক্টোবৰ ২০২৪ তাৰিখে কেন্দ্ৰীয় কেবিনেটে অসমীয়া ভাষাক এই স্বীকৃতি প্ৰদান কৰিলে।

ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি লাভ কৰিলে ভাষাটো কেইবাধৰণে লাভান্বিত হয়। কেন্দ্ৰই খুলিব লাগে সেই নিৰ্দিষ্ট ভাষাৰ অধ্যয়নৰ বাবে চেণ্টাৰ অৱ এক্সিলেন্স। ইয়াৰ উপৰি বিভিন্ন কেন্দ্ৰীয় বিশ্ববিদ্যালয়ত ধ্ৰুপদী ভাষাৰ গৱেষণাৰ কাৰণে বিশ্ববিদ্যালয় অনুদান আয়োগে অনুদান দিব লাগে।

মুঠৰ ওপৰত এটা ভাষা যেতিয়া ধ্ৰুপদী ভাষা হিচাপে স্বীকৃত হয় তেতিয়া বহু সা-সুবিধাৰ উপৰি বিভিন্ন ধৰণে লাভান্বিত হয়। ভাষাই এক সুকীয়া গতি লাভ কৰাৰ লগতে সুকীয়া মৰ্যাদাৰো অধিকাৰী হয়।

অসমীয়া ভাষাই লাভ কৰা এই মৰ্যাদাই এতিয়া সকলোৰে প্ৰতি দায়িত্ব বঢ়ালে। লিখোঁতে হওক বা কওঁতেই হওক সকলো ক্ষেত্ৰতে সজাগ আৰু সচেতনতা অৱলম্বন কৰিলে ভাল। সজাগ আৰু সচেতন হৈ ভাষাৰ মান হানি নোহোৱাকৈ ইয়াক ব্যৱহাৰ কৰিলে অদূৰ ভৱিষ্যতলৈ আইৰ মুখৰ ভাষা হৈ থাকিব...।



৩

# ধ্ৰুপদী অসমীয়া ভাষা

**ৰশ্মি ৰাজখোৱা**
স্নাতকোত্তৰ দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

কেন্দ্ৰীয় মন্ত্ৰীসভাই ২০২৪ চনৰ ৩ অক্টোবৰত মাৰাঠী, বাংলা, অসমীয়া, পালি আৰু প্ৰাকৃতক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান কৰে। ভাৰতীয় সংবিধানত ভাষাৰ বিকাশৰ বাবে কেইবাটাও অনুচ্ছেদ আছে। সেইবোৰ হৈছে ৩৪৩ৰ পৰা ৩৫০ নং অনুচ্ছেদ, ৩৫০ বি আৰু ৩৫১ নং অনুচ্ছেদ। সংবিধানৰ অষ্টম অনুসূচীত ২২টা চৰকাৰী ভাষা সন্নিৱিষ্ট কৰা হৈছে। ভাৰতীয় ভাষাৰ প্ৰেক্ষাপটত "ধ্ৰুপদী ভাষা" হৈছে এনে এক ভাষা যাৰ চহকী ঐতিহ্য আৰু ঐতিহাসিক তাৎপৰ্য আছে। ভাষা এটাই ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পাবলৈ ভাৰত চৰকাৰে মাপকাঠী নিৰ্ধাৰণ কৰিছে। এই বৈশিষ্ট্যসমূহৰ ভিতৰত আছে —

**প্ৰাচীনতা ঃ**

ভাষাটোৰ ১৫০০-২০০০ বছৰতকৈও অধিক সময়ৰ লিপিবদ্ধ ইতিহাস থাকিব লাগিব, যিয়ে ইয়াৰ দীৰ্ঘদিনীয়া উপস্থিতি আৰু এক উল্লেখযোগ্য সময়ৰ ভিতৰত ক্ৰমবিকাশৰ প্ৰমাণ দাঙি ধৰে।

**সমৃদ্ধ ঐতিহ্য ঃ**

ভাষাটোত মূল্যৱান আৰু বিষয়বস্তুৰে সমৃদ্ধ বুলি গণ্য কৰা প্ৰাচীন সাহিত্য বা গ্ৰন্থ থাকিব লাগে। এই সাহিত্যই ভাষাৰ

সাংস্কৃতিক আৰু ঐতিহাসিক গভীৰতাক প্ৰতিফলিত কৰা উচিত।

**মৌলিক সাহিত্য পৰম্পৰা ঃ**

ধ্ৰুপদী ভাষাত এনে এক মৌলিক সাহিত্য পৰম্পৰা থাকিব লাগে যিটো আন ভাষাৰ পৰা ধাৰলৈ লোৱা হোৱা নাছিল। ইয়াৰ দ্বাৰা ভাষাটোৰ সাহিত্যিক ঐতিহ্যৰ প্ৰমাণ আৰু মৌলিকতা নিশ্চিত কৰা হয়।

**ধ্ৰুপদী ভাষা আৰু ইয়াৰ বংশধৰসকলৰ মাজৰ বিচ্ছিন্নতা ঃ**

ভাষাটোৰ বংশধৰ থাকিব পাৰে যদিও ধ্ৰুপদী ৰূপটো ইয়াৰ আধুনিক বংশধৰসকলৰ পৰা পৃথক হ'ব লাগিব। ভাষাৰ ধ্ৰুপদী সংস্কৰণটোৱে নিজৰ অনন্য বৈশিষ্ট্য আৰু গঠন ধৰি ৰখাটো নিশ্চিত কৰিব লাগিব। এটা ভাষাক ধ্ৰুপদী হিচাপে স্বীকৃতি দিয়াৰ উদ্দেশ্য হৈছে ভাৰতৰ ইতিহাস আৰু সংস্কৃতিত উল্লেখযোগ্য অৱদান আগবঢ়োৱা ভাষাসমূহ সংৰক্ষণ আৰু প্ৰসাৰ কৰা। এই মৰ্যাদাই বিভিন্ন শৈক্ষিক আৰু সাংস্কৃতিক পদক্ষেপৰ জৰিয়তে এই ভাষাসমূহৰ সুৰক্ষা আৰু প্ৰচাৰ সুনিশ্চিত কৰাত সহায় কৰিব পাৰে।

অসমীয়া ভাষা-সাহিত্যৰ গৌৰৱোজ্জ্বল দুহেজাৰ বছৰীয়া ক্ৰমধাৰাক সাৰথি কৰি অসমীয়া ভাষাই লাভ কৰিলে ধ্ৰুপদী ভাষাৰ মৰ্যাদা। অসম আৰু অসমীয়াৰ বাবে এয়া একবিংশ শতিকাৰ প্ৰাৰম্ভণৰ এক অন্যতম সুখৰ বতৰা।

ভাৰত চৰকাৰে দিয়া ধ্ৰুপদী ভাষাৰ মৰ্যাদাৰ ফলত ভৱিষ্যৎ সুৰক্ষিত হ'ল অসমীয়া ভাষাৰ। এয়া নিশ্চিত। কিন্তু অসমীয়া ভাষা কিদৰে সুৰক্ষিত হ'ব? এই বিষয়ে আনন্দৰাম বৰুৱা ভাষা, সংস্কৃতি গৱেষণা কেন্দ্ৰ চমুকৈ ABILACৰ সহযোগী অধ্যাপক ড° ভাস্কৰজ্যোতি শৰ্মাৰ সৈতে হোৱা ই টিভি ভাৰতৰ বাৰ্তালাপত তেখেতে জনালে সবিশেষ। উল্লেখযোগ্য যে এই প্ৰক্ৰিয়াৰ মূল অংশস্বৰূপে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত অসম চৰকাৰৰ হৈ অসম প্ৰকাশন পৰিষদে দাখিল কৰা প্ৰতিবেদনৰ এগৰাকী অন্যতম প্ৰস্তুতকাৰী সদস্য হ'ল ড° ভাস্কৰজ্যোতি শৰ্মা।

ড° ভাস্কৰজ্যোতি শৰ্মাৰে হোৱা এক টেলিফোনিক বাৰ্তালাপত তেওঁ কয়— “পূৰ্বে অসমীয়া ভাষাটো অসম চৰকাৰৰ বিষয় আছিল। অসমীয়া ভাষাৰ উন্নয়ন আৰু প্ৰসাৰ সুৰক্ষাৰ কাৰণে কি কৰিব লাগিব সকলো অসম চৰকাৰৰ আওতাৰ ভিতৰত পৰিছিল। এতিয়া কেন্দ্ৰীয় চৰকাৰৰ এটা দায়িত্ব পৰিল অসমীয়া ভাষাৰ প্ৰতি। অসমীয়া ভাষাৰ গৱেষণা আৰু বিকাশৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰত্যক্ষভাৱে সহযোগিতা আগবঢ়াব এতিয়াৰে পৰা। সমগ্ৰ ভাৰততে আছে মুঠ ৫৬খন কেন্দ্ৰীয় বিশ্ববিদ্যালয়। দেশৰ সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়তে থাকিব এখনকৈ অসমীয়া ভাষাৰ অধ্যাপকৰ আসন। এইটো এটা ডাঙৰ কথা। এই ব্যৱস্থাই অসমীয়া ভাষাৰ গৱেষণা আৰু প্ৰসাৰত সহায় কৰি যাব।” এইদৰে মন্তব্য কৰে ভাষা গৱেষক তথা অধ্যাপক ড° ভাস্কৰজ্যোতি শৰ্মাই।

অসমীয়া ভাষাই ধ্ৰুপদী মৰ্যাদা লাভ কৰাৰ লগে লগে কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগত অসমীয়া ভাষাৰ বিকাশ-প্ৰসাৰ আদিৰ কাৰণে এক গৱেষণা প্ৰতিষ্ঠান গঢ়ি তোলা হ'ব। এই সন্দৰ্ভত ভাস্কৰজ্যোতি শৰ্মাই কয়— “এক গুৰুত্বপূৰ্ণ কথা হ'ল যে অসমীয়া ভাষাৰ ওপৰত ‘ক্লাছিকেল আছামিজ’ নামেৰে এক প্ৰতিষ্ঠান গঢ় লৈ উঠিব। কেন্দ্ৰীয় চৰকাৰৰ সহযোগত গঢ় লৈ উঠিব এই প্ৰতিষ্ঠানটি। এতিয়াৰে পৰা অসমীয়া ভাষাৰ বিষয়ে যি গৱেষণা কৰ্ম হ'ব সেয়া আগবঢ়াই লৈ যাবলৈ এই প্ৰতিষ্ঠানে প্ৰভূত সহায় কৰিব।

ধ্ৰুপদী স্বীকৃতিপ্ৰাপ্ত ভাষাৰূপে বহুখিনি সুবিধা লাভ কৰিব অসমীয়া ভাষাই। যিদৰে এতিয়া তামিল, তেলেগু, মালয়ালম আদিয়ে ধ্ৰুপদী ভাষাৰূপে যিবোৰ উচ্চস্তৰৰ কাম কৰি আছে, সেইবিলাকৰ দৰে একচেটিয়াভাৱে অসমীয়া ভাষাৰ গৱেষণা, প্ৰচাৰ-প্ৰসাৰৰ কাম আৰম্ভ হ'ব। ইয়াৰ ফলত অসমীয়া ভাষাৰ ভৱিষ্যৎ যথেষ্ট উজ্জ্বল হৈ পৰিব।

ইয়াৰ উপৰি আৰু এটা কথা উল্লেখ কৰিব লাগিব যে ইউনিক'ডৰ লগত ধ্ৰুপদী মৰ্যাদাৰ পোনপটীয়া কোনো সম্পৰ্ক নাই। কিন্তু ইউনিক'ডৰ স্বীকৃতি লাভৰ ক্ষেত্ৰত এতিয়াৰে পৰা এক সবল যুক্তিও সাজু হ'ল। ইউনিক'ডৰ সৈতে ধ্ৰুপদী ভাষাৰ কোনো পোনপটীয়া সম্পৰ্ক নাই যদিও পৰোক্ষভাৱে উপকৃত হ'ব পাৰে। ইউনিক'ড হ'ল এটা ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান। ইউনিক'ডৰ স্বীকৃতিৰ বাবে আগবাঢ়িবলৈ হ'লে এক বেলেগ প্ৰক্ৰিয়াৰে আগবাঢ়িব লাগিব। বেলেগ কেতবোৰ কাৰিকৰী কথা আছে। প্ৰত্যক্ষভাৱে একো সহায় কৰিব নোৱাৰে। ভাষা বিজ্ঞানী, অধ্যাপকগৰাকীয়ে কয়— ইউনিক'ড হ'ল লিপিৰ কথা। এই

> অসমীয়াভাষীয়ে প্ৰাচীন লিখিত সমল উদ্ধাৰ, পাঠোদ্ধাৰ, সংৰক্ষণৰ বাবে, প্ৰাচীন অসমীয়া সাহিত্য আৰু নিজস্ব শব্দৰ সংৰক্ষণৰ বাবে চেষ্টা আৰু গৱেষণা কৰিব লাগিব। অসমীয়া ভাষাৰ প্ৰাচীন তথ্যপাতি আৰু পাণ্ডুলিপিসমূহ আধুনিক প্ৰযুক্তিৰে সংৰক্ষণ তথা ডিজিটেলাইজড কৰা অসমীয়াভাষীৰ কৰণীয়। অসমীয়াভাষীৰ কথিত ভাষিক সমল আৰু উপভাষাগত ৰূপসমূহ সংৰক্ষণ কৰি মূল অসমীয়া ভাষাক সমৃদ্ধ কৰা আমাৰ দায়িত্ব।

মৰ্যাদা হ'ল ভাষাৰ কথা। হয়তো যুক্তি আগবঢ়াব পাৰিম, অসমীয়া ভাষাটো যিহেতু দুহেজাৰ বছৰ পুৰণি এটা ভাষা। ৰাষ্ট্ৰীয় স্বীকৃতিপ্ৰাপ্ত হৈছে। সেই আলমতে আমি ক'ব পাৰিম যে আমাৰ লিপিৰ স্বকীয়তা আছে। যুক্তি এটা বাঢ়িব। এটা ঐতিহাসিক পৰিক্ৰমাৰ কথা আহিব।

ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ পাছতে অসমীয়া ভাষা বিভিন্ন ধৰণেৰে উপকৃত হ'ব।

**ক) গৱেষণা আৰু অধ্যয়নৰ ক্ষেত্ৰত উন্নয়ন ঃ**

ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰা ভাষাসমূহৰ গৱেষণা আৰু অধ্যয়নৰ বাবে কেন্দ্ৰীয় চৰকাৰে বিশাল ধনৰাশি প্ৰদান কৰে। এই ধনৰাশিৰে অসমীয়াৰ প্ৰাচীনতম সাহিত্য, ভাষাৰ উৎস আৰু বিকাশৰ ওপৰত সুচিন্তিত আৰু গভীৰ স্তৰৰ গৱেষণা সম্ভৱ হ'ব। ধ্ৰুপদী অসমীয়া অধ্যয়ন উৎকৰ্ষতা কেন্দ্ৰ কেন্দ্ৰীয় চৰকাৰে প্ৰতিষ্ঠা কৰিব।

**খ) ভাষাৰ সংৰক্ষণ আৰু সমৃদ্ধি ঃ**

ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভে প্ৰাচীন অসমীয়া সাহিত্য আৰু লিখিত সমলসমূহ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষভাৱে সহায় কৰিব। বৰ্তমান সময়ত অসমীয়া ভাষা লুপ্ত বা সংকটাপন্ন হোৱাৰ বিপজ্জনক সম্ভাৱনাৰ পৰা এই স্বীকৃতিয়ে ৰক্ষা কৰিব। মানুহৰ সচেতনতা বৃদ্ধি কৰি অসমৰ ভাষিক বৈচিত্ৰ্যৰ মাজতো অসমীয়া ভাষাই একতা আনিব। ধ্ৰুপদী মৰ্যাদা লাভ কৰা অসমীয়া ভাষাই অসমৰ ভাষিক বৈষম্যৰ অৱসান ঘটাব বুলি আশা কৰা হৈছে।

**গ) আন্তঃৰাষ্ট্ৰীয় পৰিচয় লাভ ঃ**

ধ্ৰুপদী ভাষাৰ তালিকাত অন্তৰ্ভুক্ত হোৱাৰ ফলত অসমীয়া ভাষাই বৈজ্ঞানিক, সাহিত্যিক আৰু সাংস্কৃতিক ক্ষেত্ৰত উচ্চস্তৰীয় স্বীকৃতি লাভ কৰিব। ফলত অসমীয়া ভাষাৰ আন্তৰ্জাতিক পৰিচয় বৃদ্ধি পাব বুলি আশা কৰিব পাৰি। আমাৰ মাধৱ কন্দলী, শংকৰদেৱৰ সাহিত্যিক, সাংস্কৃতিক অৱদান সম্পৰ্কেও বিশ্বৰ বিদ্বৎ সমাজ অৱগত হ'ব।

**ঘ) সাহিত্যিক আৰু সাংস্কৃতিক সমৃদ্ধি ঃ**

ধ্ৰুপদী ভাষা ৰূপে স্বীকৃতি লাভ কৰাৰ ফলস্বৰূপে সাহিত্যিক আৰু সাংস্কৃতিক দিশত নতুন সম্ভাৱনাৰ সৃষ্টি হৈছে। বিশ্ব স্তৰত আৰু সৰ্বভাৰতীয় স্তৰত অসমীয়াৰ ঐতিহ্যবাহী সংস্কৃতি আৰু সাহিত্যৰ নতুনকৈ মূল্যায়ন হ'ব।

**ঙ) উচ্চ শিক্ষানুষ্ঠানৰ আসন আৰু অধ্যয়ন ক্ষেত্ৰ সৃষ্টি ঃ**

বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহযোগত ধ্ৰুপদী ভাষাসমূহৰ অধ্যয়নৰ বাবে বিশ্ববিদ্যালয়সমূহৰ বিশেষ বিদ্যায়তনিক লক্ষ্য আৰু আদৰ্শৰে স্নাতকোত্তৰ বা বিশেষ পাঠ্যক্ৰম প্ৰস্তুত কৰা হয়। অসমীয়া ভাষাৰ ধ্ৰুপদী ভাষাৰ মৰ্যাদাপ্ৰাপ্তিয়ে শিক্ষাৰ্থীসকলৰ বাবেও নতুন বিদ্যায়তনিক সুযোগৰ সৃষ্টি কৰিব। লগতে শিক্ষক আৰু গৱেষকৰ পদৰো সৃষ্টি কৰিব।

**চ) ভাষা গৌৰৱ আৰু ভাষা চেতনাৰ সৃষ্টি ঃ**

অসমীয়া ভাষাৰ ধ্ৰুপদী স্বীকৃতিপ্ৰাপ্তিয়ে অসমৰ অধিবাসীসকলৰ মাজত অসমীয়া ভাষাৰ প্ৰতি গৌৰৱ আৰু সচেতনতাৰ বিস্তাৰ কৰিব। তৰুণ আৰু প্ৰাচীন সকলো প্ৰজন্মই ভাষাটোক যথোচিত গুৰুত্ব দিবলৈ আগ্ৰহী হ'ব বুলি আশা কৰা হৈছে। অসমীয়াভাষীৰ হিন্দী, ইংৰাজী আদি অন্য ভাষাৰ প্ৰতি অবাঞ্ছিত আৰু অপ্ৰয়োজনীয় অনুৰাগ হ্ৰাস পাব।

ধ্ৰুপদী মৰ্যাদা প্ৰাপ্তিয়ে অসমৰ বিদ্যালয় আৰু প্ৰতিযোগিতামূলক পৰীক্ষাৰ পাঠ্যক্ৰমত অসমীয়া বিষয়টো অপৰিহাৰ্য হোৱাত সহায় কৰিব। নিজ ভাষাৰ ঐতিহ্য আৰু মহত্ত্ব সম্পৰ্কে শিক্ষিত, অৰ্ধশিক্ষিত, অশিক্ষিত সকলোৰে চেতনা জাগ্ৰত কৰি দৈনিক কথোপকথন, ব্যক্তিগত আৰু চৰকাৰী ফলক, নামফলক, সংখ্যা শব্দ, কাৰ্যালয়, আদালত, শিক্ষানুষ্ঠান, চিঠি-পত্ৰ আদি ব্যৱহাৰিক ক্ষেত্ৰত ভাষাটোৰ সৰবৰহী প্ৰচলনত সহায় কৰিব। অসমীয়া ভাষাৰ ঐতিহ্য, ঐতিহ্যবাহী সাহিত্যৰ ভিত্তিত আধুনিক সাহিত্য, কথাছবি আদি নিৰ্মিত হ'ব। ধ্ৰুপদী ভাষাৰ মৰ্যাদাই অসমীয়া ভাষাৰ সামাজিক, সাংস্কৃতিক আৰু বিদ্যায়তনিক উন্নতিত এক নৱ অধ্যায়ৰ সূচনা কৰিব।

অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা লাভ কৰাৰ ফলত অসমীয়াভাষীৰ দায়িত্ব আৰু কৰ্তব্য বৃদ্ধি পাইছে বুলি মই ভাবোঁ। ধ্ৰুপদী ভাষাৰ মৰ্যাদা কেৱল কেন্দ্ৰীয় চৰকাৰৰ স্বীকৃতিতেই সীমাবদ্ধ হ'ব নালাগিব; ইয়াৰ সদ্ব্যৱহাৰ আৰু উন্নতিৰ বাবে অসমীয়াভাষীসকলে কিছু গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিব লাগিব।

**ক) ভাষাৰ সংৰক্ষণ ঃ**

অসমীয়াভাষীয়ে প্ৰাচীন লিখিত সমল উদ্ধাৰ, পাঠোদ্ধাৰ, সংৰক্ষণৰ বাবে, প্ৰাচীন অসমীয়া সাহিত্য আৰু নিজস্ব শব্দৰ সংৰক্ষণৰ বাবে চেষ্টা আৰু গৱেষণা কৰিব লাগিব। অসমীয়া ভাষাৰ প্ৰাচীন তথ্যপাতি আৰু পাণ্ডুলিপিসমূহ আধুনিক প্ৰযুক্তিৰে সংৰক্ষণ তথা ডিজিটেলাইজড কৰা অসমীয়াভাষীৰ কৰণীয়। অসমীয়াভাষীৰ কথিত ভাষিক সমল আৰু উপভাষাগত ৰূপসমূহ সংৰক্ষণ কৰি মূল অসমীয়া ভাষাক সমৃদ্ধ কৰা আমাৰ দায়িত্ব।

**খ) গৱেষণা আৰু শিক্ষা ঃ**

বিশ্ববিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহত অসমীয়া ভাষাৰ ওপৰত অধিক গৱেষণাৰ সুযোগ সৃষ্টি কৰা প্ৰতিজন নিষ্ঠাৱান

অসমীয়াভাষীৰে দায়িত্ব। অসমৰ সকলো স্তৰৰ পাঠ্যপুথিত অসমীয়া সাহিত্য, ভাষাতত্ত্ব আৰু ঐতিহ্যক অধিক স্থান দিয়া অসমীয়াভাষী শিক্ষিতসকলৰ পৱিত্ৰ কৰ্তব্য। অসমৰ স্থানীয় বিদ্যালয় আৰু মহাবিদ্যালয়সমূহত অসমীয়া ভাষাৰ প্ৰচলন বৃদ্ধি কৰা প্ৰতিজন অসমীয়াৰে অৱশ্য কৰণীয়।

**গ) অসমীয়া ভাষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰ ঃ**

অসমীয়া ভাষা আৰু সাহিত্যক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত প্ৰচাৰ আৰু বিস্তাৰ কৰাৰ বাবে যথেষ্ট অনুষ্ঠান, সন্মিলনী আৰু আলোচনা সভা আয়োজন কৰা উচিত। প্ৰাচীন আৰু আধুনিক অসমীয়া সাহিত্য আৰু সংস্কৃতি সম্বন্ধীয় গ্ৰন্থ ইংৰাজী আৰু অন্যান্য দেশী-বিদেশী ভাষালৈ অনুবাদৰ ব্যৱস্থা কৰাটো সাম্প্ৰতিক সময়ত অতি জৰুৰী। ই অসমীয়া ভাষাৰ গুৰুত্বপূৰ্ণ গ্ৰন্থসমূহ ভাৰতবাসীৰ লগতে বিশ্ববাসীৰ ওচৰলৈ লৈ যোৱাত সহায়ক হ'ব।

এক্স, ফেচবুক, ইনষ্টাগ্ৰাম, টেলিগ্ৰাম আদি সামাজিক মাধ্যমত, ই-বুক, আলোচনী, বাতৰি কাকতৰ ই-সংস্কৰণ আদিত অসমীয়া ভাষাৰ ব্যৱহাৰ ব্যাপক হাৰত বৃদ্ধি কৰি অসমীয়া ভাষাক সাম্প্ৰতিক সময়ৰ উপযোগীকৈ গঢ়ি তোলা প্ৰতিজন সচেতন অসমীয়াৰে দায়িত্ব।

**ঘ) নৱ প্ৰজন্মক অসমীয়া ভাষাৰ প্ৰতি উৎসাহিত কৰা ঃ**

অসমীয়া ভাষাৰ ধ্ৰুপদী স্বীকৃতিৰ গুৰুত্ব উপলব্ধি কৰি যাতে নতুন প্ৰজন্মই অসমীয়া ভাষা শিকিবলৈ, ব্যৱহাৰ কৰিবলৈ অনুপ্ৰেৰণা লাভ কৰে তাৰ বাবে শিক্ষক, অভিভাৱকে যত্ন কৰা উচিত। ছাত্ৰ-ছাত্ৰীসকলক অসমীয়া ভাষাত বক্তৃতা দিয়া, লিখা, গৱেষণা কৰা আৰু সকলো ধৰণৰ চৰ্চা তথা সৃষ্টিশীলতাত অংশগ্ৰহণ কৰিবলৈ উৎসাহিত কৰা প্ৰতিজন অসমীয়াভাষীৰেই কৰ্তব্য।

**ঙ) সাহিত্যিক আৰু সাংস্কৃতিক কৰ্মসূচী ঃ**

ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ ফলত নতুন সাহিত্যিক সৃষ্টি আৰু সাংস্কৃতিক প্ৰদৰ্শন কেনেদৰে নিয়মিতভাৱে সম্পন্ন হয় তাৰ বাবে অসমীয়াভাষীয়েই চেষ্টা চলাব লাগিব। অসমীয়া নাটক, চলচ্চিত্ৰ আৰু গীতৰ ব্যাপক প্ৰচলনৰ লগতে সাহিত্যত আধুনিকত্ব আৰু ঐতিহ্যৰ সমন্বয় ঘটোৱা ভাষা আৰু জাতিৰ নামত অসমীয়া সৃষ্টিশীল লেখক-শিল্পীৰ গধুৰ দায়িত্ব।

**চ) অসমীয়া ভাষাৰ ব্যৱহাৰিক দিশৰ প্ৰসাৰ ঃ**

চৰকাৰী, ব্যক্তিগত আৰু ব্যৱসায়িক ক্ষেত্ৰত অসমীয়া ভাষাৰ ব্যৱহাৰক অধিক প্ৰাসংগিক কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ সচেতন আৰু কাৰ্যকৰীভাৱে কৰিব লাগিব। হাটে-বাটে, বজাৰে-সমাৰে অসমীয়া ভাষাৰ প্ৰয়োগ অসমীয়াভাষীসকলেই কৰিব লাগিব। অসমীয়া ক'বলৈ বা শিকিবলৈ যত্ন কৰা পৰ্যটন বা ব্যৱসায়ী অনা-অসমীয়াসকলকো আগ্ৰহেৰে অসমীয়া ভাষা শিকোৱাৰ দায়িত্ব ল'ব লাগিব অসমীয়াভাষীসকলেই। অসমীয়া মাধ্যমৰ বিদ্যালয়ৰ পাঠ্যপুথিৰ পৰা বিদায় দিয়া অসমীয়া সংখ্যাসমূহ অসমীয়াভাষীসকলেই আন্দোলন কৰি হ'লেও পঢ়াশালিলৈ ঘূৰাই আনিব লাগিব। তেনেদৰে ঘূৰাই আনিব লাগিব আমাৰ বাৰসমূহ, সম্বন্ধবাচক শব্দসমূহ আৰু ইংৰাজী, হিন্দীক উপযাচি এৰি দিয়া স্থানৰ নিভাঁজ, থলুৱা অসমীয়া শব্দসমূহ। চৰকাৰী নথি-পত্ৰ, সকলো চৰকাৰী ঘোষণা আৰু দলিল-দস্তাবেজ অসমীয়া ভাষাতেই সহজলভ্য কৰি তোলাটোও অসম চৰকাৰৰ অৱশ্যে কৰণীয় দায়িত্ব।

**ছ) অসমীয়া ভাষাৰ ব্যাপক ব্যৱহাৰ ঃ**

সাংবাদিকতা আৰু সকলো ধৰণৰ সংবাদ মাধ্যমত অসমীয়া ভাষাৰ ব্যাপক ব্যৱহাৰেৰে অসমীয়া ভাষাৰ প্ৰসাৰ-প্ৰচাৰ কৰা উচিত। অসমীয়া ভাষাত সংবাদ আৰু অনুষ্ঠান প্ৰচাৰৰ পৰিমাণ বৃদ্ধি কৰা উচিত। শিশুৰ উপযোগী কাহিনী, গীত, প্ৰশ্নোত্তৰ, নাটক, কাৰ্টুন, মনোৰঞ্জন আৰু জ্ঞানমূলক অনুষ্ঠান দৃশ্য-শ্ৰাব্য মাধ্যমেৰে ইউটিউব, ইণ্টাৰনেটত সহজলভ্য হ'লে অসমীয়া শিশুৱে কুমলীয়া বয়সৰ পৰাই মাতৃভাষাৰ মাধুৰ্য আৰু আকৰ্ষণ উপলব্ধি কৰিব পাৰিব। অসমীয়া ভাষাত নতুন সংবাদ-পত্ৰ, বাতৰি চেনেল আৰু অনলাইন মাধ্যমৰ সূচনা কৰা অসমীয়াৰে কৰ্তব্য।

**জ) অসমীয়া ভাষাৰ ঐতিহাসিক গুৰুত্বৰ পুনঃ প্ৰতিষ্ঠা ঃ**

ধ্ৰুপদী স্বীকৃতিৰ আধাৰত অসমীয়া ভাষাৰ ঐতিহাসিক সমল আৰু অৰ্থনৈতিক দিশসমূহ সম্পৰ্কে পৰ্যাপ্ত আলোচনা আৰু উন্নয়নৰ বাবে বিভিন্ন মঞ্চত চৰ্চা কৰা প্ৰতিগৰাকী শিক্ষিত অসমীয়াভাষীৰে দায়িত্ব। ধ্ৰুপদী ভাষাৰ মৰ্যাদা সকলো অসমীয়াৰ বাবেই এক বৃহৎ গৌৰৱময় প্ৰাপ্তি। এই স্বীকৃতিৰ সদ্ব্যৱহাৰ কৰি ভাষাটোক আগবঢ়াই নিয়াত অসমীয়াভাষীসকলে সংগঠিত ৰূপত দায়িত্ব পালন কৰিব লাগিব।

এজন অসমীয়া হিচাপে মই গৌৰৱান্বিত আৰু কৃতজ্ঞতাৰ অনুভূতি অনুভৱ কৰোঁ। আজিৰ আগতে ভাৰতৰ মাত্ৰ ছয়টা ভাষাকহে ধ্ৰুপদী ভাষাৰ টেগ দিয়া হৈছিল। ভাৰতৰ ধ্ৰুপদী ভাষা হিচাপে অসমীয়াৰ সংযোজন সঁচাকৈয়ে এক অত্যন্ত আনন্দৰ বিষয় আৰু আমাৰ মাতৃভাষাৰ এই স্বীকৃতিৰ দিশত বিপুল অৱদান আগবঢ়োৱা প্ৰতিজন ব্যক্তিক ধন্যবাদ জনাইছোঁ।



# প্ৰকৃতিৰ এক অনবদ্য উপহাৰ অৰ্কিড

**মাচুমা খাতুন**
স্নাতক পঞ্চম যাণ্মাসিক
উদ্ভিদ বিজ্ঞান বিভাগ

অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক অৱস্থান আৰু প্ৰাকৃতিক বাতাৱৰণে জৈৱ বিচিত্ৰতাত এক সুকীয়া মাত্ৰা প্ৰদান কৰিছে। এই অঞ্চলতে ভাৰত-বাৰ্মা আৰু পূব হিমালয় ভূ-খণ্ডৰ মিলন ঘটিছে বাবে ইয়াত জৈৱ বিচিত্ৰতাৰ এক বিশাল পয়োভৰ দেখা যায়। অন্যান্য উদ্ভিদসমূহৰ লগতে 'অৰ্কিড' বা কপৌফুল গোত্ৰৰ প্ৰাচুৰ্যও ইয়াত অধিক। তথ্যমতে সমগ্ৰ ভাৰতবৰ্ষত পোৱা ১২৫৬ বিধ প্ৰজাতিৰ অৰ্কিডৰ ৭৩ শতাংশই উত্তৰ-পূৰ্বাঞ্চলতে পোৱা যায়। অৰুণাচল প্ৰদেশ আৰু চিকিমত অৰ্কিডৰ বৈচিত্ৰ্য বেছি। আমাৰ অসমত এতিয়ালৈকে ২৯৩ বিধ অৰ্কিডৰ কথা জানিব পৰা গৈছে। এই অৰ্কিডসমূহ ঘাইকৈ বৰষুণ বেছি হোৱা, সেমেকা বনাঞ্চলসমূহত বিস্তৃত হৈ আছে। অৰ্কিডসমূহ প্ৰধানতঃ আন গছৰ ওপৰত আশ্ৰয় লৈ 'পৰাশ্ৰয়ী' হিচাপে থাকে নতুবা সেমেকা, জৈৱ-মৃত্তিকা বা হিউমাছ বেছি থকা মাটিতো গজে। কিছুমান অৰ্কিড আকৌ পচা গছপাতৰ ওপৰত 'মৃতজীৱী' হিচাপে পোৱা যায়। অৱশ্যে অসমত তাৰ সংখ্যা কম। শিলৰ ওপৰত গজা 'শৈলজ' অৰ্কিডো নোহোৱা নহয়।

বিহু সংস্কৃতিৰ লগত জড়িত আমাৰ সকলোৰে চিনাকি আদৰৰ কপৌফুলজোপাও এবিধ পৰাশ্ৰয়ী অৰ্কিড। কিন্তু কেৱল কপৌফুলেই নহয়, বসন্তৰ আগমনৰ লগে লগে আন বিভিন্ন প্ৰজাতিৰ অৰ্কিডসমূহো কলিয়াবলৈ ধৰে। মাৰ্চৰ পৰা এপ্ৰিল-মে' মাহৰ ভিতৰত ফুলিবলৈ লোৱা অসমত কেইবিধমান অৰ্কিড হৈছে— ভাটৌফুল, ডেণ্ডবিয়াম, ফাইয়াচ, এৰিদিছ আদি। এই সকলোৰে ভিতৰত 'ডেণ্ডবিয়াম'ৰ কেইবাটাও অতি মনোমোহা প্ৰজাতিৰ অৰ্কিড অসমৰ হাবি-বননিত সততে দেখিবলৈ পোৱা যায়। তাৰ ভিতৰত মাৰ্চৰ পৰা মে' মাহৰ ভিতৰত ফুলা শালিকী থুটিয়া ফুল বা 'ডেণ্ডবিয়াম এফাইলাম', এপ্ৰিল মাহত ফুলা সখিয়তী ফুল বা 'ডেণ্ডবিয়াম ফিমব্ৰীয়েটাম', 'ডেণ্ডবিয়াম নবাইলি' আৰু 'ডেণ্ডবিয়াম ক্ৰাইচ'টিক্সাম', মে' মাহত ফুলা 'ডেণ্ডবিয়াম

লুইটিয়্লৰাম' আৰু পাতমুচিফুল বা 'ডেণ্ডবিয়াম মছকেটাম'য়েই প্ৰধান। 'এৰিদিছ' নামৰ অতি সুন্দৰ অৰ্কিড জাতিটোৰ তিনিবিধ অৰ্কিড অসমৰ হাবি-বননিত এপ্ৰিল-মে' মাহত দেখা যায়। তাৰ ভিতৰত 'এৰিদিছ অডৰেটাম' নামৰ প্ৰায়বিলাক মানুহৰ ঘৰতে দেখা যায়। ই কপৌফুলৰ দৰেই, মাত্ৰ অলপ চুটি হয় আৰু ফুলাৰ সময়ত তাৰ সুগন্ধই চৌদিশ আমোলমোলাই থাকে। 'চিমবিদিয়াম এলয়ফলিয়াম' বা মতা কপৌ নামৰ অৰ্কিড ফুলজোপা আকৌ মে'-জুন মাহত ফুলে। এইপ্ৰজাতিবিধ বনাঞ্চলৰ উপৰি ৰাস্তাৰ কাষৰ পুৰণা গছবিলাকত ওলমি থকা সততে দেখিবলৈ পোৱা যায়। সহজে দেখি থকা কিছুমান অৰ্কিড যেনে — 'ইৰিয়া', 'চিলপাইনি', 'ফলিদটা' আদি শীতকালত ফুলা দেখা যায়। এই সকলোবিলাক অৰ্কিডৰ থলুৱা অসমীয়া নাম এতিয়াও জানিব পৰা নাই।

পৰাশ্ৰয়ী অৰ্কিডবিলাকে সাধাৰণতে খহটা ছালৰ যিকোনো গছতে খোপনি পুতি ল'ব পাৰে। এজাৰ, আম, উৰিয়াম, গহৰা আদি





গছত ই অতি সুন্দৰকৈ গজে। এই ধৰণৰ অৰ্কিডবিলাকৰ আকৌ থোপা বান্ধি ওলমি থকা শিপাত 'ভেলামেন' নামৰ কেইবাতৰপীয়া সোপোকা বহিস্তক এখন থাকে। যি বায়ুমণ্ডলৰ পৰা জলীয় বাষ্প আৰু পোষক দ্ৰব্য শোষণ কৰি গছজোপাৰ পুষ্টি যোগায়। অসমৰ পাহাৰীয়া এঢলীয়া মাটিত 'অৰুণদিনা' নামৰ অৰ্কিডবিধ যথেষ্ট পোৱা যায়। ইয়াৰ পাতবিলাক বাঁহপাতৰ দৰে হোৱা বাবে 'বেম্ব' অৰ্কিড' বুলিও কয়। মাটিত হোৱা 'মহিলা চটি' বা লেডিজ শ্লিপাৰ অৰ্কিডবিধ অতি বিৰল প্ৰজাতিৰ যাৰ বজাৰ মূল্য প্ৰতিজোপাত ২০০০ৰ পৰা ৩০০০ টকা পৰ্যন্ত। 'ভেনিলা' নামৰ বগাই যোৱা অৰ্কিডবিধৰ পৰা সুগন্ধি 'ভেনিলিন' তৈয়াৰ কৰা হয়। গোলাঘাটৰ নামবৰ হাবিত এটা সময়ত ইয়াক প্ৰচুৰ পৰিমাণে প্ৰাকৃতিকভাৱে পোৱা গৈছিল। বনাঞ্চল ধ্বংস, সংকোচন আৰু খণ্ডিত হোৱাৰ ফলত 'ভেনিলা'ৰ উপস্থিতি নামবৰৰ পৰা প্ৰায় নোহোৱাই হৈছে।

অৰ্কিডসমূহ সংৰক্ষণৰ বাবে দুটা দিশ অত্যন্ত জৰুৰী। প্ৰথমটো হৈছে বনাঞ্চলৰ পৰা অৰ্কিড সংগ্ৰহ কৰাটো সম্পূৰ্ণৰূপে বন্ধ কৰা। এইখিনিতে জনাবলগীয়া এটি গুৰুত্বপূৰ্ণ কথা হ'ল যে ১৯৭৫ চনৰে পৰা কাৰ্যকৰী হোৱা CITES (The Convention on International Trade in Endangered Species of Wild Fauna and Flora) বা 'বিলুপ্তপ্ৰায় প্ৰজাতিসমূহৰ আন্তৰ্জাতিক বাণিজ্য চুক্তি' অনুযায়ী এই সমগ্ৰ অৰ্কিড প্ৰজাতিটোকে বিৰল প্ৰজাতিৰূপে অন্তৰ্ভুক্ত কৰিছে। গতিকে এই বিৰল প্ৰজাতিসমূহৰ সংগ্ৰহ আৰু ব্যৱসায় সম্পূৰ্ণৰূপে নীতিবিৰুদ্ধ। দ্বিতীয়তে, প্ৰাকৃতিক অৰ্কিডৰ সলনি নিজৰ বাগিচাত বৰ্ণসংকৰৰ অৰ্কিড প্ৰতিপালন কৰা। কাৰণ এই বৰ্ণসংকৰ অৰ্কিডবিলাক কিনিবলৈও পোৱা যায়। লগতে এই অৰ্কিডসমূহ অতি মনোমোহা আৰু আলংকাৰিক হয়। বৰ্ণসংকৰ অৰ্কিডৰ এখন সুন্দৰ আন্তঃৰাষ্ট্ৰীয় বজাৰো আছে। থাইলেণ্ড আৰু ছিংগাপুৰে এই বজাৰখনৰ সিংহভাগ অধিকাৰ কৰি আছে। আমাৰ দেশ এই ক্ষেত্ৰত চালুকীয়া অৱস্থাত আছে। অসমৰ প্ৰাকৃতিক বাতাৱৰণ অৰ্কিড খেতিৰ বাবে অতি অনুকূল। কিন্তু ই সাধাৰণ খেতি-বাতিৰ দৰে নহয়। ব্যৱহাৰিক ভিত্তিক বৰ্ণসংকৰ অৰ্কিডৰ খেতি কৰিবলৈ হ'লে প্ৰথমতেই ইয়াৰ কাৰিকৰী দিশটোৰ বিষয়ে অৱগত হ'ব লাগিব। তাৰ বাবে বৈজ্ঞানিক ভিত্তিক প্ৰশিক্ষণৰ প্ৰয়োজন।

অৰণ্যৰ সংকোচন, বন ধ্বংস, চোৰাং ব্যৱসায়ীৰ দৌৰাত্ম্য, ঔদ্যোগীকৰণ আৰু কিছু জলবায়ু পৰিৱৰ্তনৰ বাবে অৰ্কিডৰ প্ৰাকৃতিক আৱাসস্থলসমূহ বৰ্তমান সংকটৰ দিশে। বহুতো অৰ্কিড প্ৰজাতি আজি বিলুপ্তিৰ পথত, আন কিছুমান বিপন্ন অৱস্থাত আছে। এই প্ৰাকৃতিক আৱাসভূমিক যদি সংৰক্ষণৰ ব্যৱস্থা কৰা নহয় তেতিয়াহ'লে আমাৰ এই অতীত সুন্দৰ প্ৰাকৃতিক সম্পদবিধ হেৰাই যাবলৈ বৰ বেছি সময় নালাগিব।



# অসমৰ পুথিচিত্ৰ

**জুৰিস্মিতা বৰা**
স্নাতকোত্তৰ চতুৰ্থ যাণ্মাসিক
অসমীয়া বিভাগ

অসমৰ চিত্ৰকলাৰ বুৰঞ্জী বহুত পুৰণি। সপ্তম শতিকাত ভাস্কৰ বৰ্মনে মহাৰাজ হৰ্ষবৰ্ধনলৈ পঠিওৱা উপঢৌকনৰ লগত 'পাত আৰু তুলিকা' সহকাৰে চিত্ৰাংকনৰ সঁজুলি পঠিওৱাৰ কথা জনা যায়। বাণভট্টৰ 'হৰ্ষচৰিত' আৰু হিউৱেন-চাঙৰ টোকায়ো অসমত প্ৰাচীন কালৰে পৰা চিত্ৰকলাৰ চৰ্চা থকাৰ ইংগিত দিয়ে। অৱশ্যে 'সকলো কলাৰ গুৰু' শ্ৰীমন্ত শংকৰদেৱেহে অসমত চিত্ৰকলাৰ সোণালী সুঁতি মুকলি কৰে।

অতীত অসমৰ সত্ৰসমূহ চিত্ৰকলাৰ প্ৰাণকেন্দ্ৰ আছিল। সপ্তদশ শতিকাৰ আগৰ কোনো চিত্ৰৰ বা পুথিচিত্ৰৰ চিন-মোকাম পোৱা নাযায়। পুৰণি অসমত শিল্পকলা চৰ্চাৰ বোৱঁতী সুঁতি এটাৰ ধাৰণা পোৱা যায়। চিত্ৰ-ভাগৱতৰ চিত্ৰসমূহেই শতিকাটোৰ প্ৰথম নিদৰ্শন আৰু অসমৰ সচিত্ৰ পুথিসমূহৰ ভিতৰতো প্ৰাচীন। অসমৰ সেমেকা জলবায়ু, বান-বাৰিষাৰ প্ৰকোপ আৰু বৰষুণৰ দিনত উৰুখা ছালেৰে পৰা পানীয়ে সাঁচিপাত-তুলাপাত আদিত লেখা পুথি সংৰক্ষণ কৰাত সদায় বাধাৰ সৃষ্টি কৰে। চিত্ৰ-ভাগৱতৰ চিত্ৰৰাজি এনে এখন সমাজৰ দাপোণ, যিখন সমাজৰ সৰল জীৱন পদ্ধতি, আদিমতা, সুৰ আৰু সংগীতৰ প্ৰতি থকা দুৰ্বাৰ আকৰ্ষণ মূল সম্পদ। আহোম ৰজাঘৰে অসমত চিত্ৰকলা চৰ্চাৰ প্ৰতি পৃষ্ঠপোষকতা আগবঢ়োৱাৰ আগতেই চিত্ৰ-ভাগৱতৰ চিত্ৰসমূহৰ কাম শেষ হৈছিল।

খুব সম্ভৱতঃ পালযুগত অসমত পালশৈলীৰ চিত্ৰকলাৰ প্ৰচলন আছিল। অসমৰ সাঁচিপতীয়া, তুলাপতীয়া পুথিৰ চিত্ৰাৱলীৰ লগত পালশৈলীৰ চিত্ৰাৱলীৰ অতি বেছিকৈ সাদৃশ্য আছে। সেই কাৰণেই অসমৰ পুথিচিত্ৰবোৰ — বিহাৰ, বংগ, নেপাল, উৰিষ্যা আদিৰ পুথিচিত্ৰ, টংকা, পটচিত্ৰৰ সাদৃশ্য চকুত লগা বিধৰ। অসমৰ পুথিচিত্ৰৰ ধাৰা অপভ্ৰংশ শৈলীৰে অঁকা চিত্ৰধাৰাৰে পৰিণতি।

অসমত প্ৰাগ্-ঐতিহাসিক যুগৰে পৰা মানুহৰ বসতিৰ প্ৰমাণ আছে। প্ৰস্তৰ যুগৰ অসমত বাস কৰা মানুহৰ অস্ত্ৰ-শস্ত্ৰ বৰ্তমানৰ গাৰোপাহাৰ, নগাভূমি, উত্তৰ কাছাৰ আদিত আৱিষ্কৃত হৈছে। কিন্তু সেই প্ৰাগ্-ঐতিহাসিক মানৱৰ গুহা চিত্ৰাদি বৰ্তমানলৈ আৱিষ্কৃত হোৱা নাই।

কাৰুকলাৰ লগত অসমৰ চিত্ৰকলাৰ সমলেও ঠাই পাইছিল। সেই বস্তুৰ ভিতৰত কেইটিমান বস্তুৰ নাম তলত উল্লেখ কৰা হ'ল—

বহু ৰঙেৰে ৰং খুওৱা বেতৰ ভিতৰত নুৰিয়াই ভৰাই নিয়া কামৰূপৰ পাট আৰু মুগাৰ কাপোৰ; প্ৰিয়ংগফুলৰ দৰে ৰঙা ৰঙেৰে বোলোৱা চিত্ৰ-বিচিত্ৰ বেতৰ আসন, অৰ্থাৎ ৰং খুওৱা পাটিদৈৰ পাটী; 'চমৰূক' মৃগৰ আকাৰৰ বহু বৰণেৰে বনকৰা কোমল গাৰু; অগৰু গছৰ বাকলিত লিখা শুৱলা কথাৰ কেইখনমান গ্ৰন্থ। ইয়াৰে কেইবিধমান সমল কাৰুকলাৰ ভিতৰতহে পৰে। কিন্তু ছবি আঁকোতে ব্যৱহাৰ কৰা তুলিকা আৰু ছবি অঁকা ফুলাম কাঠৰ ফলি সম্পূৰ্ণ চিত্ৰকলাৰ প্ৰতিনিধিত্ব কৰা বস্তু। হৰ্ষচৰিতত উল্লেখ কৰা 'অগৰু বল্কল ৰচিত 'পুস্তকানি' অৰ্থাৎ সাঁচিপতীয়া পুথিৰ উল্লেখ, খ্ৰীষ্টীয় ৭ম শতিকাতো যে অসমত পুথি লিখাৰ কাৰণে সাঁচিপাতৰ ব্যৱহাৰ আছিল। উল্লেখযোগ্য যে পুথি লিখা আৰু ছবি অঁকাৰ কাৰণে সাঁচিপাতৰ ব্যৱহাৰ অসমৰ বাহিৰে পৃথিৱীৰ অন্য ঠাইত নাছিল।

পুৰণি অসমৰ তামৰ ফলি, শিলৰ ফলি, অসমত ৰচিত সংস্কৃত গ্ৰন্থ, বিদেশী ভ্ৰমণকাৰীৰ টোকা আদি অধ্যয়ন কৰিলে পুৰণি অসমৰ চিত্ৰকলাৰ বিষয়ে জনা যায়। অসমৰ হাতেলিখা পুথিবোৰ মনোযোগেৰে অধ্যয়ন কৰিলে বুজিব পাৰি যে সেই চিত্ৰৰ অংকনশৈলী পালযুগত (৯ম-১১শ শতিকা) অঁকা বৌদ্ধ আৰু জৈন ধৰ্মৰ পুথিৰ চিত্ৰশৈলীৰ ক্ৰমবিকাশৰ ফল মাত্ৰহে। সেই কাৰণেই পুৰণি অসমৰ পুথিচিত্ৰবোৰৰ অংকনশৈলী প্ৰাচীন, বিহাৰ, উৰিষ্যা, নেপালৰ পুথিচিত্ৰ আৰু পটচিত্ৰ, বৌদ্ধধৰ্মীয় ধৰ্মপতাকা (টংকা) আদিৰ লগত মিল দেখা যায়।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ এজন নিপুণ চিত্ৰশিল্পী আছিল। চৰিত পুথিৰ বৰ্ণনাত শ্ৰীশংকৰদেৱে তেওঁ কৰিবলৈ লোৱা চিহ্নযাত্ৰাৰ ভাওনাৰ বাবে সাত বৈকুণ্ঠৰ এখন সুবৃহৎ পট আঁকিছিল। এই বৈষ্ণৱ যুগতে বৈষ্ণৱ ধৰ্মৰ অনুপ্ৰেৰণাত নতুন উৎসাহেৰে অসমৰ চিত্ৰকৰসকলে পুথিচিত্ৰৰ ধাৰা নতুন ৰূপত প্ৰতিষ্ঠিত কৰিছে। ভাগৱত পুৰাণ, মহাভাৰত, ৰামায়ণ আদি অলেখ পুথি এই বৈষ্ণৱ যুগতে চিত্ৰিত কৰা হয়।

এই একে সময়তে অসমৰ স্বৰ্গদেউ প্ৰতাপসিংহ বুঢ়াৰজাৰ দিনত অসমৰ চাৰুকলা আৰু কাৰুকলাত বহুত উন্নতি আৰু পৰিৱৰ্তন ঘটে। ইয়াৰ পাছত মোগল আৰু ৰাজপুতনাৰ লগত ৰাজনৈতিক কাৰণত অসমৰ ৰজাঘৰৰ সম্বন্ধ ঘটে। আহোমৰ ৰাজদূত বৰকটকী, কটকীসকলে সঘনে মোগল দৰবাৰ আৰু ৰাজপুতনাৰ ৰজা-মহাৰজাসকলৰ ৰাজসভালৈ যাতায়াত কৰাত মোগল, ৰাজপুতৰ কলা-সংস্কৃতি তথা লঘুচিত্ৰ, পুথিচিত্ৰ, প্ৰতিকৃতি অংকন আদিৰ প্ৰতি ৰাজদূতসকলৰ দৃষ্টি আকৰ্ষিত হৈছিল আৰু সেইবোৰৰ বিষয়ে অসমৰ ৰাজসভাত বিৱৰণ দিছিল। ভাটিৰ সংস্কৃতি অসমলৈ অনাৰ কাৰণে নিয়োজিত বিষয়া খাউণ্ড আৰু ব'ৰাগীসকলেও অসমৰ চিত্ৰকলাৰ উন্নতিত অৰিহণা যোগাইছিল।

অসমৰ পুথি চিত্ৰকলা দুই ভাগত বিভক্ত। সেয়া হ'ল— ৰজাঘৰীয়া ধৰ্মনিৰপেক্ষ চিত্ৰকলা আৰু অসমৰ জনসাধাৰণৰ মাজত প্ৰচলিত আৰু সত্ৰসমূহত চৰ্চা কৰা ধৰ্মীয় চিত্ৰকলা। ধৰ্মীয় চিত্ৰকলাই ঘাইকৈ অসমৰ সত্ৰসমূহৰ পৃষ্ঠপোষকতা লাভ কৰে। ৰজাঘৰীয়া চিত্ৰকলাত কাব্য, আখ্যান, বুৰঞ্জী, নিদান, বিজ্ঞান আদিৰ পুথি চিত্ৰিত কৰা হৈছিল। সেই পুথিসমূহৰ ভিতৰত— হস্তিবিদ্যাৰ্ণৱ, শঙ্খচূড় বধ আদি। ধৰ্মীয় পুথিৰ চিত্ৰবোৰ পুথিৰ বৰ্ণিত বিষয়ৰ চিত্ৰৰূপহে মাথোন।

সুকুমাৰ বৰকায়ে ৰচনা কৰা আৰু দিলবৰ, দোচায়ে চিত্ৰিত



কৰা হস্তিবিদ্যাৰ্ণৱ নামৰ পুথিখন এখন লেখত ল'বলগীয়া চিত্ৰিত পুথি। এই পুথিত ৰাজপুত, পাহাৰী আৰু মোগল প্ৰভাৱ লক্ষ্য কৰা যায়। এই পুথিৰ চিত্ৰত অসমীয়া চিত্ৰকলাত আগতে ব্যৱহাৰ নোহোৱা কেইবাবিধো মিশ্ৰ ৰং ব্যৱহাৰ কৰিছে। যেনে— উজ্জ্বল ৰঙা, ইটাগুড়ীয়া, শেঁতা, ৰঙা, ক'লা, হালধীয়া, নীলা তদুপৰি পুৰৈয়া, পদুমবুলীয়া, আকাশী নীলা, পাতল সেউজীয়া আদি মিশ্ৰ ৰঙৰ ব্যৱহাৰে ৰঙত অনা-অসমীয়া প্ৰভাৱকে সূচায়।

ৰজাঘৰীয়া চিত্ৰকলাৰ উদাহৰণস্বৰূপে কেইখনমান পুথিৰ নাম যেনে— আউনীআটী সত্ৰৰ 'হাতীপুথি', পুৰাতত্ত্ব বিভাগৰ 'হস্তিবিদ্যাৰ্ণৱ', পুৰাতত্ত্ব বিভাগত সংৰক্ষিত 'শঙ্খচূড় বধ', কাব্য, কামৰূপ অনুসন্ধান সমিতিত সংৰক্ষিত গীতগোবিন্দ, আনন্দলহৰী, দৰং ৰাজবংশাৱলী, বুদবাৰী সত্ৰৰ কুমৰহৰণ, চলিহা বাৰেঘৰ সত্ৰৰ ৰামায়ণ, ধেমচীৰ পূৰ্ণকান্ত বুঢ়াগোহাঁইৰ সংগ্ৰহৰ 'ৰুক্মিণীহৰণ কাব্য' ইত্যাদি।

পুৰণি অসমৰ চিত্ৰকৰসকলে বেছিভাগ চিত্ৰ সাঁচিপাতত আঁকিছিল। পাছৰ যুগলৈ তুলাপাতৰ প্ৰচলন হোৱাত পুথি লিখি চিত্ৰিত কৰা তুলাপাতো ব্যৱহাৰ কৰিছিল। অসমত স্থানীয় তুলাপাত প্ৰস্তুত হোৱাৰ উপৰি অসমৰ উত্তৰ-পূবফালে থকা নৰাদেশ অথবা উত্তৰ ব্ৰহ্মৰ শ্বান ৰাজ্যৰ পৰাও বহু তুলাপাত অসমলৈ আহিছিল। পুৰণি অসমত তুলাপাতৰ পুথিতকৈ সাঁচিপাতৰ পুথিৰ সংখ্যা অধিক আছিল।



সাঁচিগছ বা অগৰু গছৰ ছাল এৰুৱাই কাটি আনি এটি কষ্টসাধ্য দীঘলীয়া প্ৰথাৰে পুথি লিখা বা অঁকাৰ কাৰণে সাঁচিপাতবোৰ অধিক মিহি কৰা হৈছিল। তাৰ পাছত এই পাতবোৰত মাটিমাহ, বৰা চাউলেৰে কৰা এবিধ প্ৰলেপৰ কৰাল খুৱাই অধিক মিহি আৰু পিছল কৰি লৈছিল। পোক-পৰুৱাই নাখাবলৈ সেই কৰালত কণিবিহৰ ৰস অথবা পাছৰ যুগত তুতীয়া মিহলাই লৈছিল। শেষত পাতবোৰ হাইতালেৰে বোলাই উজ্জ্বল কৰি শেষবাৰলৈ অতি সাৱধানেৰে ঘিলা মাৰি অধিক মিহি আৰু পিছল কৰি লৈছিল।

পুথিত চিত্ৰ অঁকাৰ কাৰণে অসমীয়া চিত্ৰকৰ বা খনিকৰসকলে কেইবাবিধৰো বেলেগ বেলেগ তুলিকা বা লেখনি ব্যৱহাৰ কৰিছিল। শকত আকাৰৰ তুলিকাবোৰক 'লেখনি' আৰু মিহি তুলিকাক 'ৰেখনি' বা 'ৰেসনি' বুলিছিল। এই তুলিকাবোৰ ছাগলী পোৱালিৰ গলধনৰ কোমল নোম, কেৰ্কেটুৱাৰ নোম, বৰ বগৰ কোমল পাখিৰে সাজি লৈছিল। ঠাই বিশেষে মেকুৰীৰ নোমৰ ব্যৱহাৰৰ কথা জনা যায়।

ধৰ্মীয় শাখাৰ চিত্ৰৰ চিত্ৰকৰসকলে ঘাইকৈ কেইবিধমানহে ৰং ব্যৱহাৰ কৰিছিল। যেনে— তেজীৰঙা, ইটাগুড়ীয়া, নীলা, বগা, সেউজীয়া আৰু ক'লা ৰঙেই মুখ্য ৰং আছিল। হেঙুল-হাইতাল আদি খনিজ ৰংবোৰ পটাত চন্দন পিহাৰ দৰে পিহি, কেঁচা বেলৰ এঠা, ঢেঁকীয়া শাকেৰে কৰা এঠা আৰু হাঁহকণীৰ বিজলুৱা পদাৰ্থ মিহলাই ছবি আঁকিছিল। ৰংবোৰ প্ৰস্তুত হ'লে জোনাই শামুকৰ খোলাত ভৰাই কোনো সঁজুলিৰে ঢাকি থৈছিল, যাতে ৰংবোৰ শুকাই নাযায়।

অসমৰ ধৰ্মীয় শাখাৰ কেইখনমান চিত্ৰিত পুথিৰ নাম তলত উল্লেখ কৰা হ'ল —

দশম স্কন্ধ ভাগৱত বা 'চিত্ৰ ভাগৱত', দশম স্কন্ধ ভাগৱত, বনমালীদেৱ চৰিত্ৰ, ৰাঙলী কীৰ্তন, অজামিল উপাখ্যান, চিত্ৰ ৰত্নাৱলী।



# সাম্প্ৰতিক কালত সামাজিক মাধ্যমৰ প্ৰাসংগিকতা -১

**পূজা বৰা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

সাম্প্ৰতিক সময়ত সামাজিক মাধ্যমৰ প্ৰভাৱ অপৰিসীম। সামাজিক মাধ্যম বা ছ'চিয়েল মিডিয়া আধুনিক জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰিছে, যি সমগ্ৰ বিশ্বৰ কোটি কোটি লোকক সংযোগ কৰিছে। সামাজিক মাধ্যম যাক ইংৰাজীত Social Media বুলি কোৱা হয়। বৰ্তমান সময়ত সামাজিক মাধ্যমৰ অবিহনে আমি আমাৰ জীৱনৰ কল্পনা কৰিবই নোৱাৰোঁ। আজিৰ সময়ত ছ'চিয়েল মিডিয়া (Social Media) প্ৰায় প্ৰতিটো পৰিয়ালতে উপনীত হৈছে, কিয়নো ছ'চিয়েল মিডিয়াক মানুহৰ মাজত সাম্প্ৰদায়িক বাৰ্তালাপ বুলি কোৱা হয়। সামাজিক হোৱাটো এক মানৱীয় প্ৰয়োজনীয়তা আৰু গুণগত মানদণ্ড হৈ পৰিছে আৰু এনে পৰিস্থিতিত, ছ'চিয়েল মিডিয়া হৈছে এক সঁজুলি— যি আজিকালি ইয়াৰ ব্যৱহাৰকাৰী অনুকূল বৈশিষ্ট্যৰ বাবে অতি জনপ্ৰিয় হৈ পৰিছে। সামাজিক মাধ্যমে মানুহৰ যোগাযোগ, বাৰ্তালাপ আৰু তথ্য ভাগ-বাটোৱাৰা কৰাৰ পদ্ধতিত বৈপ্লৱিক পৰিৱৰ্তন আনিছে। ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম, লিংকডইন আদিৰ দৰে প্লেটফৰ্মে পৰম্পৰাগত যোগাযোগ পদ্ধতি সলনি কৰিছে, এক গোলকীয় সম্প্ৰদায় সৃষ্টি কৰিছে— য'ত ভৌগোলিক সীমা নিৰ্বিশেষে মানুহে সংযোগ কৰিব পাৰে। যদিও ছ'চিয়েল মিডিয়াৰ বহুতো লাভালাভ আছে, ই সমাজৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলায়, ইতিবাচক আৰু নেতিবাচক দুয়োধৰণৰ। ফেচবুক, ইনষ্টাগ্ৰাম, টুইটাৰ আৰু লিংকডইনৰ দৰে প্লেটফৰ্মে

ব্যৱহাৰকাৰীসকলক তথ্য ভাগ-বাটোৱাৰা কৰিবলৈ আলোচনাত লিপ্ত হ'বলৈ, অৱগত থাকিবলৈ আৰু আনৰ সৈতে নেটৱৰ্ক কৰিবলৈ অনুমতি দিয়ে। আমি কেনেদৰে যোগাযোগ কৰোঁ, তথ্য ভাগ-বাটোৱাৰা কৰোঁ আৰু বিশ্বৰ সৈতে সম্পৰ্কিত হৈ থাকোঁ, সামাজিক মাধ্যমত বৈপ্লৱিক পৰিৱৰ্তন আহিছে। ই বহুতো সুবিধা প্ৰদান কৰে, যেনে সমগ্ৰ বিশ্বত তাৎক্ষণিক যোগাযোগ সক্ষম কৰা, নেটৱৰ্কিং সুবিধা প্ৰদান কৰা আৰু ব্যৱসায়বোৰক বহল দৰ্শকৰ ওচৰলৈ যোৱাৰ বাবে প্লেটফৰ্ম প্ৰদান কৰা। সামাজিক মাধ্যমে ব্যক্তিসকলক সৃষ্টিশীলভাৱে নিজকে প্ৰকাশ কৰিবলৈ আৰু সাম্প্ৰতিক ঘটনাবোৰৰ বিষয়ে অৱগত থাকিবলৈ ক্ষমতা প্ৰদান কৰে। অৱশ্যে, এই লাভালাভবোৰ (Social Media Advantages) থকা সত্ত্বেও ছ'চিয়েল মিডিয়াৰো ইয়াৰ নেতিবাচক দিশ আছে। অত্যধিক ব্যৱহাৰৰ ফলত আসক্তি, মানসিক স্বাস্থ্যৰ সমস্যা যেনে— উদ্বেগ আৰু হতাশা আৰু ভুল তথ্য বিয়পিব পাৰে। ইয়াৰ উপৰি ই মুখামুখি আদান-প্ৰদানত নেতিবাচক প্ৰভাৱ পেলাব পাৰে আৰু সৌন্দৰ্য আৰু সফলতাৰ অবাস্তৱ মানদণ্ড সৃষ্টি কৰিব পাৰে, যাৰ ফলত আত্মসন্মান প্ৰভাৱিত হ'ব পাৰে। যদিও ছ'চিয়েল মিডিয়াই সংযোগ আৰু জ্ঞান ভাগ-বাটোৱাৰা বৃদ্ধি কৰে, ইয়াৰ সম্ভাব্য অসুবিধাবোৰ পৰিহাৰ কৰিবলৈ এক সন্তুলিত দৃষ্টিভংগী বজাই ৰখাটো গুৰুত্বপূৰ্ণ।

সামাজিক মাধ্যমৰ ইতিবাচক প্ৰভাৱসমূহ তলত আলোচনা কৰা হ'ল ঃ

**(১) বৰ্ধিত যোগাযোগ আৰু সংযোগ (Enhanced Communication and Connectivity)**ঃ সামাজিক মাধ্যমে বিশ্বব্যাপি মানুহৰ মাজত ব্যৱধান দূৰ কৰিছে, যাৰ ফলত যোগাযোগ দ্ৰুত আৰু অধিক কাৰ্যকৰী হৈছে। ই ব্যৱহাৰকাৰীসকলক দূৰত্ব নিৰ্বিশেষে পৰিয়াল, বন্ধুবৰ্গ আৰু সহকৰ্মীৰ সৈতে সংযোজিত থাকিবলৈ অনুমতি দিছে। এই সংযোগে শক্তিশালী সম্পৰ্ক গঢ়ি তুলিছে আৰু জীৱনৰ গুৰুত্বপূৰ্ণ ঘটনা, বাতৰি আৰু তথ্য ভাগ-বাটোৱাৰা কৰাত সহায় কৰিছে।

**(২) তথ্য আৰু সজাগতা (Information and Awareness)** ঃ ছ'চিয়েল মিডিয়া প্লেটফৰ্মবোৰ বাতৰি আৰু তথ্যৰ প্ৰাথমিক উৎস হৈ পৰিছে। তেওঁলোকে গোলকীয় ঘটনাবোৰৰ ওপৰত বাস্তৱ সময়ৰ আপডেট প্ৰদান কৰে, যাৰ ফলত লোকসকলে অৱগত হৈ থকাটো সহজ হয়। ইয়াৰ উপৰি সামাজিক, ৰাজনৈতিক আৰু পাৰিপাৰ্শ্বিক বিষয়বোৰৰ বিষয়ে সজাগতা বৃদ্ধিত সামাজিক মাধ্যমেই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। Me Too আৰু ব্লেক লাইভছ মেটাৰৰ দৰে আন্দোলনে সামাজিক মাধ্যমৰ জৰিয়তে গতি লাভ কৰে, পৰিৱৰ্তনৰ বাবে ওকালতি কৰাত এই মঞ্চবোৰৰ শক্তিৰ ওপৰত আলোকপাত কৰে।

**(৩) শৈক্ষিক সুযোগ (Educational Opportunities)** ঃ সামাজিক মাধ্যমে এক মূল্যৱান শৈক্ষিক সঁজুলি হিচাপে কাম কৰে। ই তথ্য, টিউটোৰিয়েল আৰু অনলাইন পাঠ্যক্ৰমৰ এক সম্পদ প্ৰদান কৰে, যাৰ ফলত শিক্ষা অধিক সুলভ হয়। শিক্ষানুষ্ঠান আৰু পেছাদাৰীসকলে নেটৱৰ্ক, জ্ঞান ভাগ-বাটোৱাৰা আৰু কেৰিয়াৰৰ সুযোগ অন্বেষণ কৰিবলৈ লিংকডইনৰ দৰে প্লেটফৰ্ম ব্যৱহাৰ কৰে।

সামাজিক মাধ্যমৰ নেতিবাচক প্ৰভাৱসমূহ তলত আলোচনা কৰা হ'ল —

**(১) মানসিক স্বাস্থ্যৰ সমস্যা (Mental health issues)** ঃ যদিও সামাজিক মাধ্যম সমৰ্থন আৰু অনুপ্ৰেৰণাৰ উৎস হ'ব পাৰে, ই মানসিক স্বাস্থ্যৰ সমস্যাতো অৰিহণা যোগাব পাৰে। এক নিখুঁত প্ৰতিচ্ছবি উপস্থাপন কৰাৰ হেঁচা, হেৰাই যোৱাৰ ভয় (এফ.ও.এম.ও) আৰু আনৰ সৈতে নিৰন্তৰ তুলনা ৰখাৰ ফলত উদ্বেগ, হতাশা আৰু নিম্ন আত্মসন্মান হ'ব পাৰে। চাইবাৰ উৎপীড়ন আৰু অনলাইন উৎপীড়নো গুৰুত্বপূৰ্ণ বিষয়, বিশেষকৈ যুৱ লোকসকলৰ মাজত।

**(২) গোপনীয়তা আৰু সুৰক্ষাৰ উদ্বেগ (Privacy and Security Concerns)** ঃ সামাজিক মাধ্যমত ভাগ-বাটোৱাৰা কৰা বিশাল পৰিমাণৰ ব্যক্তিগত তথ্যই গুৰুতৰ গোপনীয়তা আৰু সুৰক্ষাৰ উদ্বেগ বৃদ্ধি কৰে। ডাটা উলংঘন আৰু সংবেদনশীলতা তথ্যৰ অনুমোদিত প্ৰৱেশাধিকাৰৰ ফলত পৰিচয় চুৰি, বিত্তীয় লোকচান আৰু অন্যান্য সুৰক্ষা বিপদ শংকা হ'ব পাৰে। ইয়াৰ উপৰি, লক্ষ্যযুক্ত বিজ্ঞাপনৰ বাবে কোম্পানীবোৰে ব্যক্তিগত তথ্যৰ অপব্যৱহাৰে ডিজিটেল গোপনীয়তা সম্পৰ্কে বিতৰ্কৰ সৃষ্টি কৰিছে।

**(৩) ভুল তথ্যৰ প্ৰসাৰ (Spread of Misinformation)**ঃ সামাজিক মাধ্যম বা ছ'চিয়েল মিডিয়াৰ যদিও বাতৰিৰ দ্ৰুত প্ৰচাৰ সক্ষম কৰে, ই ভুল তথ্য আৰু ভুৱা বাতৰি প্ৰচাৰ কৰাত সহায় কৰে। তথ্য পৰীক্ষাৰ অভাৱ আৰু ছ'চিয়েল মিডিয়াৰ ভাইৰেল প্ৰকৃতিয়ে মিছা তথ্য বৃদ্ধি কৰিব পাৰে, যাৰ ফলত বিভ্ৰান্তি আৰু ভুল তথ্য সৃষ্টি হ'ব পাৰে।

**(৪) সম্পৰ্কৰ ওপৰৰ প্ৰভাৱ (Impact on Relationships)** ঃ সামাজিক মাধ্যমে সম্পৰ্ক শক্তিশালী আৰু চাপ দিব পাৰে। যদিও ই লোকসকলক সংযোজিত হৈ থকাত সহায় কৰে, ই দূৰত্ব আৰু নিৰ্লিপ্ততাৰ অনুভূতিও সৃষ্টি কৰিব পাৰে। ভাৰ্চুৱেল যোগাযোগৰ প্ৰচলনৰ ফলত মুখামুখি বাৰ্তালাপ হ্ৰাস হ'ব পাৰে, যাৰ ফলত সম্পৰ্কৰ মানদণ্ড প্ৰভাৱিত হ'ব পাৰে। ইয়াৰ



উপাৰি, সামাজিক মাধ্যমৰ ৰাজহুৱা প্ৰকৃতিৰ ফলত কেতিয়াবা ভুল বুজাবুজি আৰু বিবাদ হ'ব পাৰে।

**(৫) ৰাজনৈতিক মেৰুকৰণ (Political Polarization)** ঃ ছ'চিয়েল মিডিয়া ৰাজনৈতিক আলোচনাৰ এক মঞ্চ হৈ পৰিছে, যাৰ ফলত মানুহে তেওঁলোকৰ মতামত প্ৰকাশ কৰিব পাৰে আৰু বিতৰ্কত লিপ্ত হ'ব পাৰে। অৱশ্যে ই ইকো-চেম্বাৰ সৃষ্টি কৰি ৰাজনৈতিক মেৰুকৰণত অৰিহণা যোগাব পাৰে, য'ত ব্যৱহাৰকাৰীসকল কেৱল তেওঁলোকৰ বিশ্বাসৰ সৈতে সংগতি ৰাখি তথ্যৰ সন্মুখীন হয়। ই পক্ষপাতিত্বক শক্তিশালী কৰিব পাৰে আৰু সামাজিক বিভাজন গভীৰ কৰিব পাৰে।

আমাৰ জীৱনৰ বিভিন্ন দিশৰ ওপৰত ইয়াৰ ব্যাপক প্ৰভাৱৰ বাবে আজিৰ ডিজিটেল যুগত সামাজিক মাধ্যমক বুদ্ধিমত্তাৰে ব্যৱহাৰ কৰাটো গুৰুত্বপূৰ্ণ। প্ৰথমতে, ছ'চিয়েল মিডিয়া প্লেটফৰ্মে মানসিক স্বাস্থ্যৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাব পাৰে। অত্যধিক ব্যৱহাৰ বা অপব্যৱহাৰৰ ফলত উদ্বেগ, হতাশা আৰু নিম্ন আত্মসন্মান হ'ব পাৰে। প্ৰায়ে আনৰ নিখুঁত জীৱনৰ সৈতে তুলনা ৰখাৰ ফলত অতিবাহিত কৰা সময় আৰু ব্যৱহাৰ কৰা সমলৰ প্ৰতি সতৰ্ক হৈ, ব্যক্তিসকলে তেওঁলোকৰ মানসিক সুস্থতা সুৰক্ষিত কৰিব পাৰে আৰু এক স্বাস্থ্যকৰ অনলাইন পৰিৱেশ গঢ়ি তুলিব পাৰে।

দ্বিতীয়তে, গোপনীয়তা আৰু সুৰক্ষা বজাই ৰখাৰ বাবে সামাজিক মাধ্যমৰ জ্ঞানী ব্যৱহাৰ অত্যাৱশ্যকীয়। ব্যক্তিগত তথ্য নিৰ্বিচাৰভাৱে ভাগ-বাটোৱাৰা কৰিলে ব্যক্তিসকলক পৰিচয় চুৰি, চাইবাৰ উৎপীড়ন আৰু উৎপীড়নৰ দৰে বিপদ শংকাৰ সন্মুখীন হ'ব পাৰে। গোপনীয়তা ছেটিংছ বুজি পোৱা আৰু ব্যৱহাৰ কৰা, ভাগ-বাটোৱাৰা কৰাবোৰৰ বিষয়ে সতৰ্ক হোৱা আৰু সম্ভাব্য কেলেংকাৰী আৰু ফিছিং প্ৰচেষ্টাৰ বিষয়ে অৱগত হোৱা গুৰুত্বপূৰ্ণ। এই দিশবোৰৰ ওপৰত নিজকে শিক্ষিত কৰিলে ব্যক্তিগত তথ্য সুৰক্ষিত কৰিব পাৰে আৰু এক সুৰক্ষিত ডিজিটেল উপস্থিতি সৃষ্টি কৰিব পাৰে।

তদুপৰি, ছ'চিয়েল মিডিয়া হৈছে যোগাযোগ আৰু নেটৱৰ্কিঙৰ বাবে এক শক্তিশালী সঁজুলি, পেছাদাৰী আৰু ব্যক্তিগতভাৱে। ইয়াক ন্যায়সংগতভাৱে ব্যৱহাৰ কৰিলে কেৰিয়াৰৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে, অৰ্থপূৰ্ণ সংযোগ গঢ়ি তুলিব পাৰে আৰু ধাৰণাবোৰৰ আদান-প্ৰদান সহজ কৰিব পাৰে। অৱশ্যে, দায়িত্বহীন ব্যৱহাৰ যেনে— অনুপযুক্ত সমল পোষ্ট কৰা বা নেতিবাচক আচৰণত লিপ্ত হোৱা, খ্যাতি আৰু সম্পৰ্কৰ ক্ষতি কৰিব পাৰে। অনলাইন কাৰ্যৰ দীৰ্ঘম্যাদী প্ৰভাৱৰ বিষয়ে অৱগত হোৱাটোৱে অধিক চিন্তাশীল আৰু ইতিবাচক বাৰ্তালাপক উৎসাহিত কৰে।

ইয়াৰ উপৰি, ছ'চিয়েল মিডিয়া ভুল তথ্য আৰু ভুৱা বাতৰিৰ উৎস হ'ব পাৰে, যি জনমত আৰু সিদ্ধান্ত লোৱাত প্ৰভাৱ পেলাব পাৰে। সন্মুখীন হোৱা তথ্য, ক্ৰছ-ৰেফাৰেন্সিং উৎস আৰু সঠিক সমল প্ৰচাৰৰ দ্বাৰা, ব্যৱহাৰকাৰীসকলে অধিক অৱগত আৰু বিচক্ষণ অনলাইন সম্প্ৰদায়লৈ অৰিহণা যোগাব পাৰে। এই সতৰ্কতাই মিছা তথ্য বিয়পা প্ৰতিহত কৰাত সহায় কৰে আৰু সত্য আৰু দায়বদ্ধতাৰ সংস্কৃতি গঢ়ি তোলে।

শেষত, সমাজৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ বহুমুখী, যি গুৰুত্বপূৰ্ণ লাভালাভ আৰু উল্লেখযোগ্য প্ৰত্যাহ্বান দুয়োটা প্ৰদান কৰে। ই যোগাযোগত বৈপ্লৱিক পৰিৱৰ্তন আনিছে, সমগ্ৰ বিশ্বত তাৎক্ষণিক সংযোগ সক্ষম কৰিছে, সামূহিক নিৰ্মাণ তৈয়াৰ কৰিছে আৰু সামাজিক সক্ৰিয়তাৰ বাবে মঞ্চ প্ৰদান কৰিছে। অৱশ্যে, ই গোপনীয়তাৰ উদ্বেগ, মানসিক স্বাস্থ্যৰ সমস্যা আৰু ভুল তথ্য বিয়পোৱাৰ দৰে বিপদ শংকাও সৃষ্টি কৰে। সামাজিক মাধ্যমৰ ইতিবাচক দিশবোৰ ব্যৱহাৰ কৰা আৰু ইয়াৰ প্ৰতিকূল প্ৰভাৱ হ্ৰাস কৰাৰ মাজৰ ভাৰসাম্য অতি গুৰুত্বপূৰ্ণ। সমাজৰ ওপৰত সামাজিক মাধ্যমৰ প্ৰভাৱ গভীৰ আৰু বহুমুখী। যিহেতু প্ৰযুক্তিৰ বিকাশ অব্যাহত আছে, এই প্লেটফৰ্মবোৰ দায়িত্বশীলভাৱে বুজি পোৱা আৰু নেভিগেট কৰাটো গুৰুত্বপূৰ্ণ, নিশ্চিত কৰা যে ই সংযোগ, শিকা আৰু ইতিবাচক পৰিৱৰ্তনৰ সঁজুলি হিচাপে কাম কৰে।

# সাম্প্ৰতিক কালত সামাজিক মাধ্যমৰ প্ৰাসংগিকতা -২

**ত্ৰিনয়না আদিত্য**
২য় যান্মাষিক

বৰ্তমান মানৱ সমাজৰ অবিচ্ছেদ্য অংগ হিচাপে পৰিগণিত হোৱা এটি মাধ্যম হৈছে "সামাজিক মাধ্যম"।

**সামাজিক মাধ্যম মানে কি?**

সামাজিক মাধ্যম যাক ইংৰাজীত 'Social Media' (ছ'চিয়েল মিডিয়া) বুলি জনা যায়। আধুনিক জীৱনৰ এক অবিচ্ছেদ্য অংগ হৈ পৰা এই মাধ্যমে সমগ্ৰ বিশ্বৰ কৌটি কৌটি লোকৰ মাজত সংযোগ স্থাপন কৰিছে। আধুনিক উন্নত প্ৰযুক্তি কৌশলৰ ফলত সম্ভৱ হৈ পৰিছে নানা আশ্চৰ্যকৰ সৃষ্টিৰ। সামাজিক মাধ্যমো এই প্ৰযুক্তি কৌশলৰ ফলতে সম্ভৱ হোৱা এক বাস্তৱ উমৈহতীয়া মঞ্চ। য'ত ইণ্টাৰনেট সংযোগী মোবাইল বা কম্পিউটাৰত চৰকাৰী-বেচৰকাৰী, ব্যক্তিগত আৰু ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠান, বিভিন্ন সংগঠন আদিয়ে অনেক বিষয় উপস্থাপন কৰিব পাৰে। সামাজিক মাধ্যমেই মানুহৰ যোগাযোগ, বৰ্তালাপ আৰু তথ্য ভাগ বতৰা কৰাৰ পদ্ধতিত বৈপ্লৱিক পৰিৱৰ্তন আনিছে। ফেচবুক, টুইটাৰ, ইনষ্টাগ্ৰাম, লিংকউইন আদিৰ দৰে প্লেটফৰ্মে পৰম্পৰাগত যোগাযোগ পদ্ধতি সলনি কৰিছে। এক গোলকীয় সম্প্ৰদায় সৃষ্টি কৰিছে, য'ত ভৌগলিক সীমা নিৰ্বিশেষে মানুহে সংযোগ কৰিব পাৰে। এই মাধ্যমে গোটেই পৃথিৱীখনকে এখন ঘৰ আৰু এটা পৰিয়ালৰ দৰে সাঙুৰি পেলাইছে।

**সামাজিক মাধ্যমৰ বিভিন্ন প্ৰকাৰ ঃ**

ব্যৱহাৰৰ বিভিন্ন দিশ আৰু উদ্দেশ্যসমূহ লক্ষ্য কৰি সামাজিক মাধ্যমৰ প্ৰকাৰ নিম্নোক্ত ধৰণে উল্লেখ কৰা হ'ল—

- ছ'চিয়েল নেটৱৰ্কিং ছাইট ঃ ফেচবুক, টুইটাৰ, লিংকইন ইত্যাদি।
- ভিদিঅ' হষ্টিং ছাইট ঃ ইউটিউব।
- ইমেজ চেয়াৰিং ছাইট ঃ ইনষ্টাগ্ৰাম, স্নেপচাট্ আদি।
- ছ'চিয়েন ৰিভিউ ছাইট ঃ য়েল্প আৰু ট্ৰিপ এডভাইছৰ।
- কমিউনিটি ব্লগ ঃ মিডিয়াম আৰু টাম্বলাৰ।
- ডিচ্‌কাশ্যচ ছাইট ঃ ৰেড্ডিট আৰু ক্যুৰা।

**সামাজিক মাধ্যমৰ উপকাৰিতা আৰু অপকাৰিতা ঃ**

পৃথিৱীৰ সকলোবোৰ ভৌতিক বস্তুৰে ভাল আৰু বেয়া দুয়োটা দিশ থকাৰ দৰে সামাজিক মাধ্যমৰো ভাল-বেয়া অৰ্থাৎ উপকাৰিতা আৰু অপকাৰিতা দুয়োটাই পৰিলক্ষিত হয়। উপকাৰী দিশসমূহ তলত আলোচনা কৰা হ'ল—

**বৰ্ধিত যোগাযোগ আৰু সংযোগ ঃ** সামাজিক মাধ্যমে বিশ্বব্যাপী সকলো মানুহৰ মাজত ব্যৱধান দূৰ কৰিছে, যাৰ ফলত যোগাযোগ দ্ৰুত আৰু অধিক কাৰ্যকৰী হৈছে। এই মাধ্যম ব্যহাৰকাৰীসকলক দূৰত্ব নিৰ্বিশেষে পৰিয়াল, বন্ধুবৰ্গ, সহকৰ্মীৰ সৈতে সংযোজিত থাকিবলৈ অনুমতি দিয়ে। এই সংযোগে জীৱনৰ গুৰুত্বপূৰ্ণ ঘটনা বাতৰি আৰু তথ্য ভাগ বতৰা কৰাত সহায় কৰিছে।

**তথ্য আৰু সজাগতা ঃ** ছ'চিয়েল মিডিয়া প্লেটফৰ্মবোৰ বাতৰি আৰু তথ্যৰ প্ৰাথমিক উৎস হৈ পৰিছে। তেওঁলোকে গোলকীয় ঘটনাবোৰৰ ওপৰত বাস্তৱ সময়ৰ আপডেট প্ৰদান কৰে, যাৰ ফলত লোকসকলে অৱগত হৈ থকাটো সহজ হয়। ইয়াৰ উপৰি সামাজিক, ৰাজনৈতিক আৰু পাৰিপাৰ্শ্বিক বিষয়বোৰৰ বিষয়ে সজাগতা বৃদ্ধিত সামাজিক মাধ্যমেই এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

**ব্যৱসায় ক্ষেত্ৰত ভূমিকা ঃ** ব্যৱসায়ীসকলে তেওঁলোকৰ ব্যৱসায়সমূহ এক বহল দৰ্শকৰ ওচৰলৈ যাবলৈ আৰু তেওঁলোকৰ সেৱা আৰু সামগ্ৰীসমূহৰ প্ৰচাৰ কৰিবলৈ সামাজিক মাধ্যমৰ সহায়

লয়। এই মাধ্যমে কোম্পানীসমূহৰ সৈতে গ্ৰাহকসকল জড়িত হোৱা ব্ৰেণ্ডৰ আনুগত্য গঢ়ি তোলা আৰু গ্ৰাহকৰ আচৰণৰ বিষয়ে মূল্যৱান প্ৰাপ্ত কৰাৰ এক ব্যয়সাধ্য উপায় প্ৰদান কৰে।

**শৈক্ষিক সুযোগ ঃ** সামাজিক মাধ্যমে এক মূল্যৱান শৈক্ষিক সঁজুলি হিচাপে কাম কৰে। ই তথ্য টিউটৰিয়েল আৰু অনলাইন পাঠ্যক্ৰমৰ এক সম্পদ প্ৰদান কৰে, যাৰ ফলত শিকনৰ অধিক সুলভ হয়।

**সামাজিক মাধ্যমৰ নেতিবাচক দিশসমূহ তলত আলোচনা কৰা হ'ল—**

**মানসিক স্বাস্থ্যৰ সমস্যা ঃ** যদিও সামাজিক মাধ্যম যোগাযোগ আৰু অনুপ্ৰেৰণাৰ উৎস, তথাপিও ই মানসিক স্বাস্থ্যৰ সমস্যাতো অৰিহণা যোগায়। আনৰ সৈতে নিৰন্তৰ তুলনা ৰখাৰ ফলত উদ্বেগ, হতাশা আৰু নিম্ন চিন্তাধাৰা গঢ় লৈ উঠিছে।

**অধ্যয়নৰ প্ৰতি ধাউতি কামি গৈছে ঃ** দেশৰ যুৱ প্ৰজন্ম বা ছাত্ৰ-ছাত্ৰীসকলে বেছিকৈ সামাজিক মাধ্যমৰ প্ৰতি আসক্ত হোৱাৰ ফলত অধ্যয়নৰ প্ৰতি ধাউতি কমিছে, লগতে নিজৰ আৰু পৰিয়ালৰ প্ৰতি থকা দায়িত্ব আৰু কৰ্তব্য পাহৰি গৈছে, যিটো দেশৰ ভৱিষ্যতৰ বাবে শুভ লক্ষণ নহয়।

**অসামাজিক কাযচ্ছ্যুত লিপ্ত ঃ** অপৈনত অৱস্থাতে সামাজিক মাধ্যমত সোমাই পৰাৰ ফলত বহুতো কিশোক-কিশোৰীয়ে অসামাজিক আৰু বিভিন্ন ধৰণৰ অপৰাধৰ লগত জড়িত হৈ পৰিছে।

**শাৰীৰিক সমস্যা ঃ** সামাজিক মাধ্যম অধিক ব্যৱহাৰ ফলত শাৰীৰিক শ্ৰমৰ পৰিমান কমি গৈছে, শ্ৰমহীন শৰীৰত বিভিন্ন ৰোগে দেখা দিয়ে। বহুপ ৰাতিলৈকে এইবোৰত ব্যস্ত থকাৰ ফলত লোকৰ পৰ্যাপ্ত টোপনি নহয়, যি শৰীৰৰ বাবে হানিকাৰক, তদুপৰি চকুৰ ৰোগ, মূৰৰ বিষ আদি হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰে।

**ভুল তথ্যৰ প্ৰচাৰ ঃ** সামাজিক মাধ্যমত কিছুমান ভুল তথ্য আৰু ভুৱা বাতৰি প্ৰচাৰ কৰাতে সহায় কৰে। তথ্য পৰীক্ষাৰ অভাৱ আৰু ছ'চিয়াল মিডিয়াৰ ভাইৰেল প্ৰকৃতিয়ে মিছা তথা বৃদ্ধি কৰিব পাৰে, যাৰ ফলত বিভ্ৰান্তি আৰু ভুল তথ্য সৃষ্টি হ'ব পাৰে।

**শিক্ষাৰ ক্ষেত্ৰত সামাজিক মাধ্যম**

শিক্ষাবিদসকলে সামাজিক মাধ্যম ব্যৱস্থাৰ জৰিয়তে এক স্পষ্ট ৰণনীতি বিকশিত কৰিব পাৰে, নিৰ্দিষ্ট লক্ষ্য নিৰ্ধাৰণ কৰিব পাৰে আৰু ইয়াক শৈক্ষিক উদ্দেশ্যৰ সৈতে সংগতি ৰাখি ব্যৱহাৰ কৰিব পাৰি। উদাহৰণস্বৰূপে শিক্ষাবিদসকলে এছাইনমেণ্ট মেনেজমেণ্টৰ বাবে গুগল শ্ৰেণীকোঠা, শ্ৰেণীকোঠাৰ বাৰ্তালাপৰ বাবে এডমোডা আদি ব্যৱহাৰ কৰিব পাৰে। শিক্ষাৰ্থীসকলে শিক্ষকসকলৰ সৈতে বৰ্ধিত যোগাযোগ, শৈক্ষিক সম্পদৰ প্ৰৱেশাধিকাৰ সহযোগিতামূলক শিকাৰ সুযোগ আৰু গোলকীয় নেটৱৰ্কিঙৰ দ্বাৰা লাভান্বিত হ'ব পাৰে।

**সামাজিক মাধ্যমৰ ভৱিষ্যৎ দিশসমূহ**

- **শৈক্ষিক প্ৰযুক্তিৰ একত্ৰীকৰণ ঃ** শিক্ষাৰ ক্ষেত্ৰত সামাজিক মাধ্যমৰ ভৱিষ্যৎ উন্নত শৈক্ষিক প্ৰযুক্তিৰ একত্ৰীকৰণত নিহিত আছে। উদীয়মান প্ৰযুক্তি যেনে— ভাৰ্চুৱেল ৰিয়েলিটি (Virtual Reality, VR), অগমেণ্টড ৰিয়েলিটি (Augmented Reality, AR) আৰু কৃত্ৰিম বুদ্ধিমতা (Artificial Intelligence, AI) য়ে শিকাৰ অভিজ্ঞতা বৃদ্ধি কৰিব পাৰে আৰু শিক্ষাৰ্থীসকলক জড়িত কৰাৰ অভিনৱউপায় প্ৰদান কৰিব পাৰে। সামাজিক মাধ্যমৰ আন্তঃক্ৰিয়ামূলক শৈক্ষিক পৰিৱেশ সৃষ্টি কৰিবলৈ এই প্ৰযুক্তিবোৰ ক্ৰমান্বয়ে অন্তভুৰ্ক্ত কৰিব লাগে।
- **ডিজিটেল সাক্ষৰতাৰ ওপৰত গুৰুত্ব ঃ** যিহেতু সামাজিক মাধ্যম বিকশিত হৈ আছে, ডিজিটেল সাক্ষৰতা শিক্ষাৰ ওপৰত অধিক গুৰুত্ব দিয়া হ'ব। শিক্ষাৰ্থীসকলক কেনেদৰে দায়বদ্ধতাৰে সামাজিক মাধ্যমত অন্তৰ্ভুক্ত কৰিব লাগে, অনলাইন সমলৰ গুৰুত্বসহকাৰে মূল্যাঙ্কন কৰিব লাগে আৰু সঁজুলিবোৰ কাৰ্যকাৰীভাৱে ব্যৱহাৰ কৰিব লাগে তাৰ ওপৰত পাঠ্যক্ৰম অন্তৰ্ভুক্ত কৰিব লাগে।

**সামৰণি ঃ**

গতিশীল সময়ৰ লগত খোজ মিলাই নিজকে আগুৱাই নিয়াটোৱেই মানুহৰ কৰ্ম আৰু ধৰ্ম। বৰ্তমান সময়ত সামাজিক মাধ্যম এক অপৰিহাৰ্য বিষয়। ইয়াৰ ফলাফল নিৰ্ভৰ কৰে ব্যৱহাৰৰ ওপৰত। ব্যৱহাৰকাৰীসকলে ইয়াৰ বেয়া দিশবোৰ আওকান কৰি ভাল দিশসমূহ গ্ৰহণ কৰিলে জীৱনত উদ্‌গতি লাভ কৰিব পাৰিব।





# অৰূপা পটংগীয়া কলিতাৰ ফেলানী

## এক বিহংগম দৃষ্টি

**ৰূপশিখা ডেকা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ভূগোল বিভাগ

অৰূপা পটংগীয়া কলিতাৰ ফেলানী। এগৰাকী মহিলাৰ জীৱনৰ কৰুণতম হৃদয়ৱান বৰ্ণনাৰ সমষ্টি ফেলানী। কিমান বাসনা থাকিলে এগৰাকী নাৰী জয়ী হ'ব পাৰে নিজৰ অস্তিত্বৰ ৰক্ষাৰ যুঁজখনত? সংঘৰ্ষই তচ-নচ কৰা সত্বেও, এগৰাকী নাৰীয়ে কিদৰে পালন কৰিব পাৰে মাতৃত্বৰ দায়িত্ব? জীৱনমুখী সপোনবোৰে ঊৰ্দ্ধমুখী গতি দিয়া নাৰীগৰাকীৰ কল্পনাতীত জীৱনশৈলী। সেই বিশেষ নাৰীগৰাকীৰ অবিৰত কাহিনীৰে আজিৰ বিশেষ পুথি সমালোচনা।

কোন এই ফেলানী? অভিশপ্ত সময়ত মৃত্যুক পৰাভূত কৰি অস্তিত্ব ঘোষণা কৰা এক সত্তা। জাতি-ধৰ্ম নিৰ্বিশেষে সুবিশাল মানৱতাৰ জয়গান গোৱা এই প্ৰতীকৰ নাম ফেলানী। মৌজাদাৰৰ জীয়াৰী ৰত্নমালা আৰু মাউত কিনাৰাম বড়োৰ নাতি ফেলানী। দখনা পিন্ধা যুতিমালা আৰু ক্ষীতিশ ঘোষৰ জীয়াৰী সেইজনী ফেলানী। আন্দোলনৰ সময়, সকলো তল-ওপৰ চাৰিওফালে ভয় আৰু আতংক। পাত এখিলা সৰিলেও উচাপ খায় উঠে, গোটেই গাঁওখনৰ মানুহে নিৰাপদ স্থানলৈ যোৱাৰ কথা ভাবিছে। লম্বোদৰেও ফেলানীক পুৰাতে অলপ অলপ বস্তু সামৰি থ'বলৈ কৈ তিনিআলিলৈ ওলাই গ'ল। কিবা ভাবি ভাবি শুই থকা মণিৰ

কাষলৈ গ'ল ফেলানী, আলফুলে চুমা এটা খাব বিচাৰিও নোৱাৰিলে। গৰ্ভৱতী ফেলানীৰ পেটটোৱে ভাঁজ সলাইছে। দীঘলকৈ উশাহ লোৱা ফেলানীৰ মুখত অলপ সময়ৰ বাবে হাঁহিটো বিৰিঙি নোহোৱা হ'ল। বস্তু সামৰিব বুলি ফেলানীয়ে অলংকাৰৰ টোপোলাটো উলিয়ালে। জোৰিৰিসহ, কৈড মণিধাৰ ৰ'দত চিক্‌মিকাই উঠিল। কৈড মণিধাৰে বহন কৰিছে মৌজাদাৰৰ পৰিয়ালৰ, ফেলানীৰ আইতাক ৰত্নমালাৰ ইতিহাস। গিৰিয়েকৰ মাত শুনি খক-মককৈ অলংকাৰৰ টোপোলাটো বাকচত ভৰালে ফেলানীয়ে। লম্বোদৰে কৈ উঠিল— "সামৰা-সোতৰা হ'লনে? কাইলৈ পুৱাতে..." ইফালে ভিতৰত মণিক সাবটি হুক্‌হুকাই কান্দি উঠিল ফেলানী। লম্বোধৰে কৈ উঠিল, "অ মালতী, এনেখন নকৰিবিচোন! মই মানুহটো মৰি যোৱা নাই নহয়।" দিনৰ পোহৰত প্ৰথমবাৰৰ বাবে গিৰিয়েকৰ মুখত ফেলানী শব্দটো শুনি ফেলানী শিহৰিত হৈ উঠিল। নতুন ঘৰ এখনলৈ যাওঁতে পাৰিবনে এই মাতষাৰ টোপোলা বান্ধি নিব। সেই সময়ত একেথৰে গিৰিয়েকৰ মুখলৈ চাই থাকিল। বেলি তেতিয়া পশ্চিম দিশত, চোতালতে মুঢ়া এটা পাৰি চুলিকোছাত তেল সানিবলৈ বহিল ফেলানী। মাকৰ সোণেৰে বন্ধোৱা সাখাকেইপাট চাই অলপ সময় ওচৰত থৈ অনুভৱ কৰিলে মাক গোন্ধ, নাৰিকল তেলৰ গোন্ধ নহয়। সেই সময়ত মামণিৰ দেউতাক বীৰেন বৈশ্যৰ কাঁহৰ শব্দত চেতন আহিল ফেলানীৰ। হাতৰ সাখাকেইপাট লৈ কত্‌-কত্‌কৈ চায়, মানুহজনে কৈ উঠিল— "তই এইসোপা খোলা নাই হা? এইসোপাৰ কাৰণেই মৰিবি। যেতিয়া আহিব, হাতীয়ে মহটিয়াই নিয়া দি নিব..."

কোনোবাই ক'লে বুলিয়ে খুলিব নোৱাৰি মাকৰ গোন্ধটোৰ কথা কোনে বুজিব। ইতিমধ্যে গাঁৱৰ আটাইবোৰ মানুহেই গাঁও এৰিছে পিছদিনা পুৱা আটায়ে গাঁও এৰা সিদ্ধান্ত ল'লে। লম্বোদৰে ভাবিলে ডাংকোলা কৰি হ'লেও ফেলানীক নিব লাগিব। কেৱল মাত্ৰ ৰাতিটো পাৰ হওক। নিশা মণিৰ কপালত হাত ফুৰাই লম্বোদৰ পহৰালৈ যাবলৈ ওলাল। হাতত লাঠী আৰু টৰ্চটো লৈ কিবা এটা ভাবি দুৱাৰমুখৰ পৰা উভতি আহিল লম্বোধৰ। ফেলানীৰ গধুৰ দেহাটো আলফুলে সাবটি ক'লে— "মালতী, অ' মোৰ মালতী তই এনেকৈ মন মাৰি নাথাকিবি, মই মানুহটো আছোঁ গুচি যাম।" মালতীৰ হাতৰ সাখাকেইপাট চুই কিবা ক'ব খুজিও নক'লে লম্বোদৰে। মণিৰ কাষতে বাগৰ দিলে ফেলানীয়ে, মুখখনত লাগি থাকিল এটা খহটা স্পৰ্শ। নিশা এক আচৰিত শব্দত উচাপ খাই উঠিল মণি আৰু ফেলানী। প্ৰথমে নাগাৰা, শংখৰ শব্দ, তাৰ পাছত মৰণকাতৰ চিঞৰ, ফটকাতকৈ গোটা কিবা শব্দ। ফেলানীৰ নাকত লাগিল সাৰ সাৰ গোন্ধ দুৱাৰৰ ফাঁকেৰে দেখিলে, বাহিৰত ৰঙচুৱা পোহৰ। জুয়ে এটাৰ পাছত এটাকৈ ঘৰ সামৰি লৈছে, চৌদিশে হুছেইলৰ তীক্ষ্ণ শব্দ, কি কৰিম কি নকৰিম ভাবি মণিৰ মুখখনত টেপা মাৰি ধৰি বাৰীৰ চুকত থকা জাবৰৰ গাতটোলৈ নামি গ'ল ফেলানী। মুহূৰ্ততে পেট্ৰল আৰু কেৰাচিনৰ শব্দই চৌদিশ আৱৰি ধৰিলে। তাই চকুৰ সন্মুখতে মৰমৰ ঘৰখন দাউ-দাউকৈ জ্বলিল। মণিক কলচোৱা মাজলৈ সুমুৱাই, ফেলানিয়ে পেটটো খামুচি ধৰিছে। নাগাৰা, শংখ একেলগে বাজিছে, ফেলানীৰ পেটটোৱে বাগৰ সলাইছে। বুকুখন খুন্দা মাৰি ধৰিছে। জাকে জাকে মানুহ দৌৰিছে, এহাতে পেটটো ধৰি এহাতে মণিক ধৰি কুৰুকি কুৰুকি পাতবোৰৰ মাজলৈ সোমাই গ'ল ফেলানী। চাৰিওফালে এক অবৰ্ণনীয় পৰিস্থিতি এক ভয়ানক প্ৰতিচ্ছবি। হঠাতে শব্দৰ কিছু শাম কাটিল। এইবাৰ এক উত্তাপ অনুভৱ কৰিলে ফেলানীয়ে। সিহঁত লুকাই থকা জাবৰৰ গাঁতটোত জুই লাগিছে। মণিক লৈ গাঁতটোৰ পৰা উঠি আহিল। পুনৰ বাজি উঠিল নাগাৰাৰ শব্দ। এইবাৰ মণিক লৈ ফেলানীয়ে মৰাপাটডৰাৰ ফালে খোজ দিলে। এনেতে ফেলানীয়ে দেখিলে ৰাস্তাৰে এজাক মানুহ পাৰ হৈ গৈছে। প্ৰাণৰ মমতাত ফেলানীয়ে মণিক লৈ পুনৰ লুকাই পৰিল। পুনৰ শংখ, দবা, নাগাৰা শব্দৰে পৰিৱেশ হৈ পৰিল উত্তপ্ত। এইবাৰ ফেলানীয়ে পুখুৰী এটাত মেতেকাৰে গা ঢাকি দিলে।

ক্ৰমাৎ আকাশত পোহৰ বিৰিঙিলে, শান্ত হৈছিল পৰিৱেশ, মণিক ধৰি মেতেকাৰ মাজৰ পৰা ওলাই আহিল ফেলানী। সেই সময়ত চাৰিওফালে তেজৰ চেঁকুৰা দেখি মনত পৰিল গিৰিয়েকৰ কথা। হঠাৎ ধুঁৱলী-কুঁৱলী দেখিবলৈ ল'লে ফেলানীয়ে। লাহে লাহে চকুলৈ নামি আহিল ক'লা কাপোৰ, স্থিৰ হৈ পৰিল ফেলানী। তাৰ পাছত কি হ'ল নাজানে ফেলানীয়ে। দুপৰীয়াৰ চোকা ৰ'দ, চকুহাল মেলি ফেলানীয়ে দেখিলে মণিৰ মুখ। ওচৰত গাঁৱৰে কেইগৰাকীমান চিনাকি মানুহ, সকলো চিন্তিত, নিৰাপত্তা ক'ত। অৱশেষত গোটেই দলটোৱে ষ্টেচনৰ অভিমুখে যোৱাৰ সিদ্ধান্ত ল'লে। প্লেটফৰ্মত এজাক মানুহ তাৰ চেঁচা মজিয়াতে পৰি থাকিল ফেলানী। চকু মেলি প্লিচতিকৰ কেম্পত থকা অৱস্থাত নিজেক আৱিষ্কাৰ কৰিছিল ফেলানীয়ে। গাঁৱৰ মানুহখিনিয়ে নিজৰ আত্মীয়ক বিচাৰি যাবৰ বাবে উদ্যত হৈছিল। অসুস্থ হ'লেও লম্বোদৰক বিচাৰি যাবলৈ ওলাইছিল ফেলানী। ইতিমধ্যে লম্বোদৰৰ চিন্তায়ো যন্ত্ৰণা গধুৰ কৰিছিল ফেলানীক। এখন আৰ্মি ট্ৰাকত গাঁৱলৈ গ'ল সকলো, সকলোৱে আত্মীয়ক বিচাৰি চলাথ কৰিছিল মৰিশালিত পৰিণত হৈছিল গাঁওখন।

কেউপিনে আধাপোৰা ঘৰ, মৃতকবোৰৰ কাৰোবাৰ যদি হাত নাই, তেন্তে কাৰোবাৰ আকৌ ভৰি, কাৰোবাৰ আকৌ মূৰটো। গাঁওখনৰে ৰঘুৱে ফেলানীক উদ্দেশ্য কৰি কৈ উঠিল— "মলিল দেউতাক... মলি বাবা পহলা পাটীত পহলা পালটি দলনল ওচলত, দলনেদি মানুহ, মল নাই, চকু নাই..." ঘূৰি আহিল ফেলানী অস্থায়ী শিবিৰতে এজনী মৃত কন্যাৰ জন্ম দিলে ফেলানীয়ে। তিনি দিন পাছত গা ধুই সেওঁতাত সেন্দূৰ লওঁ বুলি ফেলানী ৰৈ গ'ল, কাণত বাজিল ৰঘুৰ শব্দকেইটা...।

ক'লা চুলিৰে সেওঁতাটো ঢাকি লৈছিল ফেলানীয়ে। শিবিৰতে দিন অতিবাহিত কৰিছিল ফেলানীহঁতে। ক্ৰমাৎ শেষ হৈ আহিছিল শিবিৰৰ খাদ্যসমূহ। অলপ চাউল সিজাই দি আঁঠুত মূৰ গুঁজি বহি থাকে ফেলানী। মাজে মাজে অদ্ভুত আচৰণ কৰিছিল ফেলানীয়ে, শিবিৰত ফেলানীক পাগলী আখ্যা দিছিল। এই মানুহবোৰে মিলি এক বস্তি সৃষ্টি হ'ল অসমীয়া, বাংলা, ৰাভা, বড়োৰে এক বস্তি। সেই বস্তিতে কালী বুঢ়ীৰ ঘৰ, ঘৰতে মুড়ি ভাজি ঘৰে ঘৰে বিক্ৰী কৰে কালী বুঢ়ীয়ে। নিশা গাত কালী লম্তে বুঢ়ীগৰাকীৰ। বুঢ়ীগৰাকীৰ ঘৰতে ফেলানীয়ে এটা ৰুম ভাৰা লৈ থাকিবলৈ ল'লে। ফেলানীয়ে যেন বাস্তৱ জীৱন পাহৰি গৈছে, প্ৰতিটো মুহূৰ্ততে যেন লম্বোদৰৰ উপস্থিতি অনুভৱ কৰিছে। সেই সময়ত কালী বুঢ়ীয়ে ফেলানীক উৎসাহিত কৰি ক'লে— 'মেয়ে মানুষ এই জ্বালাৰ দৰে হ'ব লাগে দেখাত চোট কিন্তু মুখত দিলে জ্বলাই দিব পাৰে।' ফেলানীৰ যেতিয়া চলাৰ উপায় নোহোৱা হৈছিল তেতিয়া কালী বুঢ়ীয়ে ফেলানীক মুড়ি বেপাৰত সোমোৱাই লৈ ক'লে— 'এইটো বস্তা ল, পুৱা টাউনলৈ মুড়ি বেচিব যাব লাগিব। তোৰো ভাতমুঠি ওলাব আৰু মোৰ বুঢ়া শৰীৰেও আৰাম পাব।' টিপচাকি আৰু তুঁহ জুই কুঁহত বুঢ়ীক এটা মেম জলকীয়া যেন লাগিল ফেলানীৰ। শুকান বুঢ়ীজনীৰ মাজত বুঢ়ীজনীৰ কি অদ্ভুত প্ৰেৰণা, বুঢ়ীজনীৰ মাজত কিবা এক প্ৰশান্তি হাঁহিয়ে চুই গ'ল ফেলানীক।

আৰম্ভ হৈছিল বুঢ়ীৰ লগত ফেলানীৰ সংগ্ৰামৰ, বজাৰৰ দিশে খোজ দিছিল ফেলানীয়ে। পথত লগ পাইছিল সেইখন বস্তিৰে জোনৰ মাক আৰু কোলাত কেঁচুৱা লোৱা মিনতিক। ঘূৰি আহোঁতে চাউল, কণী, আলু, মিঠাতেল আৰু এখন সাহিত্যৰ কিতাপ লৈ উভতিছিল ফেলানী। কিতাপখন হাতত লৈ আনন্দত উঠলি উঠিছিল মণি। পিছদিনা পুৱা মাকতকৈয়ো আগতে উঠি কিতাপখন পঢ়িবলৈ লৈছিল মণিয়ে। কোনো এক নিৰ্দিষ্ট সোমবাৰৰ পৰা বিদ্যালয়লৈ যাবলৈ আৰম্ভ কৰিছিল মণি। গোটেই বস্তিতে ফেলানী, মণিৰ মাক হিচাপে পৰিচিত। কাউৰী পুৱাতে উঠা, বজাৰলৈ যোৱা, নদীত গা ধোৱা, মণিক কিতাপ-পত্ৰৰ যোগান ধৰা, মুড়ি ভজা, বৰা বনোৱা, আঠ বজাতে শুই নিহপালি দিয়া সকলোবোৰ ফেলানীৰ বাবে সহজ হৈ পৰিছিল। নতুনকৈ বাঁহৰ মুঢ়া বনাবলৈ শিকি বজাৰত বিক্ৰী কৰে ফেলানীয়ে। মণিৰ গৰম বন্ধ হৈছে, স্কুলীয়া কাপোৰসাঁজ পিন্ধিবলৈ লৈ হাঁহিম নে কান্দিম অৱস্থা হয়। চোলাযোৰ গাত নাটে, ফেলানীয়ে পুতেকলৈ চালে সঁচাকৈ— ল'ৰাটো ডাঙৰ-দীঘল হ'ল। ক্ৰমাৎ বাপেকৰ মুখখনৰ আকাৰ লৈছে।

আকৌ আন্দোলনে আৰম্ভ কৰিছিল এক উত্তপ্ত পৰিস্থিতি। চাৰিওফালে জুই, শব্দ আৰু মৰ্মান্তিক। দাওঁদাওঁকৈ জ্বলা জুইকুৰাই গ্ৰাস কৰিছে এলানি ঘৰ। ভাহি আহিল নাগাৰা আৰু শংখৰ শব্দ। গাটো জিকাৰ খাই উঠিল ফেলানীৰ। চহৰৰ পৰা একেলেথাৰিয়ে ফটকা ফুটাৰ শব্দ মাত্ৰ, শব্দটো ডাঙৰ চহৰৰ পৰা, এজাক মানুহে চিঞৰি দৌৰিবলৈ ধৰিছে। ক্ৰমাৎ ভয়ংকৰ ৰূপ ধাৰণ কৰিছিল আন্দোলনে। চৌদিশে মিলিটেৰী, বিভীষিকাময় হৈছিল মানুহৰ জীৱন। সলনি হ'ল মানুহৰ দৈনিক কাম-কাজ। এহাজাৰ বন্ধ ঘোষণা কৰা হৈছে। দশম শ্ৰেণীত পঢ়ি থকা মণিয়ে পঢ়া বাদ দিছিল। পুৰাই পাঞ্জাৱী গেৰেজলৈ ওলাই যায় মণি। ফেলানীয়ে অনুভৱ কৰে এই সময়খিনিতে যেন মণি ঘৰ ধৰিব পৰা হ'ল। লাহে লাহে স্বাভাৱিক হ'ল জনজীৱন। মণিয়ে এখন গাড়ী কিনিছিল। অসীম আনন্দৰে ভৰিছিল ফেলানীৰ মন। নতুন মেখেলা-চাদৰ পিন্ধা মাকক গাড়ীত উঠালে মণিয়ে। ৰাধিকা নদীৰ পাৰে পাৰে গাড়ীখন চলাইছিল মণিয়ে, বহুত দিনৰ পাছত ফেলানীয়ে অনুভৱ কৰিলে ল'ৰাজন তাইৰ ডাঙৰ হ'ল। ভৰি পৰিছিল ফেলানীৰ মন যে দীৰ্ঘদিনীয়া সংগ্ৰামৰ সফলৰ বহিঃপ্ৰকাশ। এয়া যেন মাতৃত্বৰ দায়িত্বৰ সংগ্ৰাম ভৰা সাৰ্থকতা।

এইদৰেই জীৱনযুঁজত হাৰ নমনা এগৰাকী নাৰীৰ জীৱন সংগ্ৰামক উপস্থাপন কৰা হৈছে এই গ্ৰন্থখনত। দৈনন্দিন জনজীৱনৰ বাবে এমুঠি ভাতৰ কাৰণে মূৰৰ ঘাম মাটিত পেলোৱা সৰ্বহাৰা এজাক মানুহৰ কৰুণ অৱস্থাও গ্ৰন্থখনত প্ৰকাশ পাইছে। আন্দোলন-সন্ত্ৰাসবাদে কিদৰে জীৱনত প্ৰভাৱ পেলায় সেয়াও গ্ৰন্থখনৰ আন এক বিশেষত্ব। ব্যতিক্ৰমী প্ৰকাশভংগী আৰু শব্দৰ ব্যৱহাৰ ফেলানীৰ বৈশিষ্ট্য। ২০০৩ চনত প্ৰকাশ হোৱা গ্ৰন্থখন ইতিমধ্যে আন ভাষালৈয়ো অনুদিত হৈছে।



# বাধাৰ প্ৰাচীৰ ভাঙি নাৰী

**ঋতজা চক্ৰৱৰ্তী**
চতুৰ্থ ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

নাৰী শক্তি মহৎ শক্তি। সৃষ্টিৰ পাতনিৰে পৰা নাৰীয়ে সমাজৰ বিকাশত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। শিশুক জন্ম দিয়াৰে পৰা সু-শিক্ষাৰে শিক্ষিত কৰি এখন সুস্থ সমাজৰ সু-নাগৰিক হিচাপে গঢ়ি তোলালৈকে নাৰীৰ দায়িত্ব আৰু কৰ্তব্য অপৰিসীম। এই প্ৰসংগত বুৰঞ্জীপ্ৰসিদ্ধ নেতা নেপোলিয়নে কৈছিল, Give me a good mother and I will give you a good nation. এনেহেন গুৰুত্বপূৰ্ণ স্থান দখল কৰি থকা নাৰীজাতিক বিভিন্ন সময়ত বিভিন্ন দেশত পুৰুষ প্ৰধান সমাজে পদদলিত কৰি আহিছে।

কিন্তু এটা কথা ঠিক যে নাৰীক বাদ দি এখন দেশৰ উন্নতি সম্ভৱ নহয়। এই প্ৰসংগত স্বামী বিবেকানন্দৰ এষাৰ কথা উল্লেখযোগ্য।“That country and that nation which does not respect women has never become great nor will ever be in future.”

আমি অতীজৰে পৰা দেখি আহিছো যে নাৰী নিৰ্যাতিত, অৱহেলিত হ'লেও নিজৰ দেশৰ, নিজৰ জাতিৰ সংকটৰ সময়ত পুৰুষৰ লগত সমানে যুঁজ দি দেশক আৰু জাতিক উদ্ধাৰ কৰা নাৰীৰ উদাহৰণ ইতিহাসৰ পাতত জিলিকি আছে। আমাৰ অসমতে কনকলতা, মূলাগাভৰু আদিৰ দৰে বীৰাংগনাই জাতিৰ সংকটৰ সময়ত দেখুওৱা সাহস, ত্যাগ সমাজৰ বাবে সদায়েই আদৰ্শ আৰু প্ৰেৰণাৰ উৎস হৈ ৰ'ব।

Life is a struggle fight it. এই আপ্ত বাক্যষাৰ শিৰোগত কৰিয়েই বহু নাৰীয়ে এককভাৱে বিভিন্ন ক্ষেত্ৰত বাধাৰ প্ৰাচীৰ ভাঙিবলৈ সক্ষম হৈছে। তলত কেইগৰাকীমান ভাৰতীয় মহিলাই কেনেদৰে বাধাৰ প্ৰাচীৰ ভাঙি আগুৱাই গৈছে তাৰ উদাহৰণ দাঙি ধৰিব বিচাৰিছোঁ।

ট্ৰেড ইউনিয়নৰ সক্ৰিয় কৰ্মী 'পি ভিক্তিয়ে' ব্যৱসায়িক

প্ৰতিষ্ঠানৰ শ্ব'ৰুমৰ কৰ্মৰত মহিলাৰ বাবে হাত-মুখ ধোৱাৰ ব্যৱস্থা ৰখাৰ উপৰিও তেওঁলোকক কামৰ মাজতে বহাৰ সুবিধাও দিয়াৰ বাবে একক উদ্যমেৰে চলোৱা আন্দোলনটোলৈ (Toilet breaks and chairs for women) বহুতো সংগঠনে সমৰ্থন দিছিল আৰু ২০১৮ চনত বি বি ছিয়ে তেওঁক বিশ্বৰ এগৰাকী প্ৰেৰণাদায়ী মহিলাৰ অন্যতম বুলি চিহ্নিত কৰিছিল।

বিৰালী মোদী এগৰাকী দিব্যাংগ যুৱতী। যিগৰাকী যুৱতীয়ে ৰেলত উঠাই দিবলৈ যোৱা ভাৰীৰ হাতত জীৱনত কেইবাবাৰো যৌন নিৰ্যাতনৰ সন্মুখীন হৈছিল। অৱশেষত তেওঁ ব্যক্তিগতভাৱে লাভ কৰা দুৰ্ব্যৱহাৰক সমূহীয়া আন্দোলনলৈ ৰূপান্তৰিত কৰিলে। ৰেল কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ ২০১৭ চনত তেওঁ আৰম্ভ কৰিলে "My train too" (ৰেলখনত মোৰো অধিকাৰ আছে) নামৰ এটা অনলাইন অভিযান আৰম্ভ কৰিছিল। প্ৰায় আঢ়ৈ লাখ লোকৰ সমৰ্থনত অৱশেষত ৰেল কৰ্তৃপক্ষই বিশেষভাৱে সক্ষম লোকৰ ক্ষেত্ৰত বিশেষ সুবিধা প্ৰদানৰ বিষয়টো বিবেচনা কৰিবলৈ বাধ্য হ'ল। এক জটিল ৰোগত আক্ৰান্ত হৈও তেওঁ মনোবল হেৰুৱা নাই।

কেৰেলাৰ বিদুপ ফ্ৰাংকো মুল্লাকাই দীৰ্ঘদিন ধৰি চলাই থকা যৌন শোষণৰ বাবে একাংশ নানে মুখ খুলিলে। ইয়ে কেৰেলাত এক ৰাজনৈতিক বিদ্ৰোহৰো সৃষ্টি কৰিছিল। অৱশেষত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত ফাদাৰ মুল্লাকাক গ্ৰেপ্তাৰ কৰিবলৈ প্ৰশাসন বাধ্য হৈছিল। ২০১৮ চনৰ শেষভাগত ভাৰতত আৰম্ভ হোৱা 'নানৰ বিদ্ৰোহ' এক যুগান্তকাৰী ঘটনা। কিন্তু এই মহৎ সংস্কাৰ অভিযানটোৰ উদ্যোক্তা আছিল 'ছিষ্টাৰ অনুপমা' নামৰ এগৰাকী ত্ৰিশ বছৰীয়া মহিলা। এইয়া আছিল বাধাৰ প্ৰাচীৰ ভাঙি আগুৱাই যোৱা একক প্ৰচেষ্টা।

২০২১ চনত বহু বাধা অতিক্ৰমি দুটা শতক ধৰি ডাইনী হত্যাৰ বিৰুদ্ধে সামাজিক আন্দোলনৰ নেতৃত্ব দি অহা 'বীৰুবালা ৰাভা'ক পদ্মশ্ৰী বঁটাৰে চৰকাৰে বিভূষিত কৰিছিল। ডাইনী হত্যাৰ আঁৰত থাকে ভুক্তভোগী মহিলাগৰাকীৰ সা-সম্পত্তি কাঢ়ি লোৱাৰ চক্ৰান্ত বা ব্যক্তিগত আখেজ পূৰণৰ ষড়যন্ত্ৰ। এই আন্দোলনৰ নেতৃত্ব দি তেওঁ কমেও অসমৰ ভিন্ ভিন্ অঞ্চলৰ ৫০০ মহিলাৰ জীৱন ৰক্ষা কৰিবলৈ সক্ষম হৈছিল। তেওঁ আন এটা বাধা অতিক্ৰম কৰিবলৈ চেষ্টা কৰিছিল, সেইটো হ'ল দাম্পত্য জীৱনত বিবাহ বহিৰ্ভূত সম্পৰ্কৰ পৰিণাম। এই দিশত সামাজিক সচেতনতা সৃষ্টি কৰাটো এটা বৃহৎ প্ৰত্যাহ্বান বুলি জানিও তেওঁ এই প্ৰত্যাহ্বান গ্ৰহণ কৰিবলৈ প্ৰস্তুত আছিল।

আকৌ যদি বিমান সেৱালৈ চাওঁ তেনেহ'লে দেখিম ২০২১ চনত চাৰিগৰাকী মহিলা বৈমানিকে বিভিন্ন বাধা নেওচি বিশ্ব অভিলেখ ৰচনা কৰিছিল। আটলাণ্টিক মহাসাগৰৰ বিপদসংকুল উত্তৰ মেৰুৰ ওপৰেদি ত্ৰিশ হাজাৰ ফুট উচ্চতাত যাত্ৰীবাহী বিমান চলাই কেপ্তেইন জয়া আগ্ৰৱাল, পাপাগৰী তন্ময়, কেপ্তেইন আকাংশা আৰু কেপ্তেইন শিৱানী মনহাসাই ছানফ্ৰান্সিস্কোৰ পৰা বেংগলুৰত উপস্থিত হৈছিল। কোনো পুৰুষ সহযোগী নোহোৱাকৈ একেৰাহে ১৭ ঘণ্টা বিমান চলাই এই ঐতিহাসিক যাত্ৰাক ভাৰতীয় নাৰীৰ বাধা অতিক্ৰমৰ এক বৈশিষ্ট্যপূৰ্ণ উপলব্ধি ৰূপে গণ্য কৰা হৈছে।

আন এগৰাকী নাৰী চন্দ্ৰপ্ৰভা শইকীয়ানী। ১৯২৭ চনত নগাঁৱতো নগাঁও মহিলা সমিতি নামেৰে এক স্থানীয় মহিলা সংগঠনৰ জন্ম হৈছিল। এই সংগঠন প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ লৈছিল চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে। ১৯২৫ চনত নগাঁৱত বহা অসম সাহিত্য সভাৰ অষ্টম অধিৱেশনত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে তেওঁৰ ভাষণত সমাজে নাৰীসকলৰ প্ৰতি কৰি অহা চূড়ান্ত অপমানৰ তীব্ৰ প্ৰতিবাদ কৰিছিল। তাত মহিলা শ্ৰোতাসকল বহিবৰ কাৰণে আছুতীয়া ব্যৱস্থা কৰা হৈছিল। মহিলাসকল বহিবৰ বাবে সভা মণ্ডপৰ যিখিনি ঠাই আছিল সেই অংশ মিহি বাঁহৰ কাঠিৰে সজা 'চিকেৰে' (পৰ্দাৰ দৰে) আঁৰ কৰি ৰখা হৈছিল যাতে মহিলাসকলক বাহিৰৰ পুৰুষসকলে দেখা নাপায়। চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে মহিলা প্ৰতিনিধি হিচাপে সভা মঞ্চত আসন লাভ কৰিছিল। মঞ্চত বহি সন্মুখত মহিলাসকল বহিবৰ বাবে এনে আচহুৱা আৰু ৰক্ষণশীল ব্যৱস্থা দেখি তেওঁ ভিতৰি ভিতৰি বৰ উত্তেজিত হৈ আছিল। তেওঁৰ ভাষণত সেই দিনটোত মহিলাসকলৰ বাবে তেনে ব্যৱস্থা কৰাত সভাৰ কৰ্মকৰ্তাসকলক তিৰস্কাৰ কৰাৰ লগতে মহিলাসকলৰ প্ৰতি সমাজৰ এনে ৰক্ষণশীল মনোভাৱৰ তীব্ৰ গৰিহণা দিছিল।

ওপৰৰ আলোচনাৰ পৰা আমি বুজিব পাৰো যে একক বা সামূহিক উদ্যমেৰে সামাজিক আন্দোলনত ভাৰত তথা অসমৰ মহিলাসকলে বিভিন্ন বাধা অতিক্ৰমি কৰা যোগদান বৈশিষ্ট্যপূৰ্ণ। আশা কৰোঁ এই গৌৰৱ যাত্ৰা অব্যাহত থকাই নহয় ত্বৰান্বিতও হ'ব। নাৰী সমাজৰ আত্ম সচেতনতাই হ'ল নাৰী সবলীকৰণৰ মূলমন্ত্ৰ। চৰকাৰ, বিভিন্ন সংগঠন আৰু নাৰী সমাজৰ উমৈহতীয়া চেষ্টাইহে নাৰীক সকলো বাধা অতিক্ৰমি প্ৰকৃত লক্ষ্যত উপনীত হৈ নিজৰ দেশক আগুৱাই নি বিশ্ব দৰবাৰত থিয় কৰাব পাৰিব।

এলান্ধুকলীয়া সামাজিক বাধা কু-সংস্কাৰ নাইকিয়া কৰি নাৰী জাতিৰ মুক্তিৰ পথ প্ৰশস্ত কৰাত নাৰীয়েই মুখ্য ভূমিকা ল'ব লাগিব।



# শিক্ষাৰ অৰ্থ কেৱল কিতাপত সীমাবদ্ধ নহয়

**প্ৰীতিষ্মিতা বৰা**
চতুৰ্থ যাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

শিক্ষা কেৱল পাঠ্যপুথি পঢ়া আৰু পৰীক্ষাত ভাল নম্বৰ অনাৰ মাজতেই সীমাবদ্ধ নহয়। প্ৰকৃত শিক্ষা মানে হৈছে জীৱনটোক ভালদৰে বুজা, সঠিক আৰু ভুলৰ মাজত পাৰ্থক্য বিচাৰ কৰা আৰু নিজকে এগৰাকী দায়িত্বশীল, সদয় আৰু বুদ্ধিমান মানুহ হিচাপে গঢ়ি তোলা।

স্কুল আৰু কলেজত আমি কিতাপৰ জ্ঞানৰ লগতে বহু বাস্তৱ জীৱনৰ পাঠো শিকো। নতুন মানুহৰ সৈতে চিনাকী, বিভিন্ন মতামতৰ সৈতে পৰিচয়, আৰু ভিন্ন পৰিস্থিতিৰ সন্মুখীন হোৱাই আমাৰ চিন্তাধাৰা বিস্তৃত কৰে। এই অভিজ্ঞতাসমূহে আমাক আত্মবিশ্বাসী, সহনশীল আৰু সিদ্ধান্ত গ্ৰহণত সক্ষম কৰি তোলে।

প্ৰকৃত শিক্ষা কেৱল নিজৰ উন্নতিৰ বাবে নহয়; ই আমাক আনকো বুজিবলৈ শিকায়, আনৰ অনুভৱক সন্মান কৰিবলৈ শিকায় আৰু সমাজৰ প্ৰতি সচেতনতা আৰু দায়িত্ববোধ জন্মায়। প্ৰকৃত শিক্ষাই মানুহক নিজৰ কৰ্তব্যৰ বিষয়ে অৱগত কৰায়, সমাজৰ সৈতে সদ্ভাৱ বজাই ৰখাত সহায় কৰে, আৰু ইতিবাচক পৰিৱৰ্তন অনাৰ পথ প্ৰশস্ত কৰে।

সেয়েহে ক'ব পাৰি যে শিক্ষা কেৱল শ্ৰেণীকোঠাত সীমাবদ্ধ নহয়। ই আমাৰ দৈনন্দিন আচৰণ, চিন্তা আৰু সিদ্ধান্তৰ মাজতে প্ৰতিফলিত হয়। এই শিক্ষাই আমাক প্ৰতিটো পৰ্যায়ত সততা, সদয়তা আৰু দায়িত্ববোধৰ সৈতে এগৰাকী আদৰ্শ নাগৰিক হিচাপে গঢ়ি তোলে, যি সমাজক সুন্দৰ, শক্তিশালী আৰু উন্নত দিশে আগবঢ়াব পাৰে।

# Study of History in the Twenty-First Century : Perspective and Prospect

**Kalyan Bora**
Assistant Professor
Department of History

Once Martin Luther King, Jr. said, "We are not makers of history, we are made by history". From defining identity to shaping the world, let's take a closer look at why studying history is crucial to humanity. As we all knew, future has a past. All this talk of the future and what it holds should make us realize this one thing. Why would we turn our backs on it? We shouldn't-and we'll tell you why. Learning about what happened in the past and why gives us insight into what can happen in the future. How? It can help us predict outcomes on current events, define our identities, gives us a better understanding of different cultures, understanding of different cultures, understand change, combat ignorance, open doors, and inform our work experiences.

The future of history as an academic discipline has been causing concerns for the professionals of history (namely, the historians and teachers of history) for a long time due to the facts that,

(i) History has been withdrawn from the list of compulsory subjects at the secondary level in some states;

(ii) In the recent national curriculum framework history is clubbed with a number of allied and cognate disciplines under the name of social studies or social sciences;

(iii) History no longer offers any special advantage as an elective in all-India services examinations or the state-level competitive examinations due to the availability of other options;

(iv) The students in these days are more impressed by job- oriented and professional courses;

(v) The student enrollment in history has been falling in the colleges over the years, the student often complaining that the reading materials in history is heavy and boring and in an era of high marks, history is not among the more-scoring subjects;

(vi) The employment opportunity for those studying history has thinned down over the years;

(vii) In one state fashion design has been identified to be an alternative choice for history, while in a number of universities the departments of history are offering certificate or diploma courses in tourism as preparatory steps towards introduction of parallel master's programme;

The concerns have been compounded by the predicted extra-ordinary nature of the twenty-first century and the symptoms of its corporate characteristics becoming crystal clear since the dawn of the century, coupled with the massive speed of globalization that is the hallmark of this century. Perform and deliver, or perish- is the message; loud and clear. Elsewhere, the twenty- first century has been identified as a century of modern science and technology; there is indeed a revolution in information technology and globalization is the key phenomenon of this century. In the meantime, we have already heard of the 'end of history' and the 'return of history'.

Couple of years back, the world was celebrating the bicentenary of the birth of Charles Darwin whose *Origin of the Species* (published in 1859) gave the *theory of evolution* that revolutionized the studies and research in life sciences and significantly influenced other sciences including social sciences. This theory of evolution predicted the *survival of the fittest*, on the basis of historical experience of the evolution of the species (i.e., the higher species survive by suppressing the lesser beings). What is often missed

is that Darwin's framework is also a clue to understand the importance of knowledge of history in scientific research, particularly in observing the natural world and predicting its future, because history is not just a discipline but is also a method of understanding the process of change which is a natural law and without that knowledge science itself might have been doomed to an irrecoverable state of stagnation and retardation of progress.

However, this is unlikely to happen for the simple reason that the scientific methods are solidly founded on the basis of empirical evidence and historical paradigms for observation of the physical and natural phenomena. Moreover, the importance of historical method in the sciences is not just for an understanding of the past but also for carrying the knowledge of the past into the future by way of application of the experience of the past for predicting and controlling the future. It is the provability of the truth by experiments and the capability to predict the repeatability of a phenomenon that make up the body of systematic knowledge which is called science. On the other hand, Darwin's theory of evolution is of immense relevance to history in the sense that history is also a process which is concerned with the origin and evolution of the human race and the societies, institutions, ideas etc. as well as the changes and development in those due to human or natural interventions and inputs. The so-called century of science and technology should therefore take into account that wherever there is a need to recall the experience of the past or to work further on the advances made till date, history will automatically come in- in whatever name one may call it, and that the *theory of progress* would become meaningless without the knowledge of history. In deed, history is a process; it has no end and hence, no question of its return. The immense importance of the knowledge of history in human civilization and human progress, social management, day to day functioning of the states and administration, formulation of plans and policies and to avoid the danger of repetition of disasters and calamities, hardly needs any elaboration. There are also other disciplines which are growing and expanding by taking inputs from history, and all these have justified the inter-disciplinary position of history and its applied character.

As professionals of history, we must appreciate that the concerns and priorities of the human in contemporary society are fast changing under the pressure of emerging lifestyle and the changing value-system alongside the phenomenal progress in science and technology and the pressure of globalization, and the world is becoming a small hamlet with the information technology connecting not only every corner of this planet but also assaulting into the space. The memory gadget of the tiny computer is much larger than that of the human and it can be stored for a long time by way of updating and re-duplicating, whereas the human memory has proved to be always short. The pride in heritage or the concern for ethnic, cultural or national identity may not be the tramp cards for long, since the human is rediscovering itself as part of the global-whole and the information is spontaneously flowing from all directions. In this emerging scenario, a handful of researchers may still be on the job to expand the frontiers of knowledge about the past and the results may be made available for transmission to whosoever might require them at once by the use of technology.

Now the question is, will that be history; the historians would like it to be? Therefore, the challenge before the historians in the twenty-first century is to restate the relevance of history to human progress in the language of the century without compromising the objective and purpose of the subject which happens to be one of the oldest disciplines in the universe of knowledge.

Whereas the professionals and the lovers of history should see to it that history should remain history (as an academic discipline or a subject of study, conforming to its objective and purpose, and structure and philosophy), it should be appreciated that there is also a topical need for reorientation and revitalization of the discipline as a subject of study in various levels of education highlighting its applied and futuristic potentials to suit the hopes and aspirations of those for whom the curriculums are framed. The world needs informed and thoughtful people who have a sense of who they are, where they are from, and where they are going.




**Bibliographic Information:**
Author: Michael Easter
Title: The Comfort Crisis : Embrace Discomfort to Reclaim Your Wild, Happy, Healthy Self
Publisher:
Rodale Books New York
Date: May 11, 2021 Pages: 272
Cost: $27.00 (Hardcover)
ISBN 978-0-593-13876-2
Ebook ISBN 978-0-593-13877-9



# The Comfort Crisis
## by Michael Easter

**Dhirangkana Bora**
Assistant Professor
Department of Zoology

**Introduction:**

In "The Comfort Crisis", Michael Easter challenges the contemporary notion that comfort equates to happiness and fulfilment. He argues that our modern obsession with comfort has disconnected us from our innate resilience and potential for growth. Easter's thesis contends that embracing discomfort is crucial for personal development and well-being in an increasingly comfortable yet challenging world.

**Key Insights**

Modern comfort is unprecedented: Humans evolved in a state of regular discomfort: physical, mental, and emotional. The ultra-comfortable, overstimulated lifestyles we now lead (with temperature control, processed foods, instant entertainment, and minimal exertion) make up less than 0.004% of human history.

Comfort comes at a cost: The pursuit of constant comfort underlies many modern health crises- obesity, heart disease, diabetes, anxiety, depression, and a lack of purpose. When we eliminate basic challenges, we lose the strengths and resilience our ancestors developed by necessity.

Discomfort spurs growth and well-being: Engaging in physical, mental, and emotional challenges makes us stronger and happier. Practices that embrace discomfort can rebalance our lives by tapping into inherited mechanisms for

resilience, creativity, and satisfaction.

Comfort creep and Problem creep: Human brains adjust thresholds in response to comfort- what was once acceptable soon seems insufficient. We find problems in ever smaller things, leading to "problem creep" or "comfort creep"; the more comfortable life becomes, the less satisfied we feel.

Extreme experiences reset perspective: Extended adventures in the wild (like the author's



33-day hunting expedition above the Arctic Circle) overhaul one's appreciation of quiet, hardship, and nature- reversing "comfort creep" and building lasting confidence and peace.

**Practical Advice**

Intentionally seek difficulty:*Rule 1: make it really hard. Rule 2: don't die.*

Invent intentional "misogis" (big, difficult physical or mental challenges with about a 50% chance of failure). Preparing for and attempting these pushes your limits and builds toughness, creativity, and happiness.

**Expand your physical comfort zone:**

Engage with nature regularly, embrace physical stressors (heat, cold, hunger, exertion) and break your dependence on convenience. Even uncomfortable exercise in rough weather is beneficial. Practice with gear and preparation for "real-world" challenges, not just gym workouts. Get outside frequently; learn survival and outdoor skills.

**Use discomfort as a tool for mental health:**

Research shows that those who experience moderate adversity—instead of constant safety—are the most resilient, satisfied, and able to cope with future stress. Seek activities that require patience, boredom, hunger, or solitude. These states activate mental "toughening," increase creativity, and rewire your stress response more positively.

**Be aware of "Comfort creep":**

Recognize how new luxuries become expectations and raise your threshold for discomfort. Try to reverse this adaptation: appreciate small discomforts, periodically give up easy solutions.

**Embrace boredom and silence:**

Extended time outdoors with little stimulation (rediscover boredom) encourages restoration, creativity, and a healthier brain. Avoid

filling every idle moment with screens or distractions; allow yourself to be "understimulated".

**Learn from traditional rites of passage:**

Most cultures had significant, uncomfortable rites of passage (solo hunts, fasts, dangerous journeys) that built confidence and community. Modern society mostly lacks these, so intentionally create or seek modern equivalents.

**Applied Takeaways**

• Make it regular: Build routine into embracing discomfort- weekly challenges, outdoor time, or "fasting" from technology or convenience.

• Start small: Don't wait for an epic trip; begin by taking cold showers, leaving your phone at home, doing a long hike without convenience food, or simply walking in bad weather.

• Reflect: Journal or meditate about the experience each time you face discomfort intentionally- notice the growth, the cravings for comfort, and how you feel afterward.

**Analysis and Evaluation:**

Easter's purpose in writing is clear which to prompt readers to re-evaluate their relationship with comfort and to consider the transformative power of discomfort. He adeptly weaves personal anecdotes, scientific research, and cultural analysis to support his argument. Easter emphasizes the adverse effects of constant comfort on physical and mental health, citing obesity, depression, and anxiety as consequences of our sedentary and insulated lifestyles.

To overcome a mundane lifestyle the author went to a 33 days hunting trip to Alaska as a Misogi. According to Dr. Marcus Elliott, "Misogis can show you that you had this latent potential you didn't realize, and that you can go further than you ever believed. When you put yourself in a challenging environment where you have a good chance of failing, lots of fears fade and things start moving." The book narrates the story of his extreme adventure and he connects all the thoughts which came across his mind with his life experiences and scientific research.

The author's arguments are compelling, supported by a diverse range of sources and evidence. However, some readers may find Easter's presentation biased, as he predominantly highlights the negative impacts of comfort without fully exploring potential benefits. Easter's use of evidence is generally convincing, although some readers may question the sufficiency of certain sources. As a whole "The Comfort Crisis" offers valuable insights into the importance of discomfort for personal growth and resilience.



**Conclusion:**

"The Comfort Crisis" is a thought-provoking book that challenges readers to reconsider their comfort-seeking behaviour and embrace discomfort as a catalyst for growth. The book urges readers to reconsider their relationship with comfort and embrace the benefits of discomfort. While Easter's arguments are persuasive, the book could benefit from a more balanced exploration of the topic. Overall, "The Comfort Crisis" is a worthwhile read for anyone seeking to thrive in an increasingly comfortable yet challenging world.



# NCC

## A Force for Nation Building and Empowering Girl Cadets

**Lt (Dr.) Neeta Basumatary** (Associate NCC Officer)
Assistant Professor
Department of Botany

The National Cadet Corps (NCC) is more than just an uniformed youth organization, it's a symbol of discipline, leadership, and service. Since its inception in 1948, NCC has played a significant role in nation building by shaping young minds into responsible, committed, and capable citizens. Particularly in recent years, the NCC has emerged as a powerful platform for empowering girl cadets, giving them equal responsibility in leadership, defense preparedness, and community service.

**NCC and Nation Building**

The strength of any nation lies in its youth. NCC contributes to nation building by instilling in cadets a sense of discipline, unity, and patriotism. Through regular training in drills, camps and adventure activities, cadets learn the value of teamwork, self-reliance, and sacrifice.

NCC cadets actively participate in disaster relief operations, environmental campaigns, and national awareness programs such as ***Swachh Bharat Abhiyan***, ***Punit Sagar Abhiyan***, ***Fit India Movement***, and ***Ek Bharat Shreshtha Bhara***t. These activities not only serve society but also build a sense of responsibility and national pride among cadets. By encouraging leadership and civic engagement, the NCC becomes a training ground for future leaders both in and out of uniform.

**Shaping Girl Cadets: Empowerment through Action**

In a world that continues to fight for gender equality, the NCC offers an empowering space for girls to break barriers and shine. It provides them with opportunities to lead, to speak up, and to serve shoulder-to-shoulder with their male counterparts. They develop confidence, discipline, and leadership

qualities that prepare them for every walk of life, from academics and careers to social service and national defence force. Physical training and adventure activities such as trekking, rock climbing, and shooting challenge them to push their limits and discover their inner strength.

Moreover, NCC offers exclusive career benefits to girl cadets, such as direct entry into the armed forces through the NCC Special Entry Scheme. It also gives preference in government jobs and higher education, acknowledging their commitment and training.

**Voices of Change**

Today, many girl cadets have gone on to represent India in **Republic Day parades**, **Youth Exchange Programmes**, and even **Defence services**. Their stories inspire a generation of young women to dream big and serve the nation with pride.

The NCC not only teaches cadets how to march in synchronization but also how to think independently, lead with integrity, and serve selflessly. For every girl who dreams the olive green uniform, it becomes a symbol of courage, commitment, and change.

**Pride of NGC: NCC Cadets Shine on National Platforms**

The National Cadet Corps (NCC) unit of Nowgong Girls' College continues to make the institution proud with its outstanding performance, discipline, and national-level participation. From the grand grounds of Rajpath to the rigorous camps of the Thal Sainik Camp and Inter-Directorate shooting competitions, the cadets of NGC have once again demonstrated exceptional commitment and capability.

One of the most notable achievements comes from **Gracy Marak**, who had the honour of leading the platoon as a **Commander in the prestigious Prime Minister's Rally**. Her leadership, confidence, and excellence on such a prominent stage reflect the spirit and training of NCC at its finest.

Equally commendable is **Rita Amsi**, who also represented the state and institution in the **Republic Day Parade** at Rajpath, New Delhi. This event, known for its national significance and high standards, showcases only the best among NCC cadets across the country.

**Nayanika** and **Urmila** brought glory by participating in the **Thal Sainik Camp (TSC)**, one of the toughest and most sought-after camps within the NCC framework. Their dedication, endurance, and team spirit stood out during this intensive national-level training.

In the field of marksmanship and shooting sports, **Jyoti Kalita** and **Dhanlaksmi** proved their determination by competing in the **Inter-Directorate Sports Shooting Championship (IDSSC)**. Their participation not only reflects precision and discipline but also highlights the diverse talents nurtured under NCC.

Adding to the pride of the institution, **Bobita Robi Das** has achieved a milestone by being selected for the **Border Security Force (BSF)**. Her accomplishment serves as an inspiration for fellow cadets, proving that the values and skills learned in NCC pave the way for a successful future in defence services.

These achievements are a testament to the hard work, training, and dedication of the cadets and the unwavering support of the NCC officers and Principal of the college. As these young cadets continue to soar high, they not only bring recognition to the college but also strengthen the spirit of unity, discipline, and patriotism among their peers.

**Conclusion**

ৰাইজৰ মধুসূদন ত্ৰাসী
নাখালেই হ'ল আমি মৰা নাই ভোকত।

৩)
ল'ৰা এজন আহিল পুষ্পাক চাবলৈ
মাকে ক'লে মেখেলা-চাদৰ পিন্ধিবলৈ
কইনা লাগে ধুনীয়া
ব'হাগত পাতিব বিয়া
পুষ্পাই বকিব ধৰে, নাযাওঁ বুঢ়ালৈ।

**কৰবী দেৱী**
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ



# লিমাৰিক-৩

গ্ৰন্থমেলাত বাজিছে 'মণি নবৌ কেনি গ'ল'
'বুঢ়ী আইৰ সাধু' গছকি হাজাৰ শৈশৱ
চকৰীত ওলমি ৰ'ল
ফাষ্টফুডৰ দোকানলৈ ভিৰাই মাৰে লৰ
বাণিজ্যমেলাত দিক্‌বিদিক হেৰুৱাই ভাষা-
সাহিত্য মৰ
সদৌ শেষত সাহিত্যৰ নামত অনা অসমীয়াৰহে
বণিজ ডাঙৰ হ'ল।

**জুৰি দেৱী**
স্নাতক চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

# লিমাৰিক-৪

১)
সুখ মোৰ আজন্ম লগৰী
হাঁহি মোৰ জীৱন
দুখৰ পিৰালিত বহি থাকিলেও
সুখে মোক হাত বাউলি মাতে
সপোনবোৰে একেলগে যাত্ৰা আৰম্ভ কৰে।

২)
যিটো গান তুমি গাবলৈ শিকালা
সেই গানটোক গুণগুনাই আহোঁ
কেতিয়াবা সেই গানটোক নিজানত শুনিছো
মই ভাগৰি পৰিছোঁ
জীৱন মোৰ হেৰাই গৈছে
তথাপি চেষ্টা কৰিছোঁ।

৩)
কেনেকৈ কওঁ হৃদয়ৰ বেথা
কেৱল সেই গৰাকীয়ে মাথো
মোৰ দুখৰ কথা জানে
যি জনীয়ে মোৰ হিয়াৰ বিননি শুনিছে
যিহেতু তাই নিজেই মোৰ
ভাঙি থৈ গৈছে হৃদয়।

**ৰিম্পী পাউল**
স্নাতক ষষ্ঠ ষাণ্মাসিক
বাংলা বিভাগ



# লিমাৰিক-৫

বন্ধুত্ব গঢ়িব বিশ্বাসৰ প্ৰয়োজন
অন্য একো দৰকাৰ নাই আয়োজন
কুকুৰ বিশ্বাসী হয়
সেয়ে ঘৰে ঘৰে ৰয়
শিয়াল চতুৰ কিন্তু থাকে হাবি বন।

**ৰূপশিখা ডেকা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ভূগোল বিভাগ

# লিমাৰিক-৬

মমতাৰ আঁচলেৰে চকুলো মচিম বুলি কাকূতি কৰি
সকলো লজ্জা সামৰি পঞ্চপুত্ৰৰ মোহত পৰি কৰ্ণৰ ধৰিলে ভৰি।
জন্মতে নিদিলে চিনাকি
বিয়লি বেলা দিলে চিনাকি।
অত দিনে জ্যেষ্ঠপুত্ৰলৈ মনত পৰি
এবাৰো নাখালে পিছল কুন্তীৰ ভৰি।

**পূজা বৰা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

LIMERICK-1

1.
In math class, oh what a sight!
Whole semester, calculus, day and night.
We integrate with fear
And differentiate with care
But our answers are always in dear.

2.
Limericks, oh limericks so dinky,
Causing me stress and distraction
Giving me headaches so keen
Making me need medication serene
And only for five lines to think

**Suwada S. Hoque**
B.Sc. 2nd Semester
Department of Mathematics

LIMERICK - 2

1.
There was a biochemist keen,
Whose experiments were quite serene
She mixed with great care
And measured with flair
And her findings were truly supreme

2.
There once was a chef named pat,
Whose only friend was a cat
To whom he would sob
"I do hate my job
But oh how I love this hat!"
3.
It's a cat, It is very nice
It sleeps a lot, hunts mice
Master cooks rice
Three times in a day's device
It's a cat, fat, runs after a rat nice.

**Hiyachaki Borah**
B.Sc. 2nd Semester
Department of Zoology



LIMERICK - 3

I once thought Math was a Bore
Arithmetic cross to the core
My textbook I tossed
To tests said "Get lost"!
And now I like Math more
and more.

**Aradhana Kumari Mahato**
4th Semester
Department of Botany

## LIMERICK- 4



Life's a puzzle, piece by place
Some fit fast, while some may cease.
But wait and you'll see,
How grand it can be
When patience lets troubles release.

**Shruti Mahanta**
B.Sc. 6th Semester
Department of Chemistry

## LIMERICK- 5

There once was a tourist from Perce
Who joined in a festival, feeling anew
He danced with such flair
But his hat took to air
Now llamas parade with it too!

**Sneha Borkataki**
6th Semester
Department of Geography

## LIMERICK- 6

There was an Old Man with a beard
Who said, "It is just as I feared!
Two Owls and a Hen,
Four larks and a Wren
Have all built their nests in my beard!"

**Sermili Engtipi**
B.A. 4th Semester
Department of Geography



## LIMERICK- 7

There was a Young lady whose chin
Resembled the point of a pin
So she had it made sharp,
And purchased a harp
And played several tunes with her chin.

**Rupmili Engtipi**
B.Sc. 4th Semester
Department of Botany



# ভাদ মাহ

**গীতা ৰাজখোৱা**
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

গাঁৱৰ পৰিৱেশটো একেবাৰে উখল-মাখল, ভাদ মাহৰ আয়োজন চলিছে। কোনোবাই যদি ৰভা দিয়া কামত ব্যস্ত, কোনোৱে আকৌ গোটেই মাহটোলৈ বৰতাল, সৰুতাল, নেগেৰা আদি ভাৰালৈ আনিবলৈ গৈ দাম-দৰ কৰাত ব্যস্ত। দাম-দৰ কৰি থকা খেলাখন ডিম্বেশ্বৰে আঁতৰৰ পৰা চাই আছে। আন দিনা হোৱা হ'লে ডিম্বেশ্বৰেও ৰাইজৰ লগত হাত-উজান দি ভাদ মাহৰ ব্যস্ততাৰ অংশীদাৰী হ'ল হয়। ডিম্বেশ্বৰে চুৰীয়াৰ কোণেৰে চকুপানীখিনি মোহাৰি আলিবাটত খোজ দিলে। দুই-চাৰি ঘৰ মিলি ভাদ মাহৰ নাম আয়োজন কৰা দৃশ্য দেখি খঙত ডিম্বেশ্বৰৰ মুখখন ৰঙা হৈ পৰিল। তেনেতে গাঁৱৰ বুঢ়া নামঘৰভাগ পোৱাত দুই হাত যোৰ কৰি চকুলো টুকিলে আৰু মুখতে বিৰবিৰালে— প্ৰভু পাৰিলে এই অধমক ক্ষমা কৰিবা। মই বিকল হৈ পৰিছোঁ ঈশ্বৰ। মোৰ হাজাৰ অনুৰোধতো গাঁৱখনৰ ইমূৰৰ পৰা সিমূৰলৈ ৫-৬টা খেল বান্ধি নিজৰ মাজতে আঁৰিয়া-আঁৰিখন লাগিছে প্ৰভু। গাঁওখনত মুঠেই ৩৩ ঘৰ মানুহ, তাতে বৰনামঘৰটো আহলে-বহলে আমাৰ সকলোৱে ভাদ মাহৰ নাম ল'বলৈ জোৰে। কিন্তু মোৰ হাজাৰ অনুৰোধক প্ৰত্যাখান কৰি সকলোৱে একেলগে নামভাগ নামঘৰত লোৱাৰ সিদ্ধান্তক বাতিল কৰিলে।

সেৱা কৰি দুখোজ ডিম্বেশ্বৰ আগবাঢ়োঁতেই তৰুণে মাত লগালে— বোলোঁ দদাইটি আপুনি নহ'লে আমাৰ খেলতে সোমাব। যিমানেই যি নহওক গাঁৱৰ মূল ভকতজন আমাৰ খেলত থাকিলে নাম-কীৰ্তনত আন সকলো ভাদ মাহৰ খেলকে তল পেলাব পাৰিম। ডিম্বেশ্বৰে মুখেৰে একো প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি ঘৰৰ ফালে এখোজ-দুখোজকৈ আগবাঢ়িল। তেওঁ মুখেৰে এটা ঘোষা গুণগুণাই গ'ল—

"ব্ৰহ্মা আদি কৰি জীৱ যত ৰাম ৰাম ৰাম ৰাম ৰাম
মায়া শয্যা মাজে আছয় ঘুমটি যাই।"

তেনেতে তেওঁৰ কাষেৰে পাৰ হৈ যোৱা তিকেন আৰু ভদ্ৰকান্তৰ কথা কাণত পৰিলত ঘোষা বন্ধ হ'ল।

বুজিছ তিকেন এইবাৰ আমাৰ বেলেগৰ তুলনাত খেলত তাল, খোল, নাগাৰা বেছি, খেলৰ মানুহ কেইঘৰমানো বেছি, গতিকে গাঁৱৰ ভিতৰতে আমি ৰজনজনাই থাকিম। এইবাৰ তিকেনৰ মাত ডিম্বেশ্বৰৰ কাণত পৰিল— ঠিকেই কৈছ ভদ্ৰকান্ত নহ'লে নামঘৰত সিহঁতৰ দপ্‌দপনি কি চাবি, আমাক গুৰুত্বই দিব নোখোজে। প্ৰসাদৰ ভাগতো লীলাহঁতৰ খেলৰ মানুহৰ ভাগত বেছিকৈ পৰে। অৰিহণা হ'লে সকলোৱে একে।



অ' ৰম্ভা, ৰম্ভা অ'—

ডিম্বেশ্বৰৰ মাতটো শুনি ৰম্ভাই পাকঘৰৰ পৰাই মাত দিলে— কওকচোন।

ৰম্ভা অ' চাওঁ এইফালে আহ — আজি পাৰিলে গাঁৱৰ মূল মানুহকেইজনমানক মতাই আনিবিচোন।

— কিয় ? (ৰম্ভা অলপ আচৰিত হ'ল)

— কথা কেইটামান আছে বুজিছ। চকু মুদাৰ আগতে কৈ নগ'লে আত্মাটোৱে ক'তো শান্তি নাপাব অ'।

ৰম্ভাই আৱেগখিনি ধৰি ৰাখিব নোৱাৰি কান্দি উঠিল।

সন্ধ্যা গাঁৱৰ মূল মানুহকেইজন আহি ডিম্বেশ্বৰৰ কোঠাতে বহিল।

ডিম্বেশ্বৰ ঘৰৰ চোতালৰ মূৰত ৰোৱাৰ লগে লগে ৰম্ভাই (ডিম্বেশ্বৰৰ পত্নী) চাহ-জলপানৰ আয়োজন কৰি বাৰাণ্ডাতে বৰপীৰাখন পাৰি বহিবলৈ দিলে।

চাহ-জলপানৰ কাষেৰেই ডিম্বেশ্বৰ কোঠাৰ ভিতৰলৈ সোমাই গৈ দুৱাৰখন জপাই দিলে আৰু কাষৰ টেবুলতে থকা কীৰ্তন পুথিখন বুকুত সাবটি লৈ হুকহুকাই কান্দি উঠিল— প্ৰভু তোমাৰ আদৰ্শ, তোমাৰ কষ্ট, তোমাৰ জীৱনজোৰা সাধনা আজি মাটিৰ লগত মিলি গ'ল প্ৰভু, মাটিৰ লগত মিলি গ'ল...।

"মুক্তিত নিস্পৃহ যিটো, সেহি ভকতক নমো
ৰসময় মাগোহো ভকতি।"

ঘোযাফাঁকি লাহে লাহে অস্পষ্ট হৈ পৰিল। ডিম্বেশ্বৰে ধীৰ গতিৰে আহি বিছনাখনৰ এচুকত বহিল। তেওঁ অনুভৱ কৰিলে যে লাহে লাহে তেওঁৰ গাটো খুব দুৰ্বল হৈ পৰিছে। ভৰি দুটা যেন দাঙিব নোৱাৰাকৈ গধুৰ হৈ পৰিছে।

ৰম্ভা খৰ-ধৰকৈ ডিম্বেশ্বৰৰ কোঠাৰ দিশে আহি থাকোঁতেই মুখেৰে কৈ আহিল— অ' শুনিছেনে কি হ'লনো হয়, আপুনি জলপান নাখাই ভিতৰ সোমালে যে, গা বেয়া কৰিছে নেকি? তেনেতে ৰম্ভাই ডিম্বেশ্বৰৰ ক্ৰমে ঢলি অহা শৰীৰটো দেখি থাপ মাৰি ধৰিলেহি — ঐ কোন ক'ত আছ, এইফালে আহ ঐ মানুহটোৰ কিবা এটা হ'ল অ', শুনিছনে নাই।

যোৱা দুসপ্তাহ ধৰি ডিম্বেশ্বৰ বিছনাত। খোৱা-বোৱা বৰ কমকৈ কৰে, মাজে মাজে ৰম্ভাই গিৰিয়েকৰ শেঁতা পৰি অহা মুখখন চাই দুৱাৰৰ কোণত চাদৰৰ আঁচলেৰে মুখ টিপি কান্দে।

ককাইদেউ— ভদ্ৰকান্তই মাত লগালে।

ডিম্বেশ্বৰে চকুহাল লাহে লাহে মেলিলে— অ' তহঁত আহিলি হ'বলা। মই বোলোঁ সকলোকে একেলগে চাই চকু দুটা মুদিলে শান্তি পাম।

এইবাৰ তিকেনে কৈ উঠিল— এ ককাইদেউ আপুনি এই অমংগলীয়া কথাবোৰ নক'বচোন। আপুনি আমাৰ গাঁওখনৰ মূল গুৰি ধৰোঁতাৰ দৰে, আপুনি যদি এনেদৰে আমাক এৰি যোৱাৰ কথা কয় আমাৰ কি হ'ব কওকচোন? সকলোৱে তিকেনৰ কথাযাৰত হয়ভৰ দিলে।

ডিম্বেশ্বৰে সামান্য হাঁহিলে আৰু অতি কষ্টৰে সেহাই সেহাই ক'লে — এই এতিয়া গাঁওখনৰ গুৰি ধৰি, সমাজখনক সুকলমে আগুৱাই নিয়াৰ দায়িত্ব তহঁতৰ।

— মানে ককাইদেউ কি ক'ব খুজিছে খুলি কওকচোন।

— মানে নামঘৰটো অনাদৰ নকৰিবি বোপাই। (ডিম্বেশ্বৰৰ চকুৰ কাষেৰে দুটোপাল চকুলো বাগৰি গ'ল)। গাঁওখন ভাগ নকৰি সকলোৱে সমিল-মিলেৰে ভাদ মাহৰ নামভাগ বৰনামঘৰতে ল'বি। মৰম-চেনেহেৰে ইজনে-সিজনক আৱৰি ৰাখিবি বোপাই।

হিংসা মহা পাপ অ' বোপাই, মহা পাপ।

কৃষ্ণ, কৃষ্ণ, কৃষ্ণ

লাহে লাহে ডিম্বেশ্বৰৰ চকুহাল জাপ খাই আহিব ধৰিলে, মাতটো অস্পষ্ট হৈ পৰিল।

গোটেই ঘৰখনত কান্দোনৰ ভয়ানক ৰোল ভাহি পৰিল।

# ফাগুন

ফাগুনৰ এই মৃদু বতাহজাকত
গছবোৰেও যেন হাওলি-যাওলি নাচে,
তাকে দেখি মনৰ উদাসীনতাবোৰৰো যেন অন্ত পৰে আৰু আৰম্ভ হয় এক নতুনত্বৰ সন্ধান। মনৰ অৰণ্যত এতিয়া কেৱল পলাশৰ ৰঙীন লয়লাস।

ফাগুনৰ এই মিঠা বতাহে আনিছে যেন জীৱনৰ আশাবোৰ পুনৰ ঘূৰাই।

জীৱন নামৰ এই অৰণ্যখন সদায় সেউজ আৰু জীপাল কৰি ৰখাৰ প্ৰতিশ্ৰুতিৰে। যাৰ সাক্ষী হৈ ৰ'ব এই মনপৰশা বাউলী ফাগুন।

**উদেষ্ণা মহন্ত**
স্নাতক চতুৰ্থ যাণ্মাসিক
বুৰঞ্জী বিভাগ

# মৰমী
# এজনী দুৰ্ভগীয়াছোৱালী

তিনি বছৰ বয়সতে মাতৃহীনা হোৱা মৰমী মাহীমাকৰ অত্যাচাৰ সহিব নোৱাৰি মনৰ দুখত ঘৰৰ পৰা ওলাই গৈ আছে। তাই ক'লৈ গৈছে নিজেই ক'ব নোৱাৰে। অন্যমনস্ক হৈ গৈ থাকোঁতে হঠাৎ এখন গাড়ী আগত পৰি যায়। ততাতৈয়াকৈ গাড়ীত থকা মানুহজনে মৰমীক মেডিকেলত ভৰ্তি কৰোৱায়। সকলো পৰীক্ষা কৰাৰ পাছত ডাক্তৰে চিন্তা কৰিব লগা একো নাই বুলি কোৱাত মানুহজনে তাইক ঘৰত থৈ আহোঁ বুলি ক'লে। তেতিয়া মৰমীয়ে কান্দি কান্দি ঘৰলৈ যাব নোৱাৰোঁ বুলি কৈ তাই জীৱনৰ সকলো কথা মানুহজনক ক'লে। তেতিয়া মানুহজনৰ তাইলৈ বৰ বেয়া লাগিল আৰু তেওঁৰ ঘৰতে দুদিনমান থাকিবলৈ লৈ গ'ল। ইফালে সেই দম্পতী নিঃসন্তান আছিল। ৰাতি ভাত খোৱাৰ পাছত মানুহজনীয়ে মৰমীক লগত শুৱাই ল'লে। তেওঁ মৰমীক ক'লে— তুমি মোক 'মা' বুলি মাতিব পাৰিবানে? মৰম আকলুৱা মৰমীয়ে কুঁচি-মুচি তেওঁৰ বুকুৰ মাজত সোমাই ক'লে— মোকো অলপ মাৰ দৰে মৰম কৰিবনে?

'মই যে মাৰ মৰম কেনেকুৱা বুজিয়েই নাপালোঁ' বুলি কৈ উচুপি উঠিল আৰু মানুহজনীয়ে খুউব জোৰেৰে মাজনী বুলি মৰমেৰে সাবটি ধৰিলে।

**ৰশ্মি ৰাজখোৱা**
স্নাতকোত্তৰ দ্বিতীয় যাণ্মাসিক
অসমীয়া বিভাগ

# বুকুৰ জুই

সন্ধিয়াৰ আন্ধাৰ আহি পদূলি পালেহি। কোঠালৈ সোমাই আহিল। জেতুকাই লেমটো জ্বলাই দিলে।

ঃ মা, মই আহিলোঁ। খাবলৈ কিবা আছে নেকি? খুউব ভোক লাগিছে।

ঃ তই পঢ়াত বহ, মই ভাত ৰান্ধো।

ঃ অ' মা, অ' মা কথা এটা শুনাচোন। সকলোৰে কাপোৰ কিনিলে। সৰস্বতী পূজালৈ বেছি দিন নাই।

জেতুকাই আখলৰ জুইকুৰা জ্বলাই দিলে। এঘণ্টাৰ পাছত জীয়েকে মাত লগালে— মা হ'লনে? মোৰ টোপনি ধৰিছে। ভাত হ'লে খাবলৈ মাতিবা।

জীয়েক টোপনি যোৱাৰ পাছত চকুপানী মচি জেতুকা বিছনাত উঠিল। আখলত তেতিয়া জুইকুৰা নুমাইছিল, চৰুটোত ৰান্ধিবলৈ খুদকণ এটাও নাছিল।

**জুৰিস্মিতা বৰা**
স্নাতকোত্তৰ চতুৰ্থ যাণ্মাসিক
অসমীয়া বিভাগ

# অনুশোচনা

চিতাৰ দপ্‌দপীয়া জুইকুৰা যেন অৰ্জুনৰ বুকুত জ্বলি থকা জুইকুৰাত ঘিউৰ দৰে পৰিছে। বেলি নামি আহিছিল। মৰিশালিখনত অকল অৰ্জুন আৰু এজন আদবয়সীয়া মানুহ, যিয়ে শূন্যত দৃষ্টি কৰি বহি আছিল। মঙহবোৰ অঙঠালৈ পৰিৱৰ্তন হোৱা দেউতাকৰ চিতাৰ কাষত সি চিঞৰি কান্দিছিল — 'মই সদায় ব্যস্ত হৈ থাকিলোঁ, ভাবিছিলোঁ আপুনি সদায় থাকিব।' অঙঠাবোৰে যেন শব্দবোৰ গিলি পেলাইছিল। শূন্যত মগ্ন আদবয়সীয়া মানুহজনে বাস্তৱলৈ ঘূৰি আহি সুধিছিল— 'কাক কৈছা এতিয়া?' শোক, লাজ, অনুশোচনাত সি নিজকে কোৱাৰ দৰে ক'লে— 'যিয়ে কেতিয়াও শুনিব নোৱাৰে।' মানুহজনে ক'লে— 'তেওঁক নোকোৱা কিয় যিয়ে এতিয়াও শুনিবলৈ বৈ আছে।' অনুশোচনাই অতীতটো সলনি কৰিব নোৱাৰে, কিন্তু ভৱিষ্যতটো নিশ্চয় সলনি কৰিব পাৰে। ঘৰলৈ উভতিছিল অৰ্জুন বহু বছৰৰ পাছত, জোৰেৰে সাবটি ধৰিছিল নিষ্প্ৰাণ হৈ পৰি থকা উকা কপালৰ মানুহগৰাকীক।

**বিদিশা বৰা**
ষষ্ঠ যাণ্মাসিক



# শিক্ষক দিৱস

৫ ছেপ্টেম্বৰ শিক্ষক দিৱসৰ দিনা চতুৰ্থ শ্ৰেণীৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে প্ৰধান শিক্ষকক ধৰি আটাইকেইগৰাকী শিক্ষকক একোটাকৈ কলম দি সেৱা কৰিলে। শেষত ৰিক্সাচালক মনোজৰ মেধাৱী পুত্ৰ ধীমানজ্যোতিয়ে তাৰ বেগৰ পৰা ফুল কেইপাহমান উলিয়াই শিক্ষকসকলৰ হাতত দি সেৱা জনাই ক'লে— 'ছাৰ মোৰ দেউতা ঢুকোৱা ছয় মাহ হৈছে। মই মাক কৈছিলোঁ— মা, ছাৰহঁতক দিবলৈ মোকো দুটামান কলম কিনি দিবাচোন। তেতিয়া মায়ে ক'লে— মোৰ হাতত পইচা নাই অ'।' তেতিয়া মাক ক'লোঁ— 'নাই যদি নালাগে দিয়া মা। দেউতাই ৰুই থৈ যোৱা ফুলগছজোপাৰে একোপাহ ফুল আজি ছাৰহঁতক দিম।' ছাৰ মোক বেয়া নাপাব মই আপোনালোকলৈ কলম আনিব নোৱাৰিলোঁ। ধীমানৰ কথা শুনি প্ৰতিগৰাকী শিক্ষকৰে চকুলো নিগৰি আহিল।

**ৰিম্পী পাল**
স্নাতক ষষ্ঠ যাণ্মাসিক
বাংলা বিভাগ

# বিধ্বস্ত বাকচটো

অৰণ্যৰ নিবিড়ত বাস কৰিছিলে এটা চাৰিজনীয়া পৰিয়াল— ধন, মন, কণ আৰু বন। ধন আছিল সাহসী, মনৰ হৃদয় মধুৰ দৰে মিঠা, কণ আটাইতকৈ বুদ্ধিয়ক আৰু বন সকলোতকৈ বেছি শ্ৰম কৰে। এদিন পানী বিচাৰি গাঁত খান্দি থাকোঁতে তেওঁলোকে সোণৰ বাকচ এটা পায়। লোভে তেওঁলোকক গ্ৰাস কৰি লয় আৰু তেওঁলোকে অক্লান্তভাৱে খান্দিবলৈ ল'লে। কেনেবাকৈ এই বাতৰি বিয়পি পৰিল, অৰণ্যত সোণ পোৱাৰ। অধিক লোক ভৰি গ'ল আৰু অৰণ্য ধ্বংস কৰি পেলালে।

প্ৰদূষণ নিয়ন্ত্ৰণৰ বাহিৰত বাঢ়ি গৈছিল আৰু সম্প্ৰদায়টো বিশৃংখলতালৈ নামি আহিছিল। হিংসাৰ সূত্ৰপাত হৈছিল আৰু পৰিয়ালটোৰে ইজনে সিজনক ঘূৰাই দিছিল। সেই সময়ত বাকচটোৰ পৰা এক অদ্ভুত বিকিৰণ লক্ষ্য হয় কণৰ নেত্ৰৰ আগত। হঠাতে বাকচটোৱে এটা গোপনীয় বাৰ্তা প্ৰকাশ কৰে—

'প্ৰকৃত ধনটোৱে হৈছে পৃথিৱী।'

তেওঁ চিঞৰি উঠিল। নেত্ৰ অন্ধকাৰে তেওঁক আগুৰি ল'লে, সেই সময়ত তেওঁ ভৱিষ্যতৰ এক দৰ্শন দেখিলে, নিৰ্জন পতিত ভূমি, জীৱন আৰু আশাবিহীন পৃথিৱী— তাৰ মাজত সোণৰ বাকচটো প্ৰত্যাশা কৰি আছে ইয়াৰ লোভত পৰি পৰৱৰ্তী ভুক্তভোগীয়ে টোপ লোৱাৰ।

**চুৰাদা শাৰেফি হক**
স্নাতক দ্বিতীয় ষাণ্মাসিক
গণিত বিভাগ

# তিনিআলি

গধূলি হোৱাৰ লগে লগে তিনিআলিটোৰ দোকানবোৰৰ লাইট জ্বলি উঠিল। এখন-দুখনকৈ বাইক দোকানখনৰ সন্মুখত গোট খাবলৈ ধৰিলে। ভাহি আহিব ধৰিলে চিগাৰেটৰ ধোঁৱা আৰু গোন্ধ। উফৰি আহিব ধৰিলে অনেক শব্দ আৰু উচ্চাৰণ। তিনিআলিটো পাৰ হৈ যাবলগীয়া ছোৱালীকেইজনীয়ে পুনৰ এবাৰ নিজৰ নিজৰ সাজপাৰবোৰ ঠিক-ঠাক কৰি ল'লে।

**গিৰিকৰ্ণিকা হাজৰিকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
ভূগোল বিভাগ

# স্মাৰ্টফোন

গাঁৱৰ সেই ধূলি-বালি গছকি ডাঙৰ হোৱা অনিমাই নগাঁও ছোৱালী কলেজত স্নাতকৰ বাবে নামভৰ্তি কৰিলে। আজি মাক-বায়েকসহ চহৰত ভৰি দিয়া অনিমাৰ বুকুত যেন ভয়, শংকা, লজ্জাই বেৰি ধৰিছে। ছোৱালী কলেজৰ ছাত্ৰী নিবাসত তাইৰ প্ৰথমটো দিন। সকলো কাম সম্পূৰ্ণ কৰি ঘৰৰ পৰিয়াল যাবলৈ ওলাল, লগতে অনিমাক দি থৈ গ'ল এটা 'স্মাৰ্টফোন'। জীৱনত নোপোৱা বস্তু এটা হাততে পোৱাত তাই অইনৰ দৰে কলঙৰ পাৰত বহি ৰিলছ্ বনোৱাত ব্যস্ত। তাই কলঙৰ পাৰত লগ পালে এজন ল'ৰা ৰাহুলক। দুয়ো প্ৰেমেৰে আগবাঢ়ি গ'ল। কিন্তু হঠাৎ এদিন তাই ছাত্ৰী নিবাসত ওলমি থকা সেই ভৰি দুখনে তাইৰ পৰিয়ালৰ বাবে কঢ়িয়াই আনিলে এক অভিশপ্ত আন্ধাৰ।

...কি ভুল আছিল পৰিয়ালৰ, হয়তো সেই স্মাৰ্ট ফোনটোৰে...।

**কৰবী দেৱী**
*স্নাতক ষষ্ঠ ষাণ্মাসিক,*
*অসমীয়া বিভাগ*

# সমাদৰ

ঐ! তই ক'ত আছ? মই এইমাত্ৰ ঘৰৰ পৰা আহি গুৱাহাটী পাইছো। ৰ ৰ শুনচোন আজিটো প্ৰেমৰ দিন। ব'ল আমি ফুৰিবলৈ যাওঁ। তই সোনকালে আহ্।

ঐ শুন কথা এটা ক'বলৈ পাহৰিলো নহয়। আমি ফুৰিব যাওঁতে ৰীলছ্ বনাম দেই। তই ৰীলছ্-ৰীলছ্ কৰি নাথাকিবি, মই ভাল নাপাওঁ। পঢ়িবলৈ আহিছ পঢ় ভালকৈ। নাযাওঁ যাহ্ ক'তো কি কৰ কৰি থাক। মই প্ৰেমৰ দিৱস চিৱস নাজানো দেই।

অলপ পিছত ৰূপালীৰ ফোনটো বাজিল। হ'ব দিয়া দুখ নকৰিবা। ব'লা মন্দিৰৰ পৰা আহো এপাক। ৰূপালী - এহ্ বাদ দিয়া মন্দিৰলৈ গৈ কি কৰিবা পাৰ্কলৈ যাওঁ ব'লা।

তোমাৰ কথাই হওক। ব'লা, এনে দিন নাহে কেতিয়াও।...ৰীলছ্ ৰীলছ্ ঐ ব'লনা ৰীলছ্ বনাও। এটাহে বনাম।

**জুৰিস্মিতা বৰা**
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

# জেউতি

মাজনী টকা-পইছাৰ বৰ অসুবিধা হৈছে অ'। তই নহ'লে গাঁৱৰ কলেজখনতে পঢ়। ছাত্ৰ-ছাত্ৰী কম গতিকে ভালদৰে বুজিও পাবি নে কি কৰ তই।

ৰামৰ কথাত জেউতি চিঞৰি উঠিল — 'নহ'ব দেউতা, মই নগৰত পঢ়িম মানে পঢ়িম। আপুনি ক'ৰ পৰা টকাৰ যোগাৰ কৰে

কৰক। লাগিলে আমাৰ আটিৰ মাটিখিনি বন্ধকত দিয়ক।’

ৰাম নিশ্চুপ, কেৱল চিন্তাৰ এডাল ৰেখা তেওঁৰ মুখমণ্ডলত স্পষ্টকৈ দেখা দিলে।

দুদিন পিছতে জেউতি বাছত উটি নগৰলৈ বুলি ৰাওনা হ’ল। আটিৰ মাটিখিনি বিক্ৰী কৰি যেনে তেনে টকাৰ যোগাৰ কৰি দিলে ৰামে।

কেইদিনমানলৈকে জেউতি সম্পূৰ্ণ পঢ়াত মনোযোগ দিছিল যদিও দুদিনমানৰ পাছৰ পৰা তাই লগ-সংগৰ লগত ক্লাছতকৈ বেছি পাৰ্ক, বজাৰ, ক্লাৱ আদিত ঘূৰিবলৈ ধৰিলে। আধুনিকতাই কোঙা কৰা এচাম ম’বাইলপ্ৰেমীৰ মাজৰ এজনী হৈ পৰিল জেউতি। লাহে লাহে ক্লাছ সম্পূৰ্ণৰূপে বাদ দি অনেক ঠাইত ম’বাইলত ৰিল বনাই ভাইৰেল হৈ পৰিল জেউতি। জেউতিৰ অনেক অশ্লীল ভিডিঅ’ গাঁৱৰ দুই-এজন ডেকাই দেখি বু-বু, বা-বা কৰাত লাগিল। ‘চুটি চুটি কাপোৰে বৰ সুন্দৰ দেখিছে দেই জেউতিক’ এনে কিছু অশ্লীল মন্তব্য শুনি ৰাম একেবাৰে দুখিত হৈ পৰিলে। আজিকালি টকা-পইছা নিবিচৰা দেখিও ৰাম চিন্তিত হ’ল।

অৱশেষত ব্ৰহ্মপুত্ৰত জেউতিৰ কিছু আধা ফটা কাপোৰ পোৱা গ’ল।

**গীতা ৰাজখোৱা**
স্নাতকোত্তৰ চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

# জনপ্ৰিয়তা

মৰমী এজনী গাঁৱৰ সহজ-সৰল ছোৱালী। তাই উচ্চ শিক্ষা ল’বলৈ বুলি চহৰলৈ আহিল। চহৰত অলপ দিন কটোৱাৰ পিছতেই তাই কৃত্ৰিম আধুনিক পৃথিৱীখনত ভৰি দিলে। মোবাইল ব্যৱহাৰ কৰি কম সময়ত জনপ্ৰিয় হ’বলৈ মন কৰিলে। যাৰ ফলত তাই ৰিলছ্, ব্লগ, Face book আদিত সোমাই পৰিল। পঢ়াত ভাল, মৰম লগা ছোৱালীজনী এখন বেলেগ পৃথিৱীত সোমাই পৰিল। আধুনিকতাৰ কবলত পৰি মৰমলগা মৰমীৰ নামটোও সলনি হৈ গ’ল। বেলেগ হৈ পৰিল মৰমী। গাঁৱৰ সেই সহজ-সৰল পৰিয়ালটোৰ মুখৰ হাঁহিটো যেন মৰহি গ’ল। জীয়েকৰ কু-কাণ্ডই মাক-দেউতাকক গাঁৱত মুখ উলিয়াব নোৱাৰা কৰিলে।

কম সময়তে যেন এটি পৰিয়ালে বাট হেৰুৱাই পেলালে সময়ৰ সোঁতত। জনপ্ৰিয়তাৰ কবলত পৰি শেষ কৰি পেলালে এটা উজ্জ্বল ভৱিষ্যৎ।

**ৰশ্মি ৰাজখোৱা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
অসমীয়া বিভাগ

# চহৰৰ চক্ৰান্ত

জোনালী এগৰাকী গাঁৱৰ উঠি অহা গাভৰু ছোৱালী। জোনালীয়ে উচ্চতৰ মাধ্যমিক শিক্ষাত উত্তীৰ্ণ হৈ বহুতো সপোন বুকুত বান্ধি গুৱাহাটী কটন বিশ্ববিদ্যালয়ত শিক্ষাগ্ৰহণ কৰিবলৈ আহিল। তাইৰ চহৰত এইয়া প্ৰথম জীৱন। নতুন পৰিচয় নতুন মানুহৰ লগত তাই যে বুকুত বান্ধি অহা সপোনবোৰৰ সৈতে নিজৰ পৃথিৱীখন গঢ়িব ধৰিলে। কিন্তু তাইৰ মনত চহৰীয়া জীৱনটো যে ইমান মাৰাত্মকলৈ পৰিণত হ’ব তাই বুজিব পৰা নাছিল। লাহে লাহে তাই চহৰৰ মাদকতাখিনিৰ লগতে ৰঙৰ জীৱনটোৰ সৈতে যেন তাই সোমাই পৰিল। তাই যেন গাঁৱৰ সেই জোনালীজনী হৈ থকা নাই। সময়ৰ সোঁতত আৰু চহৰীয়া ৰঙীন পৃথিৱীখনত তাই যে উটি-ভাহি পৰিল। তাই গাঁৱৰ সেই খেতিয়কৰ জীয়েক বুলি নিজকে পৰিচয় দিবলৈ লাজ পোৱা হ’ল।

তাই সামাজিক মাধ্যমত নিজৰ দেহৰ ভিডিঅ’ বনাই টকা উপাৰ্জন কৰি চহৰীয়া মানুহবোৰৰ লগত নিজৰ জীৱনটো মিলাব ধৰিলে। মদ, বেয়া মাদকতাত যেন তাই বিলীন হৈ পৰিল। গাঁৱৰ খেতি কৰি টকা পঠিয়াব পৰা ক্ষমতা নাইকিয়া হোৱাত আৰ্থিক অৱস্থা বেয়া হোৱাৰ ফলত তাই এনেদৰে নিজৰ দেহটো দি চহৰীয়া জীৱনৰ মাদকতাৰ লগতে আমেজ লৈ গৈছে। তাইৰ বাবে এইয়ে তাইৰ জীৱন হৈ পৰিল।

**গিৰিক্ৰান্তিকা হাজৰিকা**
*স্নাতক চতুৰ্থ ষাণ্মাসিক*
*ভূগোল বিভাগ*

# পৰিৱৰ্তন

এখন খুবেই সৰু গাঁৱৰ এগৰাকী ছোৱালী আছিল, যাৰ নাম আছিল প্ৰতিমা। শিক্ষাৰ দিশত প্ৰতিমা আছিল এগৰাকী গাঁৱৰ ভিতৰৰে নামজ্বলা ছোৱালী। তাই সৰুৰে পৰা খুবেই সহজ-সৰল প্ৰকৃতিৰ ছোৱালী। সময় বাগৰাৰ লগে লগে তাই হাইচেকেণ্ডাৰী পৰীক্ষাত অৱতীৰ্ণ হৈ এটা ভাল ফলাফল বুটলিবলৈ সক্ষম হ'ল। কিন্তু, তাইৰ ঘৰখনৰ অৱস্থা ইমান ভাল নাছিল, সেইবাবে উচ্চ শিক্ষাৰ বাবে প্ৰতিমাক চহৰলৈ পঠাব নোৱাৰিম বুলি তাইৰ দেউতাকে গাঁৱৰ গাঁওবুঢ়াৰ আগত কৈ আছিল। আৰ্থিক দিশৰ পৰা টনকিয়াল হোৱাৰ বাবে গাঁওবুঢ়াজনেই প্ৰতিমাক চহৰলৈ পঠোৱাৰ সিদ্ধান্ত ল'লে। চহৰলৈ অহাৰ পাছত প্ৰতিমাই বহুতো বিপদৰ সন্মুখীন হ'ল। গাঁৱলীয়া বুলি বহুতে ঠাট্টা কৰে। প্ৰতিমাৰ কান্দোনত তাইৰ কোঠাৰ লগৰীজনীয়ে কিছুমান নিয়ম শিকালে যে কেনেকৈ চহৰৰ মানুহৰ লগত মিলি থাকিব লাগে।

Instrogramত একাউণ্ট খুলি প্ৰতিমাৰ নাম এৰি পৰি নামলৈ ৰূপান্তৰ হ'ল। ৰিলছ্ বনাই লাহে লাহে তাই লগৰজনীতকৈ বিখ্যাত হ'বলৈ ধৰিলে। যিটোত তাইৰ লগৰজনীৰ হিংসা যথেষ্ট বাঢ়িল আৰু প্ৰতিশোধ লোৱাৰ কথা ভাবিলে।

**অঞ্জনা দাস**
*স্নাতক চতুৰ্থ ষাণ্মাসিক*
*দৰ্শন বিভাগ*

# ৰূপান্তৰ

নগাঁও চহৰৰ এখন ভিতৰুৱা গাঁও কুমাৰগাঁও। নীলা সেই গাঁৱৰে এগৰাকী মেধাৱী ছাত্ৰী। এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হৈ উচ্চ শিক্ষা লাভৰ কাৰণে চহৰৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠানত নামভৰ্তি কৰিছে। নীলা এগৰাকী তেনেই সাধাৰণ ছোৱালী। চহৰৰ আদব-কাইদাৰ বিষয়ে তাই অৱগত নহয়। সেয়েহে পিতৃ-মাতৃয়ে চহৰত শিক্ষা গ্ৰহণ কৰিবলৈ যোৱাটো ভাল পোৱা নাছিল। কিন্তু শিক্ষকসকলে তাইক চহৰত গৈ উচ্চ শিক্ষা লাভ কৰি উন্নতিৰ শিখৰত আগবাঢ়ি যোৱাটো বিচাৰিছিল। সেয়েহে তাইৰ পিতৃ-মাতৃয়ো মান্তি হ'ল। চহৰত শিক্ষা লাভ কৰিবলৈ আহি প্ৰথমে তাইক কোনেও চিনি পোৱা নাছিল বা পাত্তা দিয়া নাছিল। সেয়েহে তাই ভিতৰি মানসিক অশান্তি পাই আছিল। তেতিয়াই নীলাৰ মৌচুমী নামেৰে এজনী বান্ধৱীৰ লগত চিনাকি হ'ল। তেতিয়া তাই নীলাক ৰিলছ্ বনাই কেনেকৈ জনপ্ৰিয় হ'ব পাৰি লগতে টকা কেনেকৈ উপাৰ্জন কৰিব পাৰি সেই বিষয়ে জনালে। তেতিয়াৰ পৰা নীলাইয়ো ৰিলছ্ বনাই জনপ্ৰিয় হৈ পৰিল আৰু মহাবিদ্যালয়ত সকলোৰে তাইক চিনি পোৱা হ'ল। তেনেকৈ উপাৰ্জন হিচাপে ৰিলছ্ বনাই উপাৰ্জন লাভ কৰিবলৈ ধৰিলে।

**ত্ৰিনয়না আদিত্য**
*স্নাতক দ্বিতীয় ষাণ্মাসিক*
*ভূগোল বিভাগ*

# নতুন পৰিৱেশ

সৰু গাঁৱৰ পৰা পঢ়িব অহা ছোৱালী এজনী নতুন চহৰ, নতুন মহাবিদ্যালয়, লগতে বিভিন্ন নতুন মানুহ। চিনাকি যেন কোনো নাই। তাইৰ নাম আকৌ পূজা।

তাই প্ৰথম দিনা কলেজত কেইজনীমান নতুন বান্ধৱী লগ পালে। তাই সিহঁতৰ লগত সদায় একেলগে অহা-যোৱা খোৱা-বোৱা সকলো কৰে। তাই দেখাত বৰ ধুনীয়া বাবে কলেজৰ ল'ৰাবোৰে তাইক প্ৰায় চিঠি দিয়ে। সেই সকলোবোৰ দেখি তাইৰ লগৰ এজনীৰ হিংসা হয় আৰু মনতে তাইৰ প্ৰতি বৰকৈ খং উঠে। কিন্তু পূজাই আকৌ সকলোকে নিজৰ বুলিয়ে ভাবে। এদিন পূজাই কলেজৰ পৰা ওলাই আহোঁতেই লগৰজনী আহিল আৰু মাতিলে 'পূজা, পূজা শুনছোন'। পূজাইও তাইৰ মাত শুনি তাইৰ ওচৰলৈ গ'ল। অ'.. কচোন কি হ'ল...। তোৰ কাৰণে মই কেক্ আনিছো খাছোন বুলি  পূজাক কেক্ খাবলৈ দিলে। পূজাই ভাবিলে তাই আজি মোলৈ কেক্ আনিলেনে? তাই ভাবিলে যদিও কেক্টো খাই দিলে। তাই জনা নাছিল যে কেক্টোত নিচাযুক্ত দ্ৰব্য মিলোৱা আছিল। তাই কেক্টো খোৱাৰ পাছত মূৰ ঘূৰাই পৰি গ'ল। তাইৰ বান্ধৱীজনীয়ে লগে লগে তাইৰ বেয়া ফটো উঠাই থয়।

**ৰীয়া দাস**
*স্নাতক দ্বিতীয় ষাণ্মাসিক*
*বুৰঞ্জী বিভাগ*

# The River's Truth

By the river's edge, a restless soul sat in silence watching its endless flow and sighed "Why does life feel so uncertain?"

An old fisherman nearby smiled "Life is like this river", he said, "It never stops, never clings to one place. It faces rocks, storms, and droughts, yet it keeps moving forward."

"But where does it lead?" the restless soul asked.

"To the ocean, where it becomes something greater," the man replied, "Just like us. We struggle, we fall, but we grow. In the end, we become part of something bigger than ourselves."

Watching the river flow, they finally felt at peace.

**Sneha Borkataki**
6th Semester
Department of Geography

# Homecoming

Chitrakshi stepped off the bus, the scent of wet soil and samosas wrapping her like a shawl. The small town hadn't changed much. The streets busted with rickshaws honking and wanders calling out. Years in the city had sharpened her edges, made her a stranger to the place she once lived in.

She walked past the temple where she used to come with her mother to pray every Saturday.

At her house the iron gate groaned.

A voice called out, 'Chitrakshi?'

Her mother stood there, smiling.

Chitrakshi smiled, throat tight, 'Maa, I'm home.'

But did that home still know her?

**Ananya Datta**
4th Semester
Department of English

# The Glass of Water

A teacher held up a glass of water in class.

"How heavy is this?" he asked.

"Half a kite?" guessed a student.

The teacher smiled, "The weight doesn't matter. If I hold it for a minute, it's light. It I hold it for an hour, my arm aches. If I hold it all day, my arm goes numb. But the glass never changes."

He set it down. "Life's worries are like this. Hold on too long, and they will paralyse you. Learn to put them down."

The class set in silence. They understood that holding stress and worries too long make them unbearable. We must learn to let them go.

**Shruti Mahanta**
B.Sc. 6th Semester
Department of Chemistry

# The Last Goodbye

Never knew goodbyes could be so hard. I hope I never have to use these words again but the memory of the invisible thread between my grandpa and me lingers.

How could I sever this thread of love, care and laughter? How could I forget my magician who used to store sweet treats in that silver teapot that felt like magic?

Goodbyes only leave us with echoes of our time together. Grandpa, you are the brightest star I look at in the night sky.

**Hiyachaki Borah**
B.Sc. 2nd Semester
Department of Zoology

# The Last Candle

In a village cursed with endless night, Maria guarded the last candle. Its golden glow kept the darkness at buy. One evening, a lost child knocked on her door, shivering.

"Please, I'm afraid," the child whispered. It might go out. But she couldn't ignore the child's fear. She lit a small stick from her candle and handed it over.

Instead of dimming, the flame grew, spreading warmth and light. One by one, candles reignited across the village. The curse lifted, and dawn finally returned. At last Maria had saved them all.

**Naina Begum**
B.A. 4th Semester, Department of English

# My Lily

I'm tired. My body feels heavy. I try to wag my tail, but it's hard. Lily is holding me close. A white liquid is flowing from her eyes, is this a tear? Is my lily crying? Now I'm in tears too. She's crying, and whispering sorry. I don't understand. I thought I was a good boy. Don't cry lily, why are you crying. I try to lick her face, but my tongue feels thick. Lily's warmth and love surround me. I feel safe. As my eyes close, I hear lily's soft voice, "I'll always love you, Lulu". I'm at peace.

**Juri Boro**
B.A. 4th Semester, Department of Education

# The Alchemist by Paulo Coelho

It was initially written and published in Portuguese. It has been translated to more than 70 languages. The theme is about finding one's destiny or purpose in life. The Alchemist is a fantastic book and storytelling is beautiful. The choice of words are impeccable, full of wisdom and philosophy. I totally loved it. The story is very enchanting and burst with optimism which I think is very important in our lives. The book shows that the journey to our destiny is as important as the destiny itself. I love how the book emphasizes on the importance of faith, hope and spirituality through the story of an ordinary boy. I think this book appeals to everyone because we all have dreams and sometimes we just want someone to tell us that they may come true. Over all "The Alchemist" is a very exciting fictional novel and it deserves a space at everyone's book shelf.

Quotes from the book, "It's the possibility of having a dream come true that makes life interesting." and "There is only one thing at makes a dream impossible to achieve: The fear of failure." always inspire the readers.

**Rupmili Engtipi**
4th Semester
Department of Botany



ৰম্য ৰচনা

নীলা খামৰ চিঠি

নাটক

ৰম্য ৰচনা

# বিহুৰ বেপাৰ

**পূজা বৰা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

ঢোলে-দগৰে ৰজনজনাই আহি দুৱাৰডলি গৰকা আমাৰ অতিকৈ চেনেহৰ বিহুটি নেপাতি কেনেকৈ থাকোঁ বাৰু? এই কথাটোকে গুণা-গঁথা কৰি কেইদিনমান আগতে আমাৰ অঞ্চলৰে দুজনমানক মিলি 'পান্থশালা' নামৰ 'বাৰ'খনতে আলোচনা কৰি এইবাৰৰ বিহুৰ ফাংচনখন পাতিবলৈ থিৰাং কৰা হয়। যোৱা বছৰ পতা বিহুৰ হিচাপ-নিকাচবোৰ নিলগাই থোৱা হৈছেই। পুৰণা কথা, পুৰণা বিহু গ'ল, হিচাপৰ কথা গুচিল। এনেও যোৱাবাৰৰ সম্পাদকে বিহুৰ পাছতেই আনি চাৰি-পাঁচজনক ৰিজ'ৰ্ট এখনত ডাঙৰ পাৰ্টি এটা দি বিহুৰ হিচাপ-নিকাচ মিলাই থৈছিলেই। গতিকে সেই পুৰণি কথাবোৰ ধৰি নথকাই ভাল।

এইবাৰৰ সাধাৰণ সম্পাদক হিচাপে মোৰ নামটো ৰাইজে সৰ্বসন্মতিক্ৰমে গৃহীত কৰাই সমিতিখনো মোৰ মতেই হ'ব লাগিব বুলি আগতেই হুংকাৰ দি থৈছোঁ। সিদিনা 'বাৰ'ত এইবোৰ কথাই একৰকম ফাইনেল হৈ গৈছে। এতিয়া এদিন পুৰণা স্কুল ঘৰটোত ৰাজহুৱা সভা এখন আহ্বান কৰি ৰসতে নামটো থ'লেই হ'ল। বিহুৰ বাবে আলোচনা কৰিবলৈ বুলি থিৰাং কৰা সভাখনৰ বাবে বছা বছা কেইজনমানলৈ নিমন্ত্ৰণী-পত্ৰ পঠাব লাগিব। দেওবাৰে দুই বজাৰ পৰা হ'বলগীয়া সভালৈ নিমন্ত্ৰিতসকলে ভাত-ঘুমটি মাৰি আহি সভা আৰম্ভ কৰোঁতে চাৰিমানেই বাজিব। টোপনিৰ পৰা উঠি অহাৰ বাবে সভাৰ উদ্দেশ্য ব্যাখ্যাৰ পাছতেই ৰাইজক 'আগৰৱাল ছুইট্‌ছ'ৰ পৰা ধমকি দি অনা মিঠাই আৰু স্কুলৰ সন্মুখৰ ৰতনৰ গুমটি দোকানৰ পৰা বাকীলৈ অনা চাহ পৰিৱেশন কৰা হ'ব। পুৰণি স্কুলঘৰটিত লাইটৰ ব্যৱস্থা নাই বাবে গধূলি এন্ধাৰ হোৱাৰ আগেয়েই খৰখেদাকৈ বিহু সমিতি এখন সকলোৰে সৰ্বসন্মতিক্ৰমে গৃহীত কৰা হ'ব। আচলতে সিদিনা 'বাৰ'ত থিৰাং কৰি থোৱা নামকেইটাকে গাই ৰাইজে দায়িত্ব অৰ্পণ কৰা বুলি মোহৰ লগাই ল'ব। ইয়াৰ পাছৰ সকলো দায়িত্ব হ'ল এই নতুনকৈ গঠিত হোৱা সমিতিখনৰ। অৱশ্যে যোৱা পাঁচ বছৰ ধৰি কোনো বেলেগ মানুহ এই সমিতিখনত সোমাবলৈ পৰা নাই, প্ৰতি বছৰে একেখিনি মানুহেই 'মিউজিক চেয়াৰ'ৰ দৰে সমিতিৰ বিভিন্ন পদবোৰ দখল কৰি ঘূৰি আছে। নৱনিৰ্বাচিত সমিতিখনৰ পাছৰ 'সভা'খন ৰিজ'ৰ্ট এখনতে পতাৰ থিৰাং কৰা হ'ব। উচ্চ ক্ষমতাসম্পন্ন কাৰ্যনিৰ্বাহক সমিতিৰ উচ্চ পৰ্যায়ৰ সদস্যসকলে মহৰ কামোৰ খাই, ৰঙা চাহ আৰু সেমেকা চিঙৰাত কামোৰ মাৰি, পুৰণি স্কুলঘৰটোত মিটিং কৰিব নোৱাৰি দেই! সেয়ে ৰিজ'ৰ্টখনতে ভজা কুকুৰাৰ মঙহ চোবাই আলোচনাৰ মাধ্যমেৰে সকলোৰে দায়িত্ববোৰ ভগাই দিয়া হ'ব। এই ৰিজ'ৰ্টৰ মিটিংখনতেই পিছে আচল কথা মানে কমিশ্যনৰ অংকটো খোলা-মেলাকৈ আলোচনা কৰি ঠিক কৰা হ'ব। চান্দা কমিটি, পেণ্ডেল কমিটি, মেগাজিন কমিটি, কালচাৰেল কমিটি, ৰিচেপশ্যন কমিটি, অমুক কমিটি, ভচুক কমিটি সকলোৰে এটাই ধান্দা, সেইটো হ'ল নিজৰ কমিশ্যনৰ ভাগটো যাতে এইবাৰ ডাঙৰ হয়।

বিহুৰ ফাংচনৰ দিনটো জেঠ মাহৰ শেষৰফালে অৰ্থাৎ ইংৰাজী জুন মাহতেই উদ্‌যাপন কৰিবলৈ ঠিক কৰি থোৱা আছে। নহ'লে আৰ্টিষ্টৰ 'ডেট' পোৱাত দিগদাৰ হয়। কিছুমান সদস্যই আহাৰ বা শাওণ মাহলৈ পিছুৱাবলৈ কৈছিল, কিন্তু ৰঙালী বিহু ইমান দেৰিকৈ পতাটো উচিত নহয়। সেয়ে জেঠৰ মাহতেই ভাল দিন এটা চাই ঠিক কৰা হ'ব। সকলোতকৈ ডাঙৰ দায়িত্ব হ'ল চান্দা তোলা কথাটো। চান্দা তুলিবলৈ ভালেকেইখন উপ-সমিতি পাতি দিব লাগিব। সকলোকে 'কমিশ্যন'ৰ কথাখিনি ইতিমধ্যে নিয়াৰিকৈ বুজাই দিয়া হৈছেই গতিকে বিশেষ দিগদাৰ নহ'ব। সকলোৰে বিশৰ পৰা ত্ৰিশ শতাংশ কমিশ্যন পাব। প্ৰতিখন চান্দাৰ বহীত 'মিনিমাম এমাউণ্ট' ধৰি দিয়া থাকিব। সেই নিৰিখৰ ওপৰত যদি বেছিকৈ তুলিব পাৰে নিজৰেই লাভ। ধমকি দিবলৈ দৰকাৰ হ'লে মাৰ-পিট কৰিবলৈ চান্দা 'স্পেচিয়েলিষ্ট' মানে 'চান্দাবীৰ'সকলকো সহায় ল'ব পাৰে, কিন্তু সেই অতিৰিক্ত

খৰচসমূহ নিজেই বহন কৰিব লাগিব। চান্দা সংগ্ৰহৰ বাবে বেলেগ বেলেগ লেভেল ধৰি দিয়া হৈছে। 'ল'ৱাৰ লেভেল'ৰ চান্দা তোলাসকলে দিনে-নিশাই পথত বেঞ্চ পাৰি ব্যক্তিগত তথা ব্যৱসায়িক দুচকীয়াৰ পৰা দহচকীয়া গাড়ী ৰখাই চান্দা তুলিব পাৰিব। 'মিডল লেভেল'ৰ চান্দা তোলা পাৰ্টিৰ কথা অৱশ্যে সুকীয়া। ঘৰ, দোকান, বজাৰৰ পৰা চান্দা সংগ্ৰহ কৰাটো এইসকলৰ দায়িত্বত থাকিব। 'আপুনি নিজৰ ফালৰ পৰা যি দিয়ে দিয়ক' বুলি কোৱাটো আজিকালি আউটডেটেড হ'ল। সন্ধিয়া সময়ত বিশ-পঁচিছজনীয়া দল এটি গিৰিপ-গাৰাপকৈ এঘৰলৈ গৈ চান্দাৰ বহীখনৰ পৰা আগতেই লিখি অনা কাগজ এখিলা ফালি গৃহস্থলৈ আগবঢ়াই দুটা মাতেৰে 'এহেজাৰ এটকা দিয়ক!' বুলি কোৱাটোহে নিয়ম। 'আপাৰ লেভেল'ৰ চান্দাৰ কথা অৱশ্যে সুকীয়া। এই কামটোৰ দায়িত্ব অৱশ্যে ময়েই ল'ম। মোৰ লগত অৱশ্যে সমিতিত থকা মোৰ বিশ্বস্ত কেইজনমানক নিব লাগিব। বিহু বুলি মদৰ কম্পেনী, গুট্খা কম্পেনী, চিমেণ্ট কম্পেনী, টিভিৰ কম্পেনী, ম'বাইল কম্পেনীৰ পৰা মোটা অংকৰ চান্দা তোলা কামটো সাধাৰণতে নিজে কৰাই ভাল। এইখিনি কমিশ্যনৰেই নিজৰ বহু 'পেণ্ডিং' কাম কৰি পেলাব পৰা হয়গৈ। পেণ্ডেলৰ কথাটোও অলপ দাম-দৰ কৰি এই কম্পেনীকেইটাকেই গতাই দিলেই লেঠা শেষ। ইংৰাজী, হিন্দী, তামিল, ফৰাচী যি ভাষাতেই হওক, য'ত যি বেনাৰ, ফেষ্টুন লগাব খোজে লগাই থাকিব, তাত মোৰ কি আহে বা যায়? 'বটল বিহু', 'গুট্খা বিহু', 'চিমেণ্ট বিহু', 'টিভি বিহু', 'ম'বাইল বিহু' বুলি ডাঙৰকৈ ছপাই তোৰণ, মণ্ডপ, মঞ্চ য'ত যিহকে লগাব খোজে লগোৱাৰ অনুমতি দি দিম। কেৱল মই পাবলগীয়া পইচাখিনি পালেই হ'ল। অসমত ব্যৱসায় কৰিছে যেতিয়া পইচা দিবই লাগিব, নহ'লে ধৰ্ণা, আন্দোলনৰ বাবেও মই মানুহ ফিটিং কৰি থৈ দিছোঁ। পইচা দিয়াৰ পাছত কম্পেনীয়ে যদি ঢং দেখুৱায়, দেখুৱাব, বস্তুৰ দাম যদি বঢ়ায়, বঢ়াব, মোৰনো কি?

এই অঞ্চলৰ ডেৰ কিলোমিটাৰ ব্যাসাৰ্ধৰ ভিতৰতে এইবাৰ বাৰখনকৈ বিহু পতা হ'ব। গতিকে ৰাইজৰ অলপ কষ্ট হ'লেও আমাৰ নিচিনা উদ্যমী বিহুবলিয়াকেইটিৰ কথা চিন্তা কৰিয়েই বিহুৰ 'ফাংচন'খন জাক-জমককৈ পাতিবই লাগিব। এই অঞ্চলটোত মুকলি ঠাইৰ অভাৱ হোৱা হেতুকে মূল পথটিৰ একাংশ বন্ধ কৰি হ'লেও ৰাইজৰ বিপুল দাবীত বিহুৰ অনুষ্ঠানটি পতাৰ বাবে আগভাগ লোৱা হৈছে।

বিহুৰ এটা মুখ্য আকৰ্ষণ হ'ল— 'সম্বৰ্ধনা অনুষ্ঠান!' ইতিমধ্যে প্ৰায় পঞ্চল্লিছজনমানে মঞ্চত সম্বৰ্ধনা লোৱাৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে। ময়ো এইবাৰ বেলেগ এটা ছিষ্টেম কৰিম বুলি ভাবিছোঁ। ৰেট 'ফিক্স' থাকিব। মঞ্চত সম্বৰ্ধনা গ্ৰহণ কৰিব খুজিলে বৰঙণি হিচাপে পাঁচ হেজাৰ টকা আৰু কোনোবাই যদি ৰাইজৰ আগত দুআষাৰ ভাষণ দিব খোজে তেনেহ'লে পাঁচ হেজাৰ টকা এক্সট্ৰা দিব লাগিব। সম্বৰ্ধনা গ্ৰহণ কৰা সময়ত ঘোষকে কি ক'ব লাগে সেয়া দহশাৰী বাক্যত নিজে লিখি আনিব লাগিব। ক'লা ব্যৱসায়ী, দালাল, অপৰাধী, চোৰ, ডকাইত, দুৰ্নীতিগ্ৰস্ত সকলোৱে সমান অধিকাৰ পাব। অৱসৰপ্ৰাপ্ত শিক্ষক, সমাজসেৱক এনেধৰণৰ লোকৰ সাধাৰণতে এইবোৰ বিশেষ সম্বৰ্ধনা দিয়া নহয়।

ডাঙৰ 'আৰ্টিষ্ট'কেইজনক ইতিমধ্যে 'বুকিং' কৰা হৈছেই। লাখৰ ঘৰত পইচা লোৱা 'আৰ্টিষ্ট'কেইজন অৱশ্যে গধূলিৰ পৰাই অন্য চাৰি-পাঁচখন বিহুতলী গচকিহে আমাৰখন গৰকিবহি হেনো। গতিকে পুৱতি নিশা দুই-তিনি বজাৰ আগতে তেখেতসৱ মঞ্চত উঠাৰ আশা ক্ষীণ। সাংস্কৃতিক সম্পাদকক অৱশ্যে কৈ থোৱাই আছে যে দৰ্শকবৃন্দ বিৰক্ত নহ'বলৈ ইটো-সিটো আইটেম চলাই ৰাখি মাজে মাজে 'খন্তেক পাছতে... খন্তেক পাছতে...' মাইকত চিঞৰি থাকিব লাগিব। ডাঙৰ আৰ্টিষ্টকেইজন মঞ্চত উঠাৰ আগেয়ে খন্তেক জিৰণি লোৱাৰ বাবে সুকীয়াকৈ বন্দৱস্ত কৰা হ'ব। ডাঙৰ 'আৰ্টিষ্ট'কেইজনৰ বাবে সুকীয়াকৈ ৰখা জিৰণি ঘৰটোত পানীৰ বটল, ছ'ডা, বৰফ, গিলাচ ইত্যাদি অত্যাৱশ্যকীয় সামগ্ৰী যতনাই ৰখা হ'ব। আৰ্টিষ্ট আৰু শিল্পীসকলৰ বাবে মাননিৰ এনভেলপ আগতীয়াকৈ ৰেডী কৰি থোৱা হ'ব। আৰ্টিষ্টৰ বাবে ফুলৰ তোৰা, পাটৰ ভমকাফুলীয়া গামোচা, প্ৰকাণ্ড জাপি, শৰাই আৰু খমখমীয়া নোটেৰে ঠাহ খাই থকা শকত এনভেলপ যোগাৰ কৰি ৰখা হ'ব। থলুৱা লোকগীত, টোকাৰী গীত গোৱা শিল্পীকেইজনৰ বাবেও জেলজেলীয়া মাদ্ৰাজী গামোচা আৰু মাননি হিচাপে দিবলৈ কেইটামান এনভেলপত দুই-তিনিশ টকাকৈ যোগাৰ কৰি ৰখা হ'ব।

মুঠতে এইবাৰ বিহু পাতিমেই। যোৱাবাৰৰ বিহু কমিটিৰ সম্পাদকে বিহুৰ দুমাহ পাছতেই বিহুৰ ইনকামেৰে কিনা গাড়ীখনৰ কথা মনত ৰাখিয়েই এইবাৰ দেহে-কেহে খাটিছোঁ। অসমৰ বাপতি সাহোনস্বৰূপ আদৰৰ ৰঙালী বিহুটি নেপাতি কেনেকৈ থাকোঁ বাৰু?

# নীলা খামৰ চিঠি

## ১.

তোমালৈ প্ৰিয়,

অব্যক্ত ভাবৰে হেমকোষত শব্দ বিচাৰি ফুৰাটোৱে হয়তো প্ৰেমৰ এক সুবাস। অস্পষ্ট ভাষাৰে লিখা এই চিঠিখনত বিচাৰি পাবা জানো প্ৰেমৰ অমৃত? পাবা জানো বিচাৰি মৰম...

মৰম কেনে আছা।

মোৰ মনৰ অলীক। এমুঠি শব্দ লাগিছিল জানা কেৱল তুমি বুজি পোৱাকৈ... তোমাৰ হিয়াত ফাগুন নমাব পৰাকৈ।

মৰম, তুমি

বাৰু নিশাৰ জোনৰ বাবে কিমান উত্তাৱল? নিশা তুমি কলঙৰ পাৰলৈ আহিবাছোন। আহিবাছোন আমাৰ প্ৰেমৰ সেই বোৱঁতী ধাৰাৰ শব্দ শুনিবলৈ। কলঙৰ কুল কুল মাতে আমনি কৰে নেকি? আহিবা এদিন অকলশৰে সেই কলঙৰ পাৰৰ ভগা দলংখনিলৈ। দুয়ো কথা পাতিম। আচলতে, কিছু শব্দ লাগিছিল কেৱল তুমি বুজি পোৱাকৈ... শুনি ভাল পোৱাকৈ। তোমাক দেখিলে মোৰ মনত এক গভীৰ প্ৰেমে খুন্দা মাৰে। হয়তো কলঙৰ পাৰত তোমাৰ লগত মোৰ হৃদয়ে কথা ক'ব। অস্পষ্ট শব্দৰে, কেৱল হৃদয়ে বুজি পোৱাকৈ। জানা প্ৰেম আকাশৰ পপীয়া তৰা। তুমিবিহীন মই যেন আত্মা বিহীন শৰীৰ। জানো মই, এইয়া যেন এক অলীক স্বপ্ন তথাপিও....। নিৰিবিলি সন্ধিয়াৰ তুমিয়েই জোনাক মোৰ অলীক সপোনৰ তুমিয়েই সাৰথি মোৰ... ভুল নুবুজিবা কাঞ্চনজংঘাৰ শুভ্ৰতা, ভালপাওঁ তোমাক ভয় কৰো হেৰুৱাৰ বাবে। তোমাৰ কাষত অন্য নাৰী দেখিলে মোৰ মনৰ একোণত বৰ বেয়াকৈ বিষাই। হয়তো ভালপাওঁ? তুমিটো নাজানাই মই তোমাৰ বাবে কিমান বাউলি তুমিতেই মই। মোৰ হৃদয়ৰ প্ৰতিটো স্পন্দনত তুমি, মোৰ উশাহ, মোৰ হিয়া সকলোতে মাথো তুমি। তোমাতেই হেৰাও মই ধাৰাসাৰ। তুমি অবিহনে যেন জোনাকৰ জোনাকীয়েও চোতালৰ পৰা হেৰাই গৈছে। তোমাৰ ভাৱনাত মই বিলীন।

মনৰ কথা কৈ দুখ নিদিও তোমাক। ভুল নুবুজিবা মোৰ অমৃত। কেৱল অস্পষ্ট ভাষাৰে ক'ব বিচাৰো ভাল পাওঁ তোমাক। আচলতে প্ৰেম এটি ডাঙৰ শব্দ। নাজানো মোৰ হৃদয়ে কৰা অনুভৱ প্ৰেম নে কি? কিন্তু মোৰ হৃদয়ে তোমাকেই বিচাৰে। জীৱনৰ উকা পৃষ্ঠাত তোমাৰ নাম চিৰদিনলৈ সাঁচি থ'লোঁ।

কলমৰ নিগৰিত চিয়াঁহীৰে দিয়া এই শব্দকেইটাৰে এইয়া প্ৰেমৰ আবেদন নে নিবেদন মই অজ্ঞাত। কেৱল বৈ থাকিম আগন্তুক ব'হাগৰ কুঁহিপাত ওলোৱালৈকে। মই কৰা প্ৰেমৰ নিবেদনৰ অপেক্ষাত... মই তোমাৰ ৰাগত তীব্ৰ ৰাগী, মোক ভুল নুবুজিবা কেৱল তোমাৰ জীৱনৰ এটি মিঠা নাম বুলি মোক মনত পেলাবা - মোৰ মৰম। আকৌ পুনৰ প্ৰেমৰ আবেদন... কেৱল তোমালৈ।

তোমাৰ প্ৰেমৰ অনুৰাগী


**কৰবী দেৱী**

স্নাতক ষষ্ঠ ষাণ্মাসিক

অসমীয়া বিভাগ


## ২.

প্ৰতি,

অভিমানী ল'ৰাজন...

প্ৰথমতে, মোৰ এই প্ৰেমৰ হৃদয়ত তোমাৰ প্ৰতি অনবৰতে বৰষি থকা মৰমবোৰ ল'বা। তোমাৰ চাগে ভালেই। বহুদিনেই হ'ল তোমাক দেখা নোপোৱা। বহু কথাই ক'বলৈ মন যায় তোমাক জানা? কিন্তু অনুভৱৰ ইমান পয়োভৰ যে কোনবোৰ কওঁ, নকওঁৱেবা কোনবোৰ। এই ভাৱনাত আউল লাগি স্তব্ধ হৈ যায় মোৰ শব্দ আৰু সময়; পল-অনুপল।

আজি নাজানো কিয় তোমাক এবাৰ বৰকৈ লগ কৰিব মন গৈছে। মনটোক বুজাবই পৰা নাই। মাজে মাজে মোৰ মনটোৱে তোমাক বিচাৰি এনেদৰে বৰ আমনি কৰে জানা? তোমাৰো হয়নে এনেকুৱা?

নাজানো.... নাজানো কেতিয়াৰ পৰা তুমি মোৰ জীৱনৰ এক নিঃশেষ কবিতা হৈ পৰিলা। নাজানো কেতিয়াৰ পৰা তুমি মোৰ

জীৱনৰ এক গোপনীয় অনুভৱ হৈ পৰিলা। আৰু এতিয়া তোমাৰ প্ৰতি মোৰ এই অনুভৱ লাহে লাহে বাঢ়ি গৈ আছে জানা।... ভাল লাগে জানা, যেতিয়া তুমি ক'ব নিবিচৰা কথাবোৰ তোমাৰ দুচকুৱে কৈ দিয়ে। তুমি কাষলৈ আহিলে সোণাৰুৰ দেশখনো অধিক সোণালী হৈ পৰে। তুমি কাষেৰে পাৰ হ'লে তোমাক চুই যোৱা বতাহজাকে মোক তোমাৰ সুবাস দিয়ে। তুমি দূৰৈত থাকিলে চকুৱে সিমান দূৰ সম্ভৱ তোমাক চাব বিচাৰে।

বহু কথা... বহু কথাই কোৱাৰ পাছতো বহু কথা থাকি যায় ক'বলৈ শেষেই হ'ব নুখুজে কথা। পিছে এতিয়া মোৰ মন অশান্ত। বহুদিন তোমাক নেদেখাৰ বাবে আকাশ গোমা মোৰ চহৰত। বহুদিন কথা নপতাৰ বাবে মোৰ সময়বোৰত এতিয়া অশান্ত ধুমুহা। আকৌ আহিবাচোন এদিন বহু সময় লৈ আকৌ আমি কথা পাতিম।

আৰু নিলিখো দিয়া, আজিলৈ আহো। শেষত মোৰ হৃদয়ে তোমাৰ পৰা এটি প্ৰশ্নৰ উত্তৰ বিচাৰিছে। ৰচিবানে এটি কাহিনীমোৰ লগত জীৱনৰ অন্তিম পৰ্যায়লৈ। য'ত থাকিব কেৱল নিস্বাৰ্থ ভালপোৱা। যি কাহিনীৰ নায়িকা হম মই আৰু তুমি নায়ক। যি কাহিনীৰ আদৰ্শ হৈ পৰিব সমগ্ৰ জগত? ৰচিবানে?... শেষত পুনৰ মোৰ মৰম আৰু ভালপোৱাবোৰ যাচিলোঁ। বুকুত সযতনে সাঁচি ৰাখিবা।

ইতি

তোমাৰ মইনাজনী

**অনন্যা দেৱী**
স্নাতক দ্বিতীয় ষাণ্মাসিক
প্ৰাণীবিজ্ঞান বিভাগ

## ৩.

প্ৰতি,

তোমালৈ,

ভালে আছা নে তুমি?

তোমাক এনেকৈ সোধাৰ অধিকাৰখিনি হয়তো কেতিয়াবাই হেৰুৱাইছো মই।

ভালে থাকা তুমি সদায়,

এয়ে মোৰ কাম্য।

বিশেষ মানুহবোৰে সদায় কিবা এটা নোহোৱা কৰি থৈ যায়। তুমিও কিন্তু তাৰ ব্যতিক্ৰম হ'বলৈ চেষ্টা নকৰিলা। ভালপোৱাইনো কি দিয়ে? হাজাৰ দুখ-কষ্টৰ মাজতো জীৱন জীয়াব পৰা এটা কাৰণ দিয়ে, কিন্তু যেতিয়াই সেই ভালপোৱাই কয় সুখী হোৱা তুমি মোৰ অবিহনে তেতিয়াই হৃদয়ৰ একোণত এজাক ধুমুহাৰ সৃষ্টি হয় যিজাক ধুমুহাই জীৱনৰ গতিপথেই সলনি কৰি পেলায়।

ভাল পাইছিলোঁ তোমাক নিস্বাৰ্থ, এবুকু সঁচা ভালপোৱাৰে যিদৰে ৰাতিয়ে ভাল পাই নীৰৱতাক, আকাশে ভাল পাই বিশালতাক আৰু নদীয়ে ভাল পাই গভীৰতাক। তোমাৰ দৰে পাহৰি যাম বুলি পাহৰি যাব পৰা হ'লে তোমালৈ বুলি আজি এই চিঠিখন লিখাৰ প্ৰাসংগিকতা নাথাকিলহেঁতেন।

আজি — আজিৰ পিছত কালি তোমাৰ বাবে হেৰাই গৈছো মই পাহৰণিৰ গৰ্ভত। আৰু... আৰু নো কি? অচিনাকিৰ পৰা আপোন হোৱা আমি আজি আকৌ তুমি মই ৰূপে অচিনাকি। অৱশ্যে এটা কথা মই মানি ল'বই লাগিব যে তুমি মোৰ জীৱনলৈ নাহা হ'লে মোৰ জীৱনটো এটা গতিতে চলি থাকিলহেঁতেন হৃদয়ৰ হুমুনিয়াহ!!!

কিমান যে উজাগৰি নিশা, কিন্তু তুমি ক'ত বুজিবা এইবোৰ!

এতিয়া মাথো বৈ গৈছে চকুপানীবোৰত ওলাই অহা মৰমবোৰ আৰু আমাৰ সেই ৰঙীন ফটোবোৰত অতীত হোৱা দিনবোৰ।

জানানে, তুমি দি যোৱা শেষটো Good bye ত যে পুৰি ছাৰ-খাৰ হৈ গৈছিল আমাৰ নামত গাঁঠা মোৰ ৰঙীন সপোনবোৰ। ভালপোৱাবোৰ ইমান সোনকালে শেষ হৈ যায় বুলি গম পোৱা হ'লে তোমাক কেতিয়াও হৃদয় নিদিলোঁহেঁতেন, প্ৰতিশ্ৰুতিবোৰৰ সৈতে খেলিবলৈ।

অনুভৱবোৰ এতিয়া স্মৃতিৰ ঢৌ, প্ৰতিদিনেই ধুই থৈ যায় মোক। তোমাৰ লগত দেখা ৰামধেনুৰ দৰে ৰঙীন সপোনবোৰ এতিয়া যেন ঘনঘোৰ এন্ধাৰে আৱৰা। নিসংগ সন্ধিয়াবোৰ বুকুত সামৰি, স্মৃতিবোৰ বুকুত বান্ধি আগুৱাইছো ভৱিষ্যতৰ দিশে, তুমি উপহাৰ হিচাপে দি যোৱা চকুলোবোৰৰ সৈতে।

ইতি

তোমাৰ একালৰ চিনাকি

**জ্যোতিকা বায়ন**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ৰাজনীতি বিজ্ঞান বিভাগ

## ৪.

প্ৰিয়তম,

মৰম ল'বা বুলি নকওঁ। তুমি জানা, মোৰ হৃদয়ৰ প্ৰতিটো পৃষ্ঠা তোমাৰ নামতে সাঁচি ৰাখিছোঁ। কালি এজনী বান্ধৱীয়ে সুধিছিল, 'প্ৰেম মানে কি?' মই তোমাৰ নাম ক'লো। তাই হাঁহি মাৰি ক'লে - 'পাগলী'। কিন্তু কি কৰিম কোৱা, তোমাৰ নামৰ গভীৰতাই যে মোৰ প্ৰেমৰ পৰিচয়। মই দেৱদাৰু নগৰীত প্ৰেম নকৰো বুলি শপত খাইছিলোঁ। কিন্তু শপতবোৰ তোমাৰ চকুৰ মাধুৰীত চুৰমাৰ হ'ল। তোমাৰ চাৱনিয়ে মোৰ হৃদয়ৰ গভীৰ কোণবোৰত প্ৰেমৰ নতুন বৰষুণ নমালে। সেই দিনত দেৱদাৰুৰ পাতবোৰে যেন মৃদু বতাহত সুৰ তুলিছিল। প্ৰকৃতি আনন্দিত হৈছিল, কিন্তু মোৰ হৃদয়ৰ অনুভৱবোৰৰ বিপৰীতে তোমাৰ হৃদয় নীৰৱ আছিল।

'চিনি পাইছানে?' বুলি সৰল মেছেজেৰে আৰম্ভ হৈছিল আমাৰ কথোপকথন। কথাবোৰ সৰল আছিল, সপোনবোৰ মিঠা আছিল। কিন্তু তোমাৰ নীৰৱতাই সেই সপোনবোৰ চুৰমাৰ কৰিলে। মই জানো মোৰ মৰমৰ গভীৰতাই তোমাৰ হৃদয় নুচুই নোৱাৰিলে। আজিৰ চিঠিখন শেষৰখন, সহস্ৰ নিৰুত্তৰ চিঠিৰ অন্তত, মোৰ অন্তিম কবিতাটো লিখি দিলোঁ তোমাৰ বাবে। পঢ়িবা জানিবা — মই তোমাৰ প্ৰেমৰ এক সৰু আৱেগ আছিলোঁ।

তুমি যেন বসন্তৰ সুৰময় ৰং,
মই যেন হেৰুৱা এটি শুকান পলাশ।
তুমি মোৰ কবিতাৰ জোনাকৰ ছাঁ,
মই আন্ধাৰৰ মাজত তোমাৰ পোহৰ বিচাৰোঁ এতিয়া।
তুমি সাগৰৰ ঢৌ অন্তহীন গীত,
মই যেন সেই ঢৌ চাবলৈ উদাসীন।
তোমাৰ নামত লিখিছোঁ সপোনৰ বৰ্ণনা,
তোমাৰ চকুৰ গভীৰতাতেই মোৰ একমাত্ৰ আশা।

প্ৰিয়তম, মই তোমাৰ কবিতাৰ শব্দ, তুমি মোৰ কাব্যৰ নীলা পৃষ্ঠা। মোৰ হৃদয়ৰ প্ৰতিটো স্পন্দন তোমাৰ নামত সঁপা। বিদায় প্ৰিয়তম। তুমি সদায় সুখত থাকিবা।

ইতি
তোমাৰ 'অবিশেষ'

**জুৰি দেৱী**
স্নাতকোত্তৰ, চতুৰ্থ যাণ্মাসিক
অসমীয়া বিভাগ

## ৫.

প্ৰিয়,

যৌৱন নদীত জীৱন বিচাৰি নাও মেলিছোঁ, ব'ঠা ডালতেই গুঠি দিছো ৰাঙলী হিয়াৰ আকুল আহ্বান, তোমাৰ হৃদয়ৰ কাৰেঙত লিখিত হ'বনে আমাৰ প্ৰেমৰ গুণগান!

বহুদিনেই হ'ল জানা তোমাৰ নামত পাৰ হোৱা বিনিদ্ৰ ৰজনীৰ সেই নাহৰ পাত সৰকি সৰা চিৰিলি চিৰিলি পাতৰ মাজেৰে বৈ অহা ৰ'দৰ আভাত তোমাক দেখাৰ পৰাইটো এক অজান ঢৌৱে ভাঙি নিলেহি মোৰ ঠুনুকা হিয়া। সেয়ে এই মধ্যৰাতি হাতত তুলি লৈছো আজি উকা এখনি কাগজ, চিঙি দিছোঁ অনুভৱৰ শুকুলা ঘোঁৰা, মেলি দিছো সীমাবদ্ধতাৰ সকলো লেকাম। পাৰভাঙি উটি যাওঁক হৃদয়ৰ সমস্ত আৱেগ প্ৰেমময় কণিকাৰ ৰূপেৰে মোৰ পৰা তোমাৰ হৃদয় নদীলৈ। আহ্ হৃদয়ৰ এই ফাগুন ফাগুন অনুভৱটোৱে গোলাপৰ কাঁইটৰ দৰে বাকুহি নিয়ে মোক, যেতিয়াই তোমাক দেখো। কৈ দিবলৈ মন যায় জানা, চিঞৰি দিবলৈ মন যায়... এই ভাল পাই চাবা নেকি এবাৰ!

কিন্তু মই যে নিৰুপায়, তোমাৰ মৌসনা লাজুক, আজলী মুখনিয়ে প্ৰেমক টুলুঙা কৰাৰ ধৃষ্টতা মোক নিদিয়ে।

আকণ্ঠ প্ৰেমৰ নদীত ডুবি গৈ আছো মই দিন আৰু দিন, কেৱল তোমাৰ নামতেই। মোৰ বুকুত মাত্ৰ ওলমি ৰয় এটি গোলপীয়া সাধু, আকাশ আৰু সাগৰ এক হোৱাৰ, জোন-বেলিয়ে একেলগে ওমলা আৰু যে কত কি! একপক্ষীয় ৰাগত উটি ভাঁহি ব্যাকুল হৃদয়ৰ কাতৰ অনুৰাগ সপোনৰ কৰেঙত বাজি ৰয় অচিন এক মিলনৰ গান। তুমি সেউজ হোৱা মই সাগৰ হৈ সামৰিম, তুমি বেলি হোৱা মই পোহৰ হৈ লগ দিম।

শুনা তোমাৰ অজ্ঞাতেই তোমালৈ বৈ যায় অভিমানৰ এখন নৈ, তোমাৰ চকুত চকু পৰিলেই জোকাই দিয়েহি পাহাৰীয়া বতাহজাকেও। সেয়ে, জীৱন নদীৰ দুটি পাৰ হৈ ৰোৱাতকৈ একহৈ মিলি যোৱাৰ মিনতিৰে...।

প্ৰান্তত
তোমাৰ অনুৰাগিণী

**গিৰিকৰ্ণিকা হাজৰিকা**
স্নাতক চতুৰ্থ যাণ্মাসিক
ভূগোল বিভাগ

## ৬.

প্ৰতি,

হৃদয়ৰ প্ৰিয়জন,

প্ৰথমে মোৰ প্ৰেমিক হৃদয়ত আপোনাৰ প্ৰতি থকা অশেষ মৰমবোৰ ল'ব। ঈশ্বৰৰ শুভাশিষত কুশলে আছে নিশ্চয়। পলাশ ফুলাৰ বতৰত আকৌ আমনি কৰিব ধৰিছে আপোনাৰ অনুভূতিয়ে। প্ৰত্যুত্তৰৰ আশাত পুনৰ এখন চিঠি আপোনাৰ নামত। জানো হয়তো মোৰ উত্তৰ কাম্য নহয়। তথাপি এয়া শেষ প্ৰচেষ্টা।

নিঃসংগতা, জীৱনৰ প্ৰতিটো পল কাটিছে মৃত্যুৰ অপেক্ষাত। জানেনে আপুনি? জীৱনটো কি সেইয়া পাহৰা বহু যুগেই হ'ল। নিঃসংগতাই মেৰিয়াই ধৰা জীৱনত অলপ মাত্ৰ সঁহাৰি আৰু প্ৰতিশ্ৰুতিৰে দোহাৰিছোঁ। 'মই আছোঁ, আহিম আকৌ উভতি' বুলি কোৱা প্ৰতিশ্ৰুতিৰ অপেক্ষাত এয়া মোৰ বেমাৰী দেহা। হয়তো ছমাহ, নহ'লে এবছৰ। হয়তো চিঠিৰ উত্তৰ পোৱাৰে অথবা আপোনাৰ উত্তৰ পোৱাৰ সৌভাগ্য মোৰ নহ'বও পাৰে। তাৰ আগেয়ে আহি মোক ক্ষন্তেকৰ বাবে হ'লেও সুখী কৰিব নোৱাৰেনে?

ইতি

আপোনাৰ প্ৰেয়সী

**ৰবীমণি শইকীয়া**
স্নাতক চতুৰ্থ ষাণ্মাসিক
অসমীয়া বিভাগ

## ৮.

প্ৰিয়জন,

তোমালে আজি মোৰ প্ৰথমখন চিঠি লিখিব লৈছোঁ। কি লিখিম, কেনেকৈ লিখিম, শব্দৰে কথাবোৰ প্ৰকাশ কৰিবকে পৰা নাই। তোমাক যেন মনে মনে ভাল পাই বৰ সুখ পাওঁ।

অলপ দিনৰ আগলৈকে আমি অচিনাকি আছিলোঁ। কেতিয়া তুমি এজন অচিনাকিৰ পৰা মোৰ জীৱনৰ অতি প্ৰিয় চিনাকি হৈ পৰিলা গমকে নাপালোঁ।

ভাল পোৱাৰ অৰ্থ কিনো মই কেতিয়াও জনা নাছিলোঁ কিন্তু তোমাক লগ পোৱাৰে পৰা ভালপোৱা কি তাৰ মানে জানিব বুজিব ধৰিলোঁ। তুমিয়ে শিকালা ভালপোৱা জগতখনৰ ইমান ধুনীয়া ৰঙীন জগত। য'ত অকল মৰম, বিশ্বাস, অভিমান আৰু ইজনে সিজনক প্ৰতিটো সময়ত বুজি পোৱা, লগত থকা। এতিয়া যেন এই প্ৰেমৰ জগতখনত অকল তোমাৰ লগতে ওৰে জীৱনটো থাকিব মন। তোমাৰ লগত প্ৰতিটো সময়, প্ৰতিটো পৰিস্থিতি, প্ৰতিটো খোজত সঁহাৰি হৈ থাকিব বিচাৰোঁ...।

তুমি যেন এটি উপহাৰ মোৰ বাবে। কাৰণ মা-দেউতাৰ পাছত অকল তুমিয়ে আছা যিয়ে মোৰ প্ৰতিটো অভিমানত মোক সৰু ছোৱালীৰ দৰে বুজাইছা। সময় সলনি হোৱাৰ লগতে হেনো মানুহৰ সকলো সলনি হৈ যায়। কিন্তু কেতিয়াও তুমি মোৰলৈ থকা মৰমবোৰ কমিব নিদিবা।

তোমাৰ অবিহনে মোৰ জীৱনৰ একো অৰ্থ নাই। সাগৰৰ গভীৰতা যিদৰে জুখিব নোৱাৰি, ঠিক সেইদৰে তোমালৈ থকা মোৰ মৰমৰ গভীৰতা জুখি বা শব্দৰে প্ৰকাশ কৰিব নোৱাৰি। তুমি মোৰ বাবে সদায় প্ৰিয়। তুমি মোৰ বাবে এটি ধুনীয়া উপহাৰ।

ইতি

তোমাৰ প্ৰেমিকা

**ৰিয়া দাস**
স্নাতক দ্বিতীয় ষাণ্মাসিক
বুৰঞ্জী বিভাগ

## ৯.

মৰমৰ,

প্ৰিয়

প্ৰথমে মোৰ হিয়াৰ মৰম যাচিছোঁ তোমালৈ। আজি বৰ মনত পৰিছে জানা সেইবাবে হাতত কলমটো তুলি ল'লো মোৰ মনৰ কথাবোৰ চিঠিৰ মাধ্যমেৰে তোমালৈ পঠিয়াও বুলি। পিছে তুমি ভালে আছানে? ঘৰত সকলোৰে ভালনে?

তোমাৰ বাৰু কেতিয়াবা মনত পৰেনে আমাৰ সেই মাজুলীৰ ৰাস পূৰ্ণিমাৰ জোনাক ৰাতিটোৰ কথা। মোৰ প্ৰায় মনত পৰে জানা তোমাৰ সান্নিধ্যত যে জী উঠিছিলোঁ। বাউলি বতাহৰ দৰে নচা নিশাটোৰ কথাবোৰ আজিও আমনি কৰেহি গভীৰ ৰাতি। জানা মই কেতিয়াও প্ৰেম বিশ্বাস কৰা নাছিলোঁ। কিন্তু তোমাৰ ভাল পোৱাৰ সুবাসত মই সকলোবোৰ অনুভৱ কৰোঁ। তোমাক লগ পোৱাৰ পাছত নিজকে ভাল পাব শিকিলোঁ। মানুহে কয় প্ৰেমত পৰিলে বোলে... মানুহ ধুনীয়া হয়। মইও তোমাৰ প্ৰেমত পৰিছো জনা মই ভাল লগাবোৰ কৰিব শিকিছোঁ তোমাৰ

মৰমে মোক মোৰ বিষাদ জীৱনটিৰ পৰা এক নতুন পুৱতিৰ ৰং সানিছে। তোমাৰ ভাৱনাই মোৰ দৃষ্টিৰ নিদ্ৰা হৰিছে। তুমি মোৰ এক ৰামধনুৰ ৰং। তুমি সদায় চিৰকাল মোৰ মাজতে থাকিবা এক ফাগুনৰ পছোৱা বতাহজাকৰ দৰে। নাজানো তোমাৰ মোৰ কাহিনীৰ শেষ ক'ত? নাজানো আমাৰ প্ৰাপ্তি আছে নে নাই? তথাপিও দুয়ো দুয়োৰে সান্নিধ্যত জীয়াই থাকিব বিচাৰোঁ। মোৰ বুকুৰ মাজত সদায় তোমাক তোমাৰ নিস্বাৰ্থ ভালপোৱাবোৰ চিৰদিন জীপাল কৰি ৰখাৰ কথা দিছোঁ।

বাৰু আজিলৈ এৰিলোঁ দিয়া কম কমকৈ আজি বহু কথাই ক'লো সাঁচি ৰাখিম বুলিও মনটো নৰ'ল।

তুমিয়ে উশাহ,
তুমিয়ে জীৱন
তুমিয়ে ভালপোৱা
তুমিয়ে শেষ
তুমিয়ে.... এটি উপহাৰ....।

প্ৰান্তত
তোমাৰ মৌৰাণী

**জয়শ্ৰী বৰা**
স্নাতক দ্বিতীয় ষাণ্মাসিক
বুৰঞ্জী বিভাগ

মই মানুহৰ মুখে মুখে শুনিছিলোঁ প্ৰেম মানে পৱিত্ৰ আৰু স্বৰ্গীয় অনুভূতি। আজি মই বিশ্বাস কৰিছোঁ, প্ৰেম মানে সঁচাই আনক লৈ ভাবি ভাল লগা এক অনুভূতি। যি অনুভূতি সকলো জনৰ লগত নাহে কেৱল সেই মানুহজনৰ বাবে যাক আমি বিশেষ নাম দিওঁ...।

তুমি জানানে... কলেজ সপ্তাহৰ দ্বিতীয় দিন আছিল। সেই দিনটো তোমাৰ বাবে আছিল কলেজৰ অন্তিমটো স্মৃতি আৰু মোৰ বাবে আছিল জীৱনৰ প্ৰথমটো অভিজ্ঞতা। তোমাক লৈ ভবা সেই সপোনবোৰে মোৰ মনত কিমান যে লুকাভাকু খেলে। কলেজ সপ্তাহৰ পিছৰ চাৰি মাহ কেৱল তোমাক চাই হেঁপাহ পূৰ কৰিলোঁ। তুমিত তুমি হোৱা অনুভূতিবোৰ, মৰহি যাবলৈ নিদিলোঁ। অত দিনে সাঁচি ৰখা অনুভৱবোৰ আজি আখৰৰ ৰূপ দিলো। আজি লৈ ইমানেই।

শেষত, মোকো তোমাৰ জীৱনৰ সাৰথি কৰিবা বুলি আশা ৰাখি তোমাৰ আকাংক্ষা বাস্তৱায়িত হওক তাৰে কামনাৰে...

ইতি
তোমাৰ আজন্ম প্ৰেমিকা

**অৰ্জিনা খাতুন**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ভূগোল বিভাগ

## ১০.

প্ৰতি,

এটোপোলা মৰমেৰে তোমালৈ

নাম-ঠিকনা বিহীন মোৰ হৃদয়ত এপলকতে থিতাপি লোৱা তুমি বাৰু ভালে আছানে? বহু দিন হ'ল সাক্ষাৎ নোহোৱা। সেয়ে ভাবিলো কলমৰে খা-খবৰ এটা লওঁ.... নে কি কোৱা?

'বাৰে বাৰে ভালপোৱা
চকুতে চকু থোৱা
অভিমান সামৰি
তুমি মাথো মোৰ হোৱা'

এই গানৰ কলিটো তোমাৰ কণ্ঠত শুনাৰ পৰাই/মুহূৰ্ততে তোমাৰ গানৰ প্ৰেমত পৰিছিলোঁ... জানা তোমাৰ লগত পৰিচয় হ'বলৈ বৰ মন আছিল... কিন্তু লাজটো হেঁচা মাৰি ধৰিলে নহয়... সেই যে তোমাৰ মনত আছেনে তুমি যে blue T-shirt আৰু white pant ৰ সাজেৰে আহিছিলা বৰ মৰম লাগিছিল... জানা।

তোমাক নেদেখাৰ পৰাই তোমাৰ গানৰ প্ৰেমত পৰিছিলোঁ।

## ১১.

মৰম,

এতিয়া মাথো উকা কাগজতেই সীমাবদ্ধ আমাৰ স্মৃতিবোৰ। ধূলিময় হৈ যোৱা সকলোবোৰ কথা এতিয়াও যেন ক'ৰবাত জীয়াই আছে। মোৰ এতিয়াও মনত আছে তোমাক লগ পোৱা সেই প্ৰথম দিনটো, সেই দিনটো মোৰ বাবে আছিল বৰ বিশেষ। তুমি যে লাজতে মোক মাতিবই পৰা নাছিলা। আমাৰ সেই সৰু সৰু কথাবোৰ ভাবিলেই মোৰ মনটো আনন্দৰে ভৰি পৰে। কিন্তু কপালৰ লিখনি জানো কোনোবাই মচিব পাৰে। তথাপিও মই কেতিয়াবা ভাবো তোমাক মই কিয় লগ পাইছিলোঁ। যদি আমাৰ সপোনবোৰে দিঠকত ঠাই পাবলগীয়া নাছিল তেনেহ'লে সেই সপোনবোৰ আমি কিয় দেখিছিলোঁ। তোমাক পাহৰাৰ অশেষ চেষ্টাৰ পিছতো তুমি যেন মোৰ হৃদয়ৰ একোণত জীয়াই আছে। মোৰ ভুল ক'ত আছিল? আমাৰ মাজত তৃতীয়জন সোমোৱাই সেই প্ৰশ্নই মোক সদায় আমনি কৰে। একো নাই সেইয়া আমাৰ মাজত হ'বলগীয়াই আছিল। মই ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছো

যে তুমি সদায় কুশলে থাকা, তোমাৰ সপোনবোৰ পূৰ হওঁক। শেষত, ধন্যবাদ মোৰ সেই খৰাং হৃদয়খন প্ৰেমৰ নদীৰে বোৱাই দিয়াৰ বাবে। তুমি মই একেলগে নাই যদিও এতিয়াও তুমি মোৰ বাবে বিশেষ।

ইতি

তোমাৰ শুভাকাংক্ষী

নিশা

**প্ৰীতিষঞ্জা বৰা**

স্নাতক চতুৰ্থ যাণ্মাসিক

ৰাজনীতি বিজ্ঞান বিভাগ

## ১২.

মৰমৰ মৰম,

মৰম ল'বা। আশা কৰোঁ তুমি কুশলে আছা। বহুত দিনেই হ'ল তোমালৈ চিঠি এখন লিখিব পৰা নাই, আজি তোমালৈ বুলি চিঠিখন লিখিলোঁ। আশা কৰোঁ তুমি ভাল পাবা। নাজানো ডাকোৱালে মৰম বুকুৰ এই সিক্ত চিঠিখন তোমাৰ ওচৰ পাইগৈ নে নাই। ভগৱানে তোমাক ভালে ৰাখক। তুমি য'তে আছা ভালে থাকা। তোমাৰ মনত পৰেনে আমাৰ আগৰ দিনবোৰলৈ। আমি যে কলেজৰ পৰা আহোঁতে দুয়ো একেলগে আহিছিলোঁ আৰু যে কলেজৰ ক্লাছৰ সময়ত দুয়ো খিড়িকীৰ ফাঁকেৰে ইজনে সিজনক চাইছিলোঁ। তোমাৰ মনত পৰেনে মই যে কলেজৰ অনুষ্ঠানত গান গাবলৈ লওতে তুমি তোমাৰ মাৰ কাপোৰযোৰ আনি দিছিলা। মোৰ জানা আজিও তোমালৈ মনত পৰে। মচিব নোৱাৰাকৈ তোমাৰ নামটো মোৰ মনত ৰৈ গ'ল। আশা কৰোঁ এদিন দুয়ো লগ হম আকৌ। আকৌ সেই আগৰ দিনবোৰলৈ গুচি যাম। তোমালৈ বহুত মৰম। আৰু বহুতো কথা ক'বলৈ আছিল কিন্তু... এখিলা কাগজত নোৱাৰি। আজিলৈ সামৰিছোঁ। ভগৱানে তোমাক কুশলে ৰাখক। তোমাৰ চিঠিখনৰ বাবে অপেক্ষা কৰিম।

ইতি

তোমাৰ শুভাকাংক্ষী

**উৰ্বশী ভৰালী**

স্নাতক চতুৰ্থ যাণ্মাসিক

ৰাজনীতি বিজ্ঞান বিভাগ

## ১৩.

মৰমৰ,

অভিমানী ল'ৰাটো

মৰম ল'বা। আশা কৰোঁ তুমি ভালে আছা। মোৰো ভালেই বৰ্তমান। আজি এই চিঠি লিখা অন্য কোনো বিশেষ কাৰণ নাই। হঠাৎ আজি তোমালৈ বৰকৈ মনত পৰি আছে। চিঠিখন লিখিবলৈ লৈ বাৰে বাৰে থমকি ৰও তথাপি এই অভিমানী মনটোৰে লিখিব আৰম্ভ কৰিলোঁ। তোমাৰ মনত আছেনে কলেজৰ গেটৰ সন্মুখত যেতিয়া তুমি লগৰ কেইটাৰ সৈতে ৰৈ আছিলা মই পাৰ হৈ যাওঁতে তুমি মনে মনে মোলৈ চাই এটা মিচিকিয়া হাঁহি মাৰিছিলা। হয়তো সেই হাঁহিতে মই তোমাৰ প্ৰেমত পৰিছিলোঁ। কলেজ শেষ হোৱাৰ পিছত ইমান বিচাৰি চালো নাই কলেজত আৰু পুনৰ দেখা নাপালো, ঘৰত গৈ ইনষ্টাগ্ৰাম, ফেচবুক সকলোতে চালো বেলেগ বেলেগ নাম চাৰ্জ কৰি কিন্তু বিচাৰি নাপালোঁ। মনটো যেন সেইদিনা থমকি ৰৈ গৈছিল। পিছদিনাখন তুমি আমাৰ অসমীয়া বিভাগৰ এগৰাকী ছাত্ৰ বুলি গম পাই মনটো বহুত আনন্দ লাগিছিল যে তোমাক আকৌ ঘূৰাই পালোঁ। একেটা ক্লাছকে কৰিব গৈ দুয়ো বন্ধুত্ব সম্পৰ্ক গঢ়িছিলোঁ। আমি ইমানেই ভাল বন্ধু হৈ পৰিলোঁ যে ইজনে সিজনক ভালকৈ বুজি উঠিলোঁ। সেইদিনা আছিল ৫ ছেপ্টেম্বৰ শিক্ষক দিৱস। যেতিয়া তুমি মোক প্ৰেমৰ প্ৰস্তাৱ দিছিলা, মই লগতে তোমাক মোৰ উত্তৰ জনালোঁ। আৰু এনেকৈয়ে আমাৰ সম্পৰ্কটো বহুদূৰ আগুৱাই নিলোঁ এদিন দুয়ো সপোন ৰচিছিলোঁ আৰু ইজনে সিজনৰ লগত বিবাহপাশত আবদ্ধ হম বুলিও কথা দিলোঁ। কিন্তু আমাৰ সম্পৰ্ক গঢ় দিয়াৰ আগতে ঘৰত গম পাইছিল কিন্তু ইমান গালি-শপনি শুনিও আমাৰ সম্পৰ্ক শেষ নকৰিলোঁ। তোমাৰ সেই প্ৰথম মিচিকিয়া হাঁহিটো যেন জোনাক ৰাতি তৰা জিলিকি থকাৰ দৰে যিটো কেতিয়াও পাহৰিব নোৱাৰোঁ। তোমাৰ সেই চাৱনিত যেন বিজুলী মাৰে বাৰে বাৰে চালে বুকু কঁপি উঠে। তোমাৰ লগত যেন সেই কলেজীয়া জীৱনত পাৰ কৰা সময়বোৰ সদায় এটা মধুৰ সময় এটা স্মৃতি হিচাপে ৰৈ যাব। তুমি যে সেই সময়ত মোৰ কিমান কেয়াৰ কৰিছিলা কিবা খালানে? ক'ত আছা? কি কৰিছা? উস্ ইমান যে মৰম মোলৈ সেইকাৰণে চাগে সদায় মোৰ প্ৰিয় হৈ আছিলা আৰু থাকিবা। মৰমবোৰ সদায় চিৰযুগমীয়া হ'ব লাগে তোমাৰ আৰু মোৰ দৰে এই প্ৰেম যেন এতিয়া এটা নিছা হৈ পৰিছে। এই প্ৰেমৰ অনুভূতি এক বিশেষ। সদায় দৰে আশা কৰোঁ তুমি ভালে আছা সদায় তোমালৈ অজস্ৰ মৰম দি আজি এই চিঠিখন মৰমভৰা তোমাৰ ওচৰ পায়গৈ নে নাই নাজানোঁ।

শেষত অজস্ৰ মৰম ল'বা। চিঠি সামৰিলোঁ।

ইতি

তোমাৰ মৰমৰ

ভোগেশ্বৰী হীৰা

**ভোগেশ্বৰী হীৰা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
অসমীয়া বিভাগ

## ১৪.

মৰমৰ অণু,

মোৰ মৰম ল'বা। আশা কৰোঁ তুমি ভালে আছা। মইও ভালে আছো দিয়া। বহুদিন হ'ল তোমাৰ এটা খবৰো পোৱা নাই। এখন চিঠিও লিখা নাই মোলৈ বুলি। সেই টিউচন শেষ হোৱাৰ দিনাখনৰ পৰা তোমাক এবাৰো লগ পোৱা নাই। মইহে জানো, মোৰ অকণমানি চকুহালেৰে তোমাৰ সূৰুজমুখী মুখখনি চাবলৈ কিমান যে হেঁপাহেৰে বৈ আছোঁ। পৰীক্ষালৈ আৰু বৰ বেছি দিন নাই; আশা কৰিছোঁ তুমি পঢ়া-শুনাত একাগ্ৰতাৰে মনোনিৱেশ কৰিছা আৰু সেইবাবে হয়তো তুমি মোৰ খবৰ ল'ব পৰা নাই। বাৰু বাদ দিছোঁ এইবোৰ.. খবৰ ল'ব নোৱাৰিলেও... তোমাৰ বুকুৰ সেই নিৰ্দিষ্ট কোণটোত চিৰদিনৰ বাবে মোৰ উপস্থিতিয়েই থাকিব বুলি যে কৈছিলা সেই কথাষাৰ কিন্তু নাপাহৰিবা দেই সোণ। বাকী মইও ভালদৰে পঢ়ি আছোঁ। ৰিজাল্ট দুয়োটাৰে ভাল হ'ব লাগিব। তেতিয়াহে ঘৰত তোমাৰ মোৰ মাজত থকা প্ৰেমৰ সম্পৰ্কৰ কথাষাৰ ক'ব পাৰিম। ঘৰত সকলোৰে ভাল নহয়?

শেষত তোমালৈ মোৰ এসোপামান হিয়াভৰা মৰম। মোৰ প্ৰিয়জন হৈ সদায় কাষত থাকিবা। চিঠিখনৰ উত্তৰ দিবা।

ইতি

তোমাৰ মৰমৰ গুণ

**অঞ্জনা দাস**
স্নাতক চতুৰ্থ ষাণ্মাসিক
দৰ্শন বিভাগ

## ১৫.

প্ৰথমে,

মোৰ এই প্ৰেমিক হৃদয়ত বৈ থকা মৰমবোৰ ল'বা। নাজানো ... নাজানো... কেতিয়া তুমি মোৰ জীৱনৰ শেষ নোহোৱা কবিতা হৈ পৰিলা। নাজানো কেতিয়া তোমাক লৈ দেখা সপোনবোৰ ভাল লগা হৈ পৰিলে। এতিয়া জনা তোমাক লৈ লিখা মোৰ আধৰুৱা কবিতাবোৰ ভাল লগা হ'ল। তোমাক মই নৱম শ্ৰেণীতে প্ৰথম দেখা। আজিও মনত আছে কাকো নমতা কাকো নোচোৱা লাজুকীয়া ল'ৰাটো। তোমাক মই বেছি দিন পোৱা নাই যদিও যিমান দিন পাইছো মোৰ বাবে সেয়াই যথেষ্ট। নাজানো এতিয়া তুমি ক'ত আছা, কেনে আছা, আশা কৰো ভালে আছা। মই তোমালে এতিয়াও অপেক্ষা কৰি আছো আৰু কি জানা আজিকালি অপেক্ষাৰ আমনিবোৰো ভাল লগা হৈ পৰিছে। নাজানো মোৰ আধৰুৱা কাহিনীৰ শেষ হ'ব নে নাই কিন্তু তুমি য'তে আছা ভালে থাকা।

ইতি

তোমাৰ নিস্বাৰ্থ প্ৰেমিকা

**বাগ্মিতা হাজৰিকা**
স্নাতক চতুৰ্থ ষাণ্মাসিক
ভূগোল বিভাগ

## ১৬.

মৰমৰ

প্ৰিয়জন,

আশা কৰিছো তুমি ভালে আছা! ভালে থকাৰ কামনা কৰো ভগৱানৰ ওচৰত। বহু দিনেই হ'ল তোমাক নেদেখা। কেনেকুৱা হৈ আছা... বহু দিন হ'ল তোমাৰ মাতটো নুশুনা। মনত আছেনে তুমি যে কৈছিলা 'ফাগুন' তোমাৰ বৰ প্ৰিয়।

তুমি বাৰু সেই আগৰ মোৰ প্ৰিয়জন হৈ আছানে বাৰু! ভাল লগা কামবোৰ কৰি আছানে নে কৰিব বাদ দিলা। তোমাৰ সেই ভাললগা হাঁহিটো ভাললগা কথাবোৰলৈ বহুত মনত পৰে অ' মুন! তুমি অহাৰ অপেক্ষাত আজিও বৈ আছোঁ। তোমাৰ কথা ভাবিলে আজিও দুচকুৰে চকুপানী বিয়পে। বাদ দিয়া যেনেকৈ কথাবোৰ কথা হৈ ৰ'ল... মৰমবোৰো মৰম হৈ ৰ'ব দিয়া।

তুমি ভালে থাকা... মই আছো তোমাৰ লগত সদায়। উত্তৰ পাম বুলি আশা থাকিল।

ইতি

তোমাৰ প্ৰিয়জন

**পংখী শইকীয়া**
স্নাতক চতুৰ্থ ষাণ্মাসিক
ভূগোল বিভাগ

## ১৬.

প্ৰতি

মোৰ মৰমৰ প্ৰিয়তম,

প্ৰথমতে মোৰ মৰবোৰ আঁকোৱালি ল'বা। আশা কৰোঁ তুমি ভালে আছা। মইয়ো বাৰু ভালে আছো দিয়া। নাজানো ক'ৰ পৰা আৰম্ভ কৰো মোৰ মনৰ এই ভাষা। আপোনালৈ বুলি লিখা তোমালৈ এই চিঠিখন। তুমি থকা সময়বোৰ মোৰ বৰ প্ৰিয় আৰু মোৰ অবুজন মনটো কেৱল তোমাকে বিচাৰে। তুমি মাথো মোৰ মনৰ ৰঙীন ফুলপাহ হৈ জিলিকি থাকা। তোমাৰ কাৰণে ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰিছোঁ। ঐ শুনানা তোমাৰ মনৰ আকাশখনত এবাৰটো তৰা হৈ জিলিকিব দিয়া। হেঁপাহৰ নগৰখনক উঠিবলৈটো দিয়া। শপত খাই কৈছো মোৰ মন-প্ৰাণ সকলো তোমালৈ সপি দিম।

বিশেষ একো নিলিখো ভগৱানে ভালে ৰাখক তোমাক। শব্দৰে ক'ব নোৱাৰা কথাবোৰ সময়ে লিখক।

ইতি

তোমাৰ মৰমৰ

চিটপখিলী

**জিৰ্মি হাঞ্চেপি**

স্নাতক চতুৰ্থ যাণ্মাসিক

দৰ্শন বিভাগ

## ১৭.

মৰমৰ ধুন,

কথাৰ পাক
উপশমৰ এখনি হাত
হেৰুৱা আবেলিক আৱৰি
গুপুতে ভালপোৱাক সামৰি
তুমি যে এতিয়া মোৰ জীৱন নদীৰ ঘাট।

ভালপোৱাৰ দিনান্তত চিঠিৰ আৱেগ যে সদায় সুকীয়া। চিঠিত বোলে কষ্ট দিয়া কথাবোৰো মৰম হৈ বাগৰে। জে.বি. তিনিআলিত দেখা পোৱা তোমাৰ সজল চকুজুৰিত ডুব গৈছিল মোৰ হৃদয়ৰ সমস্ত আকুলতা। বিষাদৰ কাঁইটেৰে ৰক্তাক্ত মোৰ হৃদয়। তুমি মোৰ জীৱনৰ পৰা আঁতৰি যাব নোৱাৰাকৈ যেন মই তোমাক ৰাখিম সেইয়াই মোৰ কামনা। তুমি যে ৰুই গৈছিলা মোৰ পদূলিৰ ৰঙা গোলাপজোপা। মনত আছেনে বাৰু তোমাৰ? গোলাপজোপা পিছে ডাঙৰ হৈছে। ফুলিছে, এটি দুটিকৈ কেইবাটিও ফুল। পিছে, গোলাপজোপা মোৰ বৰ মৰমৰ। গোলাপফুল মোৰ ভাল নালাগে। ভাল নালাগে নে নিষ্ঠুৰভাৱে সৰি যোৱাৰ ভয় ক'বকে নোৱাৰো। কয় নহয়, কাঁইট থকা বাবেই হেনো গোলাপ ফুল ধুনীয়া। মানুহৰ জীৱনটোও ঠিক তেনেকুৱাই ন? কাঁইটিয়া। নদী বৈ যায় সাগৰলৈ বুলি আৰু সময়বোৰ বৈ যায় মৃত্যুৰ মুখলৈ। জীৱন... বৰ জটিল শব্দ। ঠায়ে ঠায়ে সুখ আৰু ঠায়ে ঠায়ে দুখ। জীৱন উপত্যকাত দুখৰ ডাঙৰ ডাঙৰ পাহাৰ আৰু তাৰ মাজে মাজে সুখৰ সৰু সৰু টিলা। দুখৰ পাহাৰ বগাই সুখৰ টিলা বগাবলৈ লওঁতেই জানো ক'ৰপৰা আহি যায় দুখৰ এখন পাহাৰ। তোমালৈ বুলি সাঁচি ৰাখিছিলোঁ এটি উপহাৰ। যি আছিল মৰম আৰু অজস্ৰ বিশ্বাস। মোৰ বুলি দিব পৰাকৈ তোমালৈ মৰম ভৰা বিশ্বাসৰ বাহিৰে যেন মোৰ ওচৰত একোৱেই নাই। বিশ্বাসৰ পাততে যেন মৰম।

ৰাতি বহুত হ'ল, বাৰু হ'ব দিয়া। শেষত পুনৰবাৰ তোমালৈ মোৰ হিয়া ভৰা মৰম যাচি ভগৱানৰ ওচৰত তোমাৰ দীৰ্ঘায়ু কামনাৰে তোমালৈ বুলি লিখা মোৰ 'নীলা খামৰ চিঠি'খনি সামৰণি মাৰিছোঁ।

ইতি

তোমাৰ মানু

**শতাব্দী বেজবৰুৱা**

স্নাতক ষষ্ঠ যাণ্মাসিক

অসমীয়া বিভাগ

## ১৮.

প্ৰতি,

মোৰ সপোনৰ চিনাকি ডেকাজন,

ভালনে তোমাৰ, তোমাক তুমি বুলি কওঁ নে আপুনি বুলি সেই কথাটোকে থিৰাং কৰিব পৰা নাইচোন। তুমি মোতকৈ বয়সত কিমান ডাঙৰ হ'বা সেই বিষয়ে জনাটো একেবাৰেই দুৰ্লভ। বাস্তৱত লগ পোৱা হ'লে বাৰু বেলেগ কথা আছিল যিটো একেবাৰেই অসম্ভৱ।

উস্ কেনেবাকে যদি সপোনত তুমি অহা দুদিনমান দেৰি কৰা মোৰ অভিমানবোৰে যেন সৰু এটা পাহাৰৰ ৰূপ ল'বলৈ ধৰে। চোৱাচোন মোক, মই যে কিমান আকৰী নিজৰ কথাবোৰ কওতে কওতে তোমাৰ খবৰ সুধিবলৈ পাহৰি গৈছোঁ। মোৰ আটাইতকৈ তোমাৰ কি ভাল লাগে জানা? তোমাৰ হাঁহিটো, তোমাৰ সৰল মুখখনত লুকাই থকা গহীনতাখিনি। কেতিয়াবা জানা তোমাৰ মূৰটো মোৰ কোলাত থৈ তোমাৰ চুলিখিনিত হাত

বুলাই থাকিবলৈ মন যায় মোৰ। আৰু আমাৰ ওচৰত থাকিব এজোপা কৃষ্ণচূড়া, এই কৃষ্ণচূড়াৰ ফুল তুমি এপাহ এপাহকৈ গুজি দিবা মোৰ খোপাত।

ফাগুন পালেহিয়েই নহয়, তোমাৰ বাৰু ফাগুন প্ৰিয়নে, মোৰ হ'লে প্ৰিয়। মোৰ কেনে লাগে জানা এই ফাগুনেই প্ৰেমৰ বতৰা কঢ়িয়াই আনে। আশা কৰো এইবাৰ ফাগুনেই তোমাৰ বতৰা লৈ যেন মোৰ হৃদয় দুৱাৰত টুকৰ মাৰেহি।

বাৰু আজিলৈ সামৰোঁ, তুমি হয়তো আমনি পাবা মোৰ ভাল লগা, বেয়া লগাবোৰ শুনি শুনি। অভিমান নকৰিবা ধেমালিহে কৰিছোঁ। সদায় কুশলে থাকা। যদি সপোনত কোনোবা ডাকোৱাল লগ পাওঁ চিঠিখন দি পঠাম।

ইতি

তোমাৰ প্ৰেয়সী

**গীতা ৰাজখোৱা**

স্নাতক চতুৰ্থ যাণ্মাসিক

অসমীয়া বিভাগ

## ১৯.

প্ৰতি,

মৰমৰ....

বহুদিনৰ মূৰত আকাশখনে আজি আকৌ অভিমান কৰিছে।

পুৱাৰ পৰাই এজাক বৰষুণ!

বিছনাত বহি খিৰিকীৰে চাই আছো বৰষুণৰ টোপালবোৰ।

সেইবাবেই চাগে আজি বৰকৈ মনত পৰিছে তোমালৈ।

তুমিও চাগে মোৰ মনৰ কথা বুজিছিলা!

হয়তো তুমিও অনুভৱ কৰিছিলা সেই একেবোৰ কথাই।

প্ৰকৃতিয়েও যেন আদৰিবলৈ সাজু আছিল এহাল প্ৰেমাস্পদক।

কিন্তু...

ভাবিছিলো পিছদিনাই তোমাক মনৰ সকলো কথা ক'ম।

কিন্তু সেইদিনাই আছিল চাগে তোমাৰ লগত শেষবাৰৰ কথা!

নজনাকৈ কেতিয়াবা বহু কথাই প্ৰিয় হৈ পৰে।

তথাপি স্বাভিমান হৈ কেতিয়াবা থমকি ৰয় সকলো।

তোমাক লগ পালেই বৰষুণ এজাক আহে।

কি যে আচৰিত!

বৰষুণ,

তুমি-মই, দেখা সপোনবোৰ যে আমাৰ বাবে সদায় বাস্তৱ। বৰ গভীৰ সম্পৰ্ক আছিল নেকি বাৰু এতিয়া আমাৰ মাজত?

তোমালৈ সদায় মনত পৰে।

তোমাৰ মৰমৰ যশস্বী

**যশস্বী বৰা**

স্নাতক দ্বিতীয় যাণ্মাসিক

হিন্দী বিভাগ

## ২০.

মৰমৰ মৰম,

অব্যক্ত ভাষাৰে বুকুত শিপাই থকা হেঁপাহবোৰেৰে হিয়াৰ একোণৰ পৰা যাচিলোঁ এসাগৰ মৰম তোমালৈ। ভালে আছা নিশ্চয়? তোমাৰ ভাল হোৱাটোৱে মোৰ কাম্য। তুমি হীনতাত তোমাৰ স্পৰ্শৰ অবিহনে শূন্যতাক আঁকোৱালি লোৱাৰ সত্বেও মৰমবোৰ একেদৰেই বৈ আছে অহৰহ হৃদয়ৰ পৰা নিভৃতলৈ। ভালে থাকা তুমি।

সময়বোৰ যেন বৰ বেগেৰে সলনি হৈছে নহয়নে? আৰু সময়বোৰৰ লগত খোজ দি যেন মানুহবোৰো সলনি হৈ গৈছে। মাথোঁ বৈ যায় দুচকুত এবুকুমান অতীত-বৰ্তমানৰ স্মৃতি। কথাবোৰ ক'ৰবাত বৈ আছে। কেতিয়াবা বৰ অকলশৰীয়া অনুভৱ কৰোঁ জানা তুমি? হয়তো, আমাৰেই ক'ৰবাত ভুল হৈছিল এজনে আনজনক বুজি পোৱাত। আৰু হয়তো, সময়েও বিচৰাই নাছিল আমি এক হোৱাতো। তথাপিও আজি কও কিমান বিচাৰো তোমাক, কিমান ভালপাওঁ সেয়া হয়তো নিজেও নাজানো।

তুমি অবিহনে মোৰ সকলো শূন্য জানা ... সুখ-দুখ বুলি আৰু একো নাই সকলোবোৰ যেন ক'ৰবাত হেৰুৱাই পেলাইছোঁ অ'। কি কৰিম কোৱা ভালপাওঁ তোমাক কিন্তু কাক কম আৰু কোনে শুনিব-বুজিব মোৰ কথা।

তোমাৰ নিশ্চয় মনত আছে আমি পতা কথাবোৰ। আৰু তুমি যে মোক প্ৰায়ে কৈছিলা মইৰ পৰা আমি হোৱাৰ কথা... আৰু মই ক্ৰমে শুনি গৈছিলোঁ ৰঙীন আবেলিৰ বেবেৰিবাং কথাবোৰ। আৰু তেনেকুৱা এটা আবেলিতে মোৰ বৰকৈ মনত পৰে তোমালৈ বুলি। কিবা যেন কথাবোৰ ভাবিলে আজিও সাঁথৰ সাঁথৰ লাগে কথাবোৰ। সঁচাই সময়ে সকলো সলনি কৰি লৈ যায়। কোনো বস্তুৱে স্থায়ী নহয়। সময়বোৰে যেন কোঙা কৰি পেলাইছে ক্ৰমান্বয়ে মোক। শেষ কৰি পেলাইছে এফালৰ পৰা কাৰণ মই যে এতিয়া মই হৈ থকা নাই অ'। কিছুমান প্ৰশ্ন হয়তো

আজীৱন প্ৰশ্ন হৈয়ে ৰৈ যাব কাৰণ তাৰ উত্তৰ দিবলৈ যেন তুমি এতিয়া মোৰ কাষত নাই। থাকক দিয়া তেনেদৰেই তাৰ উত্তৰ বিচাৰি আৰু তোমাক আমনি নকৰো দিয়া। মই নাজানো তুমি কি বিচাৰিছিলা বা কি বিচাৰা। তথাপিও মই প্ৰাৰ্থনা কৰিম ভগৱানৰ ওচৰত মোৰ প্ৰতিটো প্ৰাৰ্থনাত যেন তুমি হোৱা। তুমি কেৱল সুখী হোৱা। তোমাৰ সুখতেই মোৰ সুখ।

ইতি

তোমাৰ মাইনা

**স্নেহা বৰা**

## ২১.

মৰমৰ,

অভিমানী প্ৰিয়তমা

চিঠিৰ জৰিয়তেই তোমালৈ যাচিলোঁ মৰম আৰু ভালপোৱা। কলেজত আহি তোমাক মই যেতিয়া প্ৰথম দেখিছিলোঁ, মোৰ অনুভৱেই আছিল সুকীয়া। তোমাৰ সজলা চকুযুৰি আৰু মেঘালী চুলিটাৰীয়ে মোক বৰকৈ আমনি কৰিছিল জানা? যৌৱনৰ বাকৰিত চৰি ফুৰা মইটোৱে যেন কিবা এটা বিচাৰি পাইছিলোঁ। আৰু কি জানা, সেইদিনা যে মই তোমাক সপোনতো দেখিছিলোঁ। কিন্তু ভয় হৈছিল মই তোমাক ভালপোৱাৰ প্ৰস্তাৱটো দিব পাৰিম নে নাই। কাৰণ মোতকৈ তুমি বয়সত ডাঙৰ আছিলা। একো নাই দিয়া প্ৰেমত সৰু-ডাঙৰ একো নাই। কাৰণ প্ৰেম কৰা নাযায়, প্ৰেম হৈ যায়।

তুমি এজাক বলিয়া বতাহ হ'বা, মই ধোঁৱা হৈ তাতেই বিলীন হৈ যাম। তুমি এখন বিশাল আকাশ হ'বা, মই সেই আকাশৰ নীলাবোৰ হৈ তোমাতেই মিলি যাম। তুমি অভিমান কৰিবা, মই তোমাক মৰমেৰে নিচুকাম। আহিবা মোৰ জীৱনলৈ, সদায় তোমাৰেই হৈ থাকিম। আজিলৈ সামৰোঁ ...

এটা কথা কিন্তু, বয়সত তোমাতকৈ সৰু বুলি মোৰ অনুভৱক মোহাৰি নেপেলাবা...।

তোমাৰ প্ৰিয়তম

**কস্মিতা শৰ্মা**

স্নাতক ষষ্ঠ ষাণ্মাসিক

ভূগোল বিভাগ

## ২২.

মৰমৰ প্ৰিয়...

হৃদয়ৰ ভালপোৱাবোৰ তোমাক স্বাৰ্থ-বিহীন ভাবে অৰ্পণ কৰিছোঁ। আজি তোমালৈ বেছিকৈ মনত পৰিছে সেইবাবে হাতত কলমটি তুলি ল'লোঁ। চিঠিৰ যোগেদি তোমালৈ মৰম টোপোলা আগবঢ়ালোঁ। পিছে আশা কৰোঁ তুমি ভালে আছা! ঘৰত সকলোৰে ভাল!

তোমাৰ বাৰু মনত পৰেনে সেই মাজুলীৰ ৰাস পূৰ্ণিমাৰ জোনাক নিশাটোৰ কথা। তুমি জানানে বুকুৰ মণিকোঠাত জীপাল কৰি ৰাখিছোঁ সেই সময়ৰ অনুভূতিবোৰ। জানা মই কেতিয়াও প্ৰেম বিশ্বাস কৰা নাছিলোঁ। কিন্তু সময়ে মোৰ জীৱনলৈ তোমাক ফাগুনৰ পছোৱা বতাহ জাকৰ সতে উৰুৱাই লৈ আহিল মোৰ আন্ধাৰময় জীৱনটোলৈ ৰং সানিবৰ বাবে তেওঁ নামৰ বিশেষ সুগন্ধিটো। এতিয়া তোমাৰ সান্নিধ্যত নিজকে বিচাৰি ভাল পাব শিকিছোঁ। জানা মানুহে কয় প্ৰেমত পৰিলে বোলে নিজকে ধুনীয়া দেখি মইয়ো তোমাৰ প্ৰেমত পৰিছোঁ। সেইবাবে চাগে পৃথিৱীখনো ধুনীয়া দেখোঁ। নিজক ভাল পাব শিকিলোঁ। তোমাৰ সাহসতে নিজকে শক্তিশালী আৰু সাহসী কৰিলোঁ। মনটো তোমাৰ ভাল পোৱাৰ সুবাসত বেয়া পোৱাবোৰ ভাল পোৱা কৰিলোঁ। তোমাৰ ভাৱনাই মোৰ দুচকুৰ নিদ্ৰা হৰণ কৰিছে প্ৰতিটো জোনাক নিশা। তোমাৰ খং-অভিমানত মোৰ বুকুৰ ধপ্‌ধপনিয়ে কোলাহল সৃষ্টি কৰে। হিয়াৰ মাজত আৱৰি ৰাখো তোমাৰ অভিমান, আলফুল, ব্যাকুল, কষ্ট আৰু মৌনতাবোৰ। ক'ৰবাত হেঁপাহৰ মাদকতা বিচাৰি পাইছোঁ তোমাৰ নামত। জীয়াই থকাৰ আনন্দ বিচাৰি পাইছোঁ তোমাৰ মৰমলগা মুখখনিত। নাজানো প্ৰাপ্তি আছে নে নাই আমাৰ কাহিনীৰ। কিন্তু জীয়াই থকা দিন প্ৰতিটো সময় তোমাৰ মৰমৰ সান্নিধ্যত জীয়াব বিচাৰোঁ।

বাৰু আজিলৈ সামৰো দিয়া কথাবোৰ সাঁচি নথৈ তোমালৈ লিখি পেলালোঁ হিয়াৰ প্ৰতিটো বাতৰি। ডায়েৰিত লিখি থওঁ তোমাৰ মধুৰ কাহিনীবোৰ পৃষ্ঠাই পৃষ্ঠাই সাঁচি ৰাখো স্মৃতিবোৰ।

তুমিয়ে ভালপোৱা, তুমিয়ে সপোন, তুমিয়ে উশাহ, তুমিয়ে জীৱন। তুমি যেন এটি উপহাৰ।

প্ৰান্তত

তোমাৰ প্ৰিয়ম

**জয়শ্ৰী বৰা**

স্নাতক দ্বিতীয় ষাণ্মাসিক

ইতিহাস বিভাগ

## ২৩.

মৰমৰ প্ৰিয়জন,

এটোপোলা মৰমেৰে তোমালৈ। তুমি বাৰু ভালে আছানে? হঠাৎ আজি তোমালৈ মনত পৰিল। সেয়ে ভাবিলো এখন চিঠিকে লিখোঁ। কিমান আৰু ম'বাইলতে কথা পাতি থাকিম। আজিৰ দিনত চিঠিৰ মাদকতায়ে হেৰাই গৈছে। আমিয়ে বাৰু সেইটো জীয়াই ৰখাও।

নে তুমি কি কোৱা?

মনত আছেনে বাৰু তোমাৰ, মই যে তোমাক লগ পাইছিলোঁ আৰু যে তুমি মোক কৈছিলা — উপহাৰ কি লাগে কোৱা? মই যে লগতে তোমাৰ দুচকুত চকু থৈ কৈছিলোঁ, 'বিশ্বাস এমুঠিকে দিবা আজিকালি পাবলৈ বৰ টান।' আকৌ যে সুধিছিলোঁ, 'দিবানে?'

তুমি যে মোৰ মুখলৈ চাই এটা মিচিকিয়া হাঁহি মাৰি নৈৰ পাৰত বহি হাতত গিটাৰখন তুমি লৈ Bishrut Dadaৰ গানটো গাইছিলা।

কাষতে তোমাৰ ৰ'ম ছায়া হৈ
পৰিব নিদিও ভাঙি
সময়ৰ পাতত ল'বা লিখি
মোৰে মৰম তোমাৰ বুলি
তুমি যেন উপহাৰ এটি।

সঁচাকৈ সেই সময়খিনি মোৰ বাবে বহুত বিশেষ আছিল। জানানে তুমি।

তোমাৰ গানৰ সুৰ বতাহৰ লগত মিলিত হৈ আৰু লগতে এক সুমধুৰ সুৰত পৰিণত হৈ এটা ধুনীয়া পৰিৱেশৰ সৃষ্টি কৰি; মোৰ মনটোচোন চঞ্চল কৰি পেলাইছিল। সেই সুৰৰ লগত মতলীয়া হৈ মোৰ মনটো দেখোন এক অচিনা দেশলৈ উৰা মাৰিছিল।

সেই সময়তে মোৰ মনৰ কল্পনাই এক অচিন দেশত সাজিছিল, এক মায়াৰ 'ঘৰ'।

য'ত কেৱল .... .... ....

'তুমি আৰু মই'।

ঐ শুনাচোন,

আকৌ এদিন লগ পাব মন গৈছে। সেই আগৰ দৰে নৈৰ পাৰত বহি, গানৰ লগত বিলিন হৈ নহয়। এইবাৰ সন্ধিয়াৰ হেঙুলীয়া আকাশৰ তলত লগ পোৱাৰ আশাৰেহে।

হ'বনে?

লগ পামনে বাৰু তোমাক? তোমাৰ বাৰু সন্ধিয়াৰ হেঙুলীয়া আকাশখন 'প্ৰিয়' নে? ওম্ হয়তো ভাবিচা চাগে। এইটো আকৌ কি প্ৰশ্ন?

বাৰু,

ইমান ভাবিব নেলাগে আৰু দিয়া। এতিয়া মোৰ কথা শুনা।

সন্ধিয়াৰ হেঙুলীয়া আকাশখন মোৰ নিচেই আপোন জানা। যিয়ে সানি যায় অনুভৱী হিয়াত মিঠা আবিৰ, চটিয়াই যায় প্ৰতিবাৰে একাঁজলি মৰম নিবিড়।

বাৰু

এতিয়া কোৱা, কথাবোৰ পঢ়ি তোমাৰো চাগে হেঙুলীয়া আকাশখন প্ৰিয় হ'ব ধৰিছে। নহ্

সেই আকাশৰ তলত তোমাৰ সৈতে সন্ধিয়াৰ কোলাত বহি সাঁচি ৰখা মনৰ সুখ-দুখৰ কথা পাতিম। হাতত হাত ধৰি এখোজ দুখোজ কৈ খোজ কাঢ়ি ফুটপাথৰ কাষতে থকা চাহৰ দোকান এখনতে ৰম আৰু তাতে বৈ দুয়োৰে চাহ খাই সেই মধুৰ সন্ধিয়াৰ সময়খিনি উদ্‌যাপন কৰিম।

হ'বনে?

চিঠিখন পঢ়ি থাকোঁতে চাগে তোমাৰ মুখত হাঁহি এটি বিৰিঙি গৈছে।

নহয় নে বাৰু?

আজিলৈ ইমানে লিখিছো দিয়া। তুমি তুমি লাগি থকা মনৰ অনুভৱবোৰ আকৌ কলমৰ জোৰেৰে লিখিয়েই পেলাইছোঁ। আৰু মনৰ ভালপোৱাৰ কিছুমান অনুভূতি মনতেই ৰাখিছো দিয়া। লগ পালে সেই চাহৰ দুকানখনতে বহি কম।

এতিয়াই যদি বেছিকৈ প্ৰকাশ কৰি দিও, ভয় লাগে জানা। সেই ভালপোৱাবোৰ যদি বেলেগ দিশে গুচি যায়। তেতিয়া মোৰ কি অৱস্থা হ'ব কোৱা? আৰু মই প্ৰকাশ কৰাত ইমানো ভাল নহয়। চাওঁ দিয়াচোন বাৰু, সময়ৰ গতিৰে আমাক ক'লৈ লৈ যায়।

শেষত, মোক তোমাৰ সপোনবোৰৰ সাৰথি কৰিবা বুলি আশা ৰাখি; তোমাৰ আশা-আকাংক্ষাবোৰক বাস্তৱ কৰি ৰূপ লওঁক তাৰে কামনা কৰিলোঁ।

ইতি

তোমাৰ প্ৰেমিকা 'ৰাধা'

**দেৱাশ্ৰী শইকীয়া**
স্নাতক দ্বিতীয় ষাণ্মাসিক
ভূগোল বিভাগ

## ২৪.

প্ৰিয়,

তোমাক অনুভৱ কৰোঁ। যেতিয়াৰ পৰা মই আছো, তেতিয়াৰে পৰা তুমি মোৰ সৈতে আছা। কেতিয়াবা কোমল, কেতিয়াবা বিৰল, কেতিয়াবা দূৰত্ব বজাই ৰাখি। কিন্তু সদায় মোৰ মাজত জীয়াই আছা। তুমি মোক সৰ্বোচ্চ সুখৰ শিখৰলৈ লৈ যোৱা আৰু কেতিয়াবা মনভঙা গভীৰতাৰে পাৰ কৰোৱা। জানা প্ৰিয়, তুমি যে মোৰ আটাইতকৈ ডাঙৰ শিক্ষক। যি মোক স্নেহ আৰু যন্ত্ৰণাৰ মাজেৰে গঢ়ি তুলিছে।

তুমিয়েই মোৰ সংযোগৰ সৌন্দৰ্য দেখুৱালা। অন্তৰঙ্গতাৰ উষ্ণতা অনুভৱ কৰালা আৰু নজনাকৈয়ে নিজকে সম্পূৰ্ণকৈ উজাৰিবলৈ সাহস দিলা। কিন্তু তুমি মোক পৰীক্ষা কৰি দেখুৱাই দিলা যে বিশ্বাস ভাঙিবও পাৰে। মনত বেজাৰ লাগিবও পাৰে তথা হিয়া শোকৰে কাতৰ হ'বও পাৰে।

তুমি মোক আত্ম সন্দেহত ভোগালা। মোক ভাবিবলৈ বাধ্য কৰালা প্ৰিয় যে মই যথেষ্টনে? মোক কেতিয়াবা কোনোবাই সঁচাকৈ বুজিব নে? কিন্তু প্ৰিয়, মই তোমাক জনাব বিচাৰো, মই — এতিয়া তোমাৰ পৰা ভয় নকৰোঁ। এতিয়া মই বুজি পালো যে, মৰম কাৰোবাক মিনতি কৰি বা বিচাৰি পাব লগা বস্তু নহয়। মৰম মোৰ ভিতৰতে আছে, যিটো মই নিজে বুটলি ল'ব পাৰোঁ। আগবঢ়াব পাৰোঁ, আৰু তাত মোৰ অস্তিত্ব হেৰাই নাযায়।

সেয়ে প্ৰিয়, মই তোমাকো নিখুঁত হ'বলৈ নকওঁ। আৰু মই অতীতৰ কষ্টই তোমাক পৰিচয় দিবলৈ নিদিও মই তোমাক উদ্ধাৰ কৰিম। মৰম কৰিম, আৰু যিদৰে অংকুৰিত হ'ব লাগে তেনেকৈয়ে হ'বলৈ প্ৰেৰণা যোগাম। এতিয়া, মই তোমাক হেৰুৱাবলৈ ভয় নকৰোঁ — মই তোমাৰ দ্বাৰাই জীয়াই থাকিম।

ইতি

তোমাৰ প্ৰিয়,

মই....

**চুমী বৰা**

## ২৫.

মোৰ মৰমৰ,

সুমিত...

মোৰ মৰমবোৰ আঁকোৱালি ল'বা। লিখিছোঁ তোমালৈ বুলি... বেছি লিখা নাই... লিখিছোঁ অলপ মৰম ভালপোৱাৰ কথা... প্ৰেমৰ মিঠা অনুভূতিবোৰ। য'ত আছো কেৱল তুমি আৰু মই... লিখিছোঁ অলপ হৃদয়ে চুই যোৱা কথা দুখ-বেদনাৰ কথা... বৰষা নামিলেই তোমালৈ মনত পৰা কথাবোৰ.. সেউজীয়া ধাননিৰ মাজত গছৰ তলত বহি তিতি তিতি কথা পতা... তোমাৰ হাঁহিটো... হাতত হাত ধৰি জীয়াই থকাৰ উৎসাহ জগোৱা কথাবোৰ... লিখিব নাজানো... তথাপিও লিখিছো... তোমাৰ বাবে... বেছি লিখা নাই.... লিখিছো আশাবোৰ... তোমাৰ সতে দেখা সপোনবোৰ, যি সপোন হৈয়ে ৰৈ গ'ল... থাকি গ'ল কেৱল বিষাদ... আশা থাকিল তুমি পঢ়ি চাবা... মোৰ এই নীলা খামৰ চিঠি...

ইতি

মৰীচিকাৰ পিছত দৌৰি

বাট হেৰুওৱা তোমাৰ প্ৰিয়জন

**ৰুম্পী পাল**

স্নাতক ষষ্ঠ যাণ্মাসিক

বাংলা বিভাগ

## ২৬.

প্ৰিয়তম,

আশা কৰোঁ তুমি ভালে আছা। মইও কুশলে আছোঁ। তোমালৈ চিঠি লিখিম বুলি জানি মোৰ এধানি কলমটোৱে উকমুকাই উঠিছে। তুমি জানানে? শীতত ঠেৰেঙা লগা আঙুলি কেইটাও যেন নতুনকৈ প্ৰাণৱন্ত হৈ সাৰ পাই এঙামুৰি দিছে। চিয়াঁহীৰ টোপালকেইটাৰো কি এক যুদ্ধকালীন তৎপৰতা। মোৰ অন্তৰত সঞ্চিত হৈ থকা মৰম তোমালৈ বুলি পত্ৰৰ জৰিয়তে প্ৰেৰণ কৰিছোঁ।

অ' তুমি হয়তো আচৰিত হৈছা এই শীতৰ পৰিৱেশেৰে আছন্ন কৰি সাহিত্যৰ ৰসেৰে জীপাল কৰি তুলি এই চিঠিখনেৰে কিবা যেন ধেমালি নতুবা আখৰৰ যাদুৰে নিজৰ সাহিত্যকৃতি জাহিৰ কৰিছোঁ তোমাৰ লগত। কেতিয়াও নহয়। সাহিত্যৰ ভাষাত যদি প্ৰেম নিগৰিলে প্ৰেমিকা হয় তেতিয়াহ'লে মই প্ৰেমত পৰিছোঁ... গভীৰভাৱেই তোমাৰ প্ৰেমত পৰিলোঁ।

তোমালৈ মোৰ আজি বাৰুকৈয়ে মনত পৰিছে অ', তোমাৰ সেই মিঠা হাঁহিটি। যিটোৰে মোৰ মনটো তোমাৰ ওচৰলৈ ফাগুনৰ পছোৱা বতাহজাকৰ দৰে উৰুৱাই লৈ গৈছিল। তোমাৰ মনত আছেনে সৌ সিদিনা আবেলি আমাৰ প্ৰথম দেখা, সাক্ষী হৈ ৰ'ল কৃষ্ণচূড়া গছজোপা। মই কেতিয়াও ভবা নাছিলোঁ মই কাৰোবাক এদিন বাউলি পক্ষী হৈ ভাল পাব ল'ম। বাউলি নহমনো কিয়? ভাল পোৱাৰ প্ৰকৃত অৰ্থ, মাদকতা তুমিয়েইছোন শিকালা। মোৰ উৰুঙা মনটোক সপোন দেখিবলৈ তুমিয়েটো শিকালা।

যৌৱনৰ দুৱাৰদলিত ভৰি দিয়েই তোমাৰ সান্নিধ্য পাইছিলোঁ।

এনে ভাব হৈছিল তুমি যে দুবাহু মেলি দূৰৈৰ পৰা মোক আহ্বান জনাইছিলা প্ৰেমৰ পৃথিৱীলৈ। ময়ো সেই আহ্বান নেওচিব নোৱাৰি তোমাৰ প্ৰেমৰ জগতখনলৈ প্ৰথম খোজ আগবঢ়াইছিলোঁ। বাঃ কিযে মিঠা মিঠা আছিল দিনবোৰ, তেতিয়া চকুৰে চকুৰে আমি বিনিময় কৰিছিলোঁ। সমুদ্ৰ গভীৰ প্ৰেম আৰু ভালপোৱা শব্দহীন ভাষাৰে আমি ইজনেসিজনৰ হিয়া উপচাই তুলিছিলোঁ।

তুমি জানানে? ব'হাগৰ বিহুটি আহিলে ঢোল-পেঁপা মুখৰিত হ'লে মোৰ তোমালৈ বহুত মনত পৰে। মন যায় মোৰ চেনাইৰ ঢোলৰ চেওত কঁকাল ভাঙি চিতপখিলী হৈ নাচি থাকিবলৈ।

অ' মই তোমালৈ বুলি এটা উপহাৰ ৰাখিছোঁ। ভাবিছোঁ এইবাৰ তোমাৰ জন্মদিনত উহাৰ হিচাপে তোমাক এটি কৃষ্ণচূড়াৰ পুলি দিম। আমাৰ মৰমৰ সাক্ষী হৈ ৰ'ব যেনেদৰে সৌ সিদিনা আমাৰ ভালপোৱাৰ সাক্ষী হৈ ৰৈছিল কৃষ্ণচূড়াজোপা। শুনিছা, পদূলি সন্মুখতে ৰুবা। কৃষ্ণচূড়াৰ প্ৰতিপাহ ফুলৰ পাপৰিত মই তোমাক যঁচা হাজাৰ ভালপোৱা বিয়পি থাকিব। তোমাৰ পদূলি ৰঙীন হৈ পৰিব।

মোৰ বুকুৰ সীমাহীন ভালপোৱাবোৰ এখিলা পাতত আবদ্ধ হ'ব পাৰে জানো? নে শেষ হ'ব পাৰে? কেতিয়াও নোৱাৰে। বহুদিনৰে পৰা সাঁচতিয়া কথাবোৰ সাঁচি ৰাখিছিলোঁ নহয়, সাঁচি ৰাখোতে ৰাখোতে চিঠিখন দীঘল এ হৈ পৰিল। কম বোলা বহু কথা ৰৈ গ'ল। বাৰু, পিছত এখন চিঠিৰে আকৌ তোমাক ক'ব লগা বাকী কথাখিনি কম বুলি আশা কৰিছোঁ।

'পাৰৰ পাখিত গাঁঠি দিলো নীলা খামৰ চিঠিখনি,
জনাও বুলি তোমাক মোৰ মনৰ বতৰাটি।'

প্ৰান্তত
তোমাৰ মৰম

**ৰুণাক্ষী দেৱী**
স্নাতক চতুৰ্থ যাণ্মাসিক
অসমীয়া বিভাগ

## ২৭.

প্ৰিয় আপুনি,

প্ৰথমে ধন্যবাদ আপোনালৈ মোৰ জীৱনটো ৰঙীন কৰি তোলাৰ বাবে। ক্লান্ত সময়ৰ সেই বেগী সময়বোৰে মোক যেন একেবাৰে ধূসৰ কৰি তুলিছিল। মই ভাবিব পৰা হোৱা নাছিলো একোকেই। তেনে ক্ষণতেই মোৰ জীৱনলৈ আগমন ঘটে আপোনাৰ। আপোনাৰ পৰশে যেন জীপাল কৰি তুলিলে মোৰ জীৱনৰ ম্লান পৰি যোৱা জঁট বন্ধা সেই সময়বোৰ।

উঁৱলি যোৱা শুকান ডায়েৰীৰ বুকুত মই আকৌ সযতনে আঁকিব লৈছো সপোনৰ ভগ্নাংশবোৰ। শব্দৰ বিকৃত ভাঁজে ভাঁজে আপোনাৰ প্ৰতি থকা মৰমে যেন মোক কিৰিলি পাৰি জোকাব ধৰে আৰু মই প্ৰেমত বাউলি পখীজনীৰ দৰে লাজকুৰীয়া হৈ ৰওঁ। দুৰ্বাৰ হেঁপাহেৰে মই যেন চকুলোৰে সজাও নিজৰ শব্দৰ পিৰামিড।

আকাশ, জোনবাই, তৰা, গছ, নদী সকলোতেই যেন বিচাৰি পাওঁ কেৱল 'প্ৰেমৰ সংজ্ঞা'। মন-মগজুৰ সুতীব্ৰ আদেশত মোৰ এই পাগল প্ৰেমিকাৰ সংলাপবোৰে আপোনাক ক'ব বিচাৰে 'ক'ত আছিল লুকাই অত দিনে মোৰ এই শিহৰণ?' সপোনত হ'লেও কিম্বা দিঠকত বুকুৰ ভিতৰত কক্-বকাই থকা কথাবোৰ আপোনাক কোৱাৰ দুৰ্বাৰ হেঁপাহ মোৰ। মই কৈ যাম, আপুনি শুনি যাব। আৰু লিখি যাম আমাৰ প্ৰেমৰ কাহিনী। আৰুনো কি কম আপোনাৰ বাবেই উদ্‌যাপন কৰোঁ প্ৰত্যেকটো দিন। বিচাৰি পাওঁ নিজক আপোনাৰ মাজত। আপোনাৰ আশীৰ্বাদতেই উজ্জ্বলে মোৰ সন্মুখৰ বাট, ফুলি ৰয় মোৰ পদূলিৰ গধূলি গোপাল। আৰুনো কি দিব পাৰো মই আপোনাক?...

এঁকাজলি মৰম আৰু সহস্ৰ প্ৰণাম...

প্ৰান্তত
আপোনাৰ প্ৰেমত
বাউলি প্ৰিয়া

**মিনাক্ষি হীৰা**
স্নাতক চতুৰ্থ যাণ্মাসিক
ৰাজনীতি বিভাগ

## ২৮.

প্ৰিয়জন,

কি খবৰ তোমাৰ ভালে চাগে। মোৰো ভালেই দিয়া। মই বিহীন জীৱনত এতিয়া তুমি চাগে সুখী। তুমিটো জানায়ে চিঠি লিখিব নাজানো মই তথাপিও লিখিব চেষ্টা কৰিছোঁ। কিমান আৰু সাঁচি ৰাখিম মনৰ অনুভৱবোৰ। এবাৰ খুলি ক'ব দিয়াচোন। কি জানা! আজি বৰকৈ মনত পৰিছে তোমালৈ। সেই যে প্ৰথম তোমাক দেখিছিলোঁ আজিও মনত আছে জানা তাৰিখটো ১৯-০৪-২০২৪ নাছিল জানো। মই যে কি কৈ আছো, তুমি পাহৰিলা চাগে। আজিচোন ডাৱৰে আগুৰা আকাশখন উদং যেন লাগিছে। অনুভৱ হৈছে কাৰোবাৰ অভাৱত যে আকাশৰ জোনটোৱে কান্দিছে। আজি-কালি দিনৰ পোহৰত কৈ ৰাতি আন্ধাৰবোৰ বেছি প্ৰিয় মোৰ জানা। কাৰণ তাত মই তোমাৰ স্মৃতিবোৰ সাঁচি ৰাখিছোঁ, কিমান আৰু কাগজ নোহোৱাকৈ চিঠি লিখিবা এইবাৰ

কাগজত লিখিছো দিয়া। সময় সলনি হ'ল, দিন বাগৰি গ'ল। তথাপিও অবুজন হৃদয়ক আজিও বুজাব পৰা নাই তুমিযে মোৰ হৈ থকা নাই। বিচ্ছেদৰ কাৰণ নাজানো হয়টো জানিবও নিবিচাৰো এতিয়া। হ'ব দিয়া আৰুনো কিমান লিখিম, তুমি ভালে থাকা।

ইতি

তোমাৰ মৰমৰ PU

**পূজা বৰা**

স্নাতক ষষ্ঠ ষাণ্মাসিক

অসমীয়া বিভাগ

## ২৯.

প্ৰথমে,

মোৰ এই প্ৰেমিক হৃদয়ত বৈ থকা মৰমবোৰ ল'বা। নাজানো... নাজানো... কেতিয়া তুমি মোৰ জীৱনৰ শেষ নোহোৱা কবিতা হৈ পৰিলা? নাজানো কেতিয়া তুমি মোৰ গোপনীয় প্ৰেম হৈ পৰিলা? এতিয়া জানা... তোমাৰ প্ৰতি থকা অনুভৱবোৰ প্ৰেমত পৰিণত হ'বলৈ ধৰিছে। ভাল লগা হৈছে তোমাক লৈ লিখা মোৰ আধৰুৱা কবিতাবোৰ। তুমি জানা জানো...? তোমাক প্ৰথম দেখাৰ পৰাই ভাল লাগে মোৰ তোমাক। পিছে নৱম শ্ৰেণীতে তোমাক প্ৰথম দেখা আজিও মোৰ মনত আছে। কাকো নমতা কাকো নোচোৱা লাজকুৰীয়া ল'ৰাটো। তুমি কাষেৰে পাৰ হ'লে তোমাক চুই যোৱা বতাহজাকে মোক তোমাৰ সুবাস দিয়ে। তুমি আঁতৰত থাকিলেও মোৰ চকুযোৰে যিমান দূৰ সম্ভৱ সিমান চাব বিচাৰে। তোমাক মই কেৱল দুই বছৰহে পাইছোঁ। দুবছৰো থিক সম্পূৰ্ণ নহয়। কিন্তু যিমান সময় তোমাক পাইছোঁ সেয়া স্মৃতিয়ে মোৰ বাবে বহুত। তোমাক কম কম বুলি বহু কথায়ে থাকি গ'ল। সেইবোৰ এতিয়া ডায়েৰীৰ পাততহে সাঁচি ৰাখিছো মই। নাজানো এতিয়া তুমি ক'ত আছা? কেনেকে আছা? আজিয়ো মোৰ হৃদয়ে অকল তোমাক বিচাৰে কেৱল সময়ৰ স্বাৰ্থতহে মোৰ ভালপোৱা আধৰুৱা হৈ ৰৈ আছে। নাজানো সম্পূৰ্ণ হ'ব নে নহয়। কিন্তু মই অপেক্ষা কৰি আছো। আৰু কি জানা...? আজিকালি তোমালৈ কৰা অপেক্ষাৰ আমনিবোৰো মোৰ ভাল লগা হৈ পৰিছে।

শেষত তুমি য'তে আছা তাতে থাকা আৰু সুখী হৈ থাকা। আশা কৰোঁ কেতিয়াবা লগ পাম এই যাত্ৰাত।

ইতি

তোমাৰ নিস্বাৰ্থ প্ৰেমিকা

**বাগ্মিতা হাজৰিকা**

## ৩০.

মৰমৰ প্ৰিয়জন,

কেনে আছা বাৰু? আশা কৰিছো কুশলেই আছা হয়তো! মনে কৈছে ভালেই থাকিবা সদায় মোৰ শুভকামনা যিহেতু তোমাৰ সৈতে সকলো সময়তে আছেই। বাৰু জানানে ফাগুন মাহ যে পালেহি, তোমাৰ প্ৰিয় ঋতু বুলি যে কৈছিলা মনত আছেনে?

নে প্ৰিয় বস্তুবোৰ ক্ষণস্থায়ী হৈ পৰিলে তোমাৰ আজিকালি...। যিহেতু এদিন ময়োতো তোমাৰ বৰ প্ৰিয় আছিলোঁ...!! বাৰু বাদ দিয়া, তুমি আগৰ দৰেই আছানে মৰমীয়াল মোৰ প্ৰিয়জন হৈ। তোমাৰ সেই ভাল লগা কথাবোৰ, হাঁহি-ধেমালি তোমাৰ সেই প্ৰিয় কামবোৰ কৰিয়ে আছানে আজিকালিও? বাদ দিলা নে ব্যস্ত হৈ পৰিছা নেকি কাৰোবাৰ লগত। হ'বও পাৰে তোমাক ভালপোৱা মানুহটো অসংখ্য আছে ময়েটো নহয় মাত্ৰ। বাৰু বাদ দিয়া সোণ, তোমাৰ হাঁহিটো বহুত দিন শুনা নাই অ', বহু দিনেই হ'ল তোমাক নেদেখা। যেতিয়া ক'ৰবাত যাওঁ মোৰ চকুৱে তোমাক নজনাকৈ বিচাৰি ফুৰে। কি কৰিবা বাৰু কোৱাচোন... ইমানেই কিয় বাৰু মনলৈ আহা তুমি, শয়নে-সপোনে কিয় ভাহা তুমি... গধূলি হ'লে যে নিঃসংগ হৈ পৰিলেই মনটো উৰা মাৰি যায়। তোমালৈ আজি বৰকৈ মনত পৰিছে... আজি বুলিয়ে নহয় তোমালৈ মনত নপৰাকৈ হয়তো মোৰ এটা দিন যোৱা নাই!!

জানা, আজিকালি তোমালৈ মনত পৰিলে মোৰ আকৌ চকুলোবোৰ নোলায় আগৰ দৰে, হয়তো শক্তিশালী হৈ পৰিছে হৃদয়। হয়তো শুকাই গৈছে অভিমানী চকুলো। শুনিছিলো কাৰোবাক বেছি গুৰুত্ব দিলে হেনো তেওঁৰ পৰা গুৰুত্ববোৰ কমি যায়। হয়তো মোৰ ভুল সেইটোৱে আছিল তোমাক যে নিজতকৈও ভাল পাইছিলোঁ...। আকৌ আৱেগিক হৈ পৰিছোচোন। নাই নাই বহু কষ্ট কৰি নিজকে আকৌ ভাল পাব খুজিছোঁ। আকৌ দুৰ্বল হ'ব নিবিচাৰো বাকী তোমাক ক'ব লগা বহু কথা আছে।

তোমাৰ খবৰ পাৰিলে জনাবা। আৰু কিবা কেনেবাকৈ যদি মোৰ প্ৰয়োজন হয় মোক মনত পেলাবা মই সাজু আছো সদায় তোমাৰ সকলোবোৰ বিপদ মূৰ পাতি ল'বলৈ। তুমি দুখী হোৱাটো সহ্য কৰিব নোৱাৰো সোণ...!

চিন্তা নকৰিবা!!... আৰু অতি সোনকালে তোমাৰ উত্তৰ পাম বুলি বাট চাই ৰ'লো। আজিলৈ ইমানতেই এৰিছো দেই সোণ, কুশলে থাকিবা সদায়, মৰম দিলো এবুকু!!!

ইতি

তোমাৰ মৰমৰ

**পংখী শইকীয়া**

## ৩৩০.

মৰমৰ প্ৰিয়তম,

আশা কৰোঁ ভালে আছা। মইয়ো ভালে আছো দিয়া। নাজানো ক'ৰ পৰা আৰম্ভ কৰো মোৰ এই মনৰ ভাষা। মনৰ ভিতৰত হাজাৰটা অনুভূতিৰে জোৱাৰ তুলাৰ সৃষ্টি কৰিছে। দুচকুত ভাঁহি উঠিছে তোমাৰ সাগৰৰ দৰে গভীৰ চকুজুৰি। চকুত চকু থৈ কোৱাৰ সাহস নাই যদিও অন্তৰৰ নিভৃততম কোণৰ পৰা মৰম পঠিয়ালো আপোনবিহীন তোমালৈ বুলি। কুশলে ৰাখক ভগৱানে মোৰ ফুলনিৰ ৰঙীন ফুলপাহ। কিয় জানো তোমাৰ উপস্থিতিৰ সময়বোৰ মোৰ বৰ প্ৰিয়। তোমাৰ সেই দুটি ওঁঠৰ মাজেৰে অহা মৌসনা হাঁহিটো সঁচাকৈ মোৰ বৰ প্ৰিয় হৈ পৰিছে। কিয় জানো অবুজন মন বাৰে বাৰে তোমাৰেই হ'ব খোজে। সঁচাকৈয়ে তুমি মোৰ বাবে কাঞ্চনৰ দেশৰ সপোন কোঁৱৰ। তোমাক দেখা পালেই যেন মোৰ মনটোৱে প্ৰকৃতিৰ বিনন্দীয়া দিশে গতি কৰে। যাৰ প্ৰতিটো খোজত বিচাৰি পাওঁ কেৱল তোমাক। সঁচাকৈয়ে মোৰ মনৰ কোনোবা অজান কোণত মাথো তোমাৰেই প্ৰতিচ্ছবি। তোমাক প্ৰথম দেখা দিনৰ পৰা তোমাৰ প্ৰেমত পৰিলোঁ। যিদিনা তুমি মোক প্ৰথম লগ কৰিছিলা সেই দিনটো যে কম ভাল লগা আছিলনে? আজিও সেই দিনটো বহুত মনত পৰে। সেইদিনা তোমাৰ চকুৱে মোক বহু কথাই কৈ দিছিলে আৰু মোৰ ইমান লাজ লাগিছিলে সেইদিনা তোমালৈ। এই শুনা না সেইদিনা যে তুমি গানটো গাইছিলা —

চালে তোমাৰ চকুলে বুকুৰে পাখি মেলে
নাচাবাচোন এনেদৰে মৰমে লাজ কৰে
মৌ মিঠা তাতোকৈ মিঠা... তোমাৰ মাত...
নিঃশব্দ জীৱনটো সুৰৰ মেলা পাতে
লুইতৰ বলিয়া বান অভিমানী তোমাৰ সমান
কিদৰে মই বুজাও তোমাক তুমি বিনে মৰম অজান
আহানা এবাৰ... কাষলে তুমি

সঁচাকৈয়ে ইমান ধুনীয়াকৈ গানটো গাইছিলা তুমি সেইদিনা। তুমি গানটো গোৱাৰ সময়ত যে নামি অহা সেই বৰষুণজাক তোমাৰ বাৰু মনত আছেনে? কিমান যে ভাল লাগিছিল ন সেই দিনটো। বৰষুণৰ টোপালৰ শব্দৰ লগত যেন তোমাৰ গানৰ সুৰবোৰ বিলীন হৈ গৈছিল। তোমাক লগ পালেই যেন নামি আহিব খোজে আকৌ সেই আগৰ বৰষুণজাক। য'ত কেৱল তুমি আৰু মই...

কথাখিনি পঢ়ি থাকোতে চাগে তোমাৰ ওঁঠত এটি হাঁহি বিৰিঙি উঠিছে ন?

তুমি চাগে ভাবিছা আজি মোৰ কি হ'ল বুলি। নাই হোৱা অ' একো... তোমাৰ কথা লিখিবৰ মন গ'ল সেইবাবে লিখিলোঁ। তোমাৰ কথা কৈ বা লিখি থাকিলেও চাগে শেষ নহ'ব কোনো দিনে মোৰ।

কোনোবা এটা দিনৰ বাবে তুমি মোৰ বিশেষ নহয়। তুমি সদায় বিশেষ মোৰ বাবে।

আজিলৈ ইমানেই দিয়া আৰু বেছি নিলিখো। তুমি সদায় ভালে থাকা তাৰে প্ৰাৰ্থনা। মই সদায় আছো তোমাৰ লগত। সুখ-দুখ প্ৰতিটো মুহূৰ্ততে।

তোমাৰ প্ৰেয়সী
ৰাধা

**পিকশ্ৰী কাকতি**





1.

My Dearest,

There's a weight to silence, a quiet that speaks louder than words ever could. I've spent countless moments in its company, listening to the echoes of what I've never said, what I've never dared to ask. Love, in its purest form, is a strange thing - it exists quietly, a gentle flame, flickering without need for recognition. It's both heavy and light, carried in the spaces where words fail, where feelings struggle to unfold.

I've watched from the edges, unseen, unnoticed - content with the simple truth that sometimes, love doesn't require a response. The heart does not always need to be returned to feel its fullness. There is a kind of beauty in the distance, in the quiet longing that doesn't demand. It simply exists a quiet current flowing beneath everything, shaping nothing but the one who carries it. There is a strange peace in this. To love without expectation, to care without the need for reciprocation. This, I believe, is its own form of freedom. And yet, I wonder, do you feel this. Do you see how deeply something can grow in the shadows, untouched by light, but still so very real? There's an odd comfort in knowing that love can live where it's not seen, that it can be felt without ever being spoken, understood without needing to be fully understood.

I feel this love in the moments when our paths cross, even in passing. When I catch a glimpse of you, or hear your voice, my heart finds its rhythm in a way I can't explain. It's not something I can control. It simply happens, quietly, in every glance, every word, every shared space. I've felt this pull towards you, this warmth that grows stronger with time, and yet I've learned to keep it to myself. It's a love that doesn't seek to change you, but to simply exist alongside you, in the quiet of my heart, where no one else can see. Perhaps it's enough to love like this - unseen, unheard, but always there, quietly shaping the space around it, never asking for more than it already is. It's a love that doesn't seek to change anything, just to exist in its own way, in its own time, without ever needing to be touched or returned. And maybe that's the truest form of it.

Yours

Sneha

**Sneha Borkataki**
6th Semester
.Department of Geography

2.

My Dear,

Words seem to fail me when I try to express the depth of my feelings for you. As I sit here, pen in my hand, I find myself struggling to find words that truly capture the depth of my love and gratitude for you. You are not just someone important in my life you are the very foundation up on which my

happiness rest. From the moment we met, your humor, positive quality drew me it, and your unwanering support has been a guiding light through every storm.

Every laugh, every conversation, every share glance has women a tapestry of love so rich and vibrant that it colors my entire world. Your presence is a constant comfort, a safe harbour where I can be my authentic self without fear of judgement.

Thank you for being my partner in crime and the love of my life. Everyday with you is a gift and I promise to cherish every moment we have together. You are the greatest blessing I could ever ask for with all my love. Forever and always.

**Sermili Engtipi**
B.A. 4th Semester
Department of Geography

**3.**

To My beloved,

From the moment our paths crossed my heart has belonged to you. Everyday I find new reasons to fall in love with you all over again - your kindness, your laughter, the way your eyes light up when you talk about something, you love your smile when you pet a stray cat. I cherish every moment we share, whether it be few minutes or hours.

When I close my eyes, I think of you. When I dream, I dream of us - the laughter, the quiet moments and the way you praise me when I achieve something. Though we are unable to talk everyday because of how buy life has been lately but that will never effect the love I have for you, our love will last forever.

No matter where life takes us, no matter the distance, I will always cherish you and root for you. You are my love, my happiness, now and forever.

Yours forever,
Ananya

**Ananya Datta**
4th Semester
Department of English

**4.**

To My Dearest,

From the day you came into my life, my life was filled with colours and sparkles. I have never knewed. I miss you very much. You are the best dream I never want to wake.

Every time I hear your name my heart begins to beat fast and my soul feels happy and calm. You are the light of my dark life.

I cherish every moment we exchange and spend. No distance, no time and no obstacles can dim the light, I fell for you from the heart. You are the best chapter of my life.

My heart belongs to you today, tomorrow and forever. I love you from the bottom of my heart. With all my love.

Naina Begum

**Naina Begum**
B.A. 4th Sem.
English Department

**5.**

To

My loved one,

As I sit down to write this letter to you, I am overwhelmed with emotions. My heart beats faster, my hands tremble with excitement and my mind is filled with memories of our time together.

Every moment I met you. I knew that you were someone special. Your sparkling eyes, your bright smile captivate me. But its not only just your external beauty I adore - its your kind heart, your generous aspirin your beautifully made soul.

Most of all, I love the way you make me feel like home, like I'm exactly where I meant to be.

Yours always
Hiyachaki

**Hiyachaki Borah**
2nd Semester
Department of Zoology



একাংকিকা নাটক

# সৰগপাল-নৰকপাল

**কস্মিতা শৰ্মা**
স্নাতক ষষ্ঠ ষাণ্মাসিক
ভূগোল বিভাগ

**চৰিত্ৰসমূহ ঃ**

যমৰাজ
অপ্সৰা
সৰগপাল
নৰকপাল
চিত্ৰগুপ্ত
বিদ্যুৎ ভাগৱতী
ঝুনাকংকন ভূএগ
দিপালী

**মঞ্চসজ্জা ঃ**

যমৰ সিংহাসন মঞ্চৰ মাজত থাকিব। সোঁফালে নৰকপাল, বাঁওফালে সৰগপাল। নৰকপালৰ পিনে এটা কেৰাহী থাকে।

**কাহিনী**

(যমৰাজ সিংহাসনত বহি থাকে। তেওঁৰ পিছফালে মুখ দি বহি থাকে, সেই সময়তে অপ্সৰা এজনী আহি ফুল ছটিয়াই তেখেতক সেৱা জনাই)

অপ্সৰা ঃ যমৰাজ কিমান পাছলে চাই থাকে, আগলেও চাব। (তেওঁ আগফালে ঘূৰে)

যমৰাজ ঃ ধন্যবাদ অপ্সৰা, তুমি যাব পাৰা। (অপ্সৰা ওলাই যায় আৰু যমে লক্ষ্য কৰে যে ওচৰত কোনো নাই)

যমৰাজ ঃ আজিৰ বিধানখনৰ বাবে কোনোৰেই নাই যে? নৰকপাল, সৰগপাল ক'ত আছে আপোনালোক? (নৰকপাল আৰু সৰগপাল দৌৰি আহি নিজৰ ঠাইত বহে)

সৰগপাল ঃ ক্ষমা কৰিব যমৰাজ, কিছু পলম হ'ল।

যমৰাজ ঃ ক্ষমা খুজিব নালাগে। আজিৰ সভাখন আৰম্ভ কৰা। পিছে চিত্ৰগুপ্ত ক'ত? চিত্ৰগুপ্ত? (চিত্ৰগুপ্ত দৌৰি আহে)

চিত্ৰগুপ্ত ঃ ক্ষমা কৰিব যমৰাজ। মই আজিৰ তালিকাখন চাই আছিলোঁ।

যমৰাজ ঃ সুন্দৰ, এতিয়া তালিকাখন আমাৰ আগত প্ৰস্তুত কৰক।

চিত্ৰগুপ্ত ঃ নিশ্চয়। আজিৰ সভাখনৰ বাবে তিনিজন মৃতকক বাছি উলিওৱা হৈছে। আপোনাৰ অনুমতি হ'লে প্ৰথমজনক মাতি আনো।

যমৰাজ ঃ নিশ্চয়, নিশ্চয়। লৈ আনক। (চিত্ৰগুপ্তই ৰছী এডাল আনি দিয়ে আৰু বিদ্যুৎ সোমাই আহে।)

চিত্ৰগুপ্ত ঃ এওঁ বিদ্যুৎ ভাগৱতী। পেছাত এজন ডাঙৰ ব্যৱসায়ী জগতৰ এজন ডাঙৰ মানুহ। কিছুসময় আগতে তেওঁ এটা পথ দুৰ্ঘটনাত মৃত্যুক সাবটি ল'বলগীয়া হয়।

বিদ্যুৎ ঃ কি কৈ আছে এইবোৰ। মোৰ বজাৰৰ টোপোলাটো কি হ'ল? মোৰ গাড়ীখন ক'ত? মোৰ শৰীৰত তেজ লাগি আছে যে?

যমৰাজ ঃ বালক তোমাৰ মৃত্যু হৈছে।

বিদ্যুৎ ঃ ৰ'বচোন আপোনালোক কোন? মোক অপহৰণ কৰিব আহিছে নেকি বাৰু?

চিত্ৰগুপ্ত ঃ নহয়, নহয়। মই চিত্ৰগুপ্ত আৰু এখেত যমৰাজ। তুমি যমৰ আদালতত আছা। তুমি স্বৰ্গলৈ যোৱা নে নৰকলৈ যোৱা তাকেই চাবলৈ এই বিধানৰ কাৰ্যসূচী কৰোৱা হৈছে।

বিদ্যুৎ ঃ নাই, নাই এনে হ'ব নোৱাৰে। আপোনালোকক কিমান টকা লাগে কওক আৰু মোক এৰি দিয়ক।

যমৰাজ ঃ অ' মাই গড্। এওঁ নুবুজে কিয় যে এয়াই সত্য।

বিদ্যুৎ ঃ সেয়া ধৰা পৰি গ'ল। আপুনি যদি যমৰাজেই হয় তেতিয়া আপুনি ইংৰাজীত কেনেকৈ কথা পাতি আছে।

চিত্ৰগুপ্ত ঃ যমৰাজে সকলো ভাষাই ক'ব আৰু লিখিব পাৰে।

বিদ্যুৎ ঃ কি?

চিত্ৰগুপ্ত ঃ পৃথিৱীৰ সকলো ভাষাই তেখেতে জানে— উদাহৰণ স্বৰূপে বাংলা ভাষা।

যমৰাজ ঃ আমি অল্প অল্প বাংলা বলতে পাৰি।

চিত্ৰগুপ্ত ঃ চীন দেশৰ ভাষাও ক'ব পাৰে।

যমৰাজ ঃ চিং মিং চিং চাং চুং চাং ফা।

বিদ্যুৎ ঃ অ' মাই গড্।

যমৰাজ ঃ চিত্ৰগুপ্ত কাৰ্যসূচী আৰম্ভ কৰক।

চিত্ৰগুপ্ত ঃ নিশ্চয় যমৰাজ। আপুনি তালিকাখন ধৰক। (চিত্ৰগুপ্তই তালিকাখন যমৰাজৰ হাতত দিয়ে)

চিত্ৰগুপ্ত ঃ সৰগপাল আপুনি আৰম্ভ কৰক।

সৰগপাল ঃ হয় মহাশয়, তেওঁ বৰ ভাল মানুহ, ভদ্ৰ, ব্যৱহাৰপাতিও ভাল।

চিত্ৰগুপ্ত ঃ ধন্যবাদ। নৰকপাল এতিয়া আপুনি কওক এখেতৰ কথা। (নৰকপালে খঙতে হেতাখন দলিয়াই দিয়ে আৰু বিদ্যুতক আক্ৰমণ কৰিব আহে।)

নৰকপাল ঃ এই মানুহটো ভাল নহয়।

চিত্ৰগুপ্ত ঃ ৰ'ব নৰকপাল উগ্ৰ নহ'ব।

নৰকপাল ঃ আপুনি আঁতৰ হওক ডাঙৰীয়া।

চিত্ৰগুপ্ত ঃ ফট্ ফট্

নৰকপাল ঃ ধেৎ। (দুয়োৰে যুদ্ধ কৰিবলৈ অংগি-ভংগি দেখুৱায়, পাছত যমৰাজে আহি কাজিয়া ভাঙে)

যমৰাজ ঃ ৰ'ব আপোনালোকৰ কাণ্ডজ্ঞান নাই নেকি? নৰকপাল,

চিত্ৰগুপ্ত নিজৰ নিজৰ জেগালৈ যাওক। নৰকপাল কওক এতিয়া।

নৰকপাল ঃ ই এটা ডাঙৰ পাপী।

বিদ্যুৎ ঃ নহয়, নহয়।

নৰকপাল ঃ ই গোটেই অসমৰ ৰাইজৰ পইচা মাৰিছে। সাধাৰণ ৰাইজক ঠগিছে। ট্ৰেডিং কৰিব বুলি সাধাৰণ মানুহক ঠগিছে। পাতি লোৱা বায়েকক বিয়াও দিলে, এতিয়া ই কোটিপতি।

যমৰাজ ঃ এইবোৰ কি শুনিছোঁ। এওঁ মানে এটা স্কেমাৰ, হয়নে চিত্ৰগুপ্ত?

চিত্ৰগুপ্ত ঃ হয়, হয় মহাশয়।

বিদ্যুৎ ঃ নহয় যমৰাজ।

নৰকপাল ঃ ঐ তই কাৰ আগত মিছা মাতিব আহিছ, গৰম তেলত দিয়েই দিওঁ নেকি এইটোক।

চিত্ৰগুপ্ত ঃ ৰ'ব নৰকপাল। বিদ্যুৎ মিছা কথা ক'লে তোমাৰ পাপৰ ভাৰ আৰু বাঢ়িব। সঁচা কথা কোৱা।

বিদ্যুৎ ঃ হয়, মই এটা প্ৰৱঞ্চক, পাপৰ পইচাৰে মই পাতি লোৱা বাইদেউক বিয়া দিছিলোঁ। কিন্তু অনুগ্ৰহ কৰি মোক এৰি দিয়ক।

যমৰাজ ঃ প্ৰৱঞ্চনাৰ দৰে পাপৰ শাস্তিটো কেৱল নৰকত। নৰকপাল লৈ যাওক এই প্ৰৱঞ্চকটোক।

চিত্ৰগুপ্ত ঃ বাপ্‌ৰে এইটোতো অপেন এণ্ড চাট কেচ আছিল। (নৰকপালে বিদ্যুতক ধৰি লৈ যায়)

নৰকপাল ঃ তোকতো মেৰিনেট কৰি ভাজিম। তই যা ৰেইটিং ৰুমত। মই কাৰ্যসূচী শেষ হোৱাৰ পাছত যাম। (নৰকপালে তাক নৰকৰ ফালে দলিয়াই দিয়ে)

যমৰাজ ঃ দ্বিতীয়জন মৃতকক মাতক চিত্ৰগুপ্ত।

চিত্ৰগুপ্ত ঃ হয় মহাশয়।
(চিত্ৰগুপ্তই আকৌ এডাল ৰছী টানে আৰু এইবাৰ ঝুনাকংকন ভূঞা আহে।)

চিত্ৰগুপ্ত ঃ এওঁ ঝুনাকংকন ভূঞা। তুমি এইয়া যমৰ আদালতত। ইয়াত তুমি নৰকলৈ যাবা নে স্বৰ্গলৈ যাবা তাৰ বিচাৰ কৰা হ'ব।

যমৰাজ ঃ বাৰু কওকচোন এখেতৰ কথা।

নৰকপাল ঃ হৰি— এই ল'ৰাজনে আত্মহত্যা কৰিছে। বোপা তই নৰকলৈ আহি যা।

সৰগপাল ঃ কি? আত্মহত্যা কৰিছে?

চিত্ৰগুপ্ত ঃ আত্মহত্যা?

যমৰাজ ঃ বাবা তুমি আত্মহত্যা কৰিছিলা? কিন্তু কিয়, ক'ত আৰু কেতিয়া?

চিত্ৰগুপ্ত ঃ কেতিয়া মানে, এইমাত্ৰ মৰিছে। কিয়, ক'ত আত্মহত্যা কৰিছে সেই কথাটো এওঁৰ ছুইচাইড ন'টখনে ক'ব।

ঝুনাকংকন ঃ আপোনালোকৰ ওচৰত সেই ন'টখন ক'ৰ পৰা আহিলে?

চিত্ৰগুপ্ত ঃ বোপা মই চিত্ৰগুপ্ত আৰু এখেত যমৰাজ আৰু তুমি যমলোকত আছা। আমাৰ ওচৰত সকলো বস্তুৰেই থাকে। এতিয়া তুমি এইখন পঢ়া।

ঝুনাকংকন ঃ পিতাই... নিলিখোঁ বুলিও তোলৈ লিখিলোঁ। পাৰিলে তই মোক ক্ষমা কৰি দিবি। তই পঠোৱা টকাৰে মোৰ আৰু নুজুৰে। অ' পিতাই এতিয়া মই ডাঙৰ হ'লোঁ, লগৰ বহুতেই ১০০ কিলোমিটাৰ স্পীডত পালচাৰ ১৮০৩ সন্মুখেদি উৰুৱাই গুচি যায়। পিতাই, বুকুখন বৰকৈ বিষায়, লওঁ বুলিও চাইকেলখনেই ল'ব পৰা নাই। তই জাননে আমাৰ গাঁৱৰ পৃথিৱীখনৰ বাহিৰেও আৰু পৃথিৱী আছে। কোনো কাৰো আপোন হ'ব নোৱাৰে কাহানিও। এটা কথা কি জাননে? গাঁৱৰ বোকা-পানীয়েই ভাল। চহৰৰ আকাশখন ইমান সৰু। মই বহুত ডাঙৰ হ'লোঁ। ওচৰেদি কোনোবা ছোৱালী পাৰ হ'লে হোষ্টেলৰ চাদত বহি সুহুৰি মাৰিব পৰা হ'লোঁ। কাৰোবাৰ ৰোলকলত প্ৰক্সি মাৰিব পৰা হ'লোঁ। দেউতা, বেয়া নাপাবি মোৰ এতিয়া টেটুগুৰিলৈকে ধাৰ অ' পিতাই। বন্ধুবৰ্গৰ অনুগ্ৰহত অভিনন্দন বা দীপাৱলীত এসাজ খাওঁ। তহঁতে চাগে এতিয়াও দালি-ভাতেই খাই আছ। পিতাই আজিৰ পৰা তই মোৰ ঠিকনাত একো নিলিখিবি, মা তই মোক আৰু পিঠা-নাৰিকলৰ লাডু নপঠাবি। মই যাওঁগৈ আৰু এই যান্ত্ৰিক চহৰখনৰ লগত মই শেষ হৈ যাওঁ। পিতাই যাওঁগৈ মই।

সৰগপাল ঃ জীৱনটো আৰম্ভ হোৱাৰ আগতেই শেষ কৰি পেলালা যে?

যমৰাজ ঃ আত্মহত্যাৰ শাস্তি কেৱল নৰক। কিন্তু তোমাক আমি পুনৰ জন্ম দিম।

ঝুনাকংকন ঃ কিয়?

চিত্ৰগুপ্ত ঃ তুমি আম খোৱা, গুটি গণ্টি নকৰিবা।

যমৰাজ ঃ সৰগপাল এওঁক তোমাৰ ওচৰতে ৰাখা। কাৰ্যসূচী

শেষ হ'লে পুনৰ জন্ম দিম। সৰগপাল তুমি মোৰ ওচৰলৈ আহা।

(ঝুনাকংকন খোজকাঢ়ি সৰগপালৰ পিনে যায়)

যমৰাজ ঃ দেখিছেনে কেনেকুৱা মানুহ, নিজৰ জীৱনৰ মূল্য বুজি নাপায়।

নৰকপাল ঃ কিমান পুণ্য কৰাৰ পাছত মানুহ জন্ম পায় আৰু কিছুমানে তাক লৈও বেমেজালি কৰে।

যমৰাজ ঃ বাৰু বাদ দিয়ক। চিত্ৰগুপ্ত অন্তিমজন মৃতকক মাতক।

(চিত্ৰগুপ্তই শেষবাৰৰ বাবে ৰছীডাল টানে। ওলাই আহে দিপালী, তাইৰ হাতত এটা কেঁচুৱা থাকে।)

চিত্ৰগুপ্ত ঃ এওঁ দিপালী...

দিপালী ঃ মাইনা, মাইনা... তই নামাত কেলৈ, তই মনে মনে আছ যে? অ' মাইনা কিবা এটা ক।

যমৰাজ ঃ কিহৰ ইমান চিঞৰ-বাখৰ কৰি আছে এখেতে চিত্ৰগুপ্ত।

দিপালী ঃ মই চিঞৰিছিলোঁ জানে, বহুত চিঞৰিছিলোঁ, কিন্তু কোনো নাহিলে।

নৰকপাল ঃ আপোনাৰ লগত কোনে জঘন্য কাণ্ড কৰিলে। সিহঁতক পৃথিৱীতে নৰকৰ সোৱাদ দিব লাগে।

যমৰাজ ঃ ভালকৈ কওক এওঁৰ কি হ'ল, তেতিয়া মই ভাল বিচাৰ কৰিম।

চিত্ৰগুপ্ত ঃ তেওঁক তেওঁৰ পৰিয়ালে হত্যা কৰিছে আৰু লগতে গৰ্ভত থকা সন্তানটিকো হত্যা কৰিলে।

যমৰাজ ঃ কিন্তু কিয়?

চিত্ৰগুপ্ত ঃ কাৰণ এওঁৰ পৰিয়ালৰ মতে এওঁৰ গৰ্ভত এজনী ছোৱালী সন্তান আছিল আৰু তেওঁলোকৰ ঘৰত ছোৱালী সন্তান জন্ম হোৱাটো পাপ।

যমৰাজ ঃ কি যে মানৱ সমাজ। মানুহবোৰ ইমান তুচ্চ জীৱ কেতিয়াৰ পৰা হ'ল।

সৰগপাল ঃ এনেক্ষেত্ৰত আপুনি কি বিচাৰে যমৰাজ?

দিপালী ঃ আপোনালোক কোন? আপোনালোকে মোৰ মইনাজনীক লৈ যাব বিচাৰে নেকি? মই আপোনালোকক মইনাক একো কৰিব নিদিওঁ।

যমৰাজ ঃ সৰগপাল তেওঁক আপোনাৰ ওচৰত ৰাখক।

সৰগপাল ঃ হয়, মহাৰাজ।

(সৰগপালে তেওঁক সৰগৰ ফালে লৈ যায়)

দিপালী ঃ ক'ত নিছে মোক এৰি দিয়ক। মোৰ মইনাজনীক একো নকৰিব।

যমৰাজ ঃ নৰকপাল আৰু সৰগপাল আপোনালোক যাব পাৰে। আজিৰ কাৰ্যসূচী ইমানতেই সামৰণি পৰিছে।

(নৰকপাল আৰু সৰগপাল যমলোক এৰি গুচি যায়)

চিত্ৰগুপ্ত ঃ দেখিলেনে আজিৰ লীলা। কোনোবা পাপৰ ভাৰ লৈ জীয়াই আছিল, কোনোবাই নিজৰ প্ৰাণ লৈ ল'লে আৰু কোনোবাৰ একো দোষ নথকাকৈ মৃত্যুক সাবটি ল'লে।

যমৰাজ ঃ মানৱীয়তা পৃথিৱীত নোহোৱা হৈছে।

চিত্ৰগুপ্ত ঃ ঠিকেই কৈছে যমৰাজ।

যমৰাজ ঃ ব'লক আমি পৃথিৱীৰ পৰা আহোঁ কাৰোবাৰ আকৌ মৃত্যু হৈছে নেকি চাই আহোঁ।

চিত্ৰগুপ্ত ঃ হয় ব'লক। লগত এই সৰগত থকা ল'ৰাজনক পৃথিৱীত থৈ আহোঁ।

তেওঁলোক গৈ থাকে।

# The Last Stitch

**Sermili Engtipi**
B.A. 4th Semester, Department of Geography

Characters :
* Eliza (705) : A frail woman, her hands gnarled with age. Dressed in faded but clean clothes.
* Martha (505) : Eliza's daughter. Worn and weary, but with a practical air.
* Voice (0.5) : A kind, but firm voice.

A sparsely furnished room. A small window looks out onto a grey sky. A worn armchair sits centre stages. A small table holds a sewing basket and a half finished quilt.

(The scene opens with Eliza sitting in the arm chair, her eyes closed. Martha enters quietly, carrying a bowl of soup. She places it on the table and approaches her mother cautiously)

Martha : Ma? Are you awake?
(Eliza opens her eyes slowly, a flicker of recognition in them)

Eliza : Martha? Is that you?

Martha : Yes, Ma. I brought you some soup.
(Martha helps Eliza sit up and gently spoons the soup into her mouth. Eliza eats slowly, her monuments frail.)

Eliza : It's ..... It's good, dear, thank you.

Martha : You're welcome, Ma.
(A long silence stretches between them. Martha clears the table and picks up the sewing basket)

Martha : I thought I'd work on your almost finished now.
(Martha sits and begins to stitch, her movements mirroring her mother's slow, deliberate one. Eliza watches her, her gaze distant)

Eliza : It's .... It's a beautiful quilt, Martha. Just like your father's.

Martha : (Softly) I remember him working on it. He always said it was a symbol of our family. Each patch, a memory.

Eliza : (A sigh) Memories.... they fade, Martha. Like ..... like old cloth.

Martha : Not all of them, Ma. Some stay bright. Like this quilt.
(Martha holds up a patch, a faded floral print)

Martha : Remember this one? From your wedding dress. (Eliza's eyes light up of or a moment)

Eliza : Yes.... your father... he was so handsome.
(The light fades from Eliza's eyes. She closes them again)

Martha : (Quietly) He's waiting for you Ma. (Eliza doesn't respond)
(Martha continues to stitch, her tears falling silently onto the quilt. The voice speaks gently but firmly)

Voice (0.5) : Eliza
(Eliza eyes fleeter open. A faint smile touches her lips)

Eliza : Thomas?
(Eliza's hand reaches out, as if grasping for something. Martha takes her hand and holds it tightly.)

Voice (0.5) : Come home, Eliza
(Eliza's breathing becomes shallow. She closes her eyes again, the smile still on her lips)

Martha : (Whispering) I love you, Ma.
(Martha kisses her mother's forehead. She continues to hold her hand, even after Eliza's breathing ceases. Martha finishes the last stitch on the quilt. She drapes it gently over her mother's still form. She sits beside her, head boned, as the light fades to black.)

# The Last Letter

**Rupmili Engtipi**
B.Sc. 4th Semester
Department of Botany

Characters :

* Anna : A middle aged woman, frail and melancholic.
* Nurse : A young, compassionate caregiver
* Settings : A small, dimly lit hospital room. A single bed, a bedside table with a lamp, a chair.
* Scene : Anna sits on the bed, her eyes closed, looking frail and disoriented. The nurse enters quietly, carrying a tray with a glass of water.

Nurse : (Softly) Mrs. Anna? It's time for your water.
(Anna opens her eyes slowly, gazing blankly)

Anna : (Whispering) No, dear. Just a little sip to refresh you.
(The Nurse helps Anna drink, then sits beside her on the chair. Anna looks around the room, her gaze lingering on a small, worn envelope on the bedside table)

Anna : (Quietly) that letter.

Nurse : (Following her gaze) Oh, Yes. You've been wanting to read it again, haven't you?
(The nurse picks up the envelope and hands it to her. Anna carefully opens it, revealing a yellowed, handwritten letter.)

Anna : (Reading softly) "My dearest Anna... I will always be with you, even when the stars fade away..."
(She pauses, her eyes welling up)

Nurse: (Softly) Who is it from, Mrs. Anna?

Anna : (Voice trembling) My husband. He wrote this before he left.
(She closes the letter, clutching it to her chest.)

Nurse : (Comforting) It must be hard to lose someone you love so much.

Anna : (Looking at the Nurse) I feel like I'm losing everything. My memories, my strength...even time itself feels like it's slipping away.
(The Nurse takes Anna's hand gently)

Nurse : You're not alone, Mrs. Anna. We are here with you.

Anna : (Smiling weakly) I just... I just want to remember him. To feel like he's still here with me.
(She opens the letter again, reading silently for a moment)

Nurse : (Looking at Anna) I believe he can feel your love, Mrs. Anna. Always.
(Anna closes her eyes, her lips moving slightly as if speaking to her husband in the letter. The Nurse watches quietly, her heart is heavy with compassion. As moment passes, and Anna's breathing becomes slow and steady. She appears to be drifting off to sleep.)
(Fade out)

Themes : Grief, loss, the power of memory, love that transcends death.

Note : This one-act play can be adopted to suit different acting styles and interpretations. The emphasis is on the emotional journey of a woman reminiscing about her late husband through a cherished letter, highlighting the bittersweet nature of love and loss in the face of mortality.

# Echoes in the Mind

**Sneha Borkataki**
6th Semester
Department of Geography

Characters :
* Ananya : A young women battling mental health issues, struggling with anxiety and depression.
* Mother : A concerned but unaware parent who doesn't fully understand Ananya's struggles.
* Friend (Riya) : Ananya's close friend who tries to be supportive but often feels helpless.
* Doctor/Therapist : A professional who guides Ananya through her struggles.
* Inner Voice : The personification of Ananya's intrusive thoughts.

Setting : A dimly lit room with a bed, a desk, and a large mirror. The mirror is crucial; it sometimes reflects Ananya's real self, but other times it distorts her thoughts.

**Scene 1 : The silent struggle**

(The stage is dimly lit. Ananya sits on the bed, staring blankly ahead. Her phone vibrates, but she ignores it. The mirror reflects her, but suddenly, her reflection speak the inner voice)

Inner Voice : (Smirks) you're wasting your time again, aren't you? Everyone else is moving forward, and here you are... stuck.

Ananya : (Softly) Stop.... please

Inner Voice : Oh, but you need me. Who else will remind you of your failures?

(Ananya covers her ears. The door knocks. She quickly wipes her face as her mother enters)

Mother : Ananya, why don't you come outside? You've been locked in here all day.

Ananya : I just..... I'm tired, Maa.

Mother : (Sighs) You always say that. Just get some fresh air. It's all in your head, beta.

(Ananya flinches. The inner voice laughs silently in the mirror)

**Scene 2 : A Friends' Concern**

(Later, Ananya sits at her desk, scrolling aimlessly on her phone. A message from Riya pops us : "Talk to me". After hesitation, she picks up the call)

Riya : Ananya! Finally, you answered. Where have you been?

Ananya : Just ...... around.

Riya : You missed class again. Are you okay?

Ananya : I don't know. Nothing feels okay. It's like I'm drowning, but no one even sees it.

Riya : (Pauses) I see you, Ananya. And I care, maybe you should talk to someone? A therapist?

Ananya : Therapy won't fix me.

Inner Voice : (Whispers) You're beyond fiving.

(Ananya's grip tightens on the phone. The stage darkens except for the mirror, where her reflection distorts again)

**Scene 3 : The Breaking Point**

(The stage shifts to a therapist's office. Ananya sits across from the doctor, arms crossed, hesitant)

Doctor : Ananya, I know this is hard. But tell me - what's going on inside your mind?

(Silence. The inner voice starts whispering loudly, filling the stage with echoes.)

Inner Voice : Weak. Broken. Useless.

Doctor : Ananya?

(Tears well in her eyes. Finally she speaks.)

Ananya : I don't want to feel like this anymore.

(The Inner voice falters. The mirror begins to reflect her true self - sears, but willing to fight.)

**Scene 4 : A small light**

(Back in her room, Ananya looks at herself in the mirror. The Inner voice is still there, but quieter)

Inner Voice : You'll never be completely free.

Ananya : (Softly) Maybe not. But I'll learn to live with you. And one day, you won't be so loud.

(She opens the window, letting in fresh air. A text from Riya reads : "Here for you, always". Ananya takes a deep breath as the stage fades to black)

# ছাত্ৰী একতা সভা, ২০২৪-২৫বৰ্ষৰ বিষয়ববীয়াৰ প্ৰতিবেদন

# ছাত্ৰী একতা সভাৰ সভাপতিৰ প্ৰতিবেদন



১৯৬২ চনৰ ১২ ছেপ্টেম্বৰত স্বৰ্গীয় মহেশ চন্দ্ৰ দেৱ গোস্বামী দেৱৰ প্ৰচেষ্টাত জন্ম লাভ কৰা মধ্য অসমৰ একমাত্ৰ নাৰী শিক্ষাৰ প্ৰাণকেন্দ্ৰস্বৰূপ নগাঁও ছোৱালী কলেজ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত অৰিহণা আগবঢ়োৱা মহান ব্যক্তিসকলক শ্ৰদ্ধা জনাইছোঁ। লগতে এই জয় যাত্ৰাৰ অংশীদাৰ হোৱা পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়াকে প্ৰমুখ্য কৰি মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা ছাত্ৰী আৰু সতীৰ্থবৃন্দলৈ কৃতজ্ঞতা আৰু ধন্যবাদ জনাইছোঁ।

আন ছোৱালী সকলৰ দৰে এখন ভাল কলেজত পঢ়া মোৰো সপোন আছিল। সেয়েহে ২০২২ চনত উচ্চতৰ মাধ্যমিক পৰীক্ষাত উত্তীৰ্ণ হৈ স্নাতক শিক্ষা গ্ৰহণৰ উদ্দেশ্যে নগাঁও ছোৱালী কলেজত নামভৰ্তি কৰিছিলোঁ। কাৰ্বিআংলং জিলাৰ এখন সৰু গাঁৱৰ পৰা আহি ঘৰৰ পৰা দূৰত থাকি নগাঁও চহৰত পঢ়াতো মোৰ বাবে এক নতুন অভিজ্ঞতা আছিল। মই নগাঁও ছোৱালী কলেজৰ পদ্মাৱতী দেৱী ফুকননী ছাত্ৰী নিবাসৰ এগৰাকী আৱাসী আছিলোঁ। আগতে পঢ়ি অহা কলেজৰ তুলনাত নগাঁও ছোৱালী কলেজৰ পৰিৱেশ আৰু সুযোগ-সুবিধা যথেষ্ট উন্নত আছিল। মই নগাঁও ছোৱালী কলেজৰ দৰ্শন বিভাগৰ এগৰাকী নিয়মীয়া ছাত্ৰী আছিলোঁ। কলেজখনৰ লগতে শিক্ষাগুৰু, বা-বান্ধৱী সকলোবোৰ যেন আপোন হৈ পৰিছিল। এনেদৰে দুটা বৰ্ষ পাৰ হ'ল। যিমানেই দিনবোৰ শেষ হ'ব ধৰিছিল সিমানেই কলেজখন আপোন হৈ পৰিছিল। অৱশেষত শেষৰটো বছৰ আহি পৰিল। সেই সময়তে ২০২৪-২০২৫ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সাধাৰণ নিৰ্বাচনৰ প্ৰচাৰ চলিছিল। মই ছাত্ৰী একতা সভা সম্পৰ্কে সম্পূৰ্ণৰূপে জ্ঞাত নাছিলোঁ আৰু এই নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাৰ হাবিয়াস নাছিল। কিন্তু ছাত্ৰী নিবাসৰ ছাত্ৰীসকলৰ হৈ আৰু বিভাগৰ ছাত্ৰী বান্ধৱীসকলৰ হৈ ২০২৪-২৫ বৰ্ষৰ ছাত্ৰী একতা সভাৰ সভানেত্ৰী পদত প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিলোঁ। তেওঁলোকৰ বিশ্বাস আৰু একান্ত প্ৰচেষ্টাত মই জয়লাভ কৰিলোঁ আৰু কলেজৰ ছাত্ৰী একতা সভাৰ ২০২৪-২৫ বৰ্ষৰ সভাপতি পদৰ গুৰু দায়িত্ব গ্ৰহণ কৰিলোঁ। এইছেগতে মই নগাঁও ছোৱালী কলেজৰ বৃহত্তৰ ছাত্ৰী সমাজক কৃতজ্ঞতা জ্ঞাপন কৰিব বিচাৰোঁ, যিসকলে মোৰ ওপৰত একান্ত আশা তথা বিশ্বাস ৰাখি মোক এই গুৰু দায়িত্ব অৰ্পণ কৰিলে আৰু কলেজখনৰ হকে সেৱা আগবঢ়োৱাৰ সুবিধাকণ প্ৰদান কৰিলে।

২০২৪ বৰ্ষৰ ১৮ নৱেম্বৰ তাৰিখে আমি কলেজৰ ছাত্ৰী একতা সভাৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিলোঁ। সেইদিনাৰ পৰাই আমি ছাত্ৰী একতা সভাই নিষ্ঠা, সততা আৰু দায়িত্ববোধেৰে কাম কৰি যাম বুলি প্ৰতিজ্ঞাবদ্ধ হৈছিলোঁ। আমাৰ প্ৰথম দায়িত্ব আহি পৰিছিল সৰস্বতী পূজা উদ্‌যাপন কৰা আৰু আমি ছাত্ৰী একতা সভাৰ সকলো সদস্য একলগ হৈ অতি উলহ-মালহেৰে সৰস্বতী পূজাভাগ উদ্‌যাপন কৰিবলৈ চেষ্টা কৰিছিলোঁ।

২০২৫ বৰ্ষৰ ১৪ ফেব্ৰুৱাৰীৰ পৰা ২০ ফেব্ৰুৱাৰীলৈ আমাৰ কলেজ সপ্তাহ সমাৰোহ অনুষ্ঠিত হৈছিল। কলেজৰ অধ্যক্ষ

মহোদয়ৰ দ্বাৰা পতাকা উত্তোলনেৰে আৰম্ভ কৰা কলেজ সপ্তাহ সমাৰোহ বিভাগীয় সম্পাদিকা আৰু বিভাগীয় তত্ত্বাৱধায়ক তথা শিক্ষাগুৰু আৰু ছাত্ৰীসকলৰ সহায়-সহযোগিতা সুকলমে সমাপ্তি ঘটে। উল্লেখনীয় বিষয় যে কলেজ সপ্তাহ সমাৰোহতে প্ৰথমবাৰৰ বাবে কলেজৰ ছাত্ৰীসকলৰ দ্বাৰা লোকবাদ্যৰ এটা দল প্ৰস্তুত কৰি ওলোৱা হৈছিল।

আমাৰ কাৰ্যকালত কলেজৰ যিকোনো সদস্যই যদি বিপদৰ সন্মুখীন হৈছিল তেন্তে আমি ছাত্ৰী একতা সভাই একত্ৰিতভাৱে সহায়ৰ হাত আগবঢ়াইছিলোঁ। ছাত্ৰী সমাজৰ প্ৰতি হোৱা প্ৰতিটো অন্যায়ৰ বিৰুদ্ধে আমি একত্ৰিত হৈ মাত মাতিছিলোঁ। ইয়াৰ উপৰিও পৰিৱেশ প্ৰদূষণৰ ওপৰত গুৰুত্ব দি প্ৰত্যেক মাহৰ প্ৰথমটো মঙ্গলবাৰে কলেজত ‘No Vehicle Day’ উদ্‌যাপন কৰিবৰ বাবে অধ্যক্ষ মহোদয়ক দাবী জনাইছিলোঁ।

**কৃতজ্ঞতাৰ শৰাই ঃ**

মোৰ কাৰ্যকালৰ প্ৰথমপৰা শেষৰ পৰ্যায়লৈকে সঠিক দিশত দায়িত্বসমূহ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ দিহা-পৰামৰ্শ আগবঢ়োৱা শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়া, সন্মানীয় শিক্ষকবৃন্দ, কৰ্মচাৰীবৃন্দ, ছাত্ৰীসকল আৰু প্ৰাক্তন ছাত্ৰী একতা সভাৰ বিষয়ববীয়াসকলৰ লগতে সতীৰ্থ বিষয়ববীয়ালৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

**সামৰণি ঃ**

সৰ্বশেষত আমাৰ কাৰ্যকালছোৱাত সেৱা আগবঢ়াই যাওঁতে অজানিতে হৈ যোৱা ভুল-ত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। এই প্ৰতিবেদনৰ দ্বাৰা সকলোলৈকে পুনৰ কৃতজ্ঞতা জনাই সভাপতিৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু নগাঁও ছোৱালী কলেজ।

জয়তু ছাত্ৰী একতা সভা।

ধন্যবাদেৰে

**প্ৰিয়ংকা বৰা**

# Report of Vice President



It is with immense pride and gratitude that I write this message as the Vice-President of the Students' Union of Nowgong Girls' College for the session 2024-25.

Being part of this institution, which carries a rich legacy of academic and cultural excellence, is both a privilege and a responsibility. I am grateful to our Principal, teachers, and well-wishers, whose constant encouragement and support made every initiative possible.

Founded with the vision of empowering women through education, our college has been a beacon of knowledge, discipline, and leadership for decades. Situated in the heart of Nagaon, it has continuously provided quality education and has nurtured countless young women to excel both academically and socially. As a student leader, I feel privileged to be a part of this legacy.

No journey is without challenges. Balancing academics with leadership duties often demanded patience and time management. Yet, every obstacle became a lesson, reminding me of the value of teamwork, adaptability, and perseverance.

As I present this report, I feel grateful for the trust placed in me and for the opportunity to serve as the Vice-President. The journey has been an unforgettable chapter of my life, filled with experiences that will always inspire me to contribute positively to society. I extend my best wishes to the upcoming Students' Union and hope they will continue the legacy with renewed zeal and dedication.

**Sushmita Devi**

# Report of General Secretary



**Introduction :**

It gives me immense pleasure to present the General Secretary report for the academic year 2024-2025 on behalf of the students' union of Nowgong Girls' College. The year has been marked by dynamic progress, enthusiastic student engagement, and collective achievements in academics, cultural pursuits, sports and social service. This report is a humble attempt to encapsulate the significant events, initiatives, and milestones that defined our journey this year as a vibrant student community.

As the General Secretary of the Students' Union, I had the privilege of witnessing the exceptional potential, energy, and creativity of our students, who continued to make our college proud in every sphere. This year was not only about events and celebrations; it was also about growth, learning, collaboration, leadership, and service to society.

**A Glance into Our Glorious Past :**

Nowgong Girls' College, established in 1962, holds a special place in the educational landscape of Assam. Born out of a vision to empower women through education the college was founded during, a time when, female education was still a challenge in many parts of India with the efforts of visionary leaders, educationists and with unwavering support of the people of Nowgong, this institution came into being as a beacon of hope and progress.

Since its inception, the college has grown in stature, offering Arts and Science streams and nurturing generations of women who have made meaningful contributions to society in fields such as education, administration, literature, science, and social service. The college remains committed to the ideals of academic excellence, cultural heritage, moral integrity, and social responsibility.

**My Personal Journey :**

From the day I first stepped into the gates of this college, I was filled with curiosity and ambition - but also nervousness and uncertainty. Being elected as the General Secretary of the Students' Union has been one of the most memorable and transformative

